# মঙলদৈ মহাবিদ্যালয় আলোচনী



৪৬ তম সংখ্যা

সম্পাদক
মঃ হামিদুৰ ৰহমান

# মঙলদৈ মহাবিদ্যালয়

## আলোচনী

৪৬ তম সংখ্যা

২০১০-২০১১ বৰ্ষ

তত্ত্বাবধায়িকা
ড° সৰযূপ্ৰিয়া দেৱী

সম্পাদক
মঃ হামিদুৰ ৰহমান

**"Mangaldai Mahavidyalaya Alochani"** : *The Annual house Journal of Mangaldai College, Published by the Magazine Department on behalf of Mangaldai College students' Union, Edited by Md. Hamidur Rahman, Secretary of Magazine Department, 2010-11 Academic Session.*

## মঙলদৈ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি ঃ


| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | শ্ৰীযুতা বন্দনা গোস্বামী |
| উপদেষ্টা | ঃ | শ্ৰীযুত নাৰায়ণ মুদৈ |
| | | ড০ বিজয় কুমাৰ শৰ্মা |
| | | ড০ প্ৰণৱ কুমাৰ শৰ্মা |
| তত্বাবধায়িকা | ঃ | ড০ সৰযূ প্ৰিয়া দেৱী |
| সম্পাদক | ঃ | মঃ হামিদুৰ ৰহমান |
| বিশেষ সদস্য | ঃ | শ্ৰীযুত মণিমুগ্ধ বৰঠাকুৰ |
| | | শ্ৰীযুতা ৰূপজ্যোতি বৰুৱা |
| | | আচেৰ উদ্দিন |
| | | শ্ৰীযুতা বিজয়া বৰা |
| | | মঃ মতলিব আলি |
| সদস্য | ঃ | শ্ৰীকিশোৰ শইকীয়া |
| | | মঃ মহচিন আলি |
| | | শ্ৰীনিকুঞ্জ ডেকা |
| | | শ্ৰীপ্ৰীতিপুষ্পা দেৱী |
| বেটুপাতৰ শিল্পী | ঃ | কুলদীপ |
| বেটুপাত পৰিকল্পনা | ঃ | সম্পাদনা সমিতি |
| স্কেচ্ অলংকৰণ | ঃ | দ্বীপশিখা শইকীয়া, |
| | | হামিদুৰ ৰহমান |
| সামগ্ৰীক পৰিকল্পনা | ঃ | সম্পাদক |
| বৰ্ণশুদ্ধি | ঃ | সম্পাদনা সমিতি |
| ছপা | ঃ | মা ভৱানী অফছেট এণ্ড এন্টাৰপ্ৰাইজ, ভেবাৰঘাট, মঙলদৈ, দৰং (অসম) |


## ঃ কৃতজ্ঞতা স্বীকাৰ ঃ


মহাবিদ্যালয় আলোচনীখনী নিজস্ব ইচ্ছা আৰু দৃষ্টিভংগীৰে উলিওৱাৰ যি হেঁপাহ আছিল তাক সাৰ্থক কৰিবলৈ বিভাগীয় সম্পাদক হোৱাত সহায় কৰা মোৰ বন্ধু-বান্ধৱী বিশেষকৈ শ্যামন্ত, প্ৰাঞ্জু, বমিজুল, দীপ, সান্তনা,দীপশিখা, প্ৰীতি, ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰী লগতে সমূহ ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আজি আলোচনীখন আপোনালোকৰ হাতত।আলোচনীখন প্ৰকাশ কৰি উলিওৱাত বিভিন্ন দিহা পৰামৰ্শৰ লগতে সহায়-সহযোগিতা কৰা মহাবিদবালয়ৰ ভাবপ্ৰাপ্ত অধ্যক্ষা মহোদয়া, আলোচনী সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া, মিনতি শৰ্মা বাইদেউ, লীনা শইকীয়া বাইদেউ, সমূহ লেখক - লেখিকা, কুলদীপ, দীপশিখা ,দীপ, কিশোৰ, লগতে মা ভৱানী অফছেটৰ সমূহ কৰ্মকৰ্তা ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ।

আলোচনীখন প্ৰকাশ কৰোতে অজানিতে বৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

-ঃ সম্পাদক ঃ-

# উছৰ্গা

যিসকল বৰেণ্য ব্যক্তিৰ মহৎ চিন্তা
আৰু আশাসুধিয়া প্ৰচেষ্টাত
এই বিদ্যামন্দিৰখনে
প্ৰাণ পালে......,
যিসকলৰ অশেষ চেষ্টা আৰু ত্যাগৰ বিনিময়ত
মহাবিদ্যালয়খনে বিভিন্ন
ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি
উন্নতিৰ এই অৱস্থাত উপনীত হৈছে
তেওঁলোককৈ এই সংখ্যাৰ আলোচনীখন
উছৰ্গা কৰা হ'ল।

*ঃ সম্পাদনা সমিতি ঃ*

# শ্ৰদ্ধাঞ্জলি

*- মৃত্যু চিৰন্তন সত্য -*



৺ প্ৰবোধ চন্দ্ৰ গোস্বামী



৺উষা বৰা



৺ লোহিত মহন্ত



৺নৱজিৎ ভদ্ৰ



৺ মোস্তাফা বাজ্জাক



৺ দিব্যজ্যোতি বড়ো

নিয়তিৰ পৰিহাস স্বীকাৰ কৰি আমাৰ মাজৰ পৰা অকালতে অনন্তলোকলৈ গমন কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৺*প্ৰবোধ চন্দ্ৰ গোস্বামী*, অসমীয়া বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপিকা ৺*উষা বড়া*, কৰ্মচাৰী *লোহিত মহন্ত*, ছাত্ৰ ৺*নৱজিৎ ভদ্ৰ*, ৺*মোস্তাফা বাজ্জাক*, ৺*দিব্যজ্যোতি বড়োৰ* বিয়োগত আমি মৰ্মাহত হৈছো। এওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাৰে সোঁৱৰিছো।

লগতে বিভিন্ন কাৰণত মৃত্যু হোৱা প্ৰতিজন জ্ঞাত-অজ্ঞাত ব্যক্তিৰ পূণ্যাত্মাৰ সদ্গতিৰ বাবে শ্ৰদ্ধা নিবেদিছোঁ।

ঃ সম্পাদনা সমিতি ঃ



বন্দনা গোস্বামী, ভাৰপ্ৰাপ্ত অধ্যক্ষা

# অধ্যক্ষাৰ এষাৰ -

মঙলদৈ মহাবিদ্যালয়ৰ এই আলোচনী প্ৰকাশৰ শুভমুহূৰ্তত মই প্ৰথমেই অশ্ৰু অঞ্জলি যাঁচিছো জীৱিত কালতেই কিংবদন্তিৰ নায়কত পৰিণত হোৱা আৰু অসমীয়া জাতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰা মহানায়ক ড° ভূপেন হাজৰিকালৈ। শিক্ষা অনুষ্ঠান এখনৰ আলোচনীৰ জৰিয়তে সেই শিক্ষানুষ্ঠানখনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। আলোচনীখনত সন্নিবিষ্ট গল্প, কবিতা, প্ৰবন্ধসমূহে পাঠক-পাঠিকাৰ অন্তৰত জ্ঞানৰ বিকাশ কৰাত সহায় কৰাৰ লগতে পাঠক সমাজক আনন্দিত কৰিব পৰাটোও আৱশ্যক। ভাল আলোচনী এখনৰ জৰিয়তে শিক্ষানুষ্ঠানৰ সুনাম হোৱাটো পৰিলক্ষিত হয়।

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে যাতে এই সোণালী জয়ন্তী অতিক্ৰম কৰা মহাবিদ্যালয়ৰ সুমান হয় তাৰে কামনাৰে -

বন্দনা গোস্বামী
ভাৰপ্ৰাপ্ত অধ্যক্ষা, মঙলদৈ মহাবিদ্যালয়



'পলাশৰ জুই নুমাল এতিয়া। শাল আৰু চতিয়ান
বনত মানৰ দিনৰ অতীত ব'হাগৰ ধুমুহাৰ
কিমান সপোন সৰি গ'ল তাৰ কোনে ৰাখে খতিয়ান
কলং কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়।
বুঢ়ী আইতাৰ কলিজাৰে গজে বন নহৰুৰ ফুল।'

- নৱকান্ত বৰুৱা

# সম্পাদকীয়

সম্প্ৰতি প্ৰতিযোগিতাৰ যুগ। এইহেন প্ৰতিযোগিতাৰ ধাম খুমীয়াত পাহৰিবলৈ ধৰিছো নিজৰ দায়বদ্ধতা। হেৰাই গৈছে ছন্দোবদ্ধ জীৱনৰ সাংস্কৃতিক ঐতিহ্য। পুৰণি সভ্যতা-সংস্কৃতিৰ উমানতে আমি জীয়াই আছো। কিন্তু দিনক দিনে পাহৰিব ধৰিছো আমাৰ বাৰেবৰণীয়া সংস্কৃতি আৰু আকোঁৱালি লৈছো পশ্চিমীয়া সংস্কৃতি। আমি হেৰুৱাব ধৰিছো জীৱনৰ ছন্দ। জীৱনৰ ছন্দ হেৰুৱালেও সংগ্ৰাম কৰি যাব লাগিব। জাতি এটাৰ জাতীয় বৈচিত্ৰ্য জীয়াই ৰাখিবলৈ সাহিত্য-সংস্কৃতি হ'ল প্ৰধান অস্ত্ৰ আৰু এই সাহিত্য-সংস্কৃতিৰ দিশত শান্তিৰ বা বলাবলৈ প্ৰয়োজন শিক্ষাৰ। যি শিক্ষানীতি প্ৰচলিত, তাক আৰু উন্নত কৰাৰ প্ৰয়োজন আছে। আমি নিজ নিজ দায়িত্ববোধ কৰ্তব্যনিষ্ঠা আৰু সততাৰে পালন কৰিলেহে জীৱনৰ উন্নতি সাধিত হ'ব।

সাহিত্য হৈছে এটা জাতিৰ মেৰুদণ্ড ; দাপোনস্বৰূপ, বাৰেবৰণীয়া সংস্কৃতিৰ এক চিৰস্বাক্ষৰ। ই হৈছে এটি নৈ য'ত বৈ আছে জ্ঞান আৰু মানৱতাৰ বাণী। সাহিত্যৰ জৰিয়তে এটা জাতি বিশ্বত মহীয়ান হ'ব পাৰে। সাহিত্যই কেৱল এটা দিশত সীমাবদ্ধ নাথাকি সকলো জাতিৰ লোকৰ মাজত ঐক্য আৰু সম্প্ৰীতিৰ বীজ ৰোপন কৰে। ই এটা জাতিৰ সভ্যতা প্ৰৱাহিত কৰে।

আলোচনী হ'ল সাহিত্যৰ এটি উপকৰণ। ইয়াৰ যোগেদি প্ৰতিফলিত হয় ছাত্ৰ-ছাত্ৰীৰ কল্পনাৰ ৰং ; প্ৰকাশ পায় তেওঁলোকৰ অনুভূতি, সৃষ্টিশীল মনৰ চিন্তা। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ ঘটে। আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চা কৰিবলৈ উৎসাহ পায়, লগতে ই তেওঁলোকৰ চিন্তা-চৰ্চাৰ পৰিসৰ বৃদ্ধিতো সহায় কৰে। এনেবোৰ সাহিত্যৰ ভেটি-স্বৰূপত ভুমুকি মাৰি ছাত্ৰ-ছাত্ৰীয়ে সাহিত্যিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে আৰু সাহিত্যৰ ভৰাল চহকী কৰিব পাৰে। এই সাহিত্য চৰ্চাৰ মাধ্যম স্বৰূপে মহা-বিদ্যালয়ৰ মুখপত্ৰ তথা আলোচনীখনৰ গুৰুত্ব অপৰিসীম। আশীৰ দশকত সন্ত্ৰাসৰ ধুমুহাই আন্দোলি [illegible] অসমৰ পৰিৱেশ তথা পৰিস্থিতিৰ বৰ্তমান বহু পৰিৱৰ্তন হৈছে। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে মানুহৰ জীৱনত যান্ত্ৰিকতাৰ জাল তৰি আবেগ অনুভূতিক মোহাৰি পেলাইছে । যুগৰ যান্ত্ৰিকতাই নতুন প্ৰজন্মক গভীৰভাৱে প্ৰভাৱিত কৰিছে। উশৃঙ্খলতাই যুৱ প্ৰজন্মৰ বহুতকে হাত বাউলি মাতিছে। চাৰিওফালে মাথোঁ হত্যা, লুণ্ঠন, ৰক্তপাত। সকলোৱে লোভৰ বাগীত মতলীয়া। এচামে কেৱল ধন-সম্পত্তিৰ পিছত লৰি-ফুৰি নৈতিকতাৰ ফালে সম্পূৰ্ণ পিঠি দি এক বিপৰীত দিশৰ ফালে ধাৱমান হোৱা দেখা যায়। ছাত্ৰই দেশৰ ভৱিষ্যত। আজিৰ ছাত্ৰ কাইলৈ শাসক। ছাত্ৰ-ছাত্ৰী তথা আজিৰ যুৱ প্ৰজন্মই হে এখন নতুন সমাজ, এখন নিৰ্মল সমাজ গঢ়িব পাৰিব, য'ত প্ৰতিষ্ঠিত হ'ব সত্য, মানৱতা আৰু ন্যায়। এখন সুস্থ সমাজ গঢ়িবলৈ হ'লে নিজকে নিজে চিনিব লাগিব। বিশেষকৈ মহাবিদ্যালয় পৰ্য্যায়ত যুৱ সমাজত এনে মানসিকতাৰ পৰিৱৰ্তন আনিবলৈ হ'লে মহাবিদ্যালয় আলোচনীখনৰ গুৰুত্ব স্বীকাৰ কৰিবই লাগিব।

আচলতে বিদ্যালয়, মহাবিদ্যালয় আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি পায় ছাত্ৰ-ছাত্ৰীসকলৰ লেখাৰ প্ৰতি আগ্ৰহ আৰু উন্নত মানৰ চিন্তা-চৰ্চাৰ জৰিয়তে সাহিত্য চৰ্চাৰ প্ৰতি থকা মানসিকতাৰ ওপৰতহে। বৰ্তমান সময়ত এনে এক সাহিত্যৰ প্ৰয়োজন যি সাহিত্যই বিশ্বক উপলব্ধি কৰাত সহায় কৰে। আধুনিক মনক স্পৰ্শ কৰিব পৰা এক বিজ্ঞান-সন্মত দৃষ্টিভঙ্গীপূৰ্ণ সাহিত্যই হে হ'ব এক প্ৰগতিশীল সাহিত্য।

এনে গঠনমূলক সাহিত্য সৃষ্টিৰ বাবে স্বাধীনভাৱে আগবাঢ়িব লাগিব যুৱ প্ৰজন্ম।

হামিদুৰ ৰহমান
হামিদুৰ ৰহমান
সম্পাদক

Prof. O.K. Medhi
Vice-Chancellor

Phone : +91-361-2570412 (O)
Fax +91-361-2700311
email : vc _gu@yahoo.in

GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati-781014
Assam : India

# শুভেচ্ছা বাণী

মই জানিবলৈ পাই সুখী হৈছো যে, মঙ্গলদৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী (২০১০-১১ বৰ্ষ) খন প্ৰকাশৰ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ সাহিত্য, সংস্কৃতি, অগ্ৰগতি আৰু বিভিন্ন পাৰিসাংখ্যিক তথ্য দাঙি ধৰিবলৈ এখন আলোচনীৰ আৱশ্যক। মোৰ দৃঢ় বিশ্বাস আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত সাহিত্যিক প্ৰতিভা বিকশিত কৰাত সহায় কৰিব।

এই সুযোগতে আলোচনীখ[illegible] কৰ্ম-কৰ্ত্তাসকলৰ শলাগ লৈছো আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি [illegible]

তাৰিখ ঃ ২১-১২-২০১১

ডঃ অখিল কুমাৰ মেধি
উপাচাৰ্য
গুৱাহাটী বিশ্ববিদ্যালয়

# মহাবিদ্যালয় সংগীত

ৰচনা : প্ৰভাত চৌধুৰী
সুৰ আৰু স্বৰলিপি : কুমাৰ আনন্দ নাৰায়ণ দেৱ
তাল : দাদ্‌ৰা (ভাট্‌খাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

মহাজীৱনৰ মহা সাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি ।১।

অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি ।২।

বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি ।৩।




শ্বহীদ প্ৰণামো তোমাক




# মহাবিদ্যালয়ৰ মূল তোৰণ

# ' মহাবিদ্যালয় আলোচনী ' ৰ এই সংখ্যাৰ সূচীপত্ৰ

*অসমীয়া শিতান*

## প্ৰবন্ধ


যান্ত্ৰিক পদ্ধতিৰ চমু আভাস /৯ ✍ পুণ্য শৰ্মা
ৰবীন্দ্ৰ নাথৰ চুটি গল্পত নাৰী সমাজ /১২ ✍ মৌচুমী কংস বনিক
শ্ৰীধৰ কন্দলীৰ কাণখোৱাত অৱলোকন /১৪ ✍ জুবি প্ৰিয়া দেৱী
অসমীয়া লোক সংস্কৃতিত ফকৰা যোজনা /১৬ ✍ বিজয়া বড়া
অসম আৰু অসমীয়া নামৰ উৎপত্তিঃ অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিলৈ বিভিন্ন জাতিৰ অৱদান /১৯ ✍ দীপাঙ্কৰ ডেকা
অসমীয়া জনজীৱনত গামোচা /২১ ✍ নিকুঞ্জ ডেকা
বৰ্তমান সময়ত মানৱীয় প্ৰমূল্যবোধৰ সংকট /২৪ ✍ মঃ ৰেজাউল হ'ক
বিজ্ঞান আৰু দৈনন্দিন জীৱন /২৫ ✍ দীপশিখা শইকীয়া
বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা/২৭ ✍ কংকন কলিতা
গোলকীয় শাসন বিশ্ব ৰাষ্ট্ৰৰ নতুন বতৰা /২৮ ✍ জিনুমা বৰ্মন
টেলিফোন ব্যৱস্থাত বৰ্তমানৰ মোবাইল ফোন /৩০ ✍ মৃদুলা বৰুৱা
বিলুপ্তিৰ পথত ক্ষুদ্ৰতম পক্ষী ঃ হামিংবাৰ্ড /৩২ ✍ চুলতানা চাবিনা ইয়াছমিন
মাইকেল ফেৰাডে /৩৩ ✍ মঃ ৰমিজুল আখতাৰ
ইতিহাসৰ কথাৰে /৩৪ ✍ শ্ৰীনৱজ্যোতি ডেকা
দূৰ্নীতি আৰু ইয়াৰ নিবাৰণত ছাত্ৰ সমাজৰ ভূমিকা /৩৬ ✍ সৌৰভ কুমাৰ
ভাৰতৰ উন্নয়ন আৰু দূৰ্নীতি /৩৯ ✍ মঃ মছুদ আলি
দূৰ্নীতি বনাম গণ আন্দোলন /৪১ ✍ প্ৰণৱ জ্যোতি নাথ
সামাজিক ব্যাধিস্বৰূপ 'ডাইনী হত্যা' আৰু নিৰ্মূল কৰণত চৰকাৰ আৰু জনসাধাৰণৰ ভূমিকা /৪৪ ✍ নৱনীতা ডেকা
বিশ্বায়ন আৰু উদাৰীকৰণৰ যুগত ছাত্ৰ-ৰাজনীতি কিমান প্ৰাসংগিক /৪৬ ✍ স্যামন্তক ডেকা
ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ক্ষেত্ৰত জনলোকপালৰ প্ৰয়োজনীয়তা /৪৮ ✍ বেদান্ত শৰ্মা
যুব মহোৎসৱৰ এক অনুভৱ /৫১ ✍ মহেশ্বৰ ঘোষ


## গল্পৰ শৰাই


অভিমান /৫৫ ✍ মিনতি শৰ্মা
অশনি সংকেত /৫৮ ✍ সান্তনা বশিষ্ঠ
হৃদয়ত একুৰা জুই /৬০ ✍ শ্ৰীপুৰবী শইকীয়া
সূৰ্য্যাস্ত /৬৩ ✍ দিপ্তীমা ভৰালী
এজাক বৰষুণ আৰু এটা সপোন /৬৫ ✍ নিখিল কুমাৰ নাথ
অনুভৱৰ সিপাৰে তুমি /৬৭ ✍ প্ৰীতিপুষ্পা দেৱী
বৈপৰীত্য /৬৯ ✍ পাপৰি কৌশিক


## ৰস ৰচনা


ইন্টাৰভিউৰে গঠা জীৱনবোৰ /৭১ ✍ জগৎ শৰ্মা
মধ্যাহ্ন ভোজন /৭৩ ✍ অসীম মহন্ত
*নীলা খামৰ চিঠি* /৭৪ ✍ প্ৰণৱ জ্যোতি নাথ


## কবিতা


অৱনুৰাৰ কাহিনী /৭৬ ✍ ড° প্ৰমোদ শৰ্মা
মোক লৈ ব্যস্ত নহবা এতিয়াৰ পৰা /৭৭ ✍ পুষ্পাঞ্জলী শিৰম
নিৰ্মল প্ৰশান্তি /৭৭ ✍ ভাগ্য দেৱী
মৰীচিকা /৭৮ ✍ গায়ত্ৰী গন্ধৰ্ব
মোৰ সপোন /৭৮ ✍ মঃ জুলফীকাৰ ৰহমান

## 'মহাবিদ্যালয় আলোচনী'ৰ এই সংখ্যাৰ সূচীপত্ৰ

অচিনাকী তুমি হেৰাই গলা /৭৯ ✍ ৰীতামণি কলিতা
গুজি গুজি দিম ভালপোৱাৰ সেউজীয়া /৭৯ ✍ শ্ৰীদীপশিখা হাজৰিকা
মংগলদৈ এটি দুখৰ পৃষ্ঠা হৈ ৰ'ব তোমাৰ শূণ্যতাত /৮০ ✍ শ্ৰীপৰাগ কাশ্যপ
অভিমানী দুচকু /৮০ ✍ পলাশী নাথ
সেউজীবুলীয়া সপোনবোৰ বৰষুণৰ দৰে নামিছিল /৮১ ✍ হিমাংশু শৰ্মা
শৰৎ /৮১ ✍ বৰৰ্ষা শৰ্মা
সমুদ্ৰতীৰ /৮২ ✍ শ্ৰীগকুল চন্দ্ৰ শৰ্মা
গোপনে গোপনে .......... /৮২ ✍ ভাৰ্গৱ কুমাৰ বৰুৱা
নিলানীকুঞ্জী নহ'বা তুমি /৮৩ ✍ মাহমুদা বশ্মি ছিদ্দিকা
পূৰ্ণিমাৰ জোনটোত থকা দাগ /৮৩ ✍ শ্ৰীজয়শ্ৰী দেৱী
অটব্য ছায়াত্ সাকোখন দীঘল /৮৪ ✍ কুলদীপ কুমাৰ চহৰীয়া
আজি তুমি কইনাৰ সাজপিন্ধিবা /৮৫ ✍ মিছ চেমিমা নাজৰিণ খানম
সুখৰ ঠিকনা /৮৫ ✍ শ্ৰীদীপাঞ্জনা ভাগৱতী
স্বাধীনতা তুমি কিমান সত্য /৮৬ ✍ কিশোৰ শইকীয়া
মংগলদৈ মহাবিদ্যালয় /৮৭ ✍ নিকুঞ্জ হাজৰিকা
সন্ত্ৰাসবাদ /৮৭ ✍ কাকলি কলিতা
সপোন /৮৮ ✍ মঃ মুক্তাৰ হুছেইন
জোনাক /৮৮ ✍ মঃ হাছানুৰ ৰহমান
ক্লান্তিহীন অপেক্ষা /৮৯ ✍ দীপজ্যোতি ডেকা
সপোন কোঁৱৰ বিচাৰি /৮৯ ✍ মিছঃ চাইনা বেগম
তুমি আৰু মই /৯০ ✍ শ্ৰীপ্ৰাঞ্জল বৰা
পৃথিৱীত চলিছে সন্ত্ৰাসবাদীৰ ৰাজত্ব /৯০ ✍ মঃ হামিদুৰ ৰহমান

# English Section

## Poems

My Mother / 93 ✍ M.D. Rauson Ali
Hope / 93 ✍ Bristi Barnalee Deka
My Beloved College / 94 ✍ M.D. Rajaul Hoque
A Rainy Evening / 94 ✍ Sri Dipjyoti Deka
Fun at Traveling / 95 ✍ Sri Priyanka Das
To loveable someone / 95 ✍ Akhtar Hussan

## Essay

Learner centric education : A New Dimension in Higher Education / 96 ✍ Mrs. Babita Sarmah
Philosophy and Science - Its role in Social Intregration / 97 ✍ Manju Kalita
Present Status of Indian Higher Education and some pertinent thinking / 100 ✍ Usha Rani Deka
Arabic Language and Employments Prospects / 102 ✍ M.D. Abul Qasim
The Virus / 104 ✍ Nirmali Deka
Remote Sensing and GIS / 106 ✍ M.D. Asad Ali
Kaziranga National Park / 107 ✍ Mausumi Sarma
Call of Blue Hills / 109 ✍ Nazia Sultana
বিভাগীয় প্ৰতিবেদন সমূহ /১১১ ৰ পৰা ১১৮ লৈ


অসমীয়া শিতান

# ষান্মাষিক পদ্ধতিৰ চমু আভাষ

— শ্ৰী পুণ্য শৰ্মা
বিভাগীয় মুৰব্বী আৰু সহযোগী অধ্যাপক
পৰিসংখ্যা বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয় সমূহৰ তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম ২০১১-১২ বৰ্ষৰ পৰা যান্মাষিক পদ্ধতি Semester আৰম্ভ কৰিছে। যান্মাষিক অৰ্থাৎ ছমহীয়া ; আগৰ বছৰেকীয়া শিক্ষান্ত পৰীক্ষাৰ পৰিবৰ্তে ছমাহে ছমাহে পৰীক্ষা অনুষ্ঠিত হোৱাৰ উপৰিও আভ্যন্তৰীণ নিৰীক্ষণৰ জৰিয়তেও নিয়মিত মূল্যায়নৰ ব্যৱস্থা থাকিব। গতিকে নতুন পদ্ধতিৰ বিষয়ে কিছু জানিব লগা কথা ইয়াত আলোচনা কৰিবলৈ লোৱা হৈছে।

১। Degree (উপাধি) ঃ BA/B.Sc. B.Com
Name of Course (পাঠ্যক্ৰমৰ নাম) ঃ Three years Degree course (T.D.C)

২। ১ম, ৩য় আৰু ৫ম যান্মাষিকৰ সময়সূচী হ'ব জুলাই ১৬ ৰ পৰা ১৫ জানুৱাৰীলৈ। আনহাতে ২য়, ৪ৰ্থ আৰু ৬ষ্ঠ যান্মাষিকৰ সময় হ'ব ১৬ জানুৱাৰীৰ পৰা ১৫ জুনলৈ। জুন ১৬ ৰ পৰা জুলাই ১৫ লৈ গৰমৰ বন্ধ থাকিব।

৩। প্ৰতিটো বিষয়ৰ ২০% নম্বৰ মহাবিদ্যালয়ে আভ্যন্তৰীণ মূল্যায়ন কৰাৰ বিপৰীতে ৮০% নম্বৰ মূল্যায়ন কৰিব বিশ্ববিদ্যালয়ে। ব্যৱহাৰিক পৰীক্ষাত উত্তীৰ্ণৰ বাবে ন্যূনতম নম্বৰ ৪০% আৰু Theory ৰ বাবে ৩০% নম্বৰ লাগিব।

৪। পৰীক্ষাত অৱতীৰ্ণ নোহোৱা বা অনুত্তীৰ্ণ ছাত্ৰই পুণৰ এবছৰৰ পিছতহে সেই পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। অৰ্থাৎ ১ম যান্মাষিক উত্তীৰ্ণ নহ'লে ৩য় যান্মাষিকৰ লগতহে সেই পৰীক্ষা দিব পাৰিব। ২য় যান্মাষিকৰ লগত দিব নোৱাৰিব।

৫। ১ম, ২য়, ৩য়, ৪ৰ্থ আৰু ৫ম যান্মাষিকৰ যিকোনো এটা বিষয়ৰ এখন কাকতহে 'repeat' দিব পাৰিব। আনহাতে ৫ম যান্মাষিকৰ এখন কাকতত ৪৫% তকৈ কম নম্বৰ হ'লেহে Betterment দিব পাৰিব। কিন্তু ব্যৱহাৰিক (Practical) পৰীক্ষাৰ ক্ষেত্ৰত এই ব্যৱস্থা নাই।

৬। তিনিবছৰীয়া পাঠ্যক্ৰম মুঠ পাঁচ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগিব আৰু যিকোনো এটা যান্মাষিকৰ বাবে ক্ৰমশঃ তিনিবাৰহে সুযোগ পাব। অন্যথা ১ম যান্মাষিকত পুনৰ নামভৰ্তি কৰিব লাগিব।

৭। নিয়মিত আভ্যন্তৰীণ মূল্যায়নৰ ব্যৱস্থা থকাৰ বাবে প্ৰাইভেট পৰীক্ষাৰ্থীয়ে নামভৰ্তিৰ সুযোগ নাপাব।

৮। কমেও ৭৫% শ্ৰেণীত উপস্থিত থাকিব লাগিব, অন্যথা পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব। আনহাতে উপস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি মূল্যাংকন কৰা নহয়।

৯। এই নিয়মবোৰৰ বাহিৰত কোনো সমস্যা উদ্ভৱ হ'লে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৪৯ চনৰ আইন প্ৰযোজ্য হ'ব।

পাঠ্যক্ৰম ঃ তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ মুখ্য বিষয় সহ সৰ্বমুঠ নম্বৰ ২৬০০ আৰু মুখ্য বিষয় নাথাকিলে ২০৫০ হ'ব। পৰ্যায়ক্ৰমে নম্বৰ আৰু ক্ৰেডিটসমূহ তলৰ তালিকাত উল্লেখ কৰা হৈছে। ১০০ নম্বৰ কাকতৰ বাবে মুঠ ক্ৰেডিট হ'ব ৮ অৰ্থাৎ প্ৰতি সপ্তাহত ৮ ঘণ্টা শ্ৰেণী অনুষ্ঠিত হ'ব। সেই অনুপাতে ৭৫ নম্বৰৰ বাবে ৬ আৰু ৫০ নম্বৰৰ বাবে ৪ ক্ৰেডিট থাকিব। আনহাতে ব্যৱহাৰিক শ্ৰেণীত দুঘণ্টাতহে এক ক্ৰেডিট গণ্য কৰা হ'ব।

মুঠ নম্বৰ আৰু ক্ৰেডিটৰ তালিকা ঃ

Total marks and total credit for major course in T.D.C.

মুখ্য বিষয়ৰ মুঠ নম্বৰ আৰু ক্ৰেডিটৰ তালিকা

| Paper/ Subject | 1st Sem. Marks | 2nd Sem. Marks | 3rd Sem. Marks | 4th Sem. Marks | 5th Sem. Marks | 6th Sem. Marks | Total Marks | Total Credit |
|---|---|---|---|---|---|---|---|---|
| Major | 200 | 200 | 200 | 200 | 450 | 450 | 1700 | 136 |
| 1st Elective | 75 | 75 | 100 | 100 | -- | -- | 350 | 28 |
| 2nd Elective MIL/ALT | 75 | 75 | 100 | 100 | -- | -- | 350 | 28 |
| English | 50 | 50 | -- | -- | -- | -- | 100 | 8 |
| Env. Studies | -- | -- | 50 | 50 | -- | -- | 100 | 8 |
| Total marks | 400 | 400 | 450 | 450 | 450 | 450 | 2600 | 208 |
| Tota Credit | 32 | 32 | 36 | 36 | 36 | 36 | 208 | |

Total marks and credit for general course in TDC

| Paper/ Subject | 1st Sem. Marks | 2nd Sem. Marks | 3rd Sem. Marks | 4th Sem. Marks | 5th Sem. Marks | 6th Sem. Marks | Total Marks | Total Credit |
|---|---|---|---|---|---|---|---|---|
| 1st Elective | 75 | 75 | 100 | 100 | 200 | 200 | 750 | 60 |
| 2nd Elective | 75 | 75 | 100 | 100 | 200 | 200 | 750 | 60 |
| 3rd Elective MIL/ALT | 75 | 75 | 100 | 100 | -- | -- | 350 | 28 |
| English | 50 | 50 | -- | -- | -- | -- | 100 | 8 |
| Env. Studies | -- | -- | 50 | 50 | -- | -- | 100 | 8 |
| Total marks | 275 | 275 | 350 | 350 | 400 | 400 | 2050 | 164 |
| Tota Credit | 22 | 22 | 28 | 28 | 32 | 32 | 164 | |

গতিকে মূখ্য বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি সপ্তাহত ৩২ ৰ পৰা ৩৬ ক্ৰেডিটেৰে এটা ষান্মাষিকত প্ৰায় ১৫ সপ্তাহ শিক্ষকৰ লগত প্ৰত্যক্ষভাৱে বা শ্ৰেণীত উপস্থিত থাকিব লাগিব। আনহাতে মুখ্য বিষয় নাথাকিলে ২৬ ৰ পৰা ৩০ ক্ৰেডিট থাকিব।

৬ষ্ঠ ষান্মাষিক (কিছুমান বিষয়ত তাৰ আগতেও) প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে M.Phil বা Ph.D ৰ আৰ্হিত Project ল'ব লাগিব। ইয়াৰে ২০% নম্বৰ আভ্যন্তৰীণ নিৰীক্ষণ সমিতিয়ে দিব আৰু অৱশিষ্ট ৮০% নম্বৰ বিশ্ববিদ্যালয়ৰ দ্বাৰা নিৰীক্ষিত হ'ব।

<u>মূল্যায়নঃ</u>

প্ৰতি ষান্মাষিকতে দুটাকৈ সাময়িকী পৰীক্ষা (Internal Assessment) ৰ জৰিয়তে প্ৰতি কাকতৰ ২০% মূল্যায়ন কৰা হ'ব। Home Assignment, Group Discussion, Seminar আদিৰ জৰিয়তে ২০% ৰ আভ্যন্তৰীণ নম্বৰৰ ৪% মূল্যায়ন কৰা হ'ব। মহাবিদ্যালয় কৰ্তৃপক্ষই বা বিষয় শিক্ষকে এই পৰীক্ষাৰ দিন স্থিৰ কৰিব, কিন্তু প্ৰশ্নোত্তৰ বহীসমূহ বিশ্ববিদ্যালয়ে যোগান ধৰিব আৰু যথা সময়ত সেইবোৰ নম্বৰ তালিকাসহ বিশ্ববিদ্যালয়ত জমা দিয়াৰ ব্যৱস্থা থাকিব। এটা কাকতৰ সাময়িকী পৰীক্ষাই যাতে অন্য শ্ৰেণীৰ ব্যাঘাত নজন্মায় তালৈ লক্ষ্য ৰাখি এক পিৰিয়ডত শেষ হোৱাকৈ আভ্যন্তৰীণ পৰীক্ষা অনুষ্ঠিত হ'ব। ৪০% ৰ শিক্ষান্ত পৰীক্ষাসমূহ ছমাহে ছমাহে বিশ্ববিদ্যালয়ে প্ৰচলিত নিয়ম মতে অনুষ্ঠিত কৰিব।

প্ৰচলিত পদ্ধতিৰে মণ্ডল (Zone) বোৰত প্ৰশ্নোত্তৰ বহীবোৰ নিৰীক্ষণ কৰি মূল্যায়ন কৰা হ'ব। নিৰ্দিষ্ট সময়ৰ

ভিতৰত নম্বৰ তালিকাসহ উত্তৰ বহীবোৰ মণ্ডলবোৰে বিশ্ববিদ্যালয়ত জমা দিবা লাগিব। বিশ্ববিদ্যালয়েহে নম্বৰবোৰ গ্ৰেডিং কৰি গড় গ্ৰেড পইণ্ট (Grade Point Average, GPA ) অথবা সঞ্চয়ী গড় গ্ৰেড পইণ্ট (Cumulative Grade point Average , CGPA) নিৰ্ণয় কৰিব।

গ্ৰেডিং পদ্ধতি ঃ

প্ৰাপ্ত নম্বৰসমূহক গ্ৰেডলৈ সলনি কৰা নিয়ম তেনেই উজু। এটা কাকতৰ নম্বৰক প্ৰথমে আপেক্ষিক শতাংশলৈ পৰিবৰ্তন কৰি আক্ষৰিক গ্ৰেডলৈ নিয়া হয়। আপেক্ষিক শতাংশৰ সূত্ৰ হ'ল -

$$R = \frac{A}{M} \times 100$$

য'ত R হ'ল আপেক্ষিক শতাংশ

A হ'ল প্ৰাপ্ত নম্বৰ

আৰু M হ'ল সেই বিষয়ত বিশ্ব বিদ্যালয়ৰ সৰ্বোচ্চ নম্বৰৰ

আক্ষৰিক গ্ৰেড আৰু গ্ৰেডাংকৰ তালিকা

| আপেক্ষিক শতাংশ (R)ৰ শ্ৰেণী অন্তৰাল | আক্ষৰিক গ্ৰেড | গ্ৰেডাংক |
|---|---|---|
| 90 - 100 | A | 10 |
| 75 - 89 | B | 8 |
| 55 - 74 | C | 6 |
| 40 - 54 | D | 4 |
| 30 - 39 | E | 2 |
| 30 ৰ কম | F | 0 |

এজন ছাত্ৰই এটা যান্মাষিকত বিভিন্ন বিষয়ত পোৱা নম্বৰ সমূহক প্ৰথমে আপেক্ষিক শতাংশলৈ নি আক্ষৰিক গ্ৰেড আৰু গ্ৰেডাংকলৈ নিয়া হয়। এতিয়া ক্ৰেডিটবোৰক ভাৰ ( Weight) হিচাপে লৈ গ্ৰেডাংকবোৰৰ গড় নিৰ্ণয় কৰা হয়। এই গড়বোৰক এটা যান্মাষিকৰ গড় গ্ৰেডাংক (Grade point average, GPA) উলিওৱা হয়। এই গড় গ্ৰেডাংকবোৰৰ ছটা যান্মাষিকৰ ভাৰ গড়ক ছাত্ৰজনৰ সঞ্চয়ী পাৰদৰ্শী সূচাংক (Cumulative Performance Average, CPA) বা (Cumulative Grade point Average, CGPA) হ'ব। CGPA নিৰ্ণয়ৰ উদাহৰণস্বৰূপে এটা বিষয় (ধৰা,ৰাজনীতি বিজ্ঞান)ত মূখ্য বিষয় লৈ তলৰ তালিকাত দেখুওৱা হ'ল -

| Semester | Paper | Marks Obtained | Credit | Highest Marks (M) | Relative Percentile R=(A/M)x100 | Grade | Grade Point | Credit Hours | GPA |
|---|---|---|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 |
| I | M104 | 68 | 8 | 90 | 75.56 | B | 8 | 64 | 5 |
| | MI05 | 35 | 8 | 88 | 39.77 | E | 2 | 16 | |
| II | M204 | 48 | 8 | 78 | 61.54 | C | 6 | 48 | 7 |
| | M205 | 75 | 8 | 84 | 89.29 | B | 8 | 64 | |
| III | M304 | 73 | 8 | 79 | 92.41 | A | 10 | 80 | 10 |
| | M305 | 82 | 8 | 88 | 93.18 | A | 10 | 80 | |
| IV | M404 | 80 | 8 | 84 | 95.24 | A | 10 | 80 | 10 |
| | M405 | 75 | 8 | 80 | 93.75 | A. | 10 | 80 | |
| | M501 | 62 | 6 | 70 | 88.57 | 3 | 8 | 48 | |
| | M502 | 41 | 6 | 68 | 60.29 | . C | 6 | 36 | |
| V | M503 | 56 | 6 | 62 | 90.32 | A | 10 | 60 | 8.33 |
| | M504 | 58 | 6 | 63 | 92.06 | A | 10 | 60 | |
| | M505 | 39 | 6 | 60 | 65.00 | C | 6 | 36 | |
| | M506 | 60 | 6 | 65 | 92.31 | A | 10 | 60 | |
| | M601 | 60 | 6 | 65 | 92.31 | A | 10 | 60 | |
| | M602 | 45 | 6 | 70 | 64.29 | C | 6 | 36 | |
| VI | M603 | 55 | 6 | 63 | 87.30 | B | 8 | 48 | 9.00 |
| | M604 | 65 | 6 | 65 | 100.00 | A | 10 | 60 | |
| | M605 | 58 | 6 | 60 | 96.67 | A | 10 | 60 | |
| | M606 | 60 | 6 | 65 | 92.31 | A | 10 | 60 | |
| | | 1195 | 136 | | | | | 1136 | |

# ৰবীন্দ্ৰ নাথৰ চুটিগল্পত নাৰী সমাজ

— মৌচুমী কংস বনিক
সহঃ অধ্যাপিকা
বাংলা বিভাগ

সাহিত্য সমাজ জীৱনৰ দৰ্পণস্বৰূপ। ৰবীন্দ্ৰ সাহিত্যও ইয়াৰ ব্যতিক্ৰম নহয়। জমিদাৰী পৰিদৰ্শনৰ কাৰণে পূৰ্ববঙ্গত গৈ পদ্মাতীৰবৰ্তী সাধাৰণ মানুহক তেওঁ ওচৰৰ পৰা দেখিছে, পূৰ্ববঙ্গৰ প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ সমাজ প্ৰভাৱ পেলাইছে তেওঁৰ ছুটিগল্পত, মানুহ, মানুহৰ সুখ-দুখ, আশা নিৰাশা তেওঁৰ গল্পৰ বিষয়বস্তু হৈ উঠিছে। তেওঁ দৃষ্টিপথত আহি পৰিল নাৰীকেন্দ্ৰিক কিছু জটিল সমস্যা - পণপ্ৰথা, বধুনিৰ্যাতন, জাতিভেদ, কৌলিন্য ইত্যাদি।

ৰবীন্দ্ৰনাথৰ 'গল্পগুচ্ছ'ৰ কিছুমান গল্পৰ নাৰী সমাজ কিবা নহয় কিবা প্ৰথাৰ হেঁচাত নিৰ্যাতিত হৈছে পণপ্ৰথা, বধুনিৰ্যাতন, নাৰী অৱমাননা, নাৰীৰ ব্যক্তি স্বতন্ত্ৰতাৰ প্ৰতিষ্ঠা আৰু ইয়াৰ ফলস্বৰূপে নিৰ্যাতিত নাৰী অথবা তাৰ হৈ বেলেগ কোনোবাৰ প্ৰতিবাদ এই বিলাক গল্পৰ উপজীব্য বিষয়।

'দেনা পাওনা','যজ্ঞেশ্বৰেৰ যজ্ঞ', 'হৈমন্তী' 'অপৰিচিতা' ইত্যাদি গল্পত কন্যাদায় গ্ৰস্থ পিতা বা কন্যাপক্ষ আৰু নাৰীৰ অৱস্থাৰ কাহিনী আৰু পাত্ৰপক্ষৰ দাবীৰ ওচৰত মানবিকতা কেনেভাৱে বিক্ৰি হয় তাৰ বাস্তৱ ৰূপায়ন ঘটিছে। 'দেনা-পাওনা' গল্পত পিতা ৰাম সুন্দৰ কন্যাৰ শশুৰক টকা দিব গ'লে কন্যা নীৰু প্ৰতিবাদ কৰে - 'আমি কি কেৱল একটা টাকাৰ থলি, যতক্ষন টাকা আছে ততক্ষন আমাৰ দাম'' অথবা ''বাবা তুমি যদি আৰ এক পয়সা আমাৰ শশুৰকে দাও ............." ইত্যাদিৰ মাজত নাৰী বিদ্ৰোহক সূক্ষ্মভাৱত অনুভৱ কৰিব পাৰি। নিৰুই যি প্ৰতিবাদ কৰিছিল তাৰ অলপ বেলেগ ধৰণৰ পৰিণতি দেখা পোৱা যায় 'হৈমন্তী' গল্পৰ হৈমন্তী আৰু 'অপৰিচিতা' গল্পৰ কল্যাণীৰ মাজত।

স্ত্ৰী স্বাধীনতাৰ পৰিপন্থী কৌলিন্য প্ৰথাক অবলম্বন কৰি লিখা গল্প 'মহামায়া'। মহামায়াৰ ককায়েকে অকুলীন ব্ৰাহ্মণৰ লগত ভনীয়েকক বিয়া নিদি বংশ গৌৰৱ আৰু কৌলিন্য ৰক্ষাৰ কাৰণে মহামায়াক বিয়া দিছিল মৃত্যু পথযাত্ৰী এক কুলীন বৃদ্ধৰ লগত। বিয়াৰ সময়ত দুখনকৈ চিতা তৈয়াৰ কৰা হৈছিল নবপৰিনীতা দম্পতিৰ কাৰণে। এই গল্পত কৌলিন্য প্ৰথাৰ লগত আহিছে সহমৰণ প্ৰথা, জাতি কুলক লৈ সমাজৰ উচ্চবৰ্গৰ ক্ষমতাৰ যুঁজ আৰু এক ঘৰীয়া কৰাৰ প্ৰবনতা লক্ষ্য কৰা যায় 'ত্যাগ' গল্পত।

উনৈশ (১৯) শতিকাৰ নৱজাগৰণৰ এটি লক্ষণ হ'ল নাৰী জাগৰণ, নাৰী ব্যক্তি স্বাতন্ত্ৰৰ উদ্বোধন, সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাত সংসাৰত নাৰীৰ প্ৰতি কিমান যে অন্যায় অবিচাৰ কৰা হয় 'স্ত্ৰীৰপত্ৰ' গল্পটো তাৰ জলন্ত দলিল। এই গল্পৰ মৃণাল আছিল বিদ্ৰোহৰ প্ৰতিমূৰ্তি। এই বিদ্ৰোহ স্বামীৰ পৰিবাৰৰ নিয়ম নীতিৰ বিৰুদ্ধে যেনে আছিল ঠিক তেনে বিদ্ৰোহ আছিল পিতৃতান্ত্ৰিক পুৰুষ সমাজৰ বিৰুদ্ধেও। এই কাৰণে স্বামীৰ ঘৰ এৰি তাই পত্নীত্বৰ পৰা নাৰীত্বত নিজৰ মুক্তিৰ সন্ধান কৰিছে। 'মানভঞ্জন' গল্পৰ গিৰিবালা আৰু 'পয়লা নম্বৰ' গল্পৰ অনিলা স্বামীৰ মতামতৰ অনুগামিনী হোৱাৰ সুপ্ৰাচীন ৰীতিক উপেক্ষা কৰিছে। স্বামীৰ পৰা পোৱা অপমান, অৱহেলাৰ পৰা নিজক প্ৰতিষ্ঠা কৰিবৰ কাৰণে গিৰিবালাই গৃহত্যাগ কৰি মঞ্চৰ অভিনেত্ৰী হৈছিল। 'পয়লানম্বৰ' গল্পৰ অনিলাও গৃহত্যাগ কৰি অনিৰ্দিষ্ট পথত আগবাঢ়ি গৈছে। 'নষ্টনীড়' গল্পত কোনো সামাজিক ঘটনাৰ প্ৰতিফলন দেখা নাযায়। এই গল্পত দেখিবলৈ পাও স্ত্ৰীৰ প্ৰতি স্বামীৰ অৱহেলা। চাৰু স্বামীৰ অৱহেলাত বেলেগক আশ্ৰয় কৰিব খুজিছে। স্বামী ভূপতিয়ে এই কথা গম পাই অন্তৰৰ পৰা মানি লব পৰা নাই। চাৰুক এৰি গুছি যাব

খুজিছে। প্ৰথমে চাৰু স্বামীৰ লগত যাব খুঁজিলেও স্বামীৰ মানসিক অৱস্থাৰ কথা গম পাই শেষত যাব খোঁজা নাই। জীৱন যুদ্ধত নিজে যুজিব খুঁজিছে। 'নষ্টনীড়' হৈছে চাৰুৰ গভীৰ জীৱন দ্বন্দ্বৰ অসামান্য ৰূপায়ন।

সমাজে মানুহৰ জীৱনক কেনে ভাৱে নিয়ন্ত্ৰন কৰে তাৰ পৰিচয় পোৱা যায় 'খাতা', 'দৰ্পহৰণ' আৰু 'শুভা' গল্পত। প্ৰাচীন বঙালী সমাজত এই বিশ্বাস আছিল যে ছোৱালী শিক্ষিত হ'লে বিধবা হ'ব। এই মনোভাব প্ৰকাশ পাইছে 'খাতা' গল্পৰ নায়িকা উমাৰ স্বামী প্যাৰি মোহনৰ সংলাপত আৰু একেই ঘটনা লক্ষ্য কৰিব পাৰি 'দৰ্পহৰণ' গল্পত। এই গল্পত হৰিশ তাৰ স্ত্ৰীৰ সাহিত্যচৰ্চাৰ সুখ্যাতিক সুদৃষ্টিত দেখা নাই। তাই প্ৰতিপদক্ষেপত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা কৰিছে। আছলতে নাৰী শিক্ষিত হ'লে সংসাৰত পুৰুষে নাৰীৰ ওপৰত নিজ মতামত প্ৰতিষ্ঠা কৰিব নোৱাৰে।

সামাজিক প্ৰথাৰ হেচাত এজনী অসহায় ছোৱালীৰ জীৱন নষ্ট হৈ যোৱাৰ কাহিনী 'সুভা'। বিবাহযোগ্য ছোৱালীক বিয়া নিদিলে ছোৱালীৰ বাপেকক 'একঘৰে' কৰি ৰখাৰ কাহিনী 'সুভা'। সেই কাৰণে ছোৱালীৰ দেউতা ছোৱালীৰ বাকহীনতাৰ কথা গোপন কৰি পাত্ৰস্থ কৰে, কিন্তু সত্য উদ্‌ঘাটন হোৱাৰ লগে লগে সুভা লাঞ্ছিত হৈ মৃত্যু মুখত পতিত হ'বলগীয়া হয়,

নৰ-নাৰীৰ দাম্পত্য আৰু তাক কেন্দ্ৰ কৰি নাৰীৰ অসহায়তাৰ কাহিনী হৈছে 'মধ্যবৰ্তিনী', 'দিদি' আৰু 'দৃষ্টিদান'। 'মধ্যবৰ্তিনী' গল্পত স্বামীৰ দৃষ্টিত নাৰীৰ দুইৰূপ - প্ৰয়োজন আৰু প্ৰেম। উদাহৰণ হ'ব সুন্দৰী আৰু শৈলবালা। 'দৃষ্টিদান' গল্পৰ কুমু স্বামীৰ মন আৰু মান ৰাখিব গৈ বিধ্বস্থ হৈছে। কুমুৰ উপলব্ধিত সমাজ আৰু সংসাৰত নাৰীৰ দায়বদ্ধতা বহুত। কুমুৰ উক্তি - 'স্ত্ৰী জন্ম গ্ৰহণ কৰিলে এত মিথ্যা কথাও বলিতে হয়। দাদাৰ মনেও কষ্টদিতে পাৰিনা স্বামীৰ মনত ক্ষুণ্ণ কৰা চলেনা.........মেয়েদেৰ এত ছলনাৰ প্ৰয়োজন"। স্বামীৰ শঠতাৰ পৰিচয় পাই 'দিদি' গল্পৰ শশি নাবালক ভাইয়েকৰ সম্পত্তি ৰক্ষাৰ কাৰণে ইংৰাজ মেজিষ্ট্ৰেটৰ ওচৰত স্বামীৰ নামত গোচৰ তৰিছে। সেই সময়ৰ পৰিপ্ৰেক্ষিত এই চৰিত্ৰটো নতুনত্বৰ পৰিচয়বাহী।

বঙ্গদেশত এটা সময়ত পুৰুযে বিয়া কৰাইছিল পুত্ৰ লাভৰ কাৰণে। সন্তানহীনা নাৰীৰ অবমাননা চূড়ান্ত অৱস্থাত পৰিণত হৈছিল। আৰু সন্তানহীন পুৰুযে এজনীৰ পিছত এজনী বিয়া কৰাইছিল। 'পুত্ৰযজ্ঞ' গল্পত নায়ক বৈদ্যনাথৰ ওচৰত "প্ৰেমেৰ চেয়ে পিণ্ড বড়।"

ৰবীন্দ্ৰনাথৰ নাৰী নিৰ্যাতিন, নাৰী অবমাননা সম্পৰ্কিত গল্প বিলাকৰ মূলত আছে প্ৰথানিৰ্ভৰ পাৰিবাৰিক কাঠামো আৰু সংস্কাৰ। পুৰুষ তান্ত্ৰিক সমাজ, পৰিয়ালত পুৰুষৰ কথাই শেষ কথা, নাৰী আজ্ঞাবহ দাসী মাত্ৰ। শ্ৰেণী বিভক্ত সমাজত নাৰী পুৰুষৰ স্বাধীনতাৰ বৈষম্যই ৰবীন্দ্ৰনাথক চিন্তিত কৰি তুলিছিল। বিদেশ আৰু বিপ্লবোত্তৰ ৰাছিয়া ভ্ৰমণে ৰবীন্দ্ৰ নাথক ভাৰতীয় নাৰীবিলাকৰ অসহায়তা সম্পৰ্কত সচেতন কৰি তুলিছিল। সামন্ততান্ত্ৰিক সমাজ কাঠামোত একান্নবৰ্তী পৰিবাৰ প্ৰথাত পুৰুষ প্ৰধান্যলোপ, কৰ্মক্ষেত্ৰত নাৰী পুৰুষৰ সমানাধিকাৰ, নাৰীৰ ব্যক্তিসত্তাৰ জাগৰণ ইত্যাদি আকাঙক্ষাৰ লগত নাৰী-মুক্তিৰ কাৰণে নাৰীক আহ্বান কৰি ৰবীন্দ্ৰনাথে কৈছিল - "তাৰা যেন মুক্ত কৰেন হৃদয়কে, উজ্জ্বল কৰেন বুদ্ধিকে, নিষ্ঠা প্ৰয়োগ কৰেন জ্ঞানেৰ তপস্যায়, মনেৰাখেন নিৰ্বিচাৰ অন্ধ ৰক্ষনশীলতা, সৃষ্টিশীলতাৰ বিৰোধী" ('নাৰী কালান্তৰ') *

# শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' ত অৱলোকন ঃ

শ্ৰীজুৰিপ্ৰিয়া দেৱী
সহঃ অধ্যাপিকা
অসমীয়া বিভাগ

বৈষ্ণৱ যুগৰ এগৰাকী উল্লেখযোগ্য কবি হ'ল শ্ৰীধৰ কন্দলি। তেখেতৰ দ্বাৰা ৰচিত দুখন প্ৰসিদ্ধ গ্ৰন্থ হ'ল 'কাণখোৱা' আৰু 'ঘুনুচা কীৰ্ত্তন'। শংকৰদেৱৰ সমসাময়িক কবি হিচাপে জনাজাত শ্ৰীধৰ কন্দলিয়ে মহাভাৰতৰ অশ্বমেধ পৰ্বৰ ভাঙনি কৰে। কবি শ্ৰীধৰ কন্দলিৰ দ্বাৰা ৰচিত 'কাণখোৱা' নামৰ কবিতাটোৰ বিষয় বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁ সাধাৰণ ঘটনা এটাক অতি কৌশলেৰে, নিপুনতাৰে অ-সাধাৰণ ৰূপত বৰ্ণনা কৰি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। কবিতাটো পঢ়িলে কবিৰ ই মৌলিক সৃষ্টি যেন লাগে। কিয়নো ভাগৱত, হৰিবংশ, আদিত ইয়াৰ অনুৰূপ কোনো ঘটনাৰ উল্লেখ পোৱা নাযায়। নিচুকনি গীতৰ আৰ্হিত বিষ্ণুৰ বিভিন্ন অৱতাৰৰ লীলা মাহাত্ম্য সৰস আৰু প্ৰাঞ্জল ভাৱত কবি কন্দলিয়ে 'কাণখোৱা' ত বৰ্ণনা কৰিছে। লোক সাহিত্যত প্ৰচলিত নিচুকনি গীত যেনে-

'শিয়ালি এ নাহিবি ৰাতি
তোৰে কাণে কাটি
লগামে বাটি।
শিয়ালিৰ মূৰতে মকুৰা ফুল
শিয়ালি পালেগৈ ৰতন পুৰ।"

ইয়াৰ আৰ্হিত মাক যশোদাইও পুত্ৰ কৃষ্ণক টোপনি নিয়াবলৈ বিচাৰি কাণখোৱা ৰ ভয় দেখুৱাইছে। পৰম পুৰুষ শ্ৰীকৃষ্ণ সাধাৰণ মানৱী শিশুৰূপ ধাৰণ কৰি আছে যদিও তেওঁ 'কাণখোৱা' ক ক'ত লগ পাইছিল তাৰ কথা মনত পৰা নাছিল। সেয়েহে সাধাৰণ শিশুৰ দৰে ভয়তে শ্ৰীকৃষ্ণই মাকক সাৱতি ধৰিছে আৰু মাকক নানা প্ৰশ্ন কৰাৰ যি দৃশ্য কবিয়ে পুথি খনিত সুন্দৰ ৰূপত সন্নিবিষ্ট কৰিছে।

পাঠ্যপুথিত সন্নিবিষ্ট 'কাণখোৱা' কবিতাটি শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' পুথিৰ পৰা লোৱা হৈছে। পাঠ্যৰ অন্তগত 'কাণখোৱা' কবিতাটিত শিশুৰ জীৱনৰ এটি মনোৰম ঘটনাৰ কথা বৰ্ণনা কৰা হৈছে। এই কবিতাটো পঢ়িলে সততে আমাৰ নিচুকনি গীতলৈ মনত পৰে। যিদৰে শিশু এটিৰ আমনি ভাঙি টোপনিৰ আবেগ আনিবলৈ বিভিন্ন ধৰণৰ গীত গোৱা হয়। একেদৰে মাতৃ যশোদায়ো পুত্ৰ কৃষ্ণক টোপনি নিয়াব বিচাৰি গীত গাইছে এনেদৰে-

'ঘুমটি যায়োৰে অৰে কানাই
হুৰে কাণখোৱা আসে।
সকল শিশুৰে কাণ খাই খাই
আসয় তোমাৰ পাশে।।'

মাতৃ যশোদাই পুত্ৰক টোপনি নিয়াবলৈ আৰু ভয় দেখুৱাবলৈ তেওঁ কাণখোৱাক মাতিছে। মাতৃৰ গীত শুনি পুত্ৰ কৃষ্ণই টোপনি কথা পাহৰি কৌতুহলেৰে মাকৰ মুখলৈ চাইছে। মাকৰ মুখত কাণখোৱাৰ কথা শুনি কৃষ্ণৰ মনত ভয়ৰ উদয় হৈছে আৰু বাৰে বাৰে মাকক কাণখোৱাৰ কথা শুধি ব্যতিব্যস্ত কৰিছে -

এনেদেৰে-

" তাৰ নাম শুনি ঘুমতি নাসয়
ডৰে কাম্পে মোৰ বুক।
দেখিলে লৰৰি পলাইবাক পাৰি
সত্বৰে চিনোৱা মোক।।"

সাধাৰণ শিশুৱে আমনি কৰাৰ দৰে কৃষ্ণইও মাক যশোদাক নানান প্ৰশ্ন কৰিছে আৰু তেওঁ ক'তো কাণখোৱাৰ কথা শুনা নাই বুলি কৈছে। বিশ্ব সৃষ্টি বাৰ্তা হিচাপে তেৱেঁই এই জগতখন নিয়ন্ত্ৰণ কৰি আছে। ব্ৰহ্মা মহেশ্বৰকে আদি কৰি সমস্ত জগতখন তেৱেঁই সৃষ্টি কৰিছে, কিন্তু কাণখোৱাক কোনে স্ৰজন কৰিলে কৃষ্ণই তাৰ সমিধান বিচাৰিছে মাকৰ ওচৰত। ইয়াতেই কবি কন্দলিয়ে সাধাৰণ মানৱ শিশু কৃষ্ণৰ চৰিত্ৰত কৌশলেৰে অখণ্ড জ্ঞানৰ স্বৰূপ পূৰ্ণব্ৰহ্ম তথা অলৌকিকতা প্ৰকাশ কৰিছে। কবি কন্দলিয়ে এই চেগতে পৰমব্ৰহ্ম স্বৰূপ শ্ৰীকৃষ্ণৰ দহটা অৱতাৰৰ বিষয়ে বৰ্ণনা কৰিছে এনেদৰে -

" প্ৰথমতে মই   অৱতাৰ ভৈলো
দিব্য মৎস্যৰূপ ধৰি।
চাৰিয়ো বেদক   পাতালৰ হন্তে
আনিলো সঙ্গে উদ্ধাৰি।।"

ভগৱান বিষ্ণুই মৎস্য অথাৎ মাছৰ ৰূপ ধাৰণ কৰি জলৰ পৰা চাৰিবেদ উদ্ধাৰ কৰে। দ্বিতীয়তে কুৰ্ম অৱতাৰত ভগৱান বিষ্ণুই কাছৰ ৰূপ ধাৰণ কৰি সাগৰ মন্থন কাৰ্যত যি খন ভূমি তলত খহি পৰিছিল পিঠিৰ সহায়ত সেই ভূমি খণ্ড দাঙি ধৰিছিল। বৰাহ অৱতাৰ ধাৰণ কৰি নাৰায়ণে দাঁতৰ আগেৰে ভূমি উদ্ধাৰ কৰিছিল। তেতিয়াই বৰাহ ৰূপী বিষ্ণুৰ লগত হিৰণ্যাক্ষ বীৰৰ যুদ্ধ লাগিছিল আৰু বৰাহৰূপী বিষ্ণুৰলগত দাঁতেৰে হিৰণ্যাক্ষ বীৰক বধ কৰিছিল। নৰসিংহ অৱতাৰ ধাৰণ কৰি হিৰণ্যাক্ষশিপু নামৰ দৈত্যক বধ কৰি সকলোকে নিৰ্ভয় দিলে আৰু স্বৰ্গ, মৰ্ত্য আৰু পাতাল তিনিও ৰাজ্যত আনন্দ স্থাপন কৰি একান্ত ভক্ত ৰূপী প্ৰহ্লাদক আশ্বাস বাণী দিছিল। আকৌ বামন অৱতাৰ ধাৰণ কৰি অদিতিৰ বাক্য পালি কৌশলেৰে ইন্দ্ৰক স্থাপন কৰি বলীক আতঁৰ কৰিছিল। ষষ্ঠতে পৰশুৰাম অৱতাৰ ধাৰণ কৰি একৈশ বাৰ পৃথিৱী ভ্ৰমণ কৰি সমস্ত ক্ষত্ৰিয়ক নিধন কৰিছিল। শ্ৰীৰাম অৱতাৰত মাতৃ কৌশল্যাৰ গৰ্ভত জন্ম গ্ৰহণ কৰি পিতৃ সত্য পালনৰ হেতু চৈধ্য বছৰ বনবাস খাটিছিল।

এইদৰে দশ অৱতাৰৰ কথা শিশুকৃষ্ণই সুঁৱৰিব ধৰিলে। তেওঁৰ নানান অৱতাৰত নানান দৈত্য দানৱ আদিৰ লগত সংঘৰ্ষ হৈছে, কিন্তু কানখোৱা বীৰৰ কথা কেতিয়াও শুনা নাই। সকলো অৱতাৰৰ বৃত্তান্তবোৰ এটি এটি কৈ স্মৃতিৰ স্ফটিত ভাহি আহিব ধৰিলে ঃ-

হলিৰাম ৰূপে   নাঙ্গল ধৰিলো
সমকৰি খাল ৰাম।
সমস্তে পৃথিৱী   বাই-চাই থৈলো
লৈলো হলধৰ নাম।"

হলিৰাম অৱতাৰত তেওঁ ৰোহিনীৰ গৰ্ভত জন্ম লাভ কৰিছিল আৰু দ্বিবিদ নামৰ অসুৰৰ মৃত্যু ঘটাইছিল। বুদ্ধ অৱতাৰ ধাৰণ কৰি বেদপন্থ আদিৰ অৱসান ঘটাইছিল আৰু সমাজৰ পৰা ব্যভিচাৰ আতৰাবলৈ তপস্যাত মগ্ন হৈছিল। দশমত কলিৰ শেষত কল্কি অৱতাৰ ধাৰণ কৰি সত্য স্থাপন কৰিছিল।

মানৱ শিশুৰূপী পৰমব্ৰহ্ম শ্ৰীকৃষ্ণই তেওঁ দশ অৱতাৰত ক'তো কাণখোৱাক লগ পোৱাৰ কথা মনত নপৰে। সেয়েহে তেওঁ মাকক বাৰে বাৰে প্ৰশ্ন কৰিছে যেন কাণখোৱা বীৰ ক'ৰবাত ভুলতে ৰৈ গ'ল নেকি? এইবোৰ কথা ভাবি শিশু কৃষ্ণৰ মন নিৰাশাবাদেৰে ভৰি পৰিছে আৰু তেওঁ কৈছে ঃ-

"সিয়ো কালে মই   লগ নাপাইলোহো
আবে মনে মনে গুনো
কানখোৱা নামে   বীৰ গোট আছে
আজি তযু মুখে শুনো।।"

বিশ্ব ব্ৰহ্মাণ্ডৰ নিয়ন্ত্ৰণ কৰ্তা শ্ৰীকৃষ্ণই কাণখোৱা বীৰৰ কথা মাকৰ মুখতহে শুনিছে। যশোদাৰ ঘৰত পুত্ৰ হিচাপে জন্ম গ্ৰহণ কৰি কাণখোৱা বীৰৰ কথাশুনি তেওঁ ভয়তে কঁপিবলৈ ধৰিলে। কৃষ্ণই মাকক কৈছে-

"আসিয়া ইবাৰ   কৃষ্ণ অৱতাৰ
হুয়া আছো তযু ঘৰে।
কানখোৱা নাম   শুনি মোৰ গাৱ
তৰতৰি কম্পে ডৰে।।
ঘুমটিৰ ছলে   নিচুকিয়া মই
চকুমেলি থাকো চাই।
কেনেকুৱা গোটে   কাণখাই ফুৰে
চিনায়োক মোক আই।।"

কৃষ্ণই টোপনি যোৱাৰ ভাও ধৰি চকু মেলি মাকৰ মুখৰ ফালে ভয়ে ভয়ে চাইছে, জানোচা ক'ৰবাত কানখোৱা বীৰক দেখা পায়। পুত্ৰৰ মনত এনে বিষাদ, সন্দেহ আৰু আশংকা দেখি মাকৰ মনত মৰম উপজিছে আৰু তেওঁ মৰমতে পুত্ৰ কৃষ্ণক আকোৱালি লৈ এনেদৰে কৈছে ঃ-

"মিছা সে বুলিয়া   মুখে স্তন দিয়া
কৃষ্ণক সাৱতি ধৰি।
শ্ৰীধৰ কন্দলি   কহে কৃষ্ণ কেৰি
ডাকি বোলা হৰি হৰি।।"

কবি কন্দলিয়ে যশোদাৰ মনত মাতৃস্নেহৰ নিজৰা বোৱাই পুত্ৰক সান্ত্বনা দিবলৈ গৈ কেনেদৰে স্তনপান কৰাইছে তাৰ সুন্দৰ চিত্ৰ কবিতাটিৰ মাজেৰে প্ৰতিভূত হৈছে।

ভক্ত কবি শ্ৰীধৰ কন্দলিয়ে বৈষ্ণৱ ধৰ্মৰ মূল বিষ্ণু ভক্তি প্ৰকাশ কৰিবলৈ গৈ বিষ্ণু বিষ্ণুৰ নানান অৱতাৰৰ কথা কৌশলেৰে কবিতাটিত অৰ্ন্তভুক্ত কৰিছে আৰু ভক্ত-ভগৱানৰ অৰ্থাৎ মাতৃ-পুত্ৰৰ যি অকৃত্ৰিম স্নেহ তাক সুন্দৰ ৰূপত বৰ্ণনা কৰিছে।*

প্ৰবন্ধ

# অসমীয়া লোকসংস্কৃতিত ফকৰা-যোজনা

শ্ৰীবিজয়া বড়া
সহঃ অধ্যাপিকা
অসমীয়া বিভাগ

লোকসাহিত্য লোকসংস্কৃতিৰ আপুৰুগীয়া সম্পদ। ই লোক-সমাজৰ দাপোনস্বৰূপ। লোকসাহিত্যৰ স্ৰষ্টা হ'ল লোক-সমাজ। লোক-সমাজৰ জীৱন-নিৰ্বাহ পদ্ধতিত গঢ় লৈ উঠে লোকসাহিত্যই। সেয়েহে লোকসাহিত্যত লোক-সমাজৰ প্ৰতিটো খোজৰ অণুৰণন শুনা যায়।

কিছুমান সমালোচকে 'লোক' শব্দটো ব্যৱহাৰ নকৰি 'জন' শব্দটি ব্যৱহাৰ কৰিছে। জনসাহিত্য হৈছে লিখা-পঢ়া নজনা হোজা ৰাইজৰ সাহিত্য। জনসাহিত্যৰ পটভূমি হৈছে গাঁও আৰু পথাৰ। আনহাতে জনসাধাৰণৰ সুখ-দুখ আশা-নিৰাশা, কাম-কাজ, প্ৰেম-বিৰহ আদিয়েই হৈছে ইয়াৰ প্ৰেৰণা। মানুহৰ স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰি লোকসাহিত্য বৰ্তমানলৈ জীয়াই আছে।

লোকসাহিত্যক কথা-সাহিত্য আৰু গীতি-সাহিত্য এই দুটা প্ৰধান ভাগত কৰা হৈছে। সাধুকথা, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, সাঁথৰ আদি কথা সাহিত্যৰ অন্তৰ্গত। আনহাতে লোকগীতখিনি গীতিসাহিত্যৰ অন্তৰ্গত।

ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন আৰু সাঁথৰ লোক-সাহিত্যৰ এক অবিচ্ছেদ্য অংগ। এইবোৰ কোনো এটা জাতি বা কোনো এখন সমাজৰ দলিলস্বৰূপ। ফকৰা-যোজনা প্ৰবাদ-প্ৰবচনবোৰৰ জৰিয়তে জাতি এটা বা সমাজ এখনৰ পূৰ্ণ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। এইবোৰে ধৰ্ম-সমাজ, দৰ্শন বিজ্ঞান, জ্যোতিষ, ৰাজনীতি, ইতিহাস, কৃষিশিল্প, বেহা-বেপাৰ, গৃহস্থালি, শিষ্টাচাৰ আদিৰ সুন্দৰ সাৰুৱা আৰু সুগভীৰ উপদেশৰ লগতে আধ্যাত্মিক দিশৰ পৰা সাধাৰণ ঘৰুৱা কথালৈকে সকলো সামৰি লয়। কোনো ব্যক্তি তথা কোনো জাতিৰ মনঃস্তত্ত্ব এই ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচনবোৰৰ জৰিয়তে সুন্দৰ ৰূপত প্ৰকাশ পোৱা বাবে এইবোৰক কোনো ব্যক্তি বা জাতিৰ সঞ্চিত অভিজ্ঞতাৰ ফল বুলি কোৱা হয়। পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ মতে, ফকৰা-যোজনা, প্ৰবাদ, প্ৰবচন আদি শব্দকেইটা প্ৰায় সমাৰ্থক। এইবোৰ জাতীয় জীৱনৰ সঞ্চিত অভিজ্ঞতা আৰু জ্ঞানৰ ভঁৰাল। এই আলোচনাত কেৱল ফকৰা-যোজনাৰ ওপৰতে আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ফকৰা ঃ নীতি শিক্ষা দিয়া বা কোনো কথাৰ উদাহৰণ বা দৃষ্টান্ত দেখুওৱা দুই বা অধিক ফাঁকি কথাই হ'ল ফকৰা (হেমকোষ)। অসমীয়াত দুফাঁকি কথা আছে -'বাৰ কুৰি বৰগীত, তেৰ কুৰি ফকৰা। আৰু 'কথা নহয় ফকৰা, এটা মুগাৰ তিনিশ, তিনি কুৰি, তেৰটা চকৰা।' এইমতে ফকৰাৰ সংখ্যা ২৬০টা, নহয় ৩৭৩ টা। ভকতীয়া অৰ্থ বা গুপুত অৰ্থ বিশিষ্ট প্ৰবচনবোৰেই ফকৰা বুলি ড° নবীন চন্দ্ৰ শৰ্মাই 'জনকৃষ্টিৰ ৰূপৰেখা' গ্ৰন্থত উল্লেখ কৰিছে। ফকৰাবোৰ গূঢ়াৰ্থক, আপাত বক্তব্যৰ অন্তৰালত একেটা নিগূঢ় অৰ্থ সোমাই আছে। কিছুমান ফকৰা বৰসেৰা বা পূৰ্ণসেৰা অথবা ভকতসেৰা আদিতো ব্যৱহাৰ হয়। বহুতো ফকৰাৰ উপৰুৱা বা বাহ্যিক অৰ্থৰ সৈতে অন্তৰ্নিৰ্হিত পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে —

ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা ৰুদ্ৰক নিদিবা ঠাই;
মহা মহা মহন্তক মৰিয়াই মাৰিবা তেহে ভকতিক পাই।

ইয়াত ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰই হিন্দু ধৰ্মৰ মূল দেৱতা তিনি গৰাকীৰ কথা কোৱা হোৱা নাই। কোৱা হৈছে সত্ত্ব, ৰজঃ আৰু তমঃ গুণৰ কথাহে। ইয়াত মহা মহা মহন্ত সকল হ'ল - কাম, ক্ৰোধ, লোভ, মোহ আদি ছয়ৰিপু। এই ৰিপুসমূহ ত্ৰিগুণৰ ওপৰত থাকি ছয়ৰিপু দমন কৰিব পাৰিলেহে ভকতি পোৱাটো সম্ভৱ সেই কথা ব্যক্ত কৰা হৈছে। সেইদৰে কেইটামান ফকৰা হ'ল -

"আগ গুণে নুগুণে পাচ।
লোভত মৰে বৰশীৰ মাছ।।"
" শাল-শিঙী দুয়ো হ'ল ভকত।
কুচিয়া আতাক তুমি আনিয়ো লগত।।"

"নিজৰা জৰে অমৰা মৰে মৰাই বায় হাল।
লখিমীৰ টিকাত ছিৰা কানি মোৰ নাম নিধনীয়ে ভাল।।"

"আগে উপজিল ছোট ভাই
পাছে উপজিল কাকা।
কেৰ্ মেৰ্ কৈ মাক উপজিল
তেহে উপজিল বাপা।।"

সাধাৰণতে বৈষ্ণৱ ভকতসকলৰ মাজত চৰ্যাপদৰ দৰে ইয়াৰ গূঢ়াৰ্থহে আচল। ফকৰাৰ সমাদৰ দেখা যায়। সাধাৰণ ফকৰাবোৰত স্থূলদেহৰ অসাৰতা, চিত্তদমন আদি নীতি লুকাই আছে।

যোজনা ঃ

ব্যঙ্গ সুৰত নাইবা সাধাৰণ কথাৰ মূৰ মাৰিবলৈ যোজনা ব্যৱহাৰ কৰা হয়। যোজনাবোৰৰ পৰিসৰ ঠেক। তথাপি ঠেক পৰিষৰৰ মাজেদি ব্যঞ্জিত কৰে বহু ভাৱ। প্ৰকৃত যোজনাত দিহা বা নিৰ্দ্দেশ নাথাকে। সাধাৰণতে ফকৰাবোৰো যোজনাই। যোজনাক পটন্তৰো বোলে। ই হ'ল কথা প্ৰসঙ্গত ব্যৱহাৰ কৰা চমু উক্তি। এইবোৰ নিৰক্ষৰ চহাৰ সঞ্চিত অভিজ্ঞতা আৰু জ্ঞানৰ ভঁৰাল।

প্ৰাচীন কালৰে পৰা অসম দেশ সাধুকথা, গীত-মাত, ফকৰা-যোজনা আদিত চহকী বুলি স্বীকৃত হৈ আহিছে। বৰ্তমানেও এইবোৰে অসমীয়া ভাষা-সাহিত্যক প্ৰদান কৰি আছে স্বকীয়তা। অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন চৰ্যাপদতো ইয়াৰ ব্যৱহাৰ পৰিলক্ষিত —

"আপ্না মাঁংসে হৰিণী বৈৰী।" (ভুসুকপাদ)

প্ৰাক্ শংকৰী যুগৰ অন্যতম কবি মাধৱ কন্দলীৰ ৰামায়ণতো ইয়াৰ প্ৰয়োগ দেখা যায় —

"অলপ পানীৰ মাছ দদৰা-দদৰি।"

"অন্ধলাৰ কান্ধত পেঙ্গুৰা যায় চড়ি।
পেঙ্গুৰাৰ উদ্দেশ্যে অন্ধলা কাঢ়ে ভৰি।।"

সেইদৰে হৰিবৰ বিপ্ৰৰ ৰচনাতো ফকৰা-যোজনাই প্ৰদান কৰিছে অনন্ত সৌন্দৰ্য্য ---

"হাতী গুছি মাখি ভৈলো
গোখোজত তল গৈলো।
কচুত ভাঙিলো মই কাছি।"

অসমীয়া ভাষা সাহিত্যৰ জনক মহা পুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাতো যোজনাৰ প্ৰয়োগ দেখা যায় —

"অমৃতক ত্যজি যেন বিষ্ঠা ভুঞ্জে
গাৰি শূকৰৰ জাকে।"

একেদৰে মহাপুৰুষ মাধৱদেৱৰ ৰচনাতো পৰিলক্ষিত -

"যেন কুলবধু নিজস্বামী ত্যজি
ভজে গৈয়া উপপতি।"

আনকি বহুতো যোজনাৰে বাৰ্তালাপ কৰিছিল -

"বোলে আহিছু সতিনী থম চুকত,
তুৰি মুৰি কৰিলে গোৰ দিম বুকত।"

প্ৰত্যুত্তৰ

"লাগে চাৰিকড়া ভৰিমেই
তেও তোৰ সতিনী খাটিম।"

আনাখৰী লোকৰ দ্বাৰা ৰচিত হৈ মুখে মুখে চলি অহা বহুতো ফকৰা যোজনা প্ৰবচন পটন্তৰৰ কথাৰ লাচতে ব্যৱহাৰ হোৱা দেখা যায় —

আহিল যাচেনি পৰিল পাচেনি।

ঘৰুৱা পৰিৱেশত সঘনে ব্যৱহাৰ হোৱা দেখা যায় —

"আহক বাৰিষা বাটক পাত
বৈ যা ভিনিহি খাই যা ভাত।"

আমাৰ সমাজত এনে কিছুমান অভিভাৱক আছে যিবিলাকে নিজৰ সন্তানৰ গুণ বখানি ভাল পায়। সেয়ে যোজনাত কোৱা হৈছে —

"মাকে শলাগে জী
বাপেকে শলাগে জী
চা-চুবুৰীয়াই যাক শলাগিব
তাইহে মাকৰ জী।"

ৰহস্যময় মানৱ চৰিত্ৰৰ কথাও যোজনাত কোৱা হৈছে এইদৰে -

"ধানে প্ৰতি কণটো
মানুহে প্ৰতি মনটো।"

"চোৰে নেৰে চোৰৰ পৰ্কিতি
বনিয়াৰ দিম দিম কমাৰৰ কালি
ডোমৰ বৌ মাছ পালিহে খালি।"

"ঈশ্বৰৰ হ'লে লীলা
মানুহৰ হ'লে ধৰি বান্ধি কিলা।"

অসমীয়া সমাজৰ বেছিভাগ যোজনাইনাৰীকেন্দ্ৰিক। এইবোৰত নাৰীমনৰ মনঃস্তত্ত্ব ; শাহুআই, মাহী আইৰ চৰিত্ৰ; বোৱাৰীৰ মনোকথা আদি মনোৰমভাৱে চিত্ৰিত হৈছে। যথা -

"ওদা ধানৰ বাৰা

শাহুই লাৰা-চাৰা
বোৱাৰী আধা মৰা।"

"মোৰ নহয় সতিনীৰ পো
পাটী নাই মাটিতে শো।"

"যিয়ে নাজানে শাকৰ জুতি,
তাকে পাতে ভোজ ৰান্ধনী।"

"এলাগীক নকৰিবি হেলা,
এলাগীয়ে ৰাখিব সংকটৰ বেলা।"

কেনে অৱস্থাত ছোৱালী চাব লাগে তাকো কোৱা হৈছে যোজনাত –

"আহু চাবা গধূলি, শালি চাবা পুৱা
জাকৈ বাওতে ছোৱালী চাবা
কোন কেনেকুৱা।"

দৰা চাইহে কইনা পায় -

"ভালেহে পায় ভালক
জাৰবে পায় খালক
তাইকো নাছিল নিওঁতা
মোকো নাছিল দিওঁতা।"

যোজনাত কোনো কোনো লোকৰ সোৱোপালি নাইবা এলেহুৱা স্বভাৱৰ কথাও কোৱা হৈছে। -

"গাত নাই ছাল-বাকলি
মদ খায় তিনি টেকেলি।"

"ধোদ ধোদ ধোদ
ধোদৰ টিকাত জুই লাগিল উঠ্।"

কিছুমান যোজনাত ৰাজনীতি বিষয়ক জ্ঞানৰ পৰিচয় পোৱা যায়

"নদীৰ বন নাই খানে পোতে
বিষয়াৰ বন নাই ভাঙে পাতে।"

"মেলত নকয় উচিত
পাপে পায় কিঞ্চিত কিঞ্চিত।"

যোজনা, পটন্তৰবোৰক অনেক ক্ষেত্ৰত নীতিবচন বুলিও ক'ব পাৰি। কিছুমান যোজনাত বাধা -নিষেধ সুন্দৰকৈ দাঙি ধৰা হৈছে -

"ভাল মানুহৰ বান্দীকো আনিবা
অমানুহৰ গিৰিহঁতনীকো নানিবা।"

"আঁউসীৰ এক পূৰ্ণিমা তিথি।
মাকৰ ঘৰলৈ নায়ায় জী।"

দৈনন্দিন জীৱনৰ বিবিধ কাৰ্য্যক লৈও অসংখ্য যোজনা ৰচিত -

তিনি গধূলি তৰিছে তাঁত
উজুটিত ছিঙিছে পৈয়েকৰ দাঁত।"

সন্তানৰ প্ৰতি মাকৰ অপাৰ স্নেহৰ অপূৰ্ব চিত্ৰত চিত্ৰিত হৈছে যোজনাত -

"মাকে চায় মুখৰ ফালে,
ঘৈণীয়ে চায় হাতৰ ফালে।"

অসমীয়া সমাজৰ সম্ভ্ৰমৰ চিত্ৰ ক'ত ফুটি উঠে তাকো ক'বলৈ পাহৰা নাই যোজনাই -

"যাৰ নাই ধান তাৰ নাই মান।"

যোজনাবোৰৰ ৰচনাৰ কৌশল, ভাৱৰ গভীৰতা, ভাষাৰ চাতুৰ্য তথা সৌন্দৰ্য্য আৰু অৰ্থৰ ব্যাপকতাই চালে আচৰিত নহৈ নোৱাৰি। ই যেন সমগ্ৰ অসমীয়া সমাজখনকে দাঙি ধৰিছে। মুখে মুখে ৰচিত হৈয়ো এইবোৰ ছন্দোময় আৰু সুললিত। এইবোৰত হাঁহিৰ খোৰাক থকাৰ উপৰিও বুদ্ধি চাতুৰ্য আৰু জ্ঞানৰ পৰিচয় পোৱা যায়।

ওপৰত উদ্ধৃত ফকৰা-যোজনাবোৰৰ উপৰিও আৰু বহুতো ফকৰা-যোজনা আছে যিবোৰক আলোচনাৰ গণ্ডীলৈ অনা হোৱা নাই। সময়ে মোটি সলোৱাৰ লগে লগে আৰু মানুহৰ ৰুচিৰ পৰিবৰ্তনৰ লগে লগে অসংখ্য ফকৰা-যোজনা কালৰ বুকুত লীন গৈছে। এইবোৰ অসমীয়া জাতীয় জীৱনৰ প্ৰতিচ্ছবি। ই অসমীয়া লোক সংস্কৃতিৰ অবিচ্ছেদ্য অংগ।

মোখনিত ইয়াকে ক'ব পাৰি — 'সমস্ত বসক কোনে বুজিবক পাৰে, পক্ষীসৰ উৱয় পাখা অনুসাৰে' আৰু 'যাৰ যেন মান পাখা, তাৰ অনুৰূপে উৰয়'ৰ দৰে 'শাক ৰান্ধিবলৈ নোৱাৰে ভোজ ৰান্ধিবলৈ যোৱা'ৰ দৰে সাগৰ সংকাশ বিষয় এটিৰ ওপৰত আলোকপাত কৰিবলৈ যাওঁতে হাতী মাৰি ভুৰুকাত ভৰোৱা' বলৈ যৎপৰোনাস্তি চেষ্টা কৰা হ'ল। *

# অসম আৰু অসমীয়া নামৰ উৎপত্তি ঃ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ বিভিন্ন জাতিৰ অৱদান

দীপাঙ্কৰ ডেকা
- স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

অসমৰ জাতি আৰু অসমীয়া ভাষা দুয়োটা অসমীয়া শব্দটোৰে জনা যায়। 'অসম' শব্দৰ লগত 'ঈয়া' প্ৰত্যয় লগ লাগি 'অসমীয়া' শব্দৰ গঠন হৈছে। সেয়েহে 'অসম' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ উলিয়াব পাৰিলেই 'অসমীয়া' শব্দটোৰো অৰ্থ ওলাই আহিব। কিন্তু শব্দটোৰ উৎপত্তি সম্পৰ্কে বহুতো পণ্ডিতে বহু মতবাদ আগবঢ়াইছে। লক্ষ্যণীয় যে, পঞ্চদশ শতিকাৰ আগতে 'অসম' নামটোৰ উল্লেখ ক'তো পোৱা নাযায়। শ্ৰীমন্ত শঙ্কৰদেৱৰ লেখাতেই পোন প্ৰথমবাৰৰ বাবে 'অচম' শব্দৰ উল্লেখ পোৱা যায় আৰু ই হোম জাতি অৰ্থবহে ব্যৱহৃত হৈছে ঃ-

"কিৰাত কছাৰী খাচি গাৰো মিৰি
যবন কঙ্ক গোৱাল,
অথচ মুলুক ৰজক তুৰুক
কুবাচ ম্লেচ্ছ চাণ্ডাল।"

যোড়শ শতিকাৰ কবি সূৰ্য্যখড়ি দৈৱজ্ঞই 'দৰং ৰাজ বংশাৱলী'ত শব্দটো আহোম অৰ্থতে ব্যৱহাৰ কৰিছে। 'অসম বুৰঞ্জী'তো (১৬৮১-৯৫ ৰ ভিতৰত ৰচিত) 'অচম' শব্দৰ প্ৰয়োগ আহোম জাতি অৰ্থতে পোৱা গৈছে। একে অৰ্থত ব্যৱহাৰ হৈছে যদিও ৰামচৰণ ঠাকুৰৰ 'গুৰু চৰিত'ত 'আসাম' ৰূপ পোৱা যায়ঃ

"অনুক্ৰমে সৱে দেশত এৰায়া
ৰাজ্য পাইলা আসামৰ।"

দৈত্যাৰি ঠাকুৰৰ লেখাতো 'আসাম' ৰূপটোহে পোৱা যায় আৰু আহোম অৰ্থতে প্ৰয়োগ কৰা হৈছে - 'আসাম ৰাজ্যে আসিলন্ত এক বৃদ্ধ ব্ৰাহ্মণ।' পোন প্ৰথমবাৰৰ বাবে দেশ অৰ্থত "আসাম" আৰু জাতি অৰ্থত 'অহমিয়া' শব্দটো 'কথাগুৰু চৰিত'তো পোৱা গৈছে।

অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিলৈ বিভিন্ন জাতিয়ে আগবঢ়োৱা অৱদান লক্ষ্যণীয়। সেয়েহে অসমীয়া জাতি তথা অসমীয়া ভাষা অসমৰ বিভিন্ন জাতিসমূহৰ ওচৰত চিৰদিনৰ বাবে কৃতজ্ঞ। অসমীয়া ভাষা সাহিত্য সংস্কৃতিলৈ অৱদান থকা জাতি-গোষ্ঠীবোৰ এনেধৰণৰ - ১) নেগ্ৰিটো, ২) অষ্ট্ৰিক, ৩) তিবৰ্বত-বৰ্মী, ৪) দ্ৰাবিড়, ৫) তাই-চীন, ৬) আৰ্য-সংস্কৃতি।

১। <u>নেগ্ৰিটো</u> ঃ নেগ্ৰিটোসকল আহাৰ সংগ্ৰহকাৰীহেতু অঘৰী জীৱন-যাপন কৰিছিল আৰু অতি প্ৰাচীন কালতে এই লোকসকল আহিছিল যদিও অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ বিশেষ বৰঙণি দি যাব নোৱাৰিলে।

২। <u>অষ্ট্ৰিক</u> ঃ অষ্ট্ৰিক ভাষা পৰিয়ালক প্ৰধানকৈ দুটা ভাগত ভগোৱা হয় - ক) অষ্ট্ৰোএছিয়াটিক আৰু খ) অষ্ট্ৰোনেছিয়াটিক। আকৌ অষ্ট্ৰোএছিয়াটিকক দুটা ভাগত বিভক্ত কৰিছে - মোনখ্মে আৰু কোল মুণ্ডা ; আৰু অষ্ট্ৰোনেছিয়াটিক মালয়, যাভাদ্বীপীয়, বালিদ্বীপীয় আদি ভাগত ভাগ কৰিছে। ফিলিপাইন দ্বীপপুঞ্জ, নিউজিলেণ্ড, হাৱাই, ফিজি আদি প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জত এই শাখাৰ ভাষা প্ৰচলিত আছে।

অসমীয়া ভাষাত পৰ্বত বুজোৱা আৰু পৰ্বতৰ লগত সম্বন্ধ থকা পাহাৰ টিলা, টিং মৈদাম শব্দবোৰ অষ্ট্ৰিকসকলৰ পৰা অহা। ধৰ্ম উপাসনাৰ ক্ষেত্ৰত নদ-নদী, পৰ্বত-পাহাৰ, গছ, শিল আদিৰ পূজা বহুলাংশে অষ্ট্ৰিকসকলৰ দান।

অসমৰ কৃষিক্ষেত্ৰত অষ্ট্ৰিক গোষ্ঠীৰ অৱদান উল্লেখযোগ্য। তেওঁলোকে কল,বেঙেনা, লাও, নাৰিকল, আদা, হালধি, সৰিয়হৰ উপৰিও ঝুমখেতি কৰিছিল। তামোল-পাণৰ লগতো এইসকলৰ বিশেষ সম্বন্ধ আছিল।

চিকাৰ আৰু পশুপালন অষ্ট্ৰিক সভ্যতাৰ আন এটি দিশ। হাতী, গাহৰি, কেৰ্কেটুৱা, জহামালা, কপৌ আদি এই ভাষাৰ পৰা অহা। চিকাৰৰ সঁজুলি ধনু-কাড়, বাণ, বাটুলুগুটি আদি শব্দ অষ্টিক সংস্কৃতিৰ। বাঁহৰ লগত সম্বন্ধ থকা দোনা, জেং, টোপা, বাও আদি অষ্টিক সকলৰ অৱদান।

৩। <u>তিৰ্ব্বত বৰ্মী</u> ঃ অসমীয়া ভাষা আৰু সংস্কৃতিলৈ অৱদান অতি তাৎপৰ্যপূৰ্ণ। চীন-তিৰ্ব্বতীয় ভাষা পৰিয়ালৰ ই এটা ভাগ। চীন তিব্বতীয় ভাষা পৰিয়াল প্ৰধানত দুটা — শ্যামী-চীনা আৰু তিব্বত বৰ্মী। বড়ো, নগা, কুকি চীন, তিব্বত-বৰ্মী ভাষাৰ অসম-বৰ্মী শাখাৰ অন্তৰ্গত। অসমৰ বহুতো নৈৰ নামৰ আগত বা পাছতো বড়ো ভাষাৰ পানী বুজোৱা শব্দ 'দি' বা 'দৈ' পোৱা যায়। দিহিং, দিবং, দিগং, ভোগদৈ, মংগলদৈ আদি।

চিকাৰ বা ঘৰচীয়া জন্তুক আহাৰ হিচাপে খোৱা তিব্বত-বৰ্মী সকলৰ দান। চাউলৰ পৰা জু, ফটিকা, লাওপানী তৈয়াৰ, মৰলঘৰ, পাচি-খৰাহি, বাঁহী, কীচক, বেণু, গগণা, আদি এইসকলৰে অৱদান। তদুপৰি বিবাহৰ লগত জড়িত কিছু ৰীতি-নীতি তিব্বত-বৰ্মীসকলৰ পৰা আহিছে।

৪। দ্ৰাবিড় ঃ অষ্ট্ৰিক, দ্ৰাবিড়, চীন-তিব্বতীয় আৰু ভাৰত-ইউৰোপীয়-ভাৰতত প্ৰচলিত চাৰিটা ভাষা-পৰিয়ালৰ ভিতৰত দ্ৰাবিড়ীয় গোষ্ঠী পৰিয়ালৰ ভাষা কোৱা লোকৰ সাংখ্যাই দ্বিতীয় স্থান অধিকাৰ কৰিছে। ড° সুনীতি কুমাৰ চট্টোপধ্যায়ৰ মতে জলাতক ঠাই বুজোৱা জুলি, ভিটা, গুৰি আদি শব্দ দ্ৰাবিড় ভাষাৰ পৰা আহিছে। পূজা আৰু ভক্তি এওঁলোকৰ দুটা মৌলিক অৱদান। শিৱৰ অনন্ত-অব্যক্ত লিংগ ৰূপ আৰু মনসা দেৱীৰ বিকাশত দ্ৰাবিড় মঞ্চমৰ প্ৰভাৱ পৰিছে বুলি পণ্ডিতসকলে কয়।

৫। তাই-চীনা ঃ তাই শাখাৰ অন্তৰ্গত ভাষাৰ ভিতৰত প্ৰধান শ্যাম দেশৰ ভাষী শ্যাম। ইয়াৰ বাহিৰেও আছে লাও, লু, ছান, খামটি, নোৰা, ফাকিয়াল, আহোম আদি ভাষা। খামটি ভাষা উত্তৰ-পূৰ সীমান্ত অঞ্চল আৰু অসমৰ পূৰ্ব-অঞ্চলত এতিয়াও কথিত ভাষাৰূপে আছে। আহোম ভাষা এসময়ত অসমৰ কথিত আছিল। অসমীয়া ভাষাৰ ওপৰত আহোম আৰু খামটি ভাষাৰ প্ৰভাৱ আছে।

তাই-চীনাসকলৰ ডা-ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত স্বদেশৰ সাহিত্য বিবিধ চাৰুশিল্পৰ উৎকৰ্ষ সাধন হয়। এওঁলোকে অসমত ভৌগলিক একতা স্থাপন কৰিছিল আৰু শদিয়াৰ পৰা কৰোতোৱালৈকে এক শাসনাতন্ত্ৰৰ অধীনলৈ আনিছিল। প্ৰায় উচ্চ বিষয়াৰ ঘৰত পুথি-পাঁজিৰ ভৰাল আছিল। এওঁলোকৰ সহায় আৰু চেষ্টাত বুৰঞ্জী সাহিত্যসমূহৰ ৰচনা হৈছিল।

স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলৰ সহায়ত আয়ুৰ্বেদ, জ্যোতিষশাস্ত্ৰ, যৌনতত্ত্ব সম্বন্ধীয় পুথি, দৰ্শন শাস্ত্ৰ, বিবিধ জ্ঞান-বিজ্ঞানৰ পুথি, গীত-পদ-নাট আদি ৰচনা কৰা হৈছিল। স্বৰ্গদেউসকলে নৃত্য-গীতকো সমাদৰ কৰিছিল। যুদ্ধবিদ্যাত নতুন কৌশল, নতুন পৰিকল্পনা আৰু অস্ত্ৰ শস্ত্ৰৰ প্ৰয়োগ কৰিছিল।

তদুপৰি অসমীয়া পুৰুষ-মহিলাৰ সাজপাৰসমূহ এই যুগতে নিৰ্ধাৰিত হৈছিল। পাট-মুগা শিল্পৰ ব্যাপক প্ৰচলনো এই যুগতে হৈছিল।

৬। আৰ্য-সংস্কৃতি ঃ ঐতিহাসিক যুগৰ সূচনাৰ পৰা অসমত আৰ্য-সংস্কৃতিৰ প্ৰচাৰ আৰু জাতিগত সমন্বয়ৰ যোগেদি অসমীয়া সমাজ গঢ় তোলাত যিসকলে বৰঙণি যোগাই গৈছে সেইসকল হ'ল —

১। ৱাহ্মণ, পুৰোহিত আৰু স্মৃতিকাৰ বৃন্দ।
২। বিভিন্ন ৰাজবংশৰ ৰজাসকল।
৩। নৱবৈষ্ণৱ আন্দোলন।

এই প্ৰধান পক্ষ কেইটাৰ উপৰিও প্ৰাচীন যুগত সাহিত্য-সংস্কৃতিৰ প্ৰগতিত শৈৱ, শাক্ত, তান্ত্ৰিক আৰু সহজীয়া বৌদ্ধ আদি ধৰ্ম পন্থাবোৰেও বৰঙণি যোগাইছিল।

ৱাহ্মণ, পুৰোহিত, স্মৃতিকাৰসকলে বৰ্ণাশ্ৰম ধৰ্মৰ পতন নিয়াইছিল। আৰ্যগোষ্ঠীৰ বিভিন্ন পূজা-পাতল, বলি-বিধান, উৎসৱ-অনুষ্ঠান, ৱাহ্মণসকলে হিন্দুধৰ্মত সুমুৱাই লৈছিল।

অসমত প্ৰথমেই আৰ্যগোষ্ঠীৰ ৰাজবংশইহে হিন্দুধৰ্ম প্ৰতিষ্ঠা কৰিছিল। প্ৰাচীন মধ্য উভয় যুগতেই বিভিন্ন ৰাজবংশই অসমত বহুতো মঠ-মন্দিৰ নিৰ্মাণ কৰিছিল আৰু সেই যুগৰ শাসন ব্যৱস্থাই বৰ্তমানেও প্ৰভাৱ বিস্তাৰ কৰি আছে।

বিভিন্ন মানৱগোষ্ঠীৰ মাজত জাতিগত সাংস্কৃতিক সমন্বয় সাধন কৰা কাৰ্য্যত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বেছি। শৃংখলাবদ্ধভাৱে বৈষ্ণৱধৰ্ম প্ৰচাৰৰ অৰ্থে দেশৰ বিভিন্ন ঠাইত যত নামঘৰ প্ৰতিষ্ঠা কৰি জনগণক ধৰ্ম আৰু নীতি শিক্ষা দান কৰিছিল। ইয়াৰ জৰিয়তে অসমীয়ালোকে একগোট গৈ সমাজৰ ৰীতি-নীতি, শাস্ত্ৰ-কথা, অন্যান্য আলোচনা কৰাত বহুতো সুবিধা লাভ কৰিছিল। বৈষ্ণৱ গুৰু কবিসকলৰ দ্বাৰা ৰচিত পুথি, নাট আদি অসমীয়া সাহিত্য ভঁৰাললৈ আপুৰুগীয়া অৱদান। সেয়েহে পুৰণি অসমীয়া সাহিত্য বৈষ্ণৱ সাহিত্যৰ ওচৰত সদায় ঋণী হৈ থাকিব।

পুৰণি অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিলৈ বিশেষভাৱে বৰঙণি আগবঢ়োৱা লোক-সংস্কৃতিৰ উপাদান থকা জাতিগোষ্ঠীবোৰ হ'ল - অষ্ট্ৰিক, তিব্বত-বৰ্মী, দ্ৰাবিড়, তাই-চীনা আৰু আৰ্য-সংস্কৃতি। এই জাতিগোষ্ঠীবোৰৰ লোক-সংস্কৃতিৰ প্ৰেৰণাত অসমীয়া সাহিত্য ঠন ধৰি উঠিছে। সেয়ে দেশৰ কেঁচা মাটিৰ গোন্ধ থকা সাহিত্যৰ লগতে অসমীয়া সাহিত্যই বৰ ভঁৰাৰলৈ উল্লেখযোগ্য অবিহনাৰে পুষ্ট লোক-সংস্কৃতিৰ উপাদানসমূহৰ মূল্য অধিক। বহু যুগৰ ক্ৰমবিৱৰ্তনৰ ফলত অসমীয়া ভাষা আৰু সংস্কৃতিৰ সৃষ্টি আৰু এই ভাষা আৰু সংস্কৃতিৰ উপাদানেৰে সংমিশ্ৰিত সাহিত্যই অসমীয়া জাতিৰ বাপতি সাহোন।*

---


প্ৰসঙ্গ পুথি ঃ

১। অসমীয়া ভাষাৰ ইতিহাস - ড° ৰমেশ পাঠক
২। ভাষাবিজ্ঞান - ড° উপেন্দ্ৰনাথ গোস্বামী
৩। অসমৰ লোক-সংস্কৃতি - চাও লোকেশ্বৰ গগৈ।

# অসমীয়া জনজীৱনত গামোচা

— শ্ৰীনিকুঞ্জ ডেকা
স্নাতক দ্বিতীয় বৰ্ষ
অসমীয়া বিভাগ

লোক জীৱনৰ ভেটিত লোক সংস্কৃতি প্ৰতিষ্ঠিত হয়। অতীতৰ পৰা পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতি, সামাজিক আচৰণ, দীৰ্ঘদিনীয়া ব্যৱস্থা আদিক লৈ সংস্কৃতিৰ জন্ম হয়। অসমত গঢ় লোৱা ঐতিহ্যপূৰ্ণ সংস্কৃতি স্বকীয় সংস্কৃতিৰে যে পুষ্ট তাক দোহাৰিবৰ প্ৰয়োজনবোধ কৰা নাই। অসমীয়া জাতীয় জনজীৱনত এনে স্বকীয় সংস্কৃতি 'গামোচা'ই কিদৰে অপৰিহাৰ্য অংগবস্ত্ৰ হিচাপে আদৰ আৰু গুৰুত্ব লাভ কৰি আহিছে ; আমাৰ আলোচ্য বিষয়টোত তাকে সামৰিব বিচৰা হৈছে।

অসমৰ লোকজীৱনত সততে ব্যৱহৃত 'গামোচা' শব্দটোৰ প্ৰসংগত পণ্ডিত প্ৰৱৰ হেমচন্দ্ৰ বৰুৱাই গামোচা শব্দটো সংস্কৃত গাত্ৰ-মাৰ্জনী শব্দৰ লগত মিল দেখুৱাই ইয়াৰ অৰ্থ এনেদৰে দেখুৱাইছে যে, - গা ধুই পানী টোকা সৰু কাপোৰ আৰু তামোল বন্ধা আৰু মূৰত বন্ধা কাপোৰ। ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে আকৌ গামোচা মূলতে অংগবস্ত্ৰ অৰ্থাৎ অংগবস্ত্ৰ > অংগোচ্ছা > গামোচা হৈছে বুলি কৈছে। সাধাৰণ অৰ্থত গামোচা মানে গা-মোচা > গামোচা অৰ্থাৎ গা ধুই বা হাত মুখ ধুই যিখন কাপোৰৰে গা বা হাত-মুখ মোচাৰ বাবে ব্যৱহাৰ কৰা হয় সেইখনকে 'গামোচা' বুলি কোৱা হয়। দৰং আৰু কামৰূপ অঞ্চলৰ কোনো কোনো ঠাইত এই গামোচাক 'গাম্‌চা', মোকচা আদি নামেৰেও বুজা যায়। গামোচাৰ আকাৰ, প্ৰকাৰ ব্যৱহাৰ বিশেষে ভিন ভিন হোৱা দেখা যায়। সাধাৰণতে গামোচা এখন দীঘলে প্ৰায় ১.৩০ মিটাৰৰ পৰা ১.৮৫ মিটাৰ আৰু বহলে প্ৰায় ৬০ ছেঃমিঃৰ পৰা ৮৫ ছেঃমিঃ পৰ্য্যন্ত হোৱা দেখা যায়। অসমীয়া মানুহৰ দৈনন্দিন জীৱনত ব্যৱহৃত গামোচাখন বুলি কলে বগা ৰঙৰ কপাহী কেঁচা সূতাৰে বোৱা দীঘে দুই পাৰিত ৰঙা ৰঙৰ পাৰি দিয়া আৰু দুয়োটা আগত ৰঙা ৰঙৰ আঁচু পাৰি বৈ উলিওৱা কাপোৰখনকে বুজায়। অৱশ্যে কোনো কোনো শিপিনীয়ে সেউজীয়া, হালধীয়া আদি ৰঙৰ সূতাৰেও গামোচা বয়। কপাহী সূতাৰ বাহিৰেও কিছুমান নিপুন শিপিনীয়ে পাট সূতাৰে বোৱা গামোচাত ভমকা ফুল বাচি সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ লগতে অসমীয়া সংস্কৃতিৰ ভড়াল আৰু এঢাপ ওপৰলৈ তুলি ধৰিছে। অসমীয়া লোক জীৱনৰ সংস্কৃতিত শিপাই থকা এই অংগবস্ত্ৰ গামোচাখন ইয়াৰ আকাৰ প্ৰকাৰ আৰু ব্যৱহাৰ অনুযায়ী ফুলাম গামোচা, তিয়নি গামোচা, অনাকটা গামোচা আদি বিভিন্ন নামেৰেও জনা যায়।

আভিধানিক অৰ্থ যিয়েই নহওঁক অসমীয়া সমাজৰ জনজীৱনত অতি আদৰৰ বুলি পৰিচিত এই গামোচাৰ ব্যৱহাৰ অতি মন কৰিবলগীয়া। অসমীয়া সমাজৰ উৎসৱ-পাৰ্বণৰ পৰা পূজা-পাতললৈ, ধৰ্মীয় অনুষ্ঠানৰ পৰা সভা-সমিতিলৈ, জন্মৰ পৰা মৃত্যুলৈ এই 'গামোচা'ই এক অপৰিহাৰ্য বস্ত্ৰ হিচাপে লোক জীৱনত স্থান অধিকাৰ কৰি আহিছে। আনকি দৈনন্দিন জীৱনতো কি গাওঁৱাই হওঁক, কি নগৰীয়াই হওঁক ল'ৰাৰ পৰা বুঢ়ালৈকে, জীয়াৰী-বোৱাৰীৰ পৰা বুঢ়ী লৈকে, ভকত বৈষ্ণৱৰ পৰা সাধাৰণ বণুৱালৈকে সৰ্বজনে ইয়াক অংগবস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি অহা দেখা গৈছে।

অসমীয়া সমাজত বহুলভাৱে ব্যৱহৃত এই গামোচাখন অসমীয়া জাতিৰ জাতীয় উৎসৱ ৰঙালী বিহুটিত ইয়াৰ অপৰিহাৰ্য ভূমিকা মনকৰিবলগীয়া। এই বিহুটিত ব্যৱহাৰ কৰা সকলোৰে হেপাঁহৰ ফুলাম গামোচাখনক 'বিহুৱান' বুলি কোৱা হয়। ৰঙালী বিহুৰ প্ৰথম বিহুৰ দিনাখনেই অসমীয়া জাতিয়ে নৱবস্ত্ৰ হিচাপে অতি আদৰৰ বিহুৱানখন গাত লয়। মাতৃয়ে সন্তানক, পত্নীয়ে স্বামীক এই বিহুত বিহুৱান দিয়াৰ উপৰিও আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলোকে এই বিহুত বিহুৱান এখন দিয়া অসমীয়া সংস্কৃতিৰ এটি প্ৰচলিত নিয়ম। আনকি 'মৰমৰ দীঘেৰে চেনেহৰ বাণিৰে হেপাঁহৰ আঁচু তুলি' মৰমৰ চিন

স্বৰূপে এই বিহুতে চেনেহৰ চেনাইক বিহুৱানখন দিম বুলি বিহু অহাৰ এমাহৰ আগতে গাঁৱৰ জীয়াৰীয়ে আজিও তাঁতত গামোচা লগাই। বিহুৱা সকলেও বিহু মাৰিব যাওঁতে মূৰত ফুলাম গামোচাখন গাঠি মাৰি ল'বই লাগিব নহ'লে বিহুৱা নহ'ব। আনকি ঘৰে ঘৰে হুচৰি দলে হুচৰি গাব গ'লে বটাত বিহুৱান দি সেৱা লোৱা, বিহুৱা বিহুৱতীয়ে বৰগছৰ তলত বিহু মাৰিব যাওঁতে গছত বিহুৱান এখন বান্ধি থৈ অহা নিয়ম উজনি অসমত এতিয়াও প্ৰচলিত। মুঠতে বিহুৰ লগত বিহুৱানখন এনেভাৱে ওতপ্ৰোতভাৱে জড়িত হৈ আছে যেন বিহুৱানখন নহ'লে অসমীয়া জাতিৰ বাপতি সাহন উৎসৱটি উকা হৈ পৰিব।

অসমীয়া সমাজত প্ৰচলিত বিবাহ উৎসৱতো ফুলাম গামোচাখনৰ গুৰুত্ব মনকৰিবলগীয়া। বিবাহ উপলক্ষে কইনাই দৰাক গাত ল'বৰ বাবে ফুলাম গামোচা এখন দিয়াটো এটা চিৰাচৰিত ৰীতি বুলি ক'ব পাৰি ; যি খন গামোচাক কোনো কোনোৱে 'দৰা বৰা গামোচা' বুলি কয়। সেইদৰে কলপুলিৰ তলত দৰা আদৰোতে গামোচাখন গাত দিহে দৰা আদৰা এটা নিয়ম। আকৌ যাত্ৰা কলৰ পুলিত গামোচা দিয়া অসমীয়া বৈষ্ণৱ সমাজৰ প্ৰচলিত বিবাহৰ এক ৰীতি বুলি গণ্য কৰি অহা হৈছে। বিবাহ বিহু আহি উৎসৱৰ বাহিৰেও অসমীয়া জাতীয় সামাজিক জীৱনত এই গামোচাই নানা ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হয়। অসমীয়া মানুহৰ ঘৰলৈ কোনো গুৰু স্থানীয় লোক আহিলে ফুলাম গামোচাৰে মান ধৰা নিয়ম চলি আহিছে। আজিও অসমীয়া সমাজত কাৰোবাৰ ঘৰলৈ নতুন আলহী আহিলে বটাত গামোচাৰে মান ধৰা এটা প্ৰথা সমাজত আছে। সেইদৰে সভা-সমিতিত নেত্ৰী-স্থানীয় ব্যক্তিক এখন ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱাতো এটা প্ৰচলিত পৰম্পৰা। আজিও নৱজাতকক এখন নতুন গামোচা গাত দিয়াতো অসমৰ নাৰী সমাজৰ এটা নিয়ম তেনেদৰে মৃতককো ঘৰৰ পৰিয়াল আত্মীয়-স্বজনে অন্তত এখন নতুন গামোচা গাত দিয়াটো এটা নিয়ম।

অসমীয়া সমাজৰ দৈনন্দিন কৰ্মব্যস্ত জীৱনত গামোচাখন অংগবস্ত্ৰ হিচাপেই ব্যৱহৃত হৈ আহিছে। সেইখন গামোচা ফুলাম কিম্বা সাধাৰণ দুয়োবিধৰে হ'ব পাৰে। গা-ধোওঁতে, মুখ-হাত ধোওঁতে গামোচাখনেৰে গা মুখ মচা নিয়ম। গা-ধুবলৈ এই বিধ গামোচা ব্যৱহাৰ কৰা কাৰণে ইয়াক 'তিয়নি গামোচা' ও বোলা হয়। খেতি পথাৰত কাম কৰিবলৈ যাওঁতে গামোচাখন ককাঁলত গাঠি মাৰি লোৱাটো অসমীয়া মানুহৰ এটা অভ্যাস। আকৌ কোনো কোনোৱে মূৰতো গামোচাৰ পাগ এটা মাৰি কাম কৰিবলৈ যোৱা আমি দেখিবলৈ পাওঁ। এতিয়াও জাৰেই হওঁক, জহেই হওঁক - গাঁৱলীয়া সমাজত কান্ধত গামোচাখন লৈ ফুৰিবলৈ যোৱা মানুহৰ সংখ্যা যথেষ্ট আছে। অসমৰ গাঁৱলীয়া নাৰী সমাজতো গামোচাৰ ব্যৱহাৰ মনকৰিবলগীয়া। অসমীয়া জীয়াৰী-বোৱাৰীয়ে গা-মূৰ ধুই মূৰৰ দীঘল চুলিকোচা শুকাবৰ বাবে গামোচা এখন মূৰৰ ওপৰত লৈ চুলিৰে মেৰাই বন্ধা, মাছ মাৰিবলৈ যোৱা তিৰোতাই মূৰ আৰু ককাঁলত গামোচা বন্ধা, ঘৰ-চোতাল সাৰোতে মূৰত গামোচা এখন মেৰাই লোৱা, তাঁতত কাপোৰ বওঁতে গামোচা এখন লোৱা আৰু ছোৱালী গাভৰু হোৱাৰ পিছত গাঁও অঞ্চলত জীয়াৰীয়ে গাত গামোচা এখন লোৱা আদি দস্তুৰ অসমীয়া নাৰী সমাজত বিদ্যমান।

অসমৰ ধৰ্মীয় অনুষ্ঠান সমূহতো গামোচা এক বিশেষ ধৰণে ব্যৱহাৰ হৈ অহাটো সততে লক্ষণীয়। ভকত-বৈষ্ণৱে ঈশ্বৰৰ নাম লওঁতে ডিঙিৰ দুই কাষে পেলাই গামোচা এখন ওলোমাই লোৱাটো এটা প্ৰচলিত নিয়ম। সেইদৰে গুৰু-গোঁসাই, দেৱ-দেৱীৰ আগত সেৱা লওঁতেও ডিঙিত গামোচাখন লৈহে সেৱা জনোৱা হয়। আকৌ গোঁসাই-থাপনা, গুৰু আসন আদিৰ ওপৰত কীৰ্তন, ভাগৱত আদি ধৰ্মগ্ৰন্থ সমূহত ফুলাম গামোচা এখনেৰে ঢাকি ৰখা হয়। যিখন গামোচা শিপিনীসকলে পৱিত্ৰ মন আৰু ভক্তি ভাৱেৰে বয়। কোনো কোনো নিপুন শিপিনীয়ে এনে গামোচাত কীৰ্তন, ভাগৱতৰ পদ, ঘোষা আদি তুলিও শিল্পনৈপুণ্যৰ পৰিচয় দিয়ে। এইবিধ গামোচাক বহুজনে 'গোসাঁই গামোচা' বুলি কয়। বৈদিক নিয়মৰ শ্ৰাদ্ধাদিত উপৰিপুৰুষক শ্ৰদ্ধা জনাবলৈ গামোচা দিয়াটো লক্ষণীয় দিশ। তেনেদৰে পুৰুহিত আৰু ব্ৰাহ্মণকো গামোচাৰে মান ধৰাটো ধৰ্মীয় সমাজৰ প্ৰচলিত নিয়ম। নামনি অসমৰ কিছুমান ধৰ্মীয় উৎসৱত বিশেষকৈ উপনয়ন, চূড়াকৰণ, বিবাহ আদিত 'অনাকটা গামোচা' নামেৰে এবিধ গামোচা ব্যৱহাৰ হৈ আহিছে। এইবিধ গামোচা শিপিনীসকলে নিয়ম-নীতিৰ মাজেৰে তাঁতত বৈ উলিয়াই। এইবিধ গামোচা এবাৰত এখনহে লগোৱা হয় আৰু বৈ উলিওৱাৰ পাছত ইয়াৰ দুই মুৰে থকা দহি সূতা নকটাকৈ অনা হয় বাবে ইয়াক 'অনকটা গামোচা' বোলা হয়। এইদৰে দেখা যায় যে,

অসমীয়া সমাজৰ দৈনন্দিন জীৱনত গামোচাৰ ব্যৱহাৰ মন কৰিবলগীয়া।

অসমীয়া জন জীৱনত সততে ব্যৱহৃত হৈ অহা গামোচাখনৰ লগত কিছুমান জনবিশ্বাসো জনমানসত শিপাই আছে। বিহুৰ দিনত বিহুৱান দিম বুলি যি সকল শিপিনীয়ে তাঁতত গামোচা লগাই সেই গামোচা যদি কিবা কাৰণত বিহুৰ আগতে বৈ উলিয়াব নোৱাৰে তেনে গামোচাক 'বিহু চেৰা গামোচা' বুলি কোৱা হয় আৰু বিহুচেৰা গামোচা অমংগলীয়া বুলি আজিৰ সমাজৰ বহুজনে বিশ্বাস কৰে আকৌ অনাকটা গামোচাখন গাত ল'লে সেইজনৰ গাত কোনো অপায়-অমংগলে পাব নোৱাৰে বুলি অসমীয়া জনমানসত এটি দৃঢ় বিশ্বাস আছে।

মন কৰিবলগীয়া যে, আধুনিক জনজীৱনত বিদেশী সংস্কৃতিয়ে অসমৰ কোনো কোনো সংস্কৃতিৰ দিশ ম্লান কৰি পেলাব ধৰিছে যদিও অসমীয়া জাতিৰ হিয়াৰ আমঠু 'গামোচা'ৰ ওপৰত কিন্তু বিশেষ প্ৰভাৱ পেলাব পৰা নাই। অসমীয়া জাতীয় সত্বাৰ প্ৰতীক স্বৰূপ গামোচাৰ আদৰ বৰং বাঢ়িছেহে। বহুযুগ আগৰ পৰা অসমীয়া জনজীৱনত পুৰুষানুক্ৰমে অংগবস্ত্ৰ ৰূপে শিপাই থকা ঐতিহ্যপূৰ্ণ গামোচাখন নহ'লে অসমীয়া জাতিৰ চাক্ষুস পৰিচয় নাথাকিব। *



প্ৰবন্ধ

# বৰ্তমান সমাজত মানৱীয় প্ৰমূল্যবোধৰ সংকট

— মঃ ৰেজাউল হক
স্নাতক প্ৰথম বৰ্ষ
প্ৰাণী বিজ্ঞান বিভাগ

বৰ্তমান বিজ্ঞান আৰু তথ্য প্ৰযুক্তিৰ যুগ। আমি এনে এক সময়ত উপস্থিত হৈছোঁ, য'ত ক্ৰমবৰ্ধমান তথ্য প্ৰযুক্তিৱে মানুহৰ জীৱনত নিতৌ নতুন উপাদান সংযোজন কৰি মানৱ জীৱনক অধিক সুচল কৰি তুলিছে। বিশ্বায়নৰ লগে লগে পৃথিৱীখন সংকুচিত হৈ এক বিশ্বগ্ৰামত পৰিণত হৈছে। আমি এতিয়া Computer ৰ Keyboard অথবা Mouse ৰ আঙুলি বুলালেই গম পাওঁ পৃথিৱীৰ আনটো প্ৰান্তৰ খবৰ। কোনো ঘটনাই আজি মানুহৰ অগোচৰ হৈ নৰয়।

মানুহে সমাজ পাতি বাস কৰে। পাৰস্পৰিক বুজা পৰা, প্ৰেম, দয়া-ক্ষমা আদি মানৱীয় গুণসমূহে সমাজৰ প্ৰতিজন সদস্যকে একত্ৰিত কৰি ৰাখে। বৰ্তমান যি তথ্য প্ৰযুক্তিৰ বিকাশ হৈছে সেই বিকাশে যেন মানুহক পৰস্পৰৰ পৰা আঁতৰাই আনি অধিক ব্যক্তি কেন্দ্ৰিক কৰি তুলিছে। সকলো মানুহেই ব্যস্ত - কাৰোৰেই সময় নাই। আজি কেৱল সমাজত প্ৰতিষ্ঠিত হোৱা আৰু আনক চেৰ পেলাই আগুৱাই যোৱাৰ মানসিকতা। লাহে লাহে যেন মানুহৰ মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় আৰম্ভ হৈছে।

কেৱল প্ৰাপ্তবয়স্ক মানুহৰেই নহয় শিশুৰ মাজতো ব্যক্তিকেন্দ্ৰিক মনোভাৱে গা কৰি উঠা দেখা যায়। শিশুৰ পৰা বৃদ্ধলৈ প্ৰত্যেকেই এতিয়া যান্ত্ৰিক জীৱনৰ গৰাকী। Home Work, School, Tution ৰ হেঁচাৰ পাছত সিহঁতৰো যেন হেৰাই যায় সমনীয়া, ককা-আইতাৰ লগত খেলাৰ আকাংক্ষা। চুবুৰীৰ লগৰীয়াৰ লগত খেলাতকৈ T.V, Computer ৰ সন্মুখত বহি Cartoon চাই, game খেলি সময় কটোৱাটো যেন এক উচ্চ মানৱ ধেমালি। ককা-আইতাৰ লগত মুকলি আকাশৰ তলত সাধু কথা শুনাৰ দিনবোৰে আজি মেলানি মাগিছে।

যোগাযোগ ব্যৱস্থাৰ দ্ৰুত উন্নতিৰ লগে লগে মানুহৰ মাজত ইঘৰ সিঘৰলৈ অহা যোৱাত হ্ৰাস পাইছে। Mobile phone এতিয়া সৰু বৰ সকলোৰে হাতে হাতে। Number টিপিলেই কথা পাতিব পাৰি সকলোৰে লগত। তাৰোপৰি SMS, e-mail সেৱা এতিয়া সহজেই উপলব্ধ। চিঠি লিখাৰ জৰিয়তে আন্তৰিকতাৰ যি আদান-প্ৰদান হৈছিল সিও এতিয়া সীমিত হৈ পৰিছে। এক মিনিটতে খবৰ পাব পাৰি; তেনেস্থলত চিঠিখনলৈ ১০/১৫ দিন বাট চোৱাৰ অৱকাশ ক'ত?

মানৱীয় প্ৰমূল্যবোধৰ এই সংকটে কেৱল যে নগৰ-চহৰ অঞ্চলতে সীমাবদ্ধ এনে নহয়, গাঁও অঞ্চলতো কম বেছি পৰিমাণে এই সংকটে প্ৰভাৱ বিস্তাৰ কৰিছে। সহজ-সৰল গাঁৱৰ জীৱন এতিয়া আৰু আগৰ দৰে হৈ থকা নাই। এতিয়া কেঁচা বোকা মাটিৰ গোন্ধ মামৰে ধৰিছে আৰু কেতিয়াবা ৰাজনীতিৰ গোন্ধেৰে আমোল-মোল হৈছে। সকলোৰে মনত যেন আত্মকেন্দ্ৰিকতাই গ্ৰাস কৰিছে।

কেৱল আধুনিক তথ্য-প্ৰযুক্তিৰ বিকাশেই মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়ৰ বাবে দায়ী নহয়। আমাৰ কিছু সামাজিক ব্যৱস্থাও ইয়াৰ বাবে দায়ী। প্ৰধানতঃ সমাজত তীব্ৰভাৱে গা কৰি উঠা অৰ্থনৈতিক সংকট, কু-ৰাজনীতি আৰু নিৰাপত্তাহীনতাই ইয়াৰ বাবে দায়ী। সংস্থাপনৰ সমস্যাই যিদৰে মানুহৰ জুকলা কৰিছে এনে সময়ত এজনক পিচ পেলাই আনজনে আগবাঢ়িবলৈ কৰা প্ৰচেষ্টাক দায়ী কৰিব নোৱাৰি। অতিকৈ ব্যস্ত হৈ পৰা মানুহৰ মাজত এতিয়া সমাজক সময় দিব পৰাকৈ অফুৰন্ত সময় কাৰোৰেই নাই, অৱশ্যে ইয়াৰ মাজতো দুই এক ব্যতিক্ৰম নথকা নহয়। নিৰাপত্তাহীনতাই মানুহৰ বিশ্বাসক বহুখিনি অৱনমিত কৰিছে।

কিন্তু ইমানবোৰৰ পিছতো আমি সমাজত বসবাস কৰিবই লাগিব। মানৱীয় গুণ সমূহৰ কৰ্ষণ অবিহনে এখন সমাজ বৰ্তি থাকিব নোৱাৰে। অতিশয় ব্যস্ততাৰ মাজতো আমি কিছু কথা ব্যক্তিকেন্দ্ৰিকতাৰ উৰ্ধলৈ গৈয়ো ভাবি চাব লাগিব। মানুহৰ সুখ-দুখৰ সমভাগী হৈ আন্তৰিক সম্পৰ্ক বিলাক পুনৰ জীৱিত কৰিব লাগিব। বিজ্ঞানৰ নিত্য নতুন আৱিস্কাৰে মানৱ জীৱনলৈ কঢ়িয়াই অনা সুযোগ সুবিধাবোৰ গ্ৰহণ কৰি আগবাঢ়ি যোৱাৰ লগে লগে আমাৰ লক্ষ্য হোৱা উচিত এনে এখন সমাজ গঢ়াৰ, য'ত সকলোৰেই যেন পাৰস্পৰিক বুজা-বুজি, প্ৰেম-ভালপোৱা আৰু সহযোগিতাৰ মনোভাৱেৰে বাস কৰিব পাৰে। *

# বিজ্ঞান আৰু দৈনন্দিন জীৱন

— শ্ৰীদীপশিখা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ
প্ৰাণী বিজ্ঞান বিভাগ

মানুহ জীৱশ্ৰেষ্ঠ প্ৰাণী। ঈশ্বৰ প্ৰদত্ত জ্ঞান, বুদ্ধি বিচাৰ বিবেচনাৰে পুষ্ট মানুহ ব্ৰতী হৈ আছে নিত্য নতুন তথ্যৰ সন্ধানত। ফলস্বৰূপে প্ৰস্তৰ যুগত জীৱ-জন্তুৰ কেঁচা মঙহ খাই গছৰ খোৰোং, পৰ্বতৰ গুহাত বাস কৰা মানৱে সভ্যতাৰ সোপান বগাই বৰ্তমান অৱস্থাত উপনীত হৈছে। মানুহৰ কৌতুহলী মনেই জন্ম দিছে বিজ্ঞানৰ। বিজ্ঞানৰ সৰু-বৰ আবিষ্কাৰ সমূহে মানুৱ জীৱনৰ দ্ৰুত পৰিৱৰ্তন ঘটাই জীৱন কৰি তুলিছে সুখময় আৰু আৰামদায়ক।

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। ৰাতিপুৱা শুই উঠাৰ পৰা নিশা টোপনি যোৱালৈকে প্ৰতিটো মূহুৰ্ততে বিজ্ঞানৰ সহায়তা অপৰিহাৰ্য্য। বিজ্ঞানৰ বলতে মানুহে উন্নতিৰ সোপান বগাই বৰ্তমানে বহু উন্নত জীৱন-যাপন কৰিবলৈ সক্ষম হৈছে। মানুহৰ ব্যৱহাৰিক জীৱনৰ পৰা আৰম্ভ কৰি চিন্তা-চৰ্চা সকলোতে বিজ্ঞানৰ প্ৰভাৱ অপৰিসীম। বিজ্ঞান হৈছে মানুহৰ প্ৰগতিৰ মূলমন্ত্ৰ। বিজ্ঞানীসকলে সৰু-ডাঙৰ নানা যন্ত্ৰ আৰু বস্তুৰ উদঘাটন কৰি মানৱ জীৱনৰ দ্ৰুত পৰিৱৰ্তন সাধিছে। আকৌ সেই উদ্‌ঘাটনৰ অন্তৰালত আছে কিছু সহজ সৰল প্ৰাকৃতিক ঘটনা। যেনে -কেটলিত উতলি থকা পানীৰ তাপৰ শক্তি দেখি জৰ্জ ষ্টিফেনছনে ৰেল ইঞ্জিন সাজি উলিয়াইছিল। গছৰ পৰা আপেল সৰি পৰা পৰিঘটনাৰ পৰা উদ্‌ঘাটন হৈছিল পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ।

বিদ্যুৎ হৈছে বিজ্ঞানৰ এক চমকপ্ৰদ আৱিষ্কাৰ যিয়ে উন্নতিৰ শতেক পথৰ সন্ধান দিছে। বিদ্যুতৰ জৰিয়তে ৰেল চলোৱা, বিভিন্ন কল-কাৰখানা আৰু উদ্যোগ চলোৱা সম্ভৱ হৈছে। আৱশ্যক অনুযায়ী ঘৰৰ শীত-তাপ নিয়ন্ত্ৰণ, ৰেফ্ৰিজাৰেটৰত খাদ্য সঞ্চয় কৰা, কাপোৰ ধোৱা মেচিন চলোৱা, কাপোৰ ইস্ত্ৰি কৰা, দূৰদৰ্শন তথা অনাতাঁৰৰ ব্যৱহাৰ কৰা আৰু এন্ধাৰ আঁতৰাই ঘৰত পোহৰ উদ্ভাসিত কাৰ্য্য সম্ভৱ হৈছে কেৱল বিদ্যুতৰ আৱিষ্কাৰৰ বাবেহে। বিদ্যুত অবিহনে জীৱন যাত্ৰা অসম্ভৱ।

বৰ্তমান যাতায়ত ব্যৱস্থা বিজ্ঞানৰ ওপৰতে নিৰ্ভৰ কৰিছে। বিভিন্ন সৰু-ডাঙৰ মটৰ গাড়ী, ৰেল, জাহাজ, উৰা জাহাজ আদি বিজ্ঞানৰ মহান অৱদান। ইয়াৰ বলতেই মানুহে পৃথিৱীত ইমূৰৰ পৰা সিমূৰলৈ বৰ-ঘৰ মাৰল ঘৰৰ দৰে বিচৰণ কৰিব পাৰিছে। আনকি বিজ্ঞানৰ বলত মানুহে অন্যগ্ৰহ উপগ্ৰহতো অৱতৰণ কৰিবলৈ সক্ষম হৈছে।

স্বাস্থ্যই পৰম ধন বুলি এষাৰ কথা আছে। কথাতেই কয় বোলে দেহা থাকিলেহে বেহা। বিজ্ঞানৰ বলত মানুহে আজি শৰীৰ বা স্বাস্থ্য ৰক্ষাত সক্ষম হৈছে। বিজ্ঞানৰ অভিনৱ আৱিষ্কাৰ এক্সৰে যন্ত্ৰৰ সহায়ত আনকি মানুহৰ শৰীৰৰ ভিতৰৰ ৰোগৰ বিষয়ে জানিবলৈ সক্ষম হৈছে। তাৰোপৰি বিজ্ঞানে আৱিষ্কাৰ কৰা বিভিন্ন সজুলিৰে যিকোনো ৰোগৰ অস্ত্ৰোপচাৰ সহজ কৰি তুলিছে। বিজ্ঞানে মানুহক বিভিন্ন ৰোগৰ পৰা আৰোগ্য কৰাই নহয় মানুহৰ গড় আয়ুস বৃদ্ধিও কৰিছে। চিকিৎসা বিজ্ঞানত আজি এক নতুন পৰিৱৰ্তন দেখা দিছে। আলেকজেণ্ডাৰ ফ্লেমিঙৰ পেনিচিলিন আৱিষ্কাৰ, লুই পাস্তুৰৰ জলাতংক ৰোগৰ আৱিষ্কাৰে এক নতুন অভিলেখ স্থাপন কৰিছে। আনকি টি.বি, কুষ্ঠৰোগ, কেন্সাৰ আদিৰ দৰে দুৰাৰোগ্যৰ পৰাও আৰোগ্য লাভ কৰিবলৈ সক্ষম হৈছে। বিজ্ঞানৰ সূক্ষ্ম দৃষ্টিৰ আগত অতি সূক্ষ্ম বেক্টেৰিয়া, ভাইৰাছ আদি একে অদৃশ্য হৈ থাকিব পৰা নাই। বিজ্ঞানৰ এক মহান আৱিষ্কাৰ হৈছে পাৰমাণৱিক শক্তি। এই শক্তিয়ে হয়তো এদিন কয়লা আৰু পেট্ৰ'লিয়ামৰ অবিহনে বিকল্প শক্তিৰ উৎসস্বৰূপে মানৱ সভ্যতাত ইন্ধন যোগাব। পাৰমানৱিক ৰহস্য আৰু শক্তি উদ্‌ঘাটন, মহাকাশৰ বিভিন্ন তথ্য গ্ৰহণ আদিয়ে মানৱ সভ্যতাক বহুদূৰ আগুৱাই লৈ গ'ল। মহাকাশত কৃত্ৰিম উপগ্ৰহ স্থাপনৰ ফলত দূৰ সংযোগ ব্যৱস্থা ব্যাপক আৰু সহজ সাধ্য হ'ল।

কুৰি শতিকাত, বিজ্ঞানে মানৱ সমাজলৈ উপহাৰ দিছে এক পৰম বিস্ময়কৰ আৱিষ্কাৰ ইলেক্ট্ৰনিক্স। এই

ইলেক্ট্ৰনিক্সৰ অৱদান সমূহ হ'ল- টেপৰেকৰ্ডাৰ, টেলিভিশ্যন, টেলিপ্ৰিণ্টাৰ আৰু শেহতীয়াকৈ কম্পিউটাৰ। মানুহৰ মগজুৰে যিটো কৰা সম্ভৱ তাৰ অধিকাংশই বৰ্তমান কম্পিউটাৰৰ দ্বাৰা সম্ভৱ হৈছে। যিকোনো কাৰখানাৰ উৎপাদন ব্যৱস্থা মানুহ অবিহনে নিয়ন্ত্ৰণ কৰাৰ পৰা আনকি মহাকাশ যানৰ গতিপথ নিৰ্দেশলৈকে, নানা ধৰণৰ গৱেষণা, গণনা, পৰিকল্পনাৰ যাৱতীয় কৰ্ম-কাণ্ডৰ অবিচ্ছেদ্য অংগ হৈছে কম্পিউটাৰ।

দূৰদৰ্শন হৈছে জনসংযোগৰ উৎকৃষ্ট মাধ্যম। পৃথিৱীৰ এটা চুকত বহি দেশ-বিদেশৰ ঘটনাৰাজি জানিব, দেখিব পৰা এই মাধ্যমে মনোৰঞ্জনৰ উপৰিও সমৃদ্ধ কৰিছে জ্ঞানৰ ভঁৰাল।

বিজ্ঞানে উপহাৰ দিয়া আমাৰ অতি আৱশ্যকীয় বস্তু হৈছে টেলিফোন। যাৰ দ্বাৰা আজি বহল বিশ্বখনি এখন ঘৰ আৰু বিশ্ববাসী এটি পৰিয়ালৰ দৰে হৈ পৰিছে। ইয়াৰ জৰিয়তে পৃথিৱীৰ যিকোনো ঠাইৰ এজন ব্যক্তিয়ে আন এখন ঠাইৰ ব্যক্তিৰ লগত কথা পাতিব পাৰে। ই মেইল, ফেক্স আদিৰ জৰিয়তে পৃথিৱীৰ যিকোনো ঠাইলৈ মাত্ৰ কেইছেকেণ্ডৰ ভিতৰতে বাৰ্তা প্ৰেৰণ কৰিব পাৰি। আনকি ঘৰতে বহি বিশ্বত ঘটা ঘটনা সমূহৰ বাতৰি নিমিষতে পাব পাৰি।

কৃষিৰ ক্ষেত্ৰতো বিজ্ঞানৰ অৱদান অতুলনীয়। জনসংখ্যা বৃদ্ধিৰ লগে লগে প্ৰয়োজন হোৱা খাদ্য শস্যৰ উৎপাদন বঢ়াব পৰাকৈ বিজ্ঞানে নতুন ব্যৱস্থা উপহাৰ দিছে। অধিক শস্য উৎপাদনৰ বাবে বিভিন্ন সাৰ আবিস্কাৰ হৈছে। বিজ্ঞান প্ৰদত্ত বিভিন্ন আহিলা পাতিয়ে খেতিয়ক সকলৰ সময় আৰু কষ্ট লাঘৱ কৰি প্ৰচুৰ উৎপাদনত সহায় কৰিছে। থলুৱা জাতৰ পৰিৱৰ্তে অধিক উৎপাদনক্ষম শস্যৰ বীজ ব্যৱহাৰ কৰি একেডৰা মাটিতে বছৰত তিনিটাকৈ খেতি কৰি অধিক লাভবান হ'বলৈ সক্ষম হৈছে।

ছপাশালৰ আৱিস্কাৰে অতিকম সময়ৰ ভিতৰতে কিতাপ, বাতৰিকাকত ছপাই মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিছে। তাহানিৰ সাঁচিপতীয়া পুথিৰ কথা ভাবিলে এতিয়া আচৰিত লাগে।

মুঠৰ ওপৰত বিজ্ঞানে মানৱ সভ্যতাৰ স্তৰ সলনি কৰি পেলাইছে। বৈজ্ঞানিক যন্ত্ৰ আৰু কলা কৌশলে মানুহৰ অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ সমস্যা অতি সহজে সমাধান কৰিব পৰা হ'ল। বৈজ্ঞানিক আৱিস্কাৰে অকল যে আমাৰ দৈনন্দিন জীৱনক আৰাম বিলাসৰ ৰম্যভূমিত পৰিণত কৰিছে এনে নহয়, ব্যৱহাৰিক জীৱনত আৱশ্যকীয় জ্ঞান ৰাজিৰ উপৰিও আমাক দিছে সৃষ্টিৰ তত্ব, নৃতাত্বিক ঐতিহাসিক জ্ঞান, দিন-ৰাতিৰ আবিৰ্ভাৱ, গ্ৰহ-নক্ষত্ৰৰ ৰহস্যৰ সন্ধান। ৰকেটেৰে আজি মানুহে মহাকাশত বিচৰণ কৰিব লাগিছে। জোনৰ বুকুত ভৰি দিছে। আনকি অন্যান্য গ্ৰহৰ বুকুতো খোপনি পুতিবলৈ প্ৰয়াস কৰিছে। বিজ্ঞানে আজি প্ৰকৃতিক কৰায়ত্ত কৰি হাতৰ মুঠিত ৰাখিবলৈ সক্ষম হৈছে।

আমাৰ দৈনন্দিন জীৱনত অৱশ্যে বিজ্ঞানৰ নেতিবাচক দিশো পৰিলক্ষিত হয়। বৰ্তমান বিজ্ঞানৰ বিভিন্ন আহিলা-পাতি ব্যৱহাৰৰ ফলত মানুহ বেছি আৰামপ্ৰিয় আৰু এলেহুৱা হৈ পৰিছে। বিশেষকৈ নৱ প্ৰজন্মৰ কৰ্ম বিমুখিতাই মানুহৰ উন্নতিত কিছু বাধাৰ সৃষ্টি কৰিছে। তাৰোপৰি বিজ্ঞানৰ শক্তিৰ অসৎ ব্যৱহাৰে মানুহৰ শান্তি বিঘ্নিত কৰা দেখা যায়। গতিকে বিজ্ঞানৰ শক্তি মানুহৰ কল্যাণৰ হকে প্ৰয়োগ কৰাটো বাঞ্চনীয়। *



প্ৰবন্ধ

# বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা

কংকন কলিতা
স্নাতক প্ৰথম বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ

কোনো এটা কথা বিশদভাৱে জনাৰ ইচ্ছা, কথা এটা বিশ্লেষণ কৰিচোৱাৰ ইচ্ছা আৰু বিশ্লেৰ্ষণ কৰাৰ পিছত নিজকে এটা ধাৰণা লোৱাৰ ইচ্ছা-এইবোৰ কথাতে বৈজ্ঞানিক মানসিকতা থুলমুলকৈ জড়িত থাকে। মানুহৰ মনত বৈজ্ঞানিক মানসিকতা সৃষ্টি হ'বলৈ হ'লে কোনো এজনলোক বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী হোৱাৰ প্ৰয়োজন নাই। নাইবা বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী হ'লেও কোনোলোকৰ বৈজ্ঞানিক মানসিকতা নাথাকিবও পাৰে। আনহ তে, একেবাৰে সাধাৰণলোক এজনৰো বৈজ্ঞানিক মানসিকতা থাকিব পাৰে। ইয়াৰ বাবে আমি কোনো ব্যক্তিয়ে বা সংস্থাই আগতে দি অহা উক্তি বা কথা এটা জানিবলৈ ইচ্ছা আৰু সেই বিষয়ে ভালদৰে চালি জাৰি চোৱাৰ ইচ্ছা থাকিব লাগিব আৰু কোনো গুৰুৱে কৈছে বা মহান ব্যক্তিয়ে কৈছে গতিকে, আমাৰ সেই বিষয়ে ভাবি চিন্তি চোৱাৰ কোনো দৰকাৰ নাই এই ধৰণৰ মনোবৃত্তি থাকিব নালাগিব।

মানুহৰ এটা স্বাভাৱিক প্ৰবৃত্তি যে মানুহে সদায় নজনা কথা জানিব বিচাৰে নাইবা নুবুজা কথা বুজি ল'ব বিচাৰে। একেবাৰে আদিম মানুহৰ পৰা এতিয়াৰ আধুনিক মানুহলৈ প্ৰত্যেকৰে এই অনুসন্ধিৎসা আছে। এনেধৰণৰ বুদ্ধি আৰু অনুসন্ধিৎসাৰ বাবেই মানুহৰ উন্নতিৰ পথত আগুৱাই গৈছে। তাৰ ফলতে মানুহে প্ৰকৃতিৰ নানা সত্য উদ্‌ঘাটন কৰিছে আৰু প্ৰকৃতিৰ নানা সম্পদ নিজৰ জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ ব্যৱহাৰ কৰিছে আৰু তাৰ লগে লগে প্ৰকৃতিৰ ৰহস্য ভেদ কৰাৰ এক অপৰিসীম আনন্দয়ে মানুহক কৌতুহলী কৰি তুলিছে।

বৈজ্ঞানিক মানসিকতা গঢ়িবলৈ হ'লে মানুহৰ প্ৰবল আত্মবিশ্বাস আৰু এটি মুকলি মনৰ প্ৰয়োজন। মানুহে যদি আজিৰ সমাজত দেখা দিয়া অন্ধবিশ্বাসৰ ওপৰত বিশ্বাস নকৰি দৃঢ়তাৰে সেই অন্ধবিশ্বাসৰ লগত জড়িত কথাবোৰৰ ওপৰত চালি-জাৰি চাই বৈজ্ঞানিক মনোবৃত্তিৰে তাৰ ওপৰত উচিত ধাৰণা ল'বপাৰে তেতিয়াহে এই বৈজ্ঞানিক মানসিকতা গঢ়াত সফল হ'ব।

গাঁওৱেই হওঁক বা চহৰেই হওঁক সকলোতে অন্ধবিশ্বাসৰ প্ৰভাৱ প্ৰবল। অন্ধবিশ্বাস আতৰাবলৈ হ'লে বৈজ্ঞানিক মনোবৃত্তিৰে নিজৰ মনটো মুকলি ৰাখি কোনো পুৰনি কথাত আকোৰগোজ হৈ নাথাকি নতুন সিদ্ধান্ত গ্ৰহণ কৰিব পৰা প্ৰচেষ্টা চলাব লাগিব যিয়ে ব্যক্তি আৰু সমাজ উন্নতিৰ পথত আগবঢ়াই লৈ যায়। আগতে যেতিয়া বহুতো কথাৰ কাৰ্য-কৰণ সম্পৰ্কে মানুহে জনা নাছিল তেতিয়া সেইবোৰ দেৱ-দেৱী, ভূত-পিশাচ বা কোনো অদৃশ্য শক্তিৰ কাণ্ড বুলি মানি লৈছিল। বৰ আই, সৰু আই আদি বা বসন্তৰোগো তেনেকৈ শীতলা দেৱী বা অন্য কোনো দেৱীৰ ৰোষত হোৱা বুলি মানুহে বিশ্বাস কৰিছিল। তেনে দেৱ-দেৱী, ভূত-প্ৰেতক সন্তুষ্ট কৰিবলৈ তেওঁলোকে নানা পূজা-নাম-সবাহ আদিৰ ব্যৱস্থা কৰিছিল। কিন্তু এতিয়া আমি সেই ধাৰণা সলনি কৰা উচিত। কাৰণ এতিয়া যদি তেনে ৰোগত আমি চিকিৎসকৰ সহায় নলৈ পূজা-নাম আদি পাতো তেন্তে বিজ্ঞানক উপলুঙা কৰা যেন হ'ব। কাৰণ বিজ্ঞানী সকলে প্ৰমাণ কৰি দিছে যে বসন্ত ৰোগ কোনো দেৱ-দেৱীৰ ৰোষত নহয়, এবিধ ভাইৰাছৰ পৰাহে হয়। কিন্তু আমাৰ সমাজত এতিয়াও এনে কিছুমান প্ৰথা চলি আহিছে। আমাৰ আই ওলালে গোসানীৰ নাম ধৰে বা গোপিনী সবাহ পতা হয়। কিন্তু ৰোগীৰ ঘৰত নাম পাতি মাহ-প্ৰসাদ দিলে তাৰ জৰিয়তে, ৰোগী আৰু পৰিচৰ্যা কৰা সকলৰ সংস্পৰ্শলৈ অহাৰ ফলত আন মানুহৰ গালৈও এই ভাইৰাছ বিয়পিব পাৰে। গতিকে বসন্ত হলে পূজা নাম পতাৰ কোনো দৰকাৰ নাই। যদি পূজা-নাম পাতিবই লাগে তেন্তে ৰোগী সুস্থ হোৱাৰ পাছত পাতক। ধৰ্মও ৰক্ষা হ'ব বেমাৰো নিবিয়পে।

C.S.I.R.ৰ এটা বিজ্ঞানগাৰ লক্ষনৌৰ ইণ্ডাষ্ট্ৰিয়েল এণ্ড টক্‌ক্সিলজি বিৰ্ছাচ চেন্টাৰে পৰীক্ষা কৰি দেখিছো যে দেশৰ প্ৰায় সকলো ব্ৰেণ্ডৰ ধূপতে ডাইমিমাইল থেলেট আৰু ডাই বিউটাইল থেলেট নামৰ দুবিধ বিষাক্ত পদাৰ্থ থাকে। এই দুই পদাৰ্থই মানুহৰ কেন্সাৰ ৰোগ সৃষ্টি কৰিব পাৰে। কিন্তু আমাৰ মানুহে বন্ধ মন্দিৰত, বন্ধ কোঠাত কোছা-কোছে ধূপ জ্বলাই প্ৰদূষণ কৰি আছে। ধৰ্মৰ বাবে লাগিলে কমকৈ মুকলি ঠাইত জ্বলাওক।

এনেধৰণৰ বহু উদাহৰণ ওলাব যাৰ প্ৰভাৱে সমাজখনক অতি কঠোৰ ভাৱে আৱৰি ৰাখিছে। আমি সকলো শিক্ষিত নাগৰিকেই প্ৰচেষ্টা চলাই এখন সুশৃংখল আৰু সচেতন সমাজ গঠন কৰোতা আমাৰ দায়িত্ব আৰু কৰ্তব্য। যাৰ দ্বাৰা আমাৰ ভৱিষ্যৎ প্ৰজন্মই এক সুপথেৰে আগ বাঢ়ি এখন আধুনিক, সচেতনশীল আৰু সু-শৃংখল সমাজ লাভ কৰে। *

*(ওপৰোক্ত তথ্যবোৰ "বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা" নামৰ গ্ৰন্থৰ আধাৰত যুগুতোৱা হৈছে)*

# গোলকীয় শাসন ঃ বিশ্ব ৰাষ্ট্ৰৰ নতুন বতৰা

শ্ৰীজিনুমা বৰ্মন
স্নাতক ২য় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

গোলকীয় শাসন ব্যৱস্থাই (Global governance complex) যোৱা শতিকাৰ মাজভাগৰ পৰা পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ মানৱ জাতিৰ সু-শৃংখল জীৱন নিৰ্বাহিত অতি গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰি আহিছে। গোলকীয় শাসনৰ বাঢ়নমুখী প্ৰকৃতিয়ে ই যে বৰ্তমান পৰিস্থিতিত অপৰিহাৰ্য হৈ উঠিছে তাৰে উমান দিয়ে। কটকটীয়া বিশ্ব চৰকাৰ এখন নোহোৱা লৈকে অথবা ৰাজনৈতিক হস্তক্ষেপ আৰু সুবিধাবাদী এচাম লোকৰ স্বাৰ্থ থকালৈকে গোলকীয় শাসন ব্যৱস্থাই মানৱ জাতিৰ সকলোখিনি আশা আকাংক্ষাক বাস্তৱায়িত কৰিব বুলি আশা কৰিব নোৱাৰি। বৰ্তমান আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ধাৰণাই বিকাশ লাভ কৰি বিশ্ব ৰাজনীতিলৈ সম্প্ৰসাৰিত হৈছে। ১৯৯০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওৱাছিংটনত স্থাপিত হোৱা Carnegie Endowment for International Peace,১৯১৪ চনত গ্ৰেটবৃটেইনত Union of Democratic Control ,১৯২০ চনত লণ্ডনত Royal Institute of International Affairs এই সংস্থাবোৰে ৰাষ্ট্ৰসমূহৰ কাৰ্যকলাপৰ ওপৰত গৱেষণা চলাই আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা ৰক্ষাৰ বাবে বিশ্বৰাষ্ট্ৰৰ ধাৰণাৰ উদ্ভাৱন কৰে। আৰু ইয়াৰ ফলশ্ৰুতিতেই গোলকীয় শাসন ব্যৱস্থাই ৰাষ্ট্ৰীয় পটত ধৰা দিয়ে।

গোলকীয় শাসন কি?

গোলকীয় শাসন বুলিলে কোনো এটা নিৰ্দ্দিষ্ট শাসন যন্ত্ৰই বিশ্বক পৰিচালনা কৰা নুবুজায়। ই একক নহৈ মিশ্ৰিত (complex) শাসন প্ৰণালী এটাক সূচায়। গোলকীয় ব্যৱস্থাই আনুষ্ঠানিক আৰু অনানুষ্ঠানিকভাৱে গঢ় লৈ উঠা আন্তৰ্দেশীয় সংস্থা, ৰাজনৈতিক ভাৱে সহযোগিতা থকা গোট, বিভিন্ন দেশৰ চৰকাৰ,চৰকাৰবোৰৰ পৃষ্ঠপোষকতাত জন্ম লোৱা প্ৰতিষ্ঠান, সংযোগ ক্ষেত্ৰ ( Network) সামৰি লয়। বিশ্বমানৱৰ লগত জড়িত সাধাৰণ বিষয়বোৰৰ উৎকৰ্ষ সাধন কাত নিয়ন্ত্ৰণ কৰা আৰু প্ৰয়োজন অনুসৰি হস্তক্ষেপ কৰাই গোলকীয় শাসনৰ মূল মন্ত্ৰ।

**ৰাষ্ট্ৰীয় মানৱ অধিকাৰৰ লগত জড়িত প্ৰতিষ্ঠান** (National Human Rights Institutions)

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অধিক গুৰুত্ব পাবলৈ আৰম্ভ কৰা মানৱ অধিকাৰ সুৰক্ষাৰ বিষয়টোও গোলকীয় শাসনৰে এটা দিশ। সাম্প্ৰতিক কালত আভ্যন্তৰীণ অন্তৰ্কলহেৰে ভৰা বহুতো মানৱ অধিকাৰ উলংঘন হৈ নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষাকৱচ নোহোৱাৰ উপক্ৰম ঘটিছে। সাধাৰণ নাগৰিকৰ জীৱন নিৰ্বাহিক বেছি সুৰক্ষিত কৰিবৰ নিমিত্তে মানৱ অধিকাৰ সুৰক্ষাৰ সংগঠনবোৰে এই বিষয়ত থকা আন্তঃৰ্জাতিক নিয়মাৱলী আৰু নিৰ্দেশনাবোৰে অনুসৰণ কৰাটো বাঞ্চনীয়।

**আন্তৰ্দেশীয় নিৰাপত্তাৰ ভাবুকি** (Transnational Security Threats)

বৰ্তমান বিশ্বত কোনো দেশেই সুৰক্ষিত নহয়। সময়ৰ লগে লগে এনে কিছুমান সমস্যাই গা- কৰি উঠিছে যাৰ কাৰণে কোনোদেশ চুবুৰীয়া দেশৰ সহায়-সহযোগিতাৰ অবিহনে নিৰাপদে থকাটো টান হৈ উঠিছে। তাৰে কিছুমান সমস্যা হৈছে- নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ, মাৰণাস্ত্ৰৰ চোৰাং কাৰবাৰ আদি প্ৰধান। স্থানীয় চৰকাৰৰ বিভাগীয় কাৰ্যব্যৱস্থা আৰু নীতি নিৰ্দেশনাবোৰ বহু সময়ত ফলপ্ৰসু নোহোৱা হৈছে। সেয়ে এই বিষয়বোৰত গোলকীয় শাসন অপৰিহাৰ্য বুলি ভবাৰ থল আছে। কাৰণ আন্তৰ্দেশীয় ভাৱে এনে সমস্যাৰ সমাধানৰ সুদ পোৱা যাব।

**গণতন্ত্ৰৰ বিকাশ** (Promoting Democracy)

শীতল যুদ্ধৰ অৱসানৰ পাছৰ সময়ছোৱাত সাধাৰণ নাগৰিকৰ জীৱনক বেছি সুৰক্ষিত ৰাখিবৰ কাৰণে বিশ্বৰ প্ৰায়বোৰ দেশেই গণতন্ত্ৰৰ আদৰ্শ গ্ৰহণ কৰিছে । কিন্তু তাৰ মাজতো কিছুদেশত কমিউনিষ্ট শাসন ব্যৱস্থা দেখা যায়। এনেবোৰ শাসনে জনসাধাৰণৰ পূৰ্ণ সমৰ্থন লাভ কৰিব নোৱাৰাত এনেবোৰ দেশত মাজে সময়ে গণতন্ত্ৰৰ নামত হৈ চৈ লাগে। আনহাতে গণতন্ত্ৰৰ সন্মুখত প্ৰত্যাহ্বান হিচাবে

থিয় দিয়া সমাজবিৰোধী চক্ৰবোৰক মষিমূৰ কৰাৰ প্ৰয়োজন বুলি বহুতেই ভাবে। মজবুত গোলকীয় শাসন ব্যৱস্থাই এই ক্ষেত্ৰত সহায়ক হ'ব বুলি ভবাৰ থল আছে।

**পৰিৱেশ সম্বন্ধীয় চুক্তি** (Multilateral Enviromental Treaty)

যোৱা শতিকাৰ শেষৰ দশকৰ পৰা ৰাষ্ট্ৰসংঘৰ উদ্যোগত পৰিবেশ সংৰক্ষণ বিষয়ত আৰম্ভ হোৱা বিশ্ব সন্মিলনবোৰে (World Summits) গোলকীয় শাসন ব্যৱস্থাৰ সম্প্ৰসাৰণত নতুন মাত্ৰা দিছে। ১৯৯২ চনত অনুষ্ঠিত হোৱা প্ৰথমখন পৰিৱেশ আৰু উন্নয়ণ বিষয়ৰ বিশ্ব সন্মিলনৰ যোগেদি অবিৰত উন্নয়ন'ৰ (sustainable Development) ধাৰণা। বিষয়ত বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰা হয়। ইয়াৰ পাছত সময়বোৰত পৰ্যায়ক্ৰমে গোলকীয় উষ্ণতা বৃদ্ধি, জলবায়ু পৰিবৰ্তন আদি পৰিৱেশ সম্বন্ধীয় বিষয়ত আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ যোগেদি কিছুমান চুক্তি স্বাক্ষৰিত হৈছে। ভৱিষ্যতক সুৰক্ষিত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় ভাবে ৰাষ্ট্ৰসংঘৰ উপৰিও সকলোবোৰ দেশৰ চৰকাৰ আন্তঃ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান, সংস্থাৰ সন্মিলিত প্ৰচেষ্টাই অসাৰ বতৰা কঢ়িয়াব বুলি ধাৰণা হয়।

**নিউক্লীয় অসম্প্ৰসাৰণ** (Nuclear Non Proliferation)

দ্বিতীয় মহাযুদ্ধৰ পিছত ৰাষ্ট্ৰসংঘই আনবিক অস্ত্ৰ নিষিদ্ধ কৰণৰ বাবে সকলো প্ৰকাৰে চেষ্টা কৰি আছে। কিন্তু বৰ্তমানলৈকে কোনো এখন দেশেই এই ক্ষেত্ৰত সহযোগিতা কৰা নাই। এতিয়াও বহু ৰাষ্ট্ৰই নিউক্লীয় মাৰণাস্ত্ৰ সংগ্ৰহ কৰি আছে আৰু তাৰ পৰিণতিত এখন অঘোষিত যুদ্ধৰ বতৰাই পৃথিৱীবাসীক ত্ৰস্তমান কৰি ৰাখিছে। আনবিক অস্ত্ৰ পৰীক্ষা-নিৰীক্ষাৰ ক্ষেত্ৰত বিভিন্ন বাধা নিষেধ আৰোপ কৰা সত্বেও কোনো দেশেই ইয়াক আখৰে আখৰে পালন কৰা নাই Comprehensive Nuclear test Ban treaty আৰু Nuclear Non Proliferation Treaty - এইচুক্তিবোৰ অৰ্থহীন হৈ পৰিছে। গতিকে নিউক্লীয় বিভীষিকাৰ পৰা হাত সাৰিবলৈ এই ক্ষেত্ৰত গোলকীয় শাসন ব্যৱস্থা সহায় হ'ব বুলি ভাবিবৰ থল আছে।

তাৰোপৰি বিশ্ববেংক আৰু, যুদ্ধ-বিগ্ৰহৰ সময়ত নাগৰিকৰ সুৰক্ষা, ভূ-খণ্ডৰ নিৰাপত্তা, আফ্ৰিকাৰ দৰে গৃহহীন আৰু আভ্যন্তৰীণভাৱে স্থানচ্যুত লোকসকলৰ পুনৰ সংস্থাপন এই সকলোবোৰ বিষয়ত গোলকীয় শাসনৰ প্ৰয়োজনীয়তা বহু ৰাষ্ট্ৰই অনুভৱ কৰিছে। কৰিছে। মুঠৰ ওপৰত সবল একক বিশ্ব চৰকাৰ এখনৰ অনুপস্থিতিৰ সুযোগ লৈ গোলকীয় শাসন ব্যৱস্থাই যোৱা দশকৰ কেইটাত দোপতদোপে ইয়াৰ কাৰ্য পৰিসৰ বৃদ্ধি কৰিব পাৰিছে। কিন্তু কাৰ্য আৰু ক্ষমতাৰ অপব্যৱহাৰে যাতে কোনো কাৰণতে গোলকীয় সংস্থাবোৰক বিপথে পৰিচালিত কৰিব নোৱাৰে তাৰ প্ৰতি সকলোৱেই সচেতন হৈ থকাটো বাঞ্চনীয়। গোলকীয় শাসন প্ৰণালী অধিক স্বচ্ছ আৰু কাৰ্যক্ষম হৈ বিশ্বৰ প্ৰয়োজন সমূহ পুৰণ কৰিব পৰাতহে ইয়াৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। অৱশ্যে তাৰ কাৰণে প্ৰয়োজন হ'ব সকলো দেশৰ পূৰ্ণ সহায় আৰু সহয়োগিতা। সকলো ৰাষ্ট্ৰৰ সহযোগিতাৰ ভিত্তিত গঢ় লৈ উঠা গোলকীয় শাসনে সমগ্ৰ বিশ্ব ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰিব। *

<u>প্ৰসংগ পুথি</u>

বাতৰি কাকত/ আলোচনী



প্ৰবন্ধ

# টেলিফোন ব্যৱস্থাত বৰ্তমানৰ 'মোবাইল' ফোন

শ্ৰীমৃদুলা বৰুৱা
স্নাতক ২য় বৰ্ষ
কলা শাখা

বৰ্তমান সময়ত যোগাযোগৰ মাধ্যমবিলাকৰ ভিতৰত গুৰুত্বপূৰ্ণ স্থান দখল কৰি থকা এটা ব্যৱস্থা 'মোবাইল' ফোন; যাৰ জৰিয়তে আগৰ কালত নিদিষ্ট স্থানত 'লেণ্ডলাইন' ফোন এটা ৰাখি যোগাযোগ ৰক্ষা কৰাৰ বিপৰীতে এতিয়া যিকোনোঠাইতে সুবিধা পাব পৰা যায়। ১৮৭৬ চনত স্কটলেণ্ডত আলেকজেণ্ডাৰ গ্ৰাহামবেলে 'টেলিফোন' আবিস্কাৰ কৰাৰ সময়ত দেশৰ মানুহক ভূৱা-বাজি দে খুওৱা বুলি দেশত যি প্ৰতিক্ৰিয়াই গা-কৰি উঠিছিল, কাল ক্ৰমত তাৰ বৈপৰীত্যস্বৰূপে ফোনটো বৰ্তমান মানুহৰ অপৰিহাৰ্য অংগ হৈ পৰিছে। ২০০১ চনত মোবাইল ফোন আৱিস্কাৰৰ আগলৈকে সমূহীয়া নাইবা ব্যক্তিগত লেণ্ডলাইন ফোনেৰে চহৰ কিম্বা গাঁৱত যোগাযোগ চলি আছিল। এইটোও অসত্য নহয় যে গাঁৱতে হওঁক বা চহৰতেই হওঁক নিদিষ্ট কোনোবা ধনী-মানী ব্যক্তি অৰ্থাৎ সামৰ্থ থকা পৰিয়ালবিলাকৰ ঘৰতেহে এনে ব্যৱস্থা কৰিব পাৰিছিল। ঠিক তেনেকৈ মোবাইলফোন আবিস্কাৰৰ সমসাময়িক কালতো শক্তি আৰু সামৰ্থৰে কিনিব পৰা কেইজনৰ হাততহে মোবাইল আছিল। ক্ৰমান্বয়ে মোবাইলৰ খৰতকীয়া সপোন পদ্ধতিক অনুসৰণ কৰিয়েই ইয়াৰ গ্ৰাহকৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাই আহি আহি এতিয়াৰ যি অৱস্থাত উপনীত হৈছেহি সেয়া অতিশয় আশ্চৰ্যজনক ; যাৰ ফল স্বৰূপে সকলোৰে হাতত এটা 'মোবাইল' নহলে নহয়। তদুপৰি যুৱচামৰ মাজত ই বহুল ভাৱে প্ৰচলিত আৰু এইটোও লক্ষণীয় যে এজন মানুহৰ এটা মোবাইল 'হেণ্ডচেট'ৰ বিপৰীতে দুই তিনিখন 'চিমকাৰ্ড' থাকে, তেনেস্থলত কোনোবা এখন চিম্‌কাৰ্ড আন কাৰোবাক চলাবলৈ দিবগীয়া হয়। মোবাইল হাতত থাকিলেও তাৰ সৎ ব্যৱহাৰ কৰিব পাৰিলে কোনোধৰণৰ বিপদৰ সমনুখীন হ'বলগা নহয়। কিন্তু যুৱসমাজৰ কিছুমানে,কোনোবা এজনৰ চিম্‌কাৰ্ড এখন চলাবলৈ নি, কু-চক্ৰান্তত লিপ্ত হৈ কোনো গন্য-মান্য ব্যক্তিক,ভূৱা-সন্ত্ৰাসবাদী বুলি পলোভন দেখুৱাই, বৃহৎ পৰিমানৰ ধন-টকা দাবী কৰে, যাৰফলত কাৰোবাৰ পৰিৱৰ্তে কোনোবাই জে'ল খাতিব লগা হোৱা ঘটনা বিলাকেও সমাজত বিৰূপ প্ৰতিক্ৰিয়া সাধন কৰে; লগতে যুব মহলৰ এনে কিছুমান ঘটনাই বন্ধুত্বতো বিশ্বাসঘাটকতা অনাকে ধৰি ফাটমেলা বন্ধুত্বত ভেদভাৱ অক্ষুন্ন থাকে। অনিবাৰ্য কাৰণবশতঃ মোবাইলত "ক্ৰছ কানেক্‌শ্বন" নাইবা "ৰং নাম্বাৰ" লগাটো স্বাভাৱিক কথা আৰু যদিহে সেই নাম্বাৰটো কোনো ছোৱালীৰ হয়, কিছুমান ডেকাই সীমাহীন ভাবে বেলেগ বেলেগ নাম্বাৰৰ পৰা ফোন কৰি নতুবা "মেছেজ" দি ছোৱালী জনীক আমনি কৰি বিৰক্তিকৰ পৰিস্থিতিৰো উদ্ভৱ নকৰা নহয়। কোনো কোনো ক্ষেত্ৰত বন্ধু, বান্ধৱী বা সম্বন্ধীয় কাৰোবাক মোবাইলেৰে "মিছ্‌কল" দিয়াটো এটা ইংগিত বুলি ধৰা হয় ; কিন্তু উদ্যত হৈ আনলৈ মিছ্‌কল দি আমনি কৰা বা অশান্তি দিয়াটোও মোবাইলৰ গ্ৰাহক কিছুমানৰ কু-প্ৰবৃতি, আন এফালৰ পৰা নেপথ্যত থাকি মোবাইলৰ জৰিয়তেই সৰু পদবীৰ মানুহে কোনোবা ডাঙৰ পদবীধাৰী মানুহক ঠাট্ৰা মস্কৰা নকৰা নহয়, যিবিলাক কাৰ্যক মোবাইলৰ কু-ব্যৱহাৰ বুলিয়ে ক'ব পৰা যায়।

আজিকালি মোবাইল সস্তীয়া যোগাযোগৰ মাধ্যম হোৱা হেতুকে এজন গ্ৰাহকৰ দুই তিনিখন চিমকাৰ্ড থকাটো ব্যক্তিগত সুবিধা- অসুবিধাৰেই স্থল আৰু তাক শুদ্ধ ভাৱে চলাই নিব পাৰিলে কোনোধৰণৰ বিপদত পৰিবলগা নহয়। গতিকে মোবাইল ফোন ব্যৱহাৰ কৰোতে সদায় সতৰ্ক হৈ চলাৰ লগতে বিবেচনাৰে পৰিস্থিতি মোকামিলা কৰাটোও বঞ্চনীয়।

নিজৰ সুবিধানুযায়ী চিম্‌কাৰ্ড ব্যৱহাৰ কৰি থকাৰ বাহিৰে আনলৈ হস্তান্তৰ নকৰাই ভাল। তেনেহ'লে বিপদ কমকৈ হ'ব। আনহাতে মোবাইল ফোনেৰে কাৰোবাক অনাকাংক্ষিত মিছ্‌কল মেছেজ আদি দি আমনি কৰাটো আমাৰ শুদ্ধ কাম নহয় বুলি ভাবি চলিলে নিশ্চয় মোবাইলৰ শুদ্ধ ব্যৱহাৰ পৰিলক্ষিত হ'ব। আগৰ দিনৰ ডাকোৱালে গাঁৱৰ বোকা পানী গচকি চাইকেলেৰে আহি ঘৰত দি যোৱা চিঠিখন, পঠাওঁতাই পঠোৱাৰ এসপ্তাহ পিছতে পোৱা যায়। আকৌ সম্বন্ধীয় কোনোবা মানুহৰ ৰোগ ব্যাধি নাইবা মৃত্যুৰ বাতৰি দিবলৈ অন্য এখন ঠাইলৈ যাব লাগিলে, বহুদূৰ অতিক্ৰম কৰি দিনটোৰ অন্তত ঘূৰি আহিব গা হোৱাৰ ব্যাপক পাৰ্থক্য, নিত্যব্যৱহাৰ্য এতিয়াৰ মোবাইল ফোনেৰে মিনিটৰ ভিতৰতে সকলো বা বাতৰি ওলাই যায়। এনে আকাশ-পাতাল পাৰ্থক্য আৰু আশ্বৰ্যকৰ পৰিৱৰ্তনৰ মাধ্যম এটা কোনোকালে নষ্ট হৈ যোৱাটো বহুতেই মনস্তাত্বিক দিশৰ পৰা কামনা নকৰে। অদূৰ ভৱিষ্যতে যাক জীয়াই ৰখাটো সমাজৰ কৰণীয় কৰ্তব্য। এয়াই হ'ব তেওঁলোকৰ প্ৰতি শুদ্ধ আচৰণ, যিকেইজন চিন্তাশীল ব্যক্তিৰ সুন্দৰ হাতৰ স্পৰ্শত হৈ উঠিছিল "মোবাইল' ফোন আৰু এতিয়া আমি সেই প্ৰযুক্তিবিদ্যাৰ আলমতেই নিজৰ জীৱন উপভোগ কৰি আছো। *







*মহাবিদ্যালয় সপ্তাহৰ চিত্ৰাঙ্কণ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত চিত্ৰ*

# বিলুপ্তিৰ পথত ক্ষুদ্ৰতম পক্ষীঃ হামিংবাৰ্ড

চুলতানা চবিনা ইয়াচমিন
স্নাতক প্ৰথম বাৰ্ষিক
প্ৰাণী বিজ্ঞান বিভাগ

দক্ষিন আমেৰিকাৰ কিউবাৰ আভ্যন্তৰৰ জলাশয় অঞ্চল, স্বাভাৱিকতে প্ৰাণী বিজ্ঞানী সকলৰ বাবে আকৰ্ষণীয়। এই ঠাইতে এনে এবিধ চৰাই দেখা পোৱা যায় যাক প্ৰাণীজগতৰ অন্যতম বিস্ময় বুলি ক'ব পাৰি। এই চৰাই বিধক কোৱা হয় " জুৱেল অন উইংচ"। ইয়াৰ আচল নাম কিন্তু "হামিংবাৰ্ড"। প্ৰাণী বিজ্ঞানী সকলৰ ধাৰণা পৃথিৱীত প্ৰায় ৮৬০০ বিধ বিভিন্ন ধৰণৰ চৰাই দেখা পোৱা যায়। ইয়াৰ ভিতৰত আছে এমু, পেংগুইন বা আলবাট্ৰছৰ দৰে বিশাল আকৃতিৰ চৰাইবোৰ আৰু ইহঁতৰ সৈতে পৃথিৱীত ফেৰ মাৰি ঘূৰি ফুৰিছে পৃথিৱীৰ আটাইতকৈ ক্ষুদ্ৰতম চৰাই হামিং বাৰ্ড। শুনিলে অবাক হ'বলগীয়া হয় যে, কোনো কোনো হামিংবাৰ্ডৰ ওজন মাত্ৰ দুই গ্ৰাম। এই ক্ষুদ্ৰতম প্ৰজাতিৰ হামিংবাৰ্ডেই বাস কৰে কিউবাৰ জলাশয় অঞ্চলত।

পশ্চিম গোলাৰ্ধৰ কানাডাৰ পৰা আৰম্ভ কৰি মধ্য আমেৰিকা আৰু দক্ষিন আমেৰিকাৰ মেগেলান প্ৰণালী পৰ্য্যন্ত যি বিস্তৃত ভূ-ভাগ, তাত সিঁচৰতি হৈ আছে প্ৰায় ৩০০ বিধ বিভিন্ন প্ৰজাতিৰ হামিংবাৰ্ড।

হামিংবাৰ্ডৰ প্ৰদান খাদ্য হৈছে ফুলৰ মৌ। যি বনাঞ্চলত ইহঁতে বিচৰণ কৰে তাত ফুলৰ মৌৰ অভাৱ নাই। ফুলৰ পৰা মৌ সংগ্ৰহৰ বাবেই ইয়াৰ ঠোঁটটো যথেষ্ট দীঘল হয়। ইহঁতে সাধাৰণতে ৰঙা বা উজ্জ্বল ৰঙৰ ফুল পচন্দ কৰে। সকলো হামিংবাৰ্ডৰ ঠোঁটৰ আকাৰ কিন্তু একে নহয়। কিছুমানৰ পোন আৰু দীঘল হয় আৰু কিছুমানৰ সৰু আৰু বেকাঁ। ফুলৰ মৌৰ উপৰিও ইহঁতে সৰু সুৰা পোক পৰুৱাও ভক্ষণ কৰে। ভাবিলে আচৰিত হ'বলগীয়া এই যে এই ক্ষুদ্ৰ প্ৰাণীবিধেই একমাত্ৰ চৰাই যি পিছফালেও সমান দক্ষতাৰে উৰিব পাৰে। প্ৰচণ্ড গতিত ডেউকা কোবোৱাৰ ফলত মৌ মাখিৰ দৰে গুণ গুণ শব্দ হোৱাৰ বাবেই এই চৰাইবিধৰ নাম হামিংবাৰ্ড ৰখা হৈছে।

প্ৰধানকৈ গ্ৰীষ্ম প্ৰধান অঞ্চলত ইহঁতে বাস কৰে। অৱশ্যে কানাডাৰ দৰে শীত প্ৰধান দেশতো এইবিধ চৰাই দেখা যায়। যিকোনো পৰিৱেশতে ইহঁতে নিজকে খাপ খুৱাই ল'ব পাৰে। হামিংবাৰ্ডৰ কোনো কোনো প্ৰজাতি পৰিভ্ৰমণকাৰী। কানাডাৰ একেবাৰে উত্তৰত যিবোৰ বসবাস কৰে, শীতৰ সময়ত সিহঁতে দক্ষিনলৈ উৰি আহে আৰু মধ্য আমেৰিকাৰ উষ্ণ অঞ্চলত বাহ বান্ধে। পৰিভ্ৰমনকাৰী হামিংবাৰ্ড শ্ৰেণীৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য "ৰুকাচ হামিংবাৰ্ড" বা ৰুকি থ্ৰোটেড বামিংবাড"।

হামিংবাৰ্ডৰ ভিতৰত আটাইতকৈ ডাঙৰবিধ হ'ল "এন্দিজৰ হামিংবাৰ্ড"। এই বিধ চৰাই ২১ ছে.মি.পৰ্য্যন্ত দীঘল হয় আৰু আটাইতকৈ সৰু প্ৰজাতিৰ বিধ হ'ল "বি হামিং বাৰ্ড"। ইহঁতে দীঘলে ৫ চে.মি. মান হয় আৰু ওজন মাত্ৰ ২ গ্ৰাম। ইহঁতৰ কণ্ঠ বেচ কৰ্কশ আৰু স্বভাৱতো ইহঁত দন্দুৰা। কামে-কাজে নিজৰ বীৰত্ব প্ৰকাশ কৰিব বিচাৰে। ইহঁতৰ বাহৰ আকৃতি দেখাত প্ৰায় কাপ এটাৰ দৰে। গছৰ মিহি চাল আনকি মকৰাৰ জালো ব্যৱহাৰ কৰে বাহ সজাত। উপাদানবোৰ মুখৰ লেলাৱতীৰে জোৰা দিয়ে। বাহটোত দুটা কণী পাৰে। কণীবোৰ বগা আৰু আকাৰত কফি গুটিতকৈও সৰু হয়।

কিন্তু অতি পৰিতাপৰ আৰু দুখৰ বিষয় - ইহঁতৰ সংখ্যা দিনে দিনে কমি গৈ আছে। আজি কালি এই বিধ চৰাই প্ৰায় নোহোৱাই হৈছে। এই চৰাইবোৰ দলবদ্ধভাৱে নাথাকি অকলে থাকি ভাল পায়। এই চৰাইবিধক বৰ্তমান কিউবাৰ চৰকাৰে "সংৰক্ষিত প্ৰজাতি" ঘোষণা কৰিছে। গভীৰ অৰণ্যৰ বাহিৰে ইহঁতক বেলেগত দেখা পোৱা টান হৈ পৰিছে।*

# মাইকেল ফেৰাডে

মঃ ৰমিজুল আখতাৰ
স্নাতক প্ৰথম বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ

য়াৰ্কশ্বায়াৰৰ কোপেনহেগেলত ১৭৯১ চনত জন্ম এইজনা মহান বিজ্ঞানী মাইকেল ফেৰাডেৰ। তেওঁৰ দেউতাকৰ নাম আছিল জেমছ্ ফেৰাডে। তেখেতে লণ্ডনৰ এখন গাঁৱত কমাৰৰ কাম কৰিছিল। তেওঁৰ ১০ টি সন্তানৰ মাজত মাইকেল আছিল তৃতীয় সন্তান। তেওঁলোক আছিল অতি দুখীয়া। দিনৰ দিনটো কাম কৰি কোনোমতে দুবেলা দুসাজ খাবলৈ পাইছিল। সৰুকালৰে পৰা মাইকেল লিখা-পঢ়াৰ প্ৰতি যথেষ্ট আগ্ৰহী আছিল। সেইবাবে মাইকেলক দেউতাকে ওচৰৰে স্কুলত নাম লগাই দিছিল। ফেৰাডেই স্কুলত অংকশাস্ত্ৰ শিকিবলৈ আৰম্ভ কৰিলে। ফেৰাডে আছিল অতি কৰ্তব্যপৰায়ণ। তেওঁৰ কামত সন্তুষ্ট হৈ দেউতাকে আনন্দ পাইছিল। ১৩ বছৰ বয়সত ফেৰাডে স্কুলীয়া শিক্ষা সমাপ্ত কৰি দোকান এখনত বাতৰি কাকত বিক্ৰেতা হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিলে। সেই কামৰ পৰা ফেৰাডেৰ কিছু সুবিধা হ'ল, বিশেষকৈ কিতাপ বন্ধা কামৰ লগতে তেওঁ সেই কিতাপবোৰ পঢ়াৰ সুবিধা হ'ল। তেওঁ কিতাপবোৰ মেলিছিল আৰু পঢ়ি চাইছিল। তেনে কিতাপৰ মাজত তেওঁ ৰসায়নবিজ্ঞান আৰু বিদ্যুৎবিজ্ঞানৰ কিতাপো পাইছিল। সেই কিতাপবোৰ তেওঁ অতি আগ্ৰহৰে পঢ়িছিল। এইদৰে লাহে লাহে তেওঁ জীৱনৰ শেষ মুৰ্হূতলৈ আগবাঢ়ি গৈছিল।

ফেৰাডে বিবাহ পাশত আবদ্ধ হয় ১৮২১ চনত। লাহে লাহে ফেৰাডে নিজৰ কামত অগ্ৰগতি কৰিবলৈ ধৰিলে। ১৮২৫ চনত তেওঁ হামফ্ৰি ডেভিৰ বিজ্ঞানাগাৰত সঞ্চালক নিযুক্ত হয়। মাইকেল ফেৰাডে ১৮২৪ চনতে ৰ'য়েল চছাইটিৰ সভ্য নিযুক্ত হয়। ফেৰাডেৰ গৱেষণাৰ মূল বিষয়বোৰ আছিল —

১ । বৈদ্যুতিক বিষয়ত ঃ- তড়িৎ চুম্বক, জলবিদুৎ, ডাইনামো আদিত আৱিষ্ট শক্তিৰ উৎস আবিষ্কাৰ আৰু প্ৰয়োগ।

২ । ৰাসায়নিক গৱেষণা ঃ- গেছক জুলীয়াকৰণ, বেঞ্জিনক পৃথকীকৰণ, মমবাতি, গেছ, তৈল শিখা।

৩ । দৃষ্টিতত্ত্ব বিষয়ক কাঁচ ঃ- ফেৰাডে অসীম প্ৰতিসৰণ শক্তিসম্পন্ন এবিধ নতুন কাঁচ আৱিষ্কাৰ আৰু তৈয়াৰ কৰে। তদুপৰি লেম্পৰ কাৰণে আইনাৰ চিম্‌ণীৰো আৱিষ্কাৰ কৰে তেৱেঁই।

৪ । মিশ্ৰিত ধাতু ঃ- তীখাত মামৰে নধৰিবলৈ তেৱেঁই প্ৰথমে প্ৰলেপ দিয়াৰ ব্যৱস্থাৰ আবিষ্কাৰ কৰিছিল। ফেৰাডে ৭ পাউণ্ড ১৪ আউন্স ওজনৰ প্ৰায় ৭৩ প্ৰকাৰৰ মিশ্ৰিত প্ৰলেপ তৈয়াৰ কৰিবলৈ তেওঁ সমৰ্থ হয়।

এই গোটেইখিনি বস্তু তেওঁ সৰু বাকচ এটাত ভৰাই ৰাখিছিল। প্ৰায় ১০০ বছৰ কাল পিছত যেতিয়া বাকচটো খোলা হৈছিল ভিতৰৰ বস্তুবোৰ তেনেদৰেই অকণো সলনি নোহোৱাকৈ আছিল। প্ৰতিটো আৱিষ্কাৰেই ফেৰাডেই অতি কষ্ট কৰি কৰিছিল। যদিও ফেৰাডে এজন গণিতজ্ঞ নাছিল ; পৃথিৱী বিখ্যাত গণিতজ্ঞ জন ক্লাৰ্ক মেক্সৱেলেও পিছত তেওঁৰ কামবোৰক গাণিতিক স্বীকৃতি দিছিল। যদিও মেক্সৱেল ফেৰাডেতকৈ বহু সৰু আছিল তথাপি দুয়োৰে মাজত গঢ়ি উঠিছিল বন্ধুত্ব। ফেৰাডে আৱিষ্কাৰে কৰা তড়িৎ চুম্বকে বিজুলী পৰিবহণত যেনেকৈ সহায় কৰিছিল ঠিক তেনেকৈ মেক্সৱেলৰ তড়িৎটোৰ আৱিষ্কাৰ বহু দূৰত্ব থকা মানুহকো ওচৰ চপাই আনিছে কাৰণ, মেক্সৱেলৰ আৱিষ্কাৰৰ সহায়তেই মানুহে বৰ্তমান টেলিফোনত কথা পাতিব পাৰিছো। মুঠতে মানৱ জাতি সভ্যতাৰ জখলাত আগবাঢ়ি যোৱাত দুয়োজন বিজ্ঞানীৰে যথেষ্ট অৱদান আছে।

১৮৬৭ চনৰ ২৫ আগষ্টত এইজন মহান বিজ্ঞানীয়ে শেষ নিশ্বাস ত্যাগ কৰে। কিন্তু বিদ্যুতৰ পৰিমাপ জোখা আৰু বিদ্যুতৰ কেপাচিটৈৰৰ ক্ষমতা জোখা একক দুটাক ক্ৰমে ফেৰাডে ইউনিট আৰু ফেৰাডে নামকৰণ কৰি মাইকেল ফেৰাডেক বিশ্ববাসীয়ে আজিও জীয়াই ৰাখিছে। *

# ইতিহাসৰ কথাৰে

— নৱজ্যোতি ডেকা
স্নাতক ২য় বৰ্ষ
কলা শাখা

"ইতিহাস" অথবা "বুৰঞ্জী" বোলা শব্দবোৰ বৰ্তমান একবিংশ শতিকাৰ যুৱপ্ৰজন্মৰ বাবে নতুন শব্দ হৈ পৰিছে। বৰ্তমানৰ স্কুলীয়া পাঠ্যক্ৰমবোৰতো বুৰঞ্জীৰ কোনো ধৰণৰ পাঠদান দেখিবলৈ পোৱা নাযায়। যাৰফলত বৰ্তমান চামে বুৰঞ্জীক অৱহেলিত কৰি অহা দেখা যায়। মগজুত এনে এক মনোভাৱৰ সৃষ্টি হৈছে যেন বৰ্তমান গঢ়িত সমাজখনত কোনোধৰণৰ পুৰণি ইতিহাস তথা বুৰঞ্জীৰ কোনো অস্তিত্বই নাই। কিন্তু বৰ্তমান এনে কিছুমান বয়োজেষ্ঠ ব্যক্তি আছে যিসকলক পলকতে অঙুলি মূৰত গণনা কৰিব পাৰি। আৰু সেইসকলৰ জৰিয়তেই ইতিহাস অথৱা বুৰঞ্জীৰ কিছুহ'লেও আভাষ পোৱা যায়।

ওপৰোক্ত উল্লিখিত কথাখিনি মূলতেঃ আৰু ইয়াৰ আলমলৈ বৰ্তমানৰ প্ৰাসংগিকতা বজাই ৰাখি "ইতিহাসৰ কথাৰে শীৰ্ষক নিবন্ধটি যুগুত কৰা হৈছে। বৰ্তমান চূড়ান্ত অৰাজকতাৰে ভৰা সমাজখনৰ পৰিস্থিতিৰ সম্পৰ্কে বুজ লবলৈ কোৰোবা এজনৰো যে এখন্তেকো সময় নাই, মাথো ব্যক্তি কেন্দ্ৰিক ব্যস্ততাৰে আগুৰি ৰখা হৈছে। প্ৰিয় পাঠক সকল মই এই নিৱন্ধটিৰ জৰিয়তে ইতিহাস অথবা বুৰঞ্জীৰ কেইখিলামান পাত লুটিয়াব লৈছো যিবোৰে হয়তু বৰ্তমানৰ পটভূমিত অলপমান হ'লেও ৰেখাপাত কৰিব। মোৰ প্ৰিয় পাঠক সকলক উদ্দেশি এষাৰ কথাই কম "অতীতক নেযাবা হে পাহৰি", অতীতক ৰোমন্থন কৰিহে বৰ্তমান জয় যাত্ৰা অব্যাহত থাকিব। নহ'লে অতীতৰে সৈতে বৰ্তমান অস্তিত্ব ধীৰ গতিৰে বিলীন হ'ব।

আমি অসমবাসী হিচাপে সঁচাকৈয়ে গৌৰৱান্বিত যে, মহাভাৰত তথা পুৰাণ, তন্ত্ৰ-শাস্ত্ৰ সমূহত অসমৰ নাম উল্লেখ আছে। কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় পুৰণি অসমৰ এনে অৱদানবোৰ ধীৰে ধীৰে স্লান হ'ব ধৰিছে। মহাভাৰতৰ সময়ত অসমৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ আৰু পুৰাণ তথা তন্ত্ৰ-শাস্ত্ৰ সমূহত কামৰূপ বুলি উল্লেখ আছে। বিশেষ বিশেষ সময়ত কিছু বেলেগ কাৰণবশতঃ এই ৰাজ্যৰ সীমা বঢ়-টুটা হৈছিল। মহাভাৰতৰ যুগত ইয়াৰ পশ্চিমৰ সীমা আছিল কৰতোৱা নদী (বৰ্তমানৰ বাংলাদেশ) আৰু দক্ষিণে বঙ্গোপসাগৰলৈ বিস্তৃত আছিল। কালিকা পুৰাণমতে কামৰূপ ৰাজ্যৰ সোঁ-মাজতে কামাখ্যা দেৱীৰ মন্দিৰ আছিল। বিষ্ণুপুৰাণমতে ৭২০ কিঃমিঃ জুৰি কামাখ্যা দেৱীৰ মন্দিৰৰ চাৰিওফালে বিয়পি আছিল। উপৰোক্ত উল্লিখিত তথ্য অনুসৰি দেখা যায় যে, বাংলাদেশ, ভূটান, অসম ব্ৰহ্মপুত্ৰ উপত্যকা, কোচবিহাৰ গাৰোপাহাৰৰ উত্তৰপূৱ অংশ পুৰণি কামৰূপ ৰাজ্যৰ ভিতৰত আছিল।

১) ৰত্নপীঠ, ২) কামপীঠ আৰু ৩) স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ নামে কামৰূপ ৰাজ্য চাৰিটা ভাগত বিভক্ত আছিল বুলি যোগিনী তন্ত্ৰত উল্লেখ আছে। ৰত্নপীঠ বিস্তৃত আছিল বাংলাদেশৰ কৰতোৱা নদীৰ পৰা পূবে স্বৰ্ণকোষ বা সোণকোষ নদীলৈকে। সোণকোষৰ পৰা মৰিগাৰৰ ৰূপহী নদীলৈকে কামপীঠ, স্বৰ্ণপীঠ বা সুবৰ্ণপীঠ বিস্তৃত আছিল ৰূপহী নদীৰ পৰা ভৰালী নদীলৈকে আৰু সৌমাৰপীঠ বিস্তৃত আছিল ভৰালীৰ পৰা দিক্কৰ বাহিনী বা দিক্ৰম নদীলৈকে।

তেৰ শতিকাৰ আগভাগলৈকে অৰ্থাৎ আহোম বংশ অসমলৈ অহা আগলৈকে এই দেশৰ নাম কামৰূপেই আছিল। কালক্ৰমত সময়ৰ সোঁতত কামৰূপ ৰাজ্যখন আহোমৰ হাতলৈ গৈছিল আৰু এই আহোম শব্দই কালক্ৰমত অহম আৰু ক্ৰমশঃ অসম নামেৰে নামাংকিত হৈছিল। মহীৰঙ্গ দানৱ আছিল কামৰূপৰ একেবাৰে পুৰণি ৰজাসকলৰ ভিতৰত এজন। এই দানৱীয় ৰজা মহীৰঙ্গৰ মৃত্যুৰ পিছতেই একে বংশৰে হটকাসুৰ, সম্বৰাসুৰ আৰু ৰত্নাসুৰ নামেৰে তিনিজন ৰজাই কামৰূপত ৰাজত্ব

চলাইছিল। তেওঁৰ পিছত ঘটক-কিৰাত বা ঘটকাসুৰ নামেৰে এজন ৰজাই ৰাজত্ব চলাইছিল। পিছত নৰকাসুৰ নামেৰে আন এজন বীৰে ঘটকাসুৰক যুদ্ধত পৰাস্ত কৰি নিজে প্ৰাগজ্যোতিষপুৰৰ ৰজা হয়। ইতিহাসত নৰকাসুৰৰ বংশক "ভৌমবংশ" আখ্যা দিয়া হৈছিল। প্ৰাগজ্যোতিষপুৰ অৰ্থাৎ বৰ্তমান গুৱাহাটীয়েই নৰকাসুৰৰ ৰাজধানী আছিল। দ্বাপৰ যুগৰ শেষৰ ভাগত শোণিতপুৰৰ অধিপতি বুলি বলি পুত্ৰ বানাসুৰৰ সৈতে নৰকাসুৰৰ সম্পৰ্কত বন্ধুত্ব গঢ়িল। ইতিমধ্যে ভগৱান নাৰায়ণ শ্ৰীকৃষ্ণৰ অৱতাৰ লৈ দ্বাৰকত আছিল। আৰু ইফালে নৰকাসুৰৰ তাণ্ডৱ দিনক দিনে বাঢ়ি আহিছিল। সেয়ে ভগৱান শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰি নৰকাসুৰৰ পুত্ৰ ভগদত্ত প্ৰাগয্যোতিষপুৰৰ সিংহাসনত বহুৱালে। ভগদত্তক এজন প্ৰখ্যাত বীৰ আছিল। ঠিক ইয়াৰ পিছত কৌৰৱ আৰু পাণ্ডৱৰ মাজত কুৰুক্ষেত্ৰ যুদ্ধত প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগত্তই বহুত হাতীৰে সৈতে এদল কিৰাত আৰু তীনা সৈন্যলৈ দুৰ্যোধনৰ সপক্ষে হৈ পাণ্ডৱ সকলৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। সেই যুদ্ধত তেওঁ অশেষ পৰাক্ৰম দেখুৱাই অৱশেষত অৰ্জুনৰ হাতত প্ৰাণ ত্যাগ কৰে। ভগদত্তৰ পিছতেই তেওঁৰ পুত্ৰ বজ্ৰদত্ত প্ৰাগজ্যোতিষপুৰৰ ৰজা হয়। বজ্ৰদত্ত এজন বাহুবলী আৰু প্ৰবল প্ৰতাপী ৰজা আছিল।

আজি-কালিৰ গুৱাহাটীৰ নগৰকেই প্ৰাগজ্যোতিষপুৰৰ নগৰ বুলি কোৱা হৈছিল। "প্ৰাগ" শব্দৰ অৰ্থ হৈছে "পূৰ্ব" আৰু 'জ্যোতিষপুৰ' মানে হৈছে 'জ্যোতিষ চৰ্চাৰ নগৰ'। গুৱাহাটীৰ চিত্ৰাচল পাহাৰত অৱস্থিত নৱগ্ৰহ মন্দিৰটিৰ অৱস্থিতিৰ বাবে পুৰণি কালত এই নগৰতেই জ্যোতিবিদ্যাৰ চৰ্চা হৈছিল বুলি অনুমান কৰিব পৰা যায়। প্ৰাচীন কালত কেৱল প্ৰাগজ্যোতিষ ৰজাই সমগ্ৰ অসমজুৰি নাছিল। ইয়াৰ উপৰিও প্ৰাচীন .........কদলি, মণিপুৰ, হিড়িম্বা আৰু ত্ৰিপুৰা নামে প্ৰাচীন ৰাজ্য থকা ঐতিহাসিক প্ৰমাণ পোৱা যায়। অৱশ্যে এইবোৰ ৰাজ্য হয়তো পিছলৈ গৈ বৃহৎ কামৰূপ ৰাজ্য অন্তৰ্ভূক্ত হৈছিল।

বৰ্তমান বুজাত সহায় সেৱালৈ আমি যে এখন গৌৰৱশালী ঐতিহ্যমণ্ডিত অসম ৰাজ্যৰ বাসিন্দা তাকেই আওৱাব যত্ন কৰিছো। আমি অসমবাসী সঁচাকৈয়ে এনে এখন ৰাজ্যৰ নাগৰিক য'ত মহাভাৰতৰ দৰে যুদ্ধৰ সময়ত কৌৰৱ পক্ষৰ হৈ এই অসমৰে ৰজা ভগদত্তই যুদ্ধত বীৰত্ব প্ৰদান কৰিছিল। গতিকে এবাৰৰবাবে হ'লেও আমি অসমীয়াই পুৰণি ইতিহাসক সুৱৰি নতুন অথবা বৰ্তমানৰ ক্ষত-বিক্ষত অসমৰ হকে চিন্তা কৰিবলৈ হৈছে। অসমী আইক বিশ্ব দৰবাৰত অধিষ্ঠিত কৰিবলৈ সময় হৈছে। নহ'লে অসম ৰত্ন ড° ভূপেন হাজৰিকা দেৱে তেখেতৰ গীতৰ কলিত গোৱাৰ দৰে "আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব", অসম যে ৰসাতলে নাযাব তাক কোনোৱেই নুই কৰিব নোৱাৰিব। *



# দুৰ্নীতি আৰু ইয়াৰ নিবাৰণত ছাত্ৰ সমাজৰ ভূমিকা

— সৌৰভ কুমাৰ
স্নাতক প্ৰথম বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

সাম্প্ৰতিক কালত দুৰ্নীতি এটা যেন কিছুসংখ্যক মানুহৰ এক আমোদপ্ৰিয় শব্দ। কাৰণ তাৰ অন্তৰালত আছে ভোগবাদী আৰু বিলাসিতাপূৰ্ণ এক নতুন পৃথিবীৰ সন্ধান। ই যেন ডায়েবেটিছ বেমাৰৰ দৰে যাক নিৰ্মূল কৰিব নোৱাৰি কিন্তু নিয়ন্ত্ৰণ কৰিবহে পাৰি। বৰ্তমান সময়ত গোটেই দেশখন দুৰ্নীতিৰ কবলত পৰিছে। প্ৰাচীন মহান আদৰ্শবোৰ তথা প্ৰমূল্যবোৰ এতিয়া আমাৰ সমাজৰ পৰা আন্তৰ্হিত হৈ গৈছে। শিক্ষা, ৰাজনীতি, প্ৰশাসন এই সকলোতে দুনীতিয়ে এনেদৰে শিপাইছে যে তাৰপৰা পৰিত্ৰাণ পাওঁতে বহুদিন লাগিব। কিন্তু সমাজখনক এনেদৰে ভৱিষ্যতৰ বুকুলৈ ঠেলি দিব নোৱাৰি। ইয়াক ৰক্ষা কৰিবলৈ প্ৰতিজন নাগৰিকে আগুৱাই আহিব লাগিব। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-সমাজৰ ভূমিকা হ'ব লাগিব অনন্য। কিয়নো 'আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক' আৰু ছাত্ৰ-ছাত্ৰীসকলেই দেশৰ ভৱিষ্যৎ আশা ভৰসাৰ স্থল।

**বৰ্তমান সময়ত দুৰ্নীতিৰ উৎসবোৰ ঃ-**

দুৰ্নীতি মানে কি তাক আমি একেযাৰে কোৱা সহজ নহয়। তথাপি কাৰোবাৰ প্ৰতি শোষণ, সম্পদৰ অপপ্ৰয়োগ কৰ ফাঁকি, ঘোচ লোৱা আদিকে সাধাৰণ অৰ্থত দুৰ্নীতি বুলি কব পাৰো। বৰ্তমান সমাজত দুৰ্নীতিৰ শিপাই এনেদৰে পোখাইছে যে ভৱিষ্যত ই কেনে এটা পৰ্যায়ত উপনীত হ'ব তাক যেন কল্পনা কৰাটো এজন সচেতন নাগৰিকৰ বাবে কষ্টকৰ হৈ পৰে। দুৰ্নীতিৰ উৎস সমূহৰ ভিতৰত শিক্ষা ব্যৱস্থা, সমাজ ব্যৱস্থা, ঘৰুৱা পৰিৱেশ, চৰকাৰী পৃষ্ঠপোষকতা আদিয়েই অন্যতম। এই সকলোবোৰৰ অন্তৰালত আছে পশ্চিমীয়া আদৰ্শৰ অনুপ্ৰেৰণা। আমাৰ শিক্ষা ব্যৱস্থাত নৈতিকতাৰ গঠনত বিশেষ ব্যৱস্থা নাই। তদুপৰি ভাৰতৰ প্ৰাচীন আদৰ্শ সম্বলিত সাহিত্যসমূহৰ প্ৰতিও এই শিক্ষা ব্যৱস্থাও উদাসীনতা অৱলম্বন কৰা হৈছে। শিক্ষা গ্ৰহণৰ অন্তৰত নিবনুৱা সমস্যাই যুৱকসকলক অতীষ্ঠ কৰি তোলে। বৰ্তমান সমাজত তাল মিলাই চলিব নোৱাৰা এই শিক্ষা ব্যৱস্থাই অৱশেষত ছাত্ৰ সকলক বিপথে যোৱাত সহায় কৰে। কৰ্ম সংস্থানৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকলে দুৰ্নীতিৰ পথ গ্ৰহণ কৰিবলগীয়া হয়।

ঘৰুৱা পৰিৱেশেও দুৰ্নীতিৰ প্ৰতি ল'ৰা-ছোৱালীবোৰক আকৰ্ষিত কৰা দেখা যায়। পিতৃ-মাতৃয়ে দুৰ্নীতিগ্ৰস্ত হৈ ধন ঘটা দেখিবলৈ পাই সন্তানসকলেও সেই পথকেই জীৱনৰ যথা সৰ্বস্ব বুলি ভাবে। আজিকালিৰ পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ পিনে চকু দিয়াৰ অৱকাশ নাপায়। সেয়ে সিহঁতে অবাটে গ'লেও মাক-বাপেকে চকু-কাণ নিদিয়ে। সংগদোষে ল'ৰা-ছোৱালীক বেয়া কৰে। সেই সংগবোৰৰ প্ৰতিও মাক-বাপেকে চকু নিদিয়ে। তাৰ ফলত টি.ভি আদি চোৱা, অশ্লীল গ্ৰন্থ আদি পঢ়াৰ প্ৰতি অভিভাৱক সচেষ্ট নহ'লে ল'ৰা-ছোৱালীবোৰক সুপথলৈ ঘূৰাই অনাত পিতৃ-মাতৃসকল অসমৰ্থ হয়।

সমাজত গা কৰি উঠা নানাধৰণৰ অপ-সংস্কৃতিয়ে দুৰ্নীতিৰ প্ৰকোপ বঢ়াইছে। আমাৰ সমাজত দুৰ্নীতিপৰায়ণ মানুহৰহে বেছি আদৰ। যিকোনো প্ৰকাৰে ধন ঘটি সমাজৰ লেখৰ মানুহ হ'ব পাৰি। সৎ মানুহক সমাজে যি মূল্য দিব লাগে সেই মূল্য নিদিয়াত সেই জীৱনৰ প্ৰতি মানুহৰ আকৰ্ষণ হেৰাই যায়। এনেদৰে সমাজে পৰোক্ষভাৱে দুৰ্নীতিগ্ৰস্ত হোৱাত এক বিশেষ অৰিহণা যোগাইছে।

চৰকাৰী বিভিন্ন বিভাগত নানাধৰণৰ দুৰ্নীতি চলি থাকে এইক্ষেত্ৰত আমোলাসকলকে দায়ী বুলি ক'ব পাৰি। সেইবোৰ ৰোধ কৰাৰ কোনো চৰকাৰী ব্যৱস্থা লোৱা নহয়। ফলত দুৰ্নীতিৰ প্ৰৱণতা ক্ৰমাগতভাৱে বাঢ়ি থাকে। আনহাতে দ্ৰুতগতিত বাঢ়ি অহা জনসংখ্যা বৃদ্ধিয়ে দুৰ্নীতিৰ সৃষ্টিত অৰিহণা যোগায়। ভাৰতবৰ্ষ বিশ্বৰ দ্বিতীয়

জনসংখ্যাৰ দেশ হৈ পৰাত বিভিন্ন সমস্যা বিশেষকৈ নিবনুৱা সমস্যাই এক জলন্ত ৰূপ লৈছে। ইয়াৰ ফলত যুৱ সমাজ দুৰ্নীতিত লিপ্ত হৈ পৰিছে। তাৰোপৰি নিৰক্ষৰতায়ো দুৰ্নীতি কৰিবলৈ সুযোগ দিয়ে। যেতিয়ালৈকে সমাজৰ জনসাধাৰণক শিক্ষিত কৰি তুলিব নোৱাৰি তেতিয়ালৈকে সমাজৰ বৃহৎ অংশটোৱে সমাজকোন পথে চলিছে বুজি নাপাব।

**দুৰ্নীতিৰ নিবাৰণত ছাত্ৰ সমাজৰ ভূমিকা ঃ-**

স্কুল কলেজ আদি শিক্ষানুষ্ঠানত পঢ়ি থকা জীৱনৰ আগডোখৰ কালকে ছাত্ৰজীৱন বোলা হয় আৰু তেওঁলোকৰ মাজৰ সম্পৰ্কই পৰস্পৰক একাত্মবোধেৰে বান্ধিলে তাক আমি ছাত্ৰ সমাজ বুলি কওঁ।

আমাৰ সমাজত বাঢ়ি অহা এই দুৰ্নীতিৰোধৰ বাবে নাগৰিক সমাজ আৰু ছাত্ৰ উভয়ে সচেষ্ট হ'ব লাগিব। সমাজৰ দুৰ্নীতিৰ মূলতে হ'ল প্ৰতিযোগিতা। এজনে দুৰ্নীতি কৰি লাস-বিলাসত জীৱন কটোৱা দেখিলে আন এজনো তাৰ প্ৰতি আকৰ্ষিত হয় আৰু দুৰ্নীতিৰ আশ্ৰয় লয়। সেয়েহে চৰকাৰে যাতে এনেধৰণৰ চৰকাৰী বিষয়াৰ আয় আৰু সম্পতিৰ হিচাপে পৰীক্ষা কৰে তাৰ বাবে ছাত্ৰ সমাজে তেওঁলোকৰ সংগঠন সমূহৰ যোগেদি নানা প্ৰভাৱ বা হেঁচা প্ৰয়োগ কৰিব লাগিব যাতে এনে শিক্ষা লাভ কৰাৰ পাছত আমাৰ সমাজৰ শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মসংস্থানৰ বাবে সুবিধা পায়। অন্যথা জীৱনক বচাই ৰখাৰ তাড়নাত এনে যুৱক-যুৱতীয়ে দুৰ্নীতিৰ আশ্ৰয় লবলৈ বাধ্য হ'ব। তাৰোপৰি, আমাৰ অসমীয়া সমাজত এফাঁকি আপ্তবাক্য আছে যে 'অভাৱে স্বভাৱ নষ্ট কৰে'। সেয়েহে চৰকাৰে যাতে শিল্প আৰু কৃষিৰ ওপৰত গুৰুত্ব দিব পাৰে তাৰ বাবে ছাত্ৰ সমাজৰ প্ৰতিজন সদস্যই সহায় কৰিব লাগে।

সমাজত দুৰ্নীতিয়ে গা কৰি উঠাৰ অন্যতম কাৰণ হ'ল নিত্য ব্যৱহাৰ্য বস্তুৰ গগণচুম্বী দাম। চৰকাৰী কৰ আৰু নানা ছাত্ৰ সংগঠনকে ধৰি আন সংগঠন কিছুমানে ব্যৱসায়ী গোষ্ঠীৰপৰা সংগ্ৰহ কৰা ধনৰ প্ৰভাৱ যেন এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে চলিত বৰ্ষৰ প্ৰথম ভাগত 'সদৌ অসম ছাত্ৰ সংস্থাই 'বিশাল' নামৰ ব্যৱসায়ী প্ৰতিষ্ঠানটোৰপৰা ধন সংগ্ৰহ কৰিছিল আৰু যাৰ ফলত বস্তুৰ দাম বঢ়াবলৈ তেওঁলোকৰ কৰ্তৃপক্ষ বাধ্য হৈছিল।

বৰ্তমান সমাজত দুৰ্নীতি বৃদ্ধিত ৰাজনৈতিক নেতাবোৰেও এক বিশেষ ভূমিকা গ্ৰহণ কৰে। সমাজৰ একশ্ৰেণী মানুহক হাতত ৰাখিবলৈ টকা পইচা দি তেওঁলোকৰ দ্বাৰা নানা ধৰণৰ কু-কাৰ্য কৰায়। এইক্ষেত্ৰত ইয়াক প্ৰতিৰোধৰ বাবে ছাত্ৰ সমাজে জনমত গঠন কৰিব লাগিব।

আজি-কালি প্ৰশাসনীয় দলকে ধৰি প্ৰত্যেকটো ৰাজনৈতিক দলৰ লগতে 'ঢোলৰ লগত টেমেকা'ৰ দৰে একোটা নহয় একোটা যুৱ ৰাজনৈতিকদল ওলমি থকা দেখা যায়। ইয়াৰ ফলত ছাত্ৰসকলৰ মাজত অনৈক্যৰ সৃষ্টি হৈছে। ছাত্ৰশক্তিৰ নিচিনা বিৰাট শক্তি কোনোটো নহয় কোনোটো দলৰ বহতীয়া হোৱা বাবে ৰাজনৈতিক দুৰ্নীতিৰ বিৰুদ্ধে নিৰপেক্ষভাৱে আৰু ঐক্যবদ্ধভাৱে মাত মাতিব নোৱাৰা হৈছে। তাৰোপৰি বৰ্তমান সময়ত স্কুল-কলেজ, মহাবিদ্যালয়-বিশ্ববিদ্যালয় আদিত ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰি জয় লাভ কৰা প্ৰতিনিধি সকলে যেন শিক্ষানুষ্ঠান খনলৈ সেৱা আগবঢ়োৱাৰ পৰিৱৰ্তে দুপইচা পকেটত সুমুৱাৰ মানসিকতাহে ঠাই দিয়ে। এইয়াও এক প্ৰকাৰ দুৰ্নীতি। সেয়েহে সেৱাৰ মনোবৃত্তি গঢ়ি তোলাৰ বাবে ছাত্ৰ সমাজে গুৰুত্ব দিয়া উচিত। দুৰ্নীতিয়ে নহ'লে ছাত্ৰ সমাজৰ নৈতিকতাক ধ্বংস কৰিব। বিভিন্ন সংগঠনৰ লগত জড়িত বিষয়া সকলে যেন দুননীতিত ব্যস্ত আৰু এনে সংগঠনৰ যোগেদি ভৱিষ্যতে দেশৰ শাসনত জড়িত হোৱাৰ কল্পনাত ব্যস্ত। দেশৰ আভ্যন্তৰীণ ৰাজনীতিত দেখা দিয়া অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে জনমত গঠন কৰি ছাত্ৰ সকলে তাৰ সবল প্ৰতিবাদ কৰাৰ বাবে প্ৰস্তুত থাকিব লাগিব।

বৰ্তমান সময়ত এটা চাকৰি যেন বহুতো চেষ্টাৰ ফল। সেয়েহে আমোলা বিষয়া বা মন্ত্ৰী আৰু সাংসদৰ ওচৰত নটশিৰে আৰু টকা ঘোচ দি চাকৰিৰ বাবে খাটনি ধৰা হয়। এই নীতিয়ে যাতে সমাজত আৰু বেছি প্ৰকোপ পেলাব নোৱাৰে তাৰ বাবে ছাত্ৰ সমাজে এনে আমোলাৰ বিৰুদ্ধে উপযুক্ত প্ৰমাণ থাকিলে আইনগত ব্যৱস্থা ল'ব লাগে আৰু প্ৰতিজন ছাত্ৰই ঘোচ দি চাকৰি লোৱাৰ মনোবৃত্তি ত্যাগ কৰি মেধাৰ ভিত্তিত যাতে নিয়োগৰ সুবিধা পায় তাৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাত বহিব লাগিব।

ওচৰ চুবুৰীয়া মানুহবিলাকক নিৰক্ষৰতাৰপৰা যদি শিক্ষিত কৰি তুলিব পৰা যায় তেন্তে মানুহবিলাক দুৰ্নীতি বিৰুদ্ধে সচেতন হ'ব তাৰবাবে ছাত্ৰ সমাজে তথা সংগঠনবিলাকে সামাজিক শৈক্ষিক আঁচনি গঢ়ি তোলাৰ

লগতে উন্নত আৰ্থ-সামাজিক পৰিৱেশ এটাৰ সৃষ্টি কৰিব লাগে। তাৰোপৰি জাতীয়তাবোধ, মানৱতাবোধ, আন্তৰ্জাতিক শান্তি, বুজাপৰা আৰু সহযোগিতা সৃষ্টি কৰি ছাত্ৰ সমাজে মানুহৰ মাজৰপৰা দুৰ্নীতি নিৰ্মূলত কিছু পৰিমাণে হ'লেও কৃতকাৰ্য হ'ব পাৰি।

দুৰ্নীতি নিৰ্মূলৰ বাবে বহুতো নেতাই অহৰহ সংগ্ৰাম চলাই আহিছে আৰু নিজৰ সকলো প্ৰচেষ্টা প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে, অসমত তথা উত্তৰ পূব অঞ্চলৰ কিছুমান ক্ষেত্ৰত থকা দুৰ্নীতি আৱৰণ আতৰাই পেহৰালে অনা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক অখিল গগৈৰ নাম ল'ব পাৰি।

আমাৰ ভাৰতৰ সংবিধানত ভাৰতবৰ্ষক এখন সমাজবাদী আদৰ্শৰ দেশ হিচাপে প্ৰতিষ্ঠা কৰাৰ কথা কোৱা হৈছে য'ত ৰাষ্ট্ৰদ্বাৰা সকলো নিয়ন্ত্ৰিত কৰা হ'ব আৰু সমাজৰ সকলোৰে মাজত সমতা প্ৰতিষ্ঠাৰ বাবে সমবিতৰণৰ ব্যৱস্থা কৰা হ'ব। কিন্তু ১৯৯১ চনত বৰ্তমান ভাৰতৰ প্ৰধানমন্ত্ৰী মনমোহন সিং যেতিয়া বিত্তমন্ত্ৰী অছিল তেতিয়া চৰকাৰে LPG অৰ্থাৎ Liberalisation, Privatisation Gloalisation নীতি গ্ৰহণ কৰে আৰু বিদেশী বহুমুখী কোম্পানী বিলাকক ইয়াত উদ্যোগ প্ৰতিষ্ঠাৰ অনুমতি দিয়ে। বৰ্তমান চৰকাৰী খণ্ডৰ উদ্যোগ বিলাক (যিকেইটা আছে) ব্যক্তিগত খণ্ডলৈ ঠেলি দিয়া হৈছে আৰু আমাৰ দেশে পুঁজিবাদী ভাবধাৰাৰফালে আগবাঢ়ি গৈ আছে। কিন্তু এই পুঁজিবাদী সমাজ ব্যৱস্থাত কাৰ্লমাৰ্ক্সে কোৱাৰ দৰে ধনী শ্ৰেণীয়ে দুখীয়া শ্ৰেণীক শোষণ কৰিব আৰু ই দুটা পৃথক শ্ৰেণীৰ সৃষ্টিতহে সহায় কৰিব। সেয়েহে আমাৰ ছাত্ৰ সমাজে চৰকাৰে যাতে সমাজবাদী আদৰ্শক পাহৰি নাযায় আৰু এখন কল্যাণকাৰী দেশ হিচাপে ভাৰতবৰ্ষক প্ৰতিষ্ঠা কৰাত সফলতা লাভ কৰে তাৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

বৰ্তমান ৰাষ্ট্ৰীয় পৰ্যায়ৰ লগতে ৰাজ্যিক স্তৰতো দুৰ্নীতিয়ে ভয়ানক ৰূপ ধাৰণ কৰিছে। কমনওৱেথ গেমছ কেলেংকাৰী, ২ স্পেকটাম আদি বহুতো দুৰ্নীতিজড়িত কেলেংকাৰী পোহৰলৈ আহিছে। তাৰোপৰি ৰাজ্যিক পৰ্যায়ত যদি অসমৰ কথাকে ধৰো তেন্তে এল.ও.চি কেলেংকাৰী আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ উন্নয়ন ক্ষেত্ৰত হোৱা কেলেংকাৰীক অন্যতম বুলি ক'ব পাৰি। কিন্তু এনে কেলেংকাৰীৰ লগত জড়িত মন্ত্ৰী-সাংসদ আদিৰ বিৰুদ্ধে কোনো ব্যৱস্থা এতিয়াও ভালদৰে হাতত লোৱা হোৱা নাই।

বিদেশী বেংকত থকা ক'লা টকা ঘূৰাই অনাৰ প্ৰতিবাদত কৰা ৰামদেৱৰ অনশন তথা জনলোকপাল বিধেয়ক গ্ৰহণৰ দাবীত কৰা অনশন আদিত ছাত্ৰ সমাজে সক্ৰিয় সমৰ্থন আগবঢ়াব লাগে। তেওঁলোকৰ যি অনশনৰ লক্ষ্য তাক সৰ্বসাধাৰণ মানুহৰ মাজত অনাৰ গুৰুদায়িত্ব ছাত্ৰ-ছাত্ৰীসকলেও গ্ৰহণ কৰিব লাগে আৰু দুৰ্নীতি নিবাৰণত ৰাষ্ট্ৰক সহায়ক কৰিব লাগে।

ভাৰতৰ মূল সমস্যা হ'ল দুৰ্নীতিৰ প্ৰসাৰ। সমাজৰ প্ৰত্যেক স্তৰতে দুৰ্নীতি এনেদৰে শিপাই গৈছে যে তাৰপৰা পৰিত্ৰাণ পাওঁতে বহুদিন লাগিব। কিন্তু জনগণ যদি সচেতন হয় তেনেহ'লে লাহে লাহে বহু সমস্যা দূৰ কৰিব পৰা যাব। ছাত্ৰ সমাজে পঢ়ি থকা দিনৰেপৰা এইক্ষেত্ৰত সচেতন হ'লেহে তেওঁলোকে সুস্থ নাগৰিক ৰূপে দেশৰ পৰা দুৰ্নীতি দূৰ কৰিবলৈ সাহস গোটাব পাৰিব। *



# ভাৰতৰ উন্নয়ন আৰু দুৰ্নীতি

মঃ মছউদ আলী
স্নাতক প্ৰথম বৰ্ষ
গণিত বিভাগ

যুগে যুগে নানা শক্তিয়ে পৃথিৱীৰ বুকুত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। এসময়ত ব্ৰিটিছ সাম্ৰাজ্যবাদে গোটেই পৃথিৱীতে নিজৰ আধিপত্য বিস্তাৰ কৰিব খুজিছিল। ইউৰোপৰ উত্থানৰ পৰৱৰ্তী পৰ্যায়ত আমেৰিকা কেন্দ্ৰিক ধাৰণা, চীন আৰু ভাৰতেও হয়তো অনাগত সময়ত জিলিকি উঠিব। অলপতে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাই এক বক্তৃতানুষ্ঠানত মাৰ্কিন ছাত্ৰ-ছাত্ৰীসকলক চীন আৰু ভাৰতৰ যুৱ প্ৰজন্মৰ সৈতে ফেৰ মাৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে, ভাৰতে বিশ্বায়নৰ সৈতে খোজ মিলাব পাৰিছে। কিন্তু কিছুমান কাৰকৰ প্ৰতিবন্ধকতাৰ বাবে আজি ভৰতৰ উন্নয়ন মন্থৰ গতিৰে আগবাঢ়িব লগা হৈছে।

সোতৰ শতিকাত ভাৰতে বিশ্ব বাণিজ্যৰ প্ৰায় চৌব্ৰিছ শতাংশ নিজৰ অধীনত ৰখাৰ বিপৰীতে চীনৰ নিয়ন্ত্ৰণত আছিল প্ৰায় বাইছ শতাংশ। সম্প্ৰতি চীন আৰু ভাৰতে বিশ্বৰ প্ৰায় ছল্লিশ শতাংশ জনসংখ্যাক প্ৰশয় দিছে যদিও সৰ্বমুঠ বিশ্ব আয়লৈ চীনে এঘাৰ শতাংশ আৰু ভাৰতে চাৰি শতাংশহে অৰিহণা যোগায়। ইউৰোপৰ অভ্যুত্থানৰ পূৰ্বে ভাৰত আৰু চীন আছিল পৃথিৱীৰ ভিতৰতে চহকী দেশ। সেই সময়ৰ ভাৰতীয় লোকৰ জীৱন ধাৰণৰ মানো আছিল ঈৰ্ষণীয়। কিন্তু প্ৰাদেশীক শাসনকৰ্তা সকলৰ দুৰ্বলতাৰ সুযোগলৈ বিদেশী শক্তি সমূহে ভাৰতত খোপনি পুতিবলৈ আৰম্ভ কৰে। পিছত ইংৰাজসকলে আন বিদেশী শক্তি সমূহক পৰাস্ত কৰি বাণিজ্যিক বিস্তাৰেই নহয়, শাসনৰ বাঘজৰীও নিজৰ হাতলৈ আনিবলৈ সক্ষম হয়।

ইংৰাজসকলৰ শোষণমূলক নীতিত প্ৰৱৰ্তিত শাসন ব্যৱস্থা, ভাৰতীয় শাসনকৰ্তা সকলৰ দূৰদৰ্শিতাৰ অভাৱ, পৰস্পৰৰ শত্ৰুতা ভাৰতীয় জনসাধাৰণৰ ক্ৰমবৰ্দ্ধমান দৰিদ্ৰতা আদিৰ ফলত এটা সময়ত ভাৰতীয় সমাজ আৰু অৰ্থনীতি বিধস্ত হৈ পৰিছিল। ঠিক তেনে এক সময়তে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। স্বাধীনতাৰ সময়তে দেশখনৰ সমাজবাদৰ আৰ্হিত মিশ্ৰ অৰ্থনীতি আধাৰ হিচাপলৈ পৰিকল্পিত উন্নয়নৰ সপোন ৰচনা কৰা হৈছিল।কিন্তু আন্তঃ গাঠনিৰ অভাৱ, মূলধনৰ অভাৱ অনেক অপ্ৰয়োজনীয় চৰকাৰী নিয়ন্ত্ৰণ, দুনীতি, ৰাজনৈতিক অস্থিৰতা আদিৰ ফলত সেই আশা চুৰমাৰ হৈছিল। দৰিদ্ৰতাই হৈ পৰিছিল ভাৰতবৰ্ষৰ অৰ্থনৈতিক বৈশিষ্ট্য। তাৰ মাজতেই পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে অৰ্থনৈতিক উন্নয়ণৰ ধাৰণাটো জীয়াই ৰখা হৈছিল। কিন্তু দীৰ্ঘদিন ধৰি দেশখনৰ নিম্ন জনমূৰি আয় নিবনুৱা, নিৰক্ষৰতা আদি প্ৰাথমিক সমস্যা হৈয়ে থাকিল। প্ৰায় ছল্লিশ বছৰ কাল এনে চৰম নৈৰাশ্য বিৰাজ কৰিছিল। অৱশেষত ১৯৮৫ চনৰ পৰা প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ নেতৃত্বত পৰি বৰ্তমান বতাহ বলিবলৈ আৰম্ভ কৰে। ১৯৯১ চনৰ পৰা অৰ্থব্যৱস্থাৰ পৰিবৰ্তন ঘটোৱা হয়। ভাৰতক আৰ্থিক সংকটৰ পৰা উদ্ধাৰ কৰিবলৈ আগবাঢ়ি আহে আন্তঃ ৰাষ্ট্ৰীয় মুদ্ৰানিধি। ভাৰতৰ স্বৰ্ণ ভাণ্ডাৰ বন্ধকত থৈ হলেও প্ৰায় সাত বিলিয়ন পৰিমাণৰ মাৰ্কিন ডলাৰ ঋণ ল'বলগীয়াত পৰিল। ইয়াৰ সমান্তৰালভাবে সৰুবৰ যন্ত্ৰপাতিবোৰো ঘূৰিবলৈ আৰম্ভ কৰিলে। ঠিক তেতিয়াৰ পৰাই আধুনিকীকৰণ, বিশ্বায়ন, উদাৰীকৰণ আদি শব্দবোৰ ভাৰতীয় জনসাধাৰণৰ মাজত প্ৰবেশ কৰিবলৈ ধৰিলে। কিন্তু এনে পৰিবৰ্তনৰ লগতে সোমাই পৰিল পূৰ্বৰে পৰা খাপ পিটি ৰৈ থকা এক মহাব্যাধি দুৰ্নীতি।

বিশ্ববেংকৰ ব্যাখ্যা অনুসৰি দুনীতি মানে হ'ল ৰাজহুৱা বা চৰকাৰী মন্ত্ৰ ব্যক্তিগত লাভালাভৰ বাবে ব্যৱহাৰ কৰা। ই একেধাৰে অনৈতিক অনাকাংশিত আৰু উন্নয়নৰ পথত প্ৰধান অন্তৰায়, চৰকাৰী কাম-কাজ তথা ৰাজহুৱা স্বাৰ্থজনিত কাৰ্যত দুৰ্নীতিয়ে খোপনি পুতি বহা বাবে জন-সাধাৰণে উন্নয়নৰ সমগ্ৰ প্ৰক্ৰিয়াটোতেই আস্থা হেৰুৱাই পেলাইছে। 'টেন্সফাৰেন্সী ইন্টাৰনেছনেল'ৰ ২০১০ চনৰ গ্লবেল কৰাপছন বেৰোমিটাৰত ভাৰতে দুৰ্নীতি গ্ৰস্ত দেশসমূহৰ সৈতে অৱস্থান কৰিছে। পৃথিৱীৰ বৃহত্তম গণতান্ত্ৰিক দেশখনত আজি হঠাতে দূৰ্নীতিৰ পোকটোৱে কামোৰ দিয়া নাই; ঠিক স্বাধীনতাৰ পিছৰে পৰা দুৰ্নীতিয়ে ভাৰতীয় গণতন্ত্ৰৰ প্ৰৱেশ কৰিছিল। বিশেষকৈ ৰাজনৈতিক

নেতা তথা মন্ত্ৰী আমোলা কেন্দ্ৰিক দুৰ্নীতিয়ে গা কৰি উঠিছিল। এই সন্দৰ্ভত ড° বি আৰ আম্বেদকাৰে কৈছিল, "It is doultful if there is a politician in India to whom the objectve incorruptible can be more fittingly applied" (Pakistan partition.1946) ইয়াৰ উমান পায়েই প্ৰধানমন্ত্ৰী ড° জৱহৰলাল নেহৰুৱে দূৰ্নীতিকাৰী সকলক উদ্দেশি কৈছিল "The corrupt will be hanged in the nearest lamp post" পিছে নেহৰুৰ কাৰ্যকালতেই লণ্ডনত ভাৰতীয় উচ্চাযুক্ত হিচাপে কাৰ্যনিবাহ কৰা বি.কে.মেনন ৩০ কোটি ভেটি লোৱাৰ অভিযোগত অভিযুক্ত হৈয়ো শাস্তিৰ পৰিৱৰ্তে নেহৰু চৰকাৰৰ পৰা ৰাজনৈতিক সুৰক্ষাহে লাভ কৰিছিল। পৰৱতী সময়ত মাৰুতি উদ্যোগক ভূমি প্ৰদান কৰাৰ নামত সঞ্জয় গান্ধীৰ এশ কোটি টকাৰ কেলেংকাৰী বৰ্ফছ কেলেংকাৰী, চি.কে জাফৰ শ্বৰীফৰ লোকো মতিভ ইঞ্জিন কেলেংকাৰী, সতীশ শৰ্মাৰ গৃহ কেলেংকাৰী, সুখৰামৰ দূৰ সঞ্চাৰ কেলেংকাৰী উল্লেখনীয়, ভাৰতৰ অৰ্থনীতি যেতিয়া একেবাৰেই বিধস্ত হৈ পৰিছিল, তেতিয়াও এই সকল সুবিধাবাদীয়ে দুৰ্নীতি এৰাই চলিব পৰা নাছিল। তথাপিতো তেওঁলোক দোষী সাব্যস্ত নহ'ল। কিয়নো তেওঁলোক আছিল ৰাজনৈতিক ক্ষমতাৰে পুষ্ট একো একোজন নিজৰ ভাৰত নিৰ্মাণৰ খনিকৰ। শাসনৰ বাঘজৰী নিজৰ হাতত ৰখাৰ স্বাৰ্থত মূৰব্বী সকলেও নমনীয় দৃষ্টিভংগী গ্ৰহণ কৰিছিল। সেই প্ৰথা আজিও অব্যাহত আছে। মৰ্চা চৰকাৰ ৰক্ষা কৰিবলৈ হ'লে এৰা ধৰাৰ মাজৰে চলিবলগীয়া হৈ পৰে বুলি, ভাৰতৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙেও স্বাক্ষৰ কৰিছে।

ভাৰতবৰ্ষৰ দৰে গণতান্ত্ৰিক দেশ এখনত জনসাধৰণৰ আশা আকাংশাক প্ৰতিনিধিত্ব কৰে জনতাৰ দ্বাৰা নিবাৰ্চিত জনপ্ৰতিনিধি সকলে। কিন্তু আমাৰ জনপ্ৰতিনিধি সকলে নিজ ক্ষমতাক লাভজনক ব্যৱসায়ত পৰিণত কৰাটোহে বিচাৰ্যৰ বিষয় হৈ পৰিছে। সেয়া পঞ্চায়তীৰাজ ব্যৱস্থাত হওঁক বা লোকসভাৰ মজিয়াতো হওঁক। এটি গৃহ প্ৰদানৰ বাবে পঞ্চায়ত সদস্য এগৰাকীয়ে যেনেদৰে উৎকোচ বিচাৰে ; ঠিকা একেদৰে এগৰাকী দুৰ্নীতিগ্ৰস্ত মন্ত্ৰীয়েও ব্যৱসায়ীক সা-সুবিধা প্ৰদানৰ নামত পূঁজিপতি সকলৰ ওচৰত ঘোচ বিচাৰে। যোৱা বছৰ প্ৰসিদ্ধ ব্যৱসায়ী ৰতন টাটাই প্ৰধানমন্ত্ৰীক অভিযোগ দিছিল যে ছিংগাপুৰলৈ এটা ব্যক্তিগত বিমান সেৱা আৰম্ভ কৰিব খোজোতেই সমগ্ৰ ব্যৱস্থাটোকে বিভাগীয় মন্ত্ৰীজনে বাধা আৰোপ কৰিছিল, কাৰণ তেওঁ বিচৰা মতে ১৫ কোটি টকা দিবলৈ টাটাই মান্তি হোৱা নাছিল। এয়া এক নমুনাহে। সংসদত প্ৰশ্ন উত্থাপন কৰাৰ ঘোচ লওঁতে ২০০৫ চনত এঘাৰজন সাংসদ ধৰা পৰাৰ কথা সকলোৰে মনত আছে। ভাৰত-মাৰ্কিন পাৰমাণৱিক চুক্তিৰ সময়ত সাংসদ ক্ৰয় বিক্ৰী হোৱা কথাটো গণতান্ত্ৰৰ এৰ লজ্জিত অধ্যায়। আৰু আজিৰ ২৪ স্পেকট্ৰাম কেলেংকাৰী, আদৰ্শ হাউচি কেলেংকাৰী, কমলৱেল্ গেমছ কেলেংকাৰী সৰ্বজনবিদিত।

আমাৰ জনপ্ৰতিনিধি, ৰাজনৈতিক নেতা তথা শাসক পক্ষই ক্ষমতাৰ অপব্যৱহাৰৰ যোগেদি ব্যক্তিগত আয়ৰ যি সপোন ৰচিছে, পুঁজিপতি সকলেও এনে দুৰ্বলতাৰ সুযোগ পূৰামাত্ৰাই গ্ৰহণ কৰিছে। বিভাগীয় মন্ত্ৰীক নিজৰ হাতৰ মুঠিত ৰাখি আৰ্থিক উদাৰীকৰণৰ দোহাই দি দেশৰ সম্পদৰ ওপৰত লুণ্ঠন চলাইছে। মূলধনী ব্যয়ৰ পৰিমাণ বেছি দেখুৱাই বিশাল পৰিমানৰ ধন আহৰণ কৰিছে আৰু বিভাগীয় মন্ত্ৰালয়ে কেইটামান টকাৰ বাবদ তেনে ব্যয় বৃদ্ধিত অনুমোদন জনাইছে।

দুৰ্নীতি নিয়ন্ত্ৰণ কৰিব পৰাকৈ ভাৰতবৰ্ষত এখন শক্তিশালী আইনৰ অভাৱ সকলোৱে অনুভৱ কৰিবলৈ লৈছে। যদিও তথ্য জনাৰ আইন ২০০৫ৰ জৰিয়তে বিভিন্ন কেলেংকাৰী ফাদিল হ'বলৈ ধৰিছে। এতিয়াও অৱশ্যে বহুতো লোকে এই আইনখনৰ ব্যৱহাৰ সম্পৰ্কে অজ্ঞ। ইয়াৰ জৰিয়তে আৰু বহুতো গোপন তথ্য পোহৰলৈ আহিব। কিন্তু দুৰ্নীতিগ্ৰস্ত সকলক নাকী লগাব পৰাকৈ পূৰ্বতকৈ এখন অধিক শক্তিশালী আইন প্ৰণয়নৰ প্ৰয়োজনীয়তা আছে। অৱশ্যে আইন প্ৰণয়ণেও দূৰ্নীতি নিৰ্মূল কৰিব নোৱাৰে যদিহে আমি প্ৰত্যেকেই ব্যক্তিস্তৰৰপৰা দূৰ্নীতি নিৰ্মূলৰ বাবে আগ্ৰহী নহওঁ।

গান্ধীজীয়ে সপোন দেখা ভাৰতবৰ্ষখন প্ৰতিজন ভাৰতীয়ই বিচাৰে, কিন্তু স্বাধীনতাৰ ছয়দশক পিছতো সেইখন ভাৰতৰ ৰূপ পৰিস্ফুট হৈ উঠা নাই, তাৰ পৰিৱৰ্তে সৃষ্টি হৈছে দুখন ভাৰত এখন বিলিয়নাৰ মিলিয়নাৰৰ ভাৰত, আনখন ভোকাতুৰ ভাৰত। এনে পাৰ্থক্য দূৰ কৰিব পাৰিলেহে ভাৰতৰৰ উন্নয়ন ক্ষিপ্ৰ তথা সমমিত হ'ব। *

# দুৰ্নীতি বনাম গণ আন্দোলন

— প্ৰণৱজ্যোতি নাথ
স্নাতক প্ৰথম বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

ভাৰতবৰ্ষ ইংৰাজক খেদি স্বাধীন হ'ল। দেশৰ জনগণেহে দেশৰ আচল স্বাধীনতা নাপালে। দৰিদ্ৰ, শোষণ, বৈষম্য আৰু দুৰ্নীতিয়ে জনসাধাৰণক জলা-কলা খুৱাইছে। ভূতৰ ওপৰত দানহ পৰাদি উগ্ৰপন্থীৰ সন্ত্ৰাস আৰু বিচ্ছিন্নতাবাদেও ধন-জনৰ বিস্তৰ ক্ষতি কৰিছে আৰু জণগণৰ অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ সংগ্ৰামকে ৰুদ্ধগতি কৰি ৰাখিছে। সৰ্বসাধাৰণ মানুহৰ সহৰভাগেই পীড়িত আৰু অসন্তুষ্ট। সচেতন নাগৰিক ক্ষুব্ধ আলোৰিতু। ভাৰতবৰ্ষই বিদেশী শত্ৰুৰ পৰা দেশৰ ক্ষমতা হস্তগত কৰিলে কিন্তু সেই ক্ষমতা লাখ লাখ লোকৰ তেজৰ বিনিময় দি স্বাধীনতা কাঢ়ি অনা জনগণৰ পৰিৱৰ্তে এই ক্ষমতা হস্তগত কৰিলে বৃহৎ পুঁজিপতি শ্ৰেণীটোৱেহে। বৃহৎ মাটি-গিৰি সামন্ত শ্ৰেণীটো পুঁজিপতি শ্ৰেণীৰ সহযোগী হৈ পৰিছিল। কংগ্ৰেছ দলটো আছিল তেওঁলোকৰহে প্ৰতিনিধিহে। ক্ষমতা হাততলৈয়ে কংগ্ৰেছে পুঁজিবাদী বিকাশৰ পথ গ্ৰহণ কৰিলে, দেশীয় পুঁজিপতি ব্যৱসায়ী সকলক সকাহ দিয়াৰ নীতি ল'লে; বিদেশী সাম্ৰাজ্যবাদৰ লগতে আপোচ কৰিলে ; শাসন নীতিৰ ক্ষেত্ৰতো পূৰ্বৰ ইংৰাজ চৰকাৰৰ দিনৰে বহু আইন-কানুন আৰু ৰীতি-নীতি বলবৎ ৰাখিলে। স্বাধীনতাৰ পাছত যোৱা চৌষষ্ঠিটা বছৰে ভাৰত চৰকাৰে পুঁজিপতি শ্ৰেণীটোক যিমান সা-সুবিধা দিলে ; জনগণৰ বাবে হ'লে যিমানখিনি নকৰিলে। শ্ৰমজীৱি জণগনক লুণ্ঠন নকৰাকৈ তেওঁলোকক নঠগাকৈ পুঁজিপতিৰ সৃষ্টি কেতিয়াওঁ হ'ব নোৱাৰে। পুঁজিপতি শ্ৰেণীটো যিমানে শক্তিশালী হৈ গৈ থাকিব; শোষণ-লুণ্ঠনৰ পৰিমাণো সিমানে বাঢ়ি যাব বুলি ধৰি ল'ব লাগিব। ১৯৪৭ চনত ভাৰতবৰ্ষৰ টাটা বিৰলাৰ দৰে পুঁজিপতি গোষ্ঠীবোৰৰ গড় সম্পত্তি ৫০-৬০ কোটিতকৈ নিশ্চয় বেছি নহ'ব। স্বাধীন ভাৰতৰ শাসক শ্ৰেণীবোৰে গ্ৰহণ কৰা পুঁজিবাদী বিকাশৰ পথটোৱে দেশখনক আজি সামাজ্যবাদী অৰ্থনীতিৰ বহতীয়া কৰি পেলাইছে। আজিৰ বিশ্বায়নৰ পৰ্বত ইউৰোপ আমেৰিকাৰ লগ্নী পুঁজিয়ে সমগ্ৰ পৃথিৱী ছানি ধৰিছে। উদাৰীকৰণৰ নামত দেশীয় চৰকাৰবোৰে পুঁজিৰ ওপৰত সকলো ধৰণৰ চৰকাৰী নিয়ন্ত্ৰণ উঠাই দিছে, চৰকাৰৰ হাতত থকা খণ্ডবোৰ এটা এটাকৈ ব্যক্তিগত খণ্ডৰ হাতত গতাই দিচে আৰু বিদেশী কোম্পানী তথা ক'পাৰেট হাউচবোৰৰ বিনিয়োগ আৰু শোষণ-লুণ্ঠনৰ বাবে দেশখনৰ কেউফালৰ দুৱাৰবোৰ মুকলি কৰি দিছে। ফলত একাংশ লোক ধনীৰ পৰা অতিপাত ধনী হৈ পৰিছে আৰু দেশৰ সৰহভাগ মানুহ দুখীয়াৰ পৰা আৰু বেছি দুখীয়া হৈ গৈ আছে। জনসাধাৰণৰ কৰ্মসংস্থানৰ দায়িত্ব চৰকাৰে এৰি দিছে। কোম্পানীৰ চাকৰিৰ বাবে কেউফালে এতিয়া গলাকটা প্ৰতিযোগিতা। কৃষকৰ মাটি-বাৰীবোৰে কাঢ়ি লৈ কোম্পানীবোৰক দিয়া হৈছে। বহুজাতিক কোম্পানীবোৰে বিভিন্ন দেশৰ মন্ত্ৰী-বিষয়া সকলক শকত অংকৰ কমিছন বা ঘোচ দিয়াৰ ব্যৱস্থাটোক বৈধ নিয়ম কৰি লৈ বৃহৎ দুনীৰ্তিৰো বজাৰ এখন মেলি দিছে। তাৰ অনুকৰণতেই চৰকাৰী মন্ত্ৰী বিষয়া সকলে নিজৰ চৰকাৰী বিভাগবোৰৰ কাম-কাজ বা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰতো কমিছন দিয়া লোৱাৰ অঘোষিত ব্যৱস্থা এটা প্ৰবৰ্তন কৰি লৈছে। বিপদজনক কথা হৈছে এয়ে যে দুৰ্নীতিৰ জালখন জনসাধাৰণৰ ফালেও মেলি ধৰা হৈছে আৰু জাকে জাকে পুঠি-খলিহনাবোৰে গৈ তাত লাগি ধৰিছে গৈ। ফলত জনসাধাৰণৰ সংগ্ৰামী ঐক্যতো ফাট মেলিছে। একাংশ জনসাধাৰণৰ সমৰ্থনতে শোষণ আৰু দুনীৰ্তিৰ ব্যৱস্থাটো টিকি আছে। ভাৰতবাসীৰ দুৰ্ভাগ্যও সেইটোৱেই পিছে আমাৰ দেশক গ্ৰাস কৰি বিশ্বৰ চকুত আমাক হেয় কৰিবলৈ ওলোৱা যি দুৰ্নীতিৰ কথা কোৱা হৈছে; ই কিন্তু আজি হঠাতে হোৱা বিষয় নহয়। মহঃ আলী জিন্নাৰ ব্যক্তিত্বক প্ৰশংসা কৰা প্ৰসংগত ড° ভীমৰাও আম্বেদকাৰে নব্য ভাৰতৰ ৰাজনীতিসকলক কটাক্ষ কৰি কৈছিল - It is

doubtful if there is a politician in India to whom the objective in corruptible can be more fittingly applied. (Pakistan & Parition : 1946, page 323) ইয়াৰ উমান পায়েই নিশ্চয় স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী নেহৰুৱে দুৰ্নীতিকাৰীসকলক সাৱধান কৰি কৈছিল - The corrupt will be hanged in the nearest lamp-post । কিন্তু বাস্তৱ ক্ষেত্ৰত সাৱধানবাণীয়ে কোনো ফল দিয়া দেখা নগ'ল। বৰং দিনক দিনে দুৰ্নীতি দুগুণ উৎসাহেৰে বাঢ়িহে গ'ল। দেশৰ শাসনত বহিব পৰাটো যেন টাটা আম্বানি আদিৰ দৰে ব্যৱসায়ীহে। আমাৰ জনপ্ৰতিনিধিসকলে নিজৰ ক্ষমতাক লাভজনক ব্যৱসায়লৈ পৰিণত কৰিছে আৰু পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰো গুৰি কথা এইটোৱেই। যিকোনো কামৰ বিনিময়ত ধন লোৱাটো যেন এক নিয়ম, এনে কথা এতিয়া আমাৰ দেশত পৰম্পৰালৈ পৰ্যবেসিত হৈছে। দুৰ্নীতিৰ এনে সৰ্বগ্ৰাসী ৰূপৰ কথা দৃঢ়তাৰে অনুভৱ কৰিয়ে ৰাষ্ট্ৰপতি প্ৰতিভা দেৱী সিং পাটিলে যোৱা চৈধ্য আগষ্টৰ সন্ধিয়া দেশবাসীৰ উদ্দেশ্য দিয়া ভাষণত ইয়াক কৰ্কট ৰোগ অভিহিত কৰিছে। পিছদিনা অৰ্থাৎ ১৫ আগষ্টত লালকিল্লাৰ পৰা দিয়া ভাষণত প্ৰধান মন্ত্ৰীয়েও সেই একে কথাই দোহাৰিছে। তেওঁ স্পষ্টকৈ কৈছে যে জনকল্যাণৰ বাবে আবাণ্টিত ধন এচাম শাসক আৰু বিষয়াৰ জেপলৈ গৈছে ; দেশৰ সম্পদ এচাম বছা বছা লোকৰ স্বাৰ্থত ব্যৱহাৰ হৈছে আৰু আৰু চৰকাৰী ঠিকা-ঠুকুলি এচাম দুৰ্নীতিপৰায়ণৰ হাতলৈ গৈছে। দুৰ্নীতিৰোধ কৰিবলৈ তেওঁ কঠোৰ আইনৰ পোষকতা কৰিছে।

তৃতীয়বাৰলৈ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰা অসমৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক দুৰ্নীতি সম্পৰ্কত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত সদায় এযাৰ কথা কয় — 'দুৰ্নীতি ক'ত নাই?' অৱশ্যে কথাষাৰ সম্পূৰ্ণ অযুক্তিকৰ বুলিব নোৱাৰি। কেন্দ্ৰীয় চৰকাৰৰ সৰ্বোচ্চ স্তৰৰ পৰা গাঁও স্তৰলৈকে দুৰ্নীতিৰ অবাধ বিচৰণ। খোৱা অন্ন মুঠিৰ পৰা আৰম্ভ কৰি চৰকাৰী অনাময় শৌচাগাৰলৈকে জনসাধাৰণ দুৰ্নীতি মেৰপাকত আবদ্ধ । টকাৰ বাবে ইমাৰজেন্সি ৰোগী এজনৰ প্ৰাণৰ লগতো হেতালি খেলে, এটি ফাইলো টেবুল পাৰ নহয়, ই এক নমুনাহে। বৰ্তমান দুৰ্নীতি এটি ফেচ্‌ন, দুৰ্নীতি নকৰা জনহে কাপুৰুষ বুলি চিহ্নিত হৈছে। ই বৰ্তমান সমাজ ব্যৱস্থাৰ ভয়ংকৰ অথচ শাশ্বত সত্য কথা।

দেশৰ ইতিহাসত ইতিমধ্যে আটাইতকৈ ডাঙৰ দুৰ্নীতি বুলি বিবেচিত হৈছে। ২-জি স্পেক্‌টাম কেলেংকাৰী। প্ৰায় ১ লাখ ৮০ হাজাৰ কোটি টকা এই কেলেংকাৰীৰ কাৰণে ভাৰত চৰকাৰৰ ক্ষতি হৈছে। ২০০৭ চনৰ শেষৰ ফালে এই কেলেংকাৰীৰ কথা পোহৰলৈ আহে। চি পি আই (এম) দলৰ নেতা সীতাৰাম ইয়েচুৰীয়া এই কেলেংকাৰী সম্পৰ্কত ভাতৰ প্ৰধানমন্ত্ৰীলৈ চিঠি লিখিছিল। তেওঁ পুনৰ ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ এই কেলেকাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'বলৈ দাবী জনাই চিঠি দিছিল। কিন্তু প্ৰধানমন্ত্ৰীয়ে এই বিষয়ত কোনো ব্যৱস্থা লবলৈ উদ্যোগ নকৰিলে। মনমোহন সিঙৰ নিচিনা সৎ ব্যক্তি ভাৰতৰ প্ৰধানমন্ত্ৰী। গতিকে এনেকুৱা কেলেংকাৰী সংঘটিত হ'ব নে? মনমোহন সিঙে সাংবাদিকক এবাৰ কৈছিল - তেওঁ নিজে কোনো দুৰ্নীতিত যুক্ত নহয়। কিন্তু মৰ্চা চৰকাৰখন ৰক্ষা কৰাৰ কাৰণে অলপ এৰা-ধৰা কৰিব লগা হৈছে। এইদৰেই এৰা-ধৰা কৰি মৰ্চা চৰকাৰখন ৰক্ষা কৰাৰ কাৰণে দেশৰ প্ৰায় ২ লাখ কোটি টকা ক্ষতি কৰিছে। ইয়াৰ ভিতৰত মুম্বাইত হাউচিং কেলেংকাৰী, কমনৱেলথ গেমছ কেলেংকাৰী, আই.পি.এল. কেলেংকাৰী, কৰ্ণাটকৰ ৰেড্ডী ভাই সকলৰ কেলেংকাৰী। এতিয়া নতুনকৈ যুক্ত হৈছে ভাৰত চৰকাৰৰ পেট্ৰলিয়াম বিভাগৰ কেলেংকাৰী। আৰু এটা বৃহৎ কেলেংকাৰী সংঘটিত হ'বলৈ ধৰিছিল। এই কেলেংকাৰীটো সংঘটিত হ'বলৈ ধৰিছিল ইছৰোৰ এণ্ট্ৰিক্স কৰপোৰেছ্ন আৰু ডিভাছ নামৰ কোম্পানীটোৰ লগত হ'বলৈ ওলোৱা চুক্তিৰ ক্ষেত্ৰত। এই চুক্তি সম্পাদিত হ'লে ভাৰত চৰকাৰে ২লাখ কোটি টকাতকৈও অধিক ক্ষতিৰ সন্মুখীন হ'ব লগা হ'লহেঁতেন। সঠিক সময়ত 'দ্যা হিন্দু' নামৰ দৈনিক বাতৰি কাকতখনত প্ৰচাৰ হোৱাৰ ফলত এই চুক্তি সম্পাদিত হ'ব নোৱাৰিলে। ফলত আৰু এটা ডাঙৰ কেলেংকাৰীৰ পৰা আমাৰ দেশৰ জনসাধাৰণ ৰক্ষা পৰিল।

মনমোহন সিং অৰ্থমন্ত্ৰী হোৱাৰ সময়ৰ পৰাই দেশৰ অৰ্থনীতিত উদাৰনীতি আৰম্ভ হ'ল। এই উদাৰনীতিৰ জৰিয়তে দেশৰ চৰকাৰখনে সংখ্যা গৰিষ্ঠতাৰ সুযোগ লৈ সংসদত বিভিন্ন ধৰণৰ বিল পাছ কৰি দেশী-বিদেশী বৃহৎ বৃহৎ উদ্যোগপতি তথা বহুজাতিক কোম্পানীক দেশৰ সম্পদ লুণ্ঠন তথা দেশৰ জনসাধাৰণক শোষণ কৰাৰ সুযোগ কৰি দিছে। আনহাতে এইবোৰ শক্তিক এই উদাৰ নীতিৰ সুযোগতে বিভিন্ন ধৰণৰ কেলেংকাৰী সংঘটিত

কৰি দেশৰ সম্পদ আৰু দেশবাসীক লুণ্ঠন কৰাৰ সুবিধা কৰিও দিছে। মনমোহন সিঙৰ দিনতেই নহয় অটল বিহাৰী বাজপেয়ী থকাৰ সময়তো এনেবোৰ ঘটনা হৈছিল। সেই সময়ত ভাৰতীয় জনতা পাৰ্টিৰ সৰ্বভাৰতীয় সভাপতি এজনে ভাৰতীয় টকাৰ পৰিবৰ্তে আমেৰিকান ডলাৰহে উপঢৌকন বিচাৰিছিল।

শেহতীয়াকৈ সমগ্ৰ ভাৰততে দুৰ্নীতিৰ মুক্ত এক সমৃদ্ধিশালী ভাৰত গঢ়াৰ বাবে অঘোষিত গণ অভ্যুত্থান ঘটিছে। দুনীৰ্তি বিৰোধী দেশজুৰি শুনিব পোৱা গৈছে, যুদ্ধৰ দামদামা। এতিয়া আন্না হাজাৰে, ৰামদেৱ, বি জে পি আদি দলসংগঠন দুৰ্নীতিৰ বিষয়ে সৰৱ হোৱা দেখা গৈছে। পূৰ্বেও ইন্দিৰা গান্ধীৰ চৰকাৰ খনৰ দুৰ্নীতিৰ বিৰোধিতা কৰি দেশজোৰা গণ আন্দোলন গঢ়ি তুলিছিল জয়প্ৰকাশ নাৰায়নে। জয় প্ৰকাশ নাৰায়ণৰ নেতৃত্বত সংগঠিত হোৱা দেশজোৰা গণ-আন্দোলনটোক সমৰ্থন কৰাৰ মাজেদি জনতাদলে ক্ষমতা হস্তগত কৰিছিল। জয়প্ৰকাশ নাৰায়নে সেই গণ আন্দোনলটোক পূৰ্ণ বিপ্লৱ বা দ্বিতীয় স্বাধীনতা আন্দোলন বুলি আখ্যা দিছিল আৰু জয়প্ৰকাশক দ্বিতীয় মহাত্মা গান্ধী বুলি আদৰি লৈছিল। কিন্তু জনতা দল ক্ষমতালৈ অহাৰ পাছতো জনসাধাৰণৰ স্বপ্নৰ স্বাধীনতা নাহিল। আন্দোলনটোৰ সফলতা ৰূপে কংগ্ৰেছ দল ক্ষমতাৰ পৰা লৰিল, কিন্তু শাসন ব্যৱস্থা একে থাকিল, কিয়নো জনতা দলো একাংশ পুঁজিপতিৰেই প্ৰতিনিধি আছিল। এইদৰে জয়প্ৰকাশ নাৰায়ণৰ পূৰ্ণ বিপ্লৱ বা দ্বিতীয় স্বাধীনতা যুদ্ধ বিফল হ'ল।

সম্প্ৰতি, চলিত বৰ্ষৰ জুন মাহৰ আগভাগত বিদেশৰ বেংকত জমা থকা ভাৰতীয় ক'লা ধন ঘূৰাই অনাৰ দাবীত ৰামদেৱে এক আন্দোলন গঢ়ি তুলিছিল, কিন্তু শান্তিভংগৰ দোহাই দি আন্দোলনটো নস্যাৎ কৰিলে। ইয়াৰ পিছতো চৰকাৰ বিভিন্ন ধৰণৰ বাধাকো আওকান কৰি দেশক ছানি ধৰা দুৰ্নীতিৰ বিৰুদ্ধে থিয় হ'ল জেহাদী আন্না হাজাৰে। অৱশেষত ১৩ দিন অনশনৰ অন্তত চৰকাৰ শিৰ নত কৰিবলৈ বাধ্য হ'ল চৰকাৰ। দেশজুৰী সমৰ্থন লাভ কৰা এই গণ আন্দোলনত অন্তৰ আত্মা কপি উঠিল চৰকাৰৰ, বাধ্য হ'ল লোকপাল নামৰ দুৰ্নীতি বিৰোধী আইন এখন প্ৰণয়ন কৰিবলৈ। অৱশেষত জনতাৰ জয় হ'ল। আঠবাৰকৈ মৃত্যু হোৱা লোকপালে এটি জন্ম লাভ কৰিলে। জনসাধাৰণে দুৰ্নীতিমুক্ত ভাৰত গঢ়াৰ গভীৰ সপোন দেখিছে। প্ৰকৃততে চৰকাৰে তেনে এখন সুৰুঙাবিহীন কঠোৰ আইন প্ৰণয়ন কৰাকৈলে আজিও জনসাধাৰণ সন্দেহ মুক্ত নহয়। যদিহে লোকপাল চৰকাৰী পক্ষত দাড়ি, মূৰ খুৰোৱাৰ ৰূপত আহে নিশ্চয় ইয়াৰ নৰম বাৰলৈ মৃত্যু হ'ব। জনসাধাৰণৰ আশা পূৰণৰ পক্ষত এই আইন হওক আমাৰ সেয়াই কামনা।

আন্না হাজাৰে দুৰ্নীতি বিৰোধী গণ আন্দোলন সফল ৰূপায়নৰ অন্তত দিয়া ভাষণৰ দৰে যদি এইয়া জয়ৰ আৰম্ভণি বুলি লৈ চৰকাৰ পৰিৱৰ্তণৰ ফালে আগনাবাঢ়ি ব্যৱস্থা পৰিৱৰ্তন কৰিব আগবাঢ়ে নিশ্চয় এই আন্দোলনটো জয়প্ৰকাশ নাৰায়ণৰ আন্দোলনটোৰ দৰে মৃত্যু নহ'ব।

আন এটা কথা মনকৰিবলগীয়া যে দুৰ্নীতিৰ উৎসমূহৰ অনুসন্ধান কৰি সেইবোৰৰ লগত কঠোৰ আইনবদ্ধাৰাও দুৰ্নীতি জনলোকপাল বা তাতকৈ কঠোৰ আইনবদ্ধাৰাও দুৰ্নীতিৰোধ কৰিব পৰা নাযাব। আন্না হাজাৰে ৰামদেৱ দুৰ্নীতিৰ বিৰুদ্ধে সৰৱ হ'লেও দুৰ্নীতিৰ মূল উৎস সম্পৰ্কে নিমাত। তদুপৰি ভাৰতীয় জনতাপাৰ্টি তথা আন কিছু ৰাজনৈতিক দলে লোকপাল আৰু দুৰ্নীতিক লৈ সৰৱ হোৱা দেখা গৈছে যদিও তেওঁলোকৰ এই সক্ৰিয়তা সন্দেহজনক আৰু নিৰ্বাচনকেন্দ্ৰীক।

আন্না হাজাৰেৰ আন্দোলনটো জন সমৰ্থন অভূতপূৰ্ব। প্ৰকৃততে জনসমৰ্থনৰ কিছু ভিত্তি আছে। গতিকে দুৰ্নীতি গ্ৰস্থতাত নিজে লিপ্ত হৈ দুৰ্নীতি বিৰোধী আন্দোলনত যোগদান কৰা জনগণ হাঁহিয়াতৰ পাত্ৰ। সেয়ে আন্না হাজাৰেও কৈছে যে মূৰত গান্ধী টুপীলৈ, চোলাত আন্না হাজাৰেৰ নাম লিখি কেতিয়াও আন্না বনিব নোৱাৰি, আন্না হ'বলৈ লাগিব শুদ্ধ আচাৰ, শুদ্ধ ব্যৱহাৰ নিষ্কলংক চৰিত্ৰ, ত্যাগৰ প্ৰতি স্পৃহা, অপমান সহ্য কৰাৰ সৎ সাহস। কিমানে মানিব আন্নাৰ সেইটো সত্য কথা যে যেতিয়ালৈ ব্যক্তিগতভাৱে নিজে টকা ভেটি দিয়াত নিজে লোৱাৰ সংকল্প নলয়, যেতিয়ালৈকে জন লোকপালতকৈ গধুৰ কঠোৰ আইনেও সমাজৰ পৰা দুৰ্নীতি আতৰাই সমাজ সংশোধন কৰি নোৱাৰিব। সেয়েহে ৰাইজৰ চৰিত্ৰবল নিষ্কলংক হওঁক - সেয়ে আমাৰ কাম্য। *

প্ৰবন্ধ

# সামাজিক ব্যাধিস্বৰূপে 'ডাইনী হত্যা আৰু ইয়াৰ নিৰ্মূলকৰণত চৰকাৰ আৰু জনসাধাৰণৰ ভূমিকা

— নবনীতা ডেকা
স্নাতক ২য় বৰ্ষ
ৰাজনীতি বিজ্ঞান বিভাগ

আমাৰ সমাজখন অতীজৰে পৰা কিছুমান অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ দ্বাৰা আচ্ছন্ন হৈ আছে। আজি একবিংশ শতিকাৰ উন্নত যুগতো এই কু-সংস্কাৰৰ বিলুপ্তি ঘটা নাই। তাৰেই ফলশ্ৰুতি হিচাপে আমি বৰ্তমান অসম তথা সমগ্ৰ বিশ্বৰেই এক ভয়ংকৰ সমস্যা 'ডাইনী'ৰ কথা উনুকিয়াব পাৰো 'ডাইনী' হৈছে কেতবোৰ ভ্ৰান্ত ধাৰণা আৰু কু-সংস্কাৰৰ ওপৰত ভেটি বান্ধি জন্ম হোৱা নাই। হাজাৰ হাজাৰ বছৰ ধৰি চলি অহা বিশ্বাসৰ ফলতে 'ডাউনী'য়ে এনে ৰূপ ধাৰণ কৰিছে। এই বিশ্বাস অনুযায়ী 'ডাইনী' অমংগলৰ প্ৰতীক, এক তাপ শক্তি আৰু এই তাপশক্তিয়ে সমাজলৈ এক অমংগল বাৰ্তা কঢ়িয়াই আনে আৰু ডাইনীক হত্যা কৰিলেহে সমাজৰ পৰা অমংগল আঁতৰ কৰিব পাৰি।

ইতিহাসবিদসকলৰ মতে, পামিৰ মালভূমিৰ ছিৰদৰিয়া আৰু তামুদৰিয়া উপত্যকাত বসবাস কৰা শক জাতিৰ মহিলা সমাজৰ পৰাই এই ডাইনীৰ উদ্ভৱ হৈছে। কিন্তু কিছুমান লোকৰ মতে এই ধাৰণাৰ সৃষ্টি হৈছে পশ্চিম তিৰ্ব্বতৰ পৰাহে।

ইউৰোপ, অষ্ট্ৰেলিয়াৰ দৰে দেশসমূহতো 'ডাইনী' বিশ্বাস গভীৰভাৱে শিপাই আছে। সেইবোৰ দেশত ক'লা যাদুৰ দ্বাৰা আনৰ অন্যায় সাধন কৰাটোৱেই ডাইনীৰ মূলমন্ত্ৰ বুলি ভবা হয়। ভাৰত, আফ্ৰিকা, আমেৰিকা, মেক্সিক' আদিতো ডাইনী আজিও এক ভয়ংকৰ সমস্যা। ১৬৯২ খ্ৰীঃত ইউৰোপৰ চালেমত ডাইনী হত্যাৰ সৰ্ববৃহৎ নাৰকীয় কাণ্ডটো সংঘটিত হৈছিল। হাজাৰ হাজাৰ নৰ-নাৰীয়ে অকালতে প্ৰাণ হেৰুৱাইছিল। পৃথিৱীৰ বহু ঠাইতে ডাইনীৰ নামত মানুহে সন্ত্ৰাস বিয়পাই আছে। আমেৰিকাৰ দৰে উন্নত দেশতো প্ৰত্যেক বছৰে 'হেল উইন' নামৰ এটা উৎসৱ উলহ-মালহেৰে উদযাপন কৰা হয়। ইয়াৰ দ্বাৰা তেওঁলোকে ভূত, প্ৰেত ডাইনী, যখিনীৰ দৰে তাণ্ডৱ শক্তিদূৰ কৰি সমাজৰ মংগল কামনা কৰা হয় বুলি বিশ্বাস কৰে। ভাৰতবৰ্ষৰ পশ্চিমবংগ, বিহাৰ, মধ্যপ্ৰদেশ আদি ঠাইতো ডাইনী সংক্ৰান্তীয় ঘটনা প্ৰত্যেক বছৰে পঞ্জীয়ন হৈয়ে আছে।

সম্প্ৰতি অসমত 'ডাইনী' বিষয়টোৱে এক ভয়াবহ ৰূপ ধাৰণ কৰিছে। ঠায়ে ঠায়ে বহু লোকক ডাইনী সন্দেহত হত্যা কৰা হৈছে। কেতবোৰ ঠাইত চুবুৰীয়ে চুবুৰীয়ে ডাইনী সন্দেহত বহু হিংসাত্মক ঘটনা ঘটিবলৈ ধৰিছে যাৰ ফলত ঘৰ দুৱাৰ চুৰ্মাৰ হৈছে। গৰু-ম'হৰ ওপৰত অত্যাচাৰ চলিছে, ভঁৰালঘৰ পৰ্য্যন্ত বিধ্বস্ত হৈছে। মানুহৰ তেজেৰে ৰাঙলী হৈছে বসুন্ধৰা আৰু মানুহৰ সমাজতে মানুহ পৰিৱৰ্তিত হৈছে হিংস্ৰ পশুলৈ।

এনে ঘটনা আদিবাসী আৰু জনগোষ্ঠীয় লোক বাসকৰা এলেকাত অধিক পৰিমাণে পৰিলক্ষিত হৈছে। বিশেষকৈ গোৱালপাৰা, কোকোৰাঝাৰ, গহপুৰ, ধূপধৰা, দুধনৈ, সৰুভোগ, বৰপেটা, বিশ্বনাথ, চাৰিআলি আদিত এনে ধৰণৰ ঘটনা সংঘটিত হৈ আছে। আজিৰ উন্নত জগতৰ বাবে এয়া নিতান্তই গৰিহণাযোগ্য।

সাধাৰণতে যিবোৰ অঞ্চলত ডাইনী হত্যাৰ দৰে নিকৃষ্ট ঘটনা সংঘটিত হয় সেই নিৰ্দিষ্ট অঞ্চলটো সামগ্ৰিকভাৱে অধ্যয়ন কৰিলে দেখা যায় যে সেই অঞ্চলটোত আধুনিক জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় ন্যূনতম উপাদানবোৰৰ অভাৱ, শিক্ষাৰ অভাৱ ইত্যাদি। অতীজত যেতিয়া চিকিৎসা বিজ্ঞানে গাঁও অঞ্চলবোৰলৈ প্ৰসাৰ লাভ কৰা নাছিল সেই সময়ত জনগোষ্ঠীয় সমাজবোৰত চিকিৎসকৰ বেশ হিচাপে বেজ বা ওজাৰেই

প্ৰভাৱ আছিল। এই বেজ বা ওজাই ৰোগগ্ৰস্ত পৰিয়ালটোলৈ গৈ কুঁড়ি মণ্ডল চাই ছাগলী, গাহৰি, মুৰ্গী বলি দি দেৱ-দেৱতাৰ পূজা-অৰ্চনা কৰিছিল আৰু সমাজৰ মানুহে তাকে সত্য বুলি মানি চলিছিল। কোনো বৈজ্ঞানিক ব্যাখ্যা নথকা অস্তিত্বহীন বেজ-কবিৰাজৰ মন্ত্ৰ, ভূত-প্ৰেত, ডাইনী আদি এই অন্ধবিশ্বাসবোৰৰ ধাৰাবাহিকতা অদ্যাপি জনজাতীয় অঞ্চলবোৰত বৰ্তি আছে।

গতিকে 'ডাইনী' হৈছে সমাজত বসবাস কৰা লোকৰেই সৃষ্টি। গৱেষক বিজ্ঞানী সকলৰ মতে ধৰ্মান্তিকৰণ, আনৰ ধন-সম্পত্তিৰ প্ৰতি অত্যাধিক লোভ, অনগ্ৰসৰতা, শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হোৱা, অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বলি হোৱা ইত্যাদি অনেক কাৰণত 'ডাইনী'ৰ জন্ম হয়। সেই ডাইনীক খুঁচি খুঁচি হত্যা কৰি তেজৰ ঢল বোৱাই দিলেহে সমাজৰ শান্তি প্ৰতিষ্ঠা হয় বুলি সেই মানুহবোৰে বিশ্বাস কৰে আৰু সেইবাবেই সমাজত ডাউনী হত্যাৰ ঘটনা ক্ৰমশঃ বাঢ়ি গৈছে। ফলত সমাজৰ নিৰপৰাধ অসংখ্য নৰ-নাৰীয়ে অতি দুখজনকভাৱে আনাহকতে ডাইনী বিশ্বাসী হত্যাকাৰীৰ হাতত প্ৰাণ বিসৰ্জন দিবলৈ বাধ্য হৈচে। বিশেষকৈ অনুন্নত ঠাইসমূহত এইবোৰ এক নিত্যনৈত্তিক ঘটনা হৈ পৰিছে।

এই বছৰৰ ১৭ এপ্ৰিলত সম্প্ৰতি কোকৰাঝাৰৰ চেৰফাংগুৰিত ডাইনী সন্দেহত ৫ গৰাকী আদহীয়া মহিলাক অতি নিৰ্মমভাৱে হত্যা কৰে। ২০০০ চনৰ পৰা বৰ্তমানলৈ প্ৰায় ৩৭০ গৰাকী পুৰুষ-মহিলাক এই ডাইনী সন্দেহত হত্যা কৰা হৈছে।

এটা অতি মন কৰিবলগীয়া বিষয় যে জিলা প্ৰশাসনে এই ক্ষেত্ৰত কোনো কটকটীয়া ব্যৱস্থা নোলোৱা আৰু মানুহৰ আৱেগ-অনুভূতিৰ লগত জড়িত বুলি ঘটনাবোৰ এৰাই চলিব বিচৰাৰ বাবেও বিষয়টোৱে ক্ৰমশঃ জটিল ৰূপ ধাৰণ কৰিছে। তদুপৰি সুযোগ গ্ৰহণকাৰী বহুলোকে এই ঘটনাৰ আঁত ধৰি সমাজ বিষবাষ্পৰ ফোঁৰাৰা ছুটিওৱা পৰিলক্ষিত হৈছে।

গতিকে চৰকাৰে অকলে জনজাতীয় সমাজসমূহত কৰ্কট ৰোগৰ দৰে বিয়পি থকা সামাজিক ব্যধিসমূহক নিৰ্মূল কৰিব নোৱাৰে। জনসচেতনতা আৰু বিজ্ঞান চৰ্চা অবিহনে কু-প্ৰথা নিৰ্মূল কৰা অসম্ভৱ। সেয়েহে কেৱল চৰকাৰকে ধিয়াই নাথাকি বিভিন্ন ধৰণৰ স্বেচ্ছাসেৱী সংস্থা, ৰাজনৈতিক, অৰাজনৈতিক দল সংগঠন, জনপ্ৰতিনিধি অঞ্চলৰ মুৰব্বী সকলোকে চৰকাৰে তথা আৰক্ষী প্ৰশাসনৰ সৈতে যৌথ ভাৱে কাৰ্য্যসূচী হাতত ল'লে সহজতে লক্ষ্যত উপনীত হ'ব বুলি আশা কৰিব পাৰি। এই ডাইনী প্ৰতিৰোধৰ বাবে ২০০১ চনত কোকৰাঝাৰত আৰক্ষীয়ে ৫৫ খন গাঁওক সামৰি প্ৰজেক্ট প্ৰহৰী ৰাজ্যিক মহিলা আয়োগেও ডাইনী হত্যা প্ৰতিৰোধৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে আৰু ডাইনী হত্যাৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিবৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ কৰিছে। গতিকে এনেদৰে সকলোৱে মিলি বিশেষভাৱে জনজাতি আৰু আদিবাসী অধ্যুষিত দুৰ্গম অঞ্চলসমূহৰ জনসাধাৰণক শিক্ষাৰ সম্প্ৰসাৰণ আৰু বিভিন্ন জনসজাগতা কাৰ্য্যসূচীৰ দ্বাৰা সজাগ কৰি ডাইনী হত্যা, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ দৰে সামাজিক ব্যাধিসমূহৰ বিৰুদ্ধে এক গণ আন্দোলন গঢ়ি তুলিব পাৰিলে নিশ্চিতভাৱে সামাজিক ব্যাধিসমূহ নিৰ্মূল কৰিব পৰা যাব বুলি ধাৰণা হয়। *

*প্ৰসংগ পুথি ঃ বাতৰি কাকত, আলোচনী*



# বিশ্বায়ন আৰু উদাৰীকৰণৰ যুগত ছাত্ৰ ৰাজনীতি কিমান প্ৰাসংগিক....!

— স্যামন্তক ডেকা
স্নাতক প্ৰথম বৰ্ষ
প্ৰাণী বিজ্ঞান বিভাগ

দেশৰ শাসন সম্বন্ধীয় নীতি নিয়ম আদিকে ৰাজনীতি বোলে। গতিকে কোনো লোকে ৰাজনীতিৰ পৰা দূৰত থাকিব নোৱাৰে। স্বাধীন আৰু গণতান্ত্ৰিক দেশত কোনো নাগৰিকে ৰাজনীতিৰ পৰা আঁতৰি থকাৰ প্ৰশ্ন উঠিব নোৱাৰে। তেতিয়াহ'লে আমাৰ ছাত্ৰসকলেও সক্ৰিয় হৈ ৰাজনীতিত বা ৰাজনৈতিক ছাত্ৰ সংগঠনত নামিব লাগে নেকি? ৰাজনীতি হ'ল জটিল লগতে ৰাগিয়াল বস্তুৰ দৰে নিচাকাৰক। সততা, ভণ্ডামি, দুৰ্নীতি আজিত ৰাজনীতিৰ লগতে সততে যুক্ত হৈ থকা দেখা যায়, সেইবাবে ৰাজনীতিক লেতেৰা নীতি বুলি ক'বলৈও কোনো কোনোৱে যুক্তি পায়। গতিকে এনেকুৱা ৰাজনীতিত নামিলে জানো ছাত্ৰসকলৰ অন্যায় নহ'ব। আমি জানো আমাৰ প্ৰধান কৰ্তব্য অধ্যয়ন ঠিক ৰাখিব পাৰিম! সেইবাবেও ছাত্ৰসকলে ৰাজনীতিত নমা উচিত নে অনুচিত হ'ব ই এটা আজিৰ সময়ত বিতৰ্কৰ বিষয় হৈ পৰিছে। ৰাজনীতিবিদ, শিক্ষাবিদ আৰু বুদ্ধিজীৱী সকলৰ মাজতেই এই বিষয়ে দ্বিমত দেখা যায়। কিছুমানে ইয়াক সমৰ্থন কৰে, কিছুমানে নকৰে।

ইয়াক সমৰ্থন নকৰাসকলৰ যুক্তিবোৰ হ'ল, আগতে অসমত এটাই মাথোন ছাত্ৰ সংগঠন আছিল যি সদায় অৰাজনৈতিক অসমৰ বায়ু, পানী, মাটিৰ গোন্ধ থকা আৰু অসমীয়াৰ তেজ থকা অসমৰ জলন্ত সমস্যাৰ ওপৰত মাত মতা পৃথিৱীৰ ভিতৰত শক্তিশালী ছাত্ৰ সংগঠন। কিন্তু আজিকালি প্ৰত্যেকবোৰ ৰাজনৈতিক দলৰে ছাত্ৰ সংগঠন আছে। সেয়ে ছাত্ৰ-ছাত্ৰীবোৰ যিকোনো ছাত্ৰ সংগঠনৰে অন্তৰ্ভুক্ত হোৱাৰ আগতে আগতে এবাৰ চিন্তা কৰিব লাগে সেইটো অৰাজনৈতিক সংগঠন নে ৰাজনৈতিক দলৰ ! ছাত্ৰসকল বুদ্ধি-বৃত্তিত পৈণত নহয়। ৰাজনৈতিক মতাদৰ্শবোৰৰ কোনটো ভাল কোনটো বেয়া ছাত্ৰই বুজিব নোৱাৰে। কিছুমান ৰাজনৈতিক আদৰ্শ দেখাত ভাল হ'লেও বাস্তৱায়িত কৰা অসম্ভৱ হৈ পৰে। এইবোৰ জানিও ৰাজনৈতিক দল সমূহে প্ৰচাৰ কৰে যাতে তেওঁলোকৰ দলৰ প্ৰতি ৰাইজে সমৰ্থন দিয়ে। ছাত্ৰসকল সহজ সৰল আদৰ্শবাদী বাবে তেওঁলোকে এনেবোৰ আদৰ্শত ভোল গৈ ৰাজনীতিত জপিয়াই পৰে। এবাৰ ৰাজনীতিৰ নিচা সোমালে তাৰপৰা ওলাই অহা টান হৈ পৰে। ফলত ছাত্ৰৰ মূল কৰ্তব্য অধ্যয়নত অভাৱনীয় ধৰণৰ বাধা আহি পৰে। স্কুল কলেজসমূহ সক্ৰিয় ৰাজনীতিৰ ঠাই নহয় আৰু অভিভাৱক সকলে তেওঁলোকৰ ল'ৰা-ছোৱালী ৰাজনীতি কৰিবলৈ স্কুল কলেজলৈ নপঠিয়াই। উপযুক্ত শিক্ষা লাভ কৰি যাতে ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যত জীৱনৰ বাবে অৰ্হতা অৰ্জন কৰিব পাৰে তাৰ বাবেহে স্কুল, কলেজ স্থাপন কৰা হৈছে আৰু তাৰ বাবেহে ল'ৰা-ছোৱালীক স্কুলত নামভৰ্তি কৰোৱা হয় আৰু স্কুলত পঠিওৱা হয়। উপযুক্ত শিক্ষা লাভৰ অন্ততঃ বয়সত ৰাজনীতি কৰাত বাধা নাই। ছাত্ৰই দলীয় ৰাজনীতিৰ দ্বাৰা নিৰ্বাচনত জয়লাভ কৰি বিধায়ক বা সংসদৰ দৰে সভ্যপদ পালেও বুদ্ধিত অপৰিপক্কতাৰ হেতু দেশ পৰিচালনাত আউলহে লাগিব। ৰাজনীতিৰ পৰা আতৰি থাকি অধ্যয়ন আটুট ৰাখিও ছাত্ৰ-ছাত্ৰীসকলে নানান সেৱাকাৰ্যৰে দেশ গঠনত অৰিহনা যোগাব পাৰে।

দলীয় ৰাজনীতিৰ নিজস্ব কিছুমান সীমাবদ্ধতাত আছে। ইয়াত সদায় ৰাইজৰ স্বাৰ্থতকৈ দলৰ স্বাৰ্থকহে আগস্থান দিয়া হয়। প্ৰতিপক্ষৰ ৰাজনৈতিক দলক পৰাস্ত কৰাটোৱে দলৰ প্ৰধান লক্ষ্য হৈ পৰে। ছাত্ৰৰ অযুক্তিক ক্ৰিয়াকলাপ, অস্থিৰতা আদিক এই দল সমূহে অস্ত্ৰহিচাপে ব্যৱহাৰ কৰি আহিছে। এনেকৈয়ে ছাত্ৰসকল ৰাজনীতিত জপিয়াই পৰে, যাৰ ফলত তেওঁলোকৰ নিজৰ উপকাৰৰ

লগতে ৰাষ্ট্ৰৰো অকল্যাণ হয়।

আকৌ, আন এক পক্ষই যুক্তি দৰ্শাই যে ছাত্ৰ-ছাত্ৰীৰ জীৱনটো ভৱিষ্যত জীৱনৰ প্ৰস্তুতিৰ সময়। গতিকে আমাৰ দেশৰ ৰাজনৈতিক পৰিস্থিতিলৈ চাই ছাত্ৰসকলক ৰাজনীতিৰ পৰা আঁতৰত ৰখাৰ কোনো যুক্তি থাকিব। নোৱাৰে। আমাৰ দেশৰ সৰহ সংখ্যকলোক শ্ৰমিক, খেতিয়ক আৰু ব্যৱসায়ী। এওঁলোকৰ মাজত শিক্ষা-দীক্ষাৰ অভাৱ। কোনো কোনো ব্যৱসায়ীৰে ৰাজনৈতিক দলসমূহক টকা পইচাৰে সহায় কৰিলেও সেয়া ব্যৱসায়ৰ ক্ষতিকাৰককহে। গতিকে আমাৰ দেশত ৰাজনীতি কৰে কোনে? কামবনহীন ধোদ এচামে? নে এমুঠি সুযোগ সন্ধানীয়ে? এনে পৰিস্থিতিত ছাত্ৰসকলে ৰাজনীতিত নমাটো উচিত বুলি এওঁলোকে অভিমত আমাৰ দেশৰে এচাম পণ্ডিত আৰু সু-সাহিত্যিকে নিজৰ সাধনা অব্যাহত ৰাখি ৰাজনীতিত নামিও সুমান আৰু সুখ্যাতি অৰ্জন কৰিছে। বহুতো অৰ্জন কৰাৰ নজিৰ আছে।

গতিকে দেখা যায় দুয়োটা পক্ষৰ কথাতেই যুক্তি আছে। ছাত্ৰৰ ৰাজনীতি চৰ্চাত কাৰো আপত্তি নাই, যদিহে তাৰ পৰা মুখ্য কৰ্তব্য, 'অধ্যয়ন' ব্যাঘাত নজন্মে। ছাত্ৰই দলীয় ৰাজনীতিত নমাটো কোনেওঁ নিবিচাৰে। তেনেহ'লে ছাত্ৰই কেনেকুৱা ৰাজনীতি কৰিব? জাতিসমূহ উত্থান - পতনৰ ইতিহাস আৰু দেশ-বিদেশৰ ৰাজনৈতিক পৰিস্থিতি অধ্যয়ন কৰি ছাত্ৰই ৰাজনীতি বিষয়ক তাত্বিক-জ্ঞান আহৰণ কৰিব লাগিব। কিন্তু আজিৰ দেশৰ আভ্যন্তৰীণ ৰাজনীতিত দেখা দিয়া অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে জনমত সৃষ্টি কৰি ছাত্ৰসকলে তাৰ প্ৰতিবাদ কৰিব লাগিব। কোনো বাহিৰাগত শত্ৰুৰ আক্ৰমণত দেশৰ স্বাধীনতা বিপন্ন হ'লে শাসনত অধিস্থিত দলৰ অবিবেচক কাৰ্যৰ ফলত ৰাইজৰ স্বাধীনতা খৰ্ব হোৱাৰ উপক্ৰম হ'লে ছাত্ৰসকলে নিজস্ব ক্ষতিকৰি হ'লেও তাৰ বিৰুদ্ধে সংগ্ৰামত নামিবই লাগিব।

ছাত্ৰ ৰাজনীতি যদি ছাত্ৰ তথা দেশৰ কাৰণে ক্ষতিকাৰক তেন্তে তাৰ বাবে কেৱল ছাত্ৰসকলেই জগৰীয়া নহয়। তাৰ বাবে আমাৰ ৰাজনৈতিক দলসমূহহে অধিক দায়ী। আজিকালি প্ৰত্যেক ৰাজনীতিক দলৰ নেগুৰত একোটা যুব ৰাজনৈতিক দল ওলমি থকা দেখা যায়। ইয়াৰ ফলত আমাৰ ছাত্ৰসকলৰ মাজত অনৈকৰ সৃষ্টি হৈছে। কোনোটো নহয় কোনোটো দলৰ বহতীয়া হোৱা বাবে ৰাজনৈতিক দলৰ বিৰুদ্ধে নিৰপেক্ষ আৰু ঐক্যবদ্ধভাবে মাত মাত মাতিব নোৱাৰা হৈছে। দেশৰ স্বাৰ্থতকৈ দলৰ স্বাৰ্থক আগস্থান দিয়া হেতুকে দেশ সেৱাৰ কামতকৈ পৰ নিন্দা, পৰচৰ্চা ছাত্ৰসমাজত বেছি হৈছে। ছাত্ৰৰ মাজত সম্প্ৰীতিৰ ঠাইত বিশ্বাসহীনতাই দেখা দিছে। ছাত্ৰৰ মাজত উশৃঙ্খলতা বাঢ়িছে। ফলত ৰাইজৰ আস্থাৰপৰা ছাত্ৰসকল বঞ্চিত হৈছে। এনেকৈয়ে শক্তিৰ নিচিনা এটা বিৰাট অপচয় হৈছে। ছাত্ৰসকলক দলীয় ৰাজনীতিৰ কু-চক্ৰৰ পৰা আঁতৰাই ৰাখিবলৈ হ'লে আমাৰ শিক্ষাব্যৱস্থাত ত্ৰুটিযুক্ত হ'ব লাগিব। ছাত্ৰসকলৰ মাজত মাজত যাতে দলীয় ৰাজনীতিত যোগ দিয়াৰ প্ৰৱণতা জন্মিব নোৱাৰে তাৰ বাবে আমাৰ শিক্ষা পদ্ধতিত যথোচিত ব্যৱস্থা থাকিব লাগিব। দেশৰপৰা অৰ্থনৈতিক শোষণ আৰু বৈষম্য দূৰ হ'ব লাগিব।

পিতৃ-মাতৃয়ে সন্তানসকলৰ পৰা যিদৰে বহুতো আশা তেনেদৰে দেশ মাতৃয়েও ছাত্ৰ-ছাত্ৰীৰ পৰা অনেক কিছু আশা কৰে। সেয়ে ছাত্ৰ শক্তিৰ যাতে অপচয় নহয় তাৰ বাবে প্ৰত্যেক নাগৰিকে চিন্তা কৰা উচিত। *



# ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ক্ষেত্ৰত জনলোকপালৰ প্ৰয়োজনীয়তা

বেদান্ত শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

আমি সকলোৱে জানো ভাৰত এখন গণতান্ত্ৰিক দেশ। গণতান্ত্ৰিক দেশ হিচাপে ইয়াৰ গণতন্ত্ৰই সকলো অধিকাৰ সাব্যস্ত কৰিবৰ বাবে সকলো সুবিধা পাৰ লাগে। কিন্তু বৰ্তমান আমাৰ দেশত সেই সুবিধা পাইছেনে বাৰু ? ভাৰতৰ সংবিধান অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ শাসন ব্যৱস্থা ৰাষ্ট্ৰপতিৰ হাতত অৰ্পণ কৰা হৈছে। যদিও প্ৰধান মন্ত্ৰীৰ নেতৃত্বত গঠন হোৱা মন্ত্ৰী পৰিষদেহে ভাৰতৰ শাসনভাৰ চলায়। গতিকে ভাৰতবৰ্ষখনক আগুৱাই নিয়াৰ তথা দূৰ্নীতি মুক্ত দেশ গঢ়াৰ সকলো দায়িত্ব প্ৰধান মন্ত্ৰীৰ হাতত । তেনেকুৱা এখন দেশৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীজন নিকা, স্বচ্ছ আৰু দূৰ্নীতি মুক্ত হোৱাটো নিতান্তই প্ৰয়োজন। বৰ্ত্তমান আমাৰ দেশৰ প্ৰধানমন্ত্ৰী জন দূৰ্নীতি মুক্ত হয়নে? যদিহে প্ৰধানমন্ত্ৰী জন দূনীতি গ্ৰস্ত হয় তেন্তে সকলো মন্ত্ৰী পৰিষদেই দূৰ্নীতিত লিপ্ত হ'ব। কাৰণ সকলো মন্ত্ৰী পৰিষদৰ বিভাগ তেওঁৰ নেতৃত্বত। এই খিনিতে প্ৰশ্ন উঠে যে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত ব্যক্তি গৰাকী যে দূৰ্নীতিত লিপ্ত হ'ব নোৱাৰে তাৰ কি মানে আছে? যদিহে প্ৰধানমন্ত্ৰীজন দূৰ্নীতিগ্ৰস্ত বুলি অভিযোগে উঠে তেন্তে বৰ্তমান সময়ত বিৰোধী পক্ষই প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত ব্যক্তি জনে প্ৰধানমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিব লাগে বা উচিত বিচাৰ কৰি উপযুক্ত শাস্তি প্ৰদান কৰিব লাগে বুলি দাবি জনোৱাৰ বাহিৰে আন একো নাই। আজিৰ দিনত প্ৰধান মন্ত্ৰীৰ বিৰুদ্ধে তদন্ত কৰিব পৰা এক অনুসন্ধান সংস্থা হ'ল চি·বি·আই·(CBI) কিন্তু খোদ প্ৰধান মন্ত্ৰীৰ নিয়ন্ত্ৰণতেই থাকে CBI। তেনেস্থলত মালিকৰ বিৰুদ্ধে কি অনুসন্ধান চলাব সেয়া সন্দেহজনক। বৰ্ত্তমান CBI লৈও সন্দেহৰ আঙুলি টোৱাইছে। আজি কিছুদিন আগতে দূৰদৰ্শনৰ এক সাক্ষাত কাৰত CBI ৰ এজন উচ্চ প্ৰদস্থ বিষয়া জোগেন্দ্ৰ সিঙে নিজ মুখেৰে চিকাৰ কৰি কৈছিল -'অত্যাধিক চৰকাৰী নিৰপেক্ষতা বজাই ৰখা সম্ভৱ নহয়।' গতিকে আজিৰ দিনত CBI ও নিৰপেক্ষ নহয়। যদি সৰ্বসাধাৰণ নাগৰিকৰ সুৰক্ষাৰ দায়িত্বত থকা প্ৰশাসন, অনুসন্ধান সংস্থা সমূহে চৰকাৰৰ অত্যাধিক চাপৰ বাবে নিৰপেক্ষতা হেৰুৱাই তেনেস্থলত এই সৰ্বসাধাৰণ নাগৰিকৰ সুৰক্ষাৰ দায়িত্ব লব কোনে? আৰু যদি প্ৰধান মন্ত্ৰীৰ বিৰুধে অভিযোগ উঠে তেন্তে বৰ্ত্তমান সময়ত উচিত বিচাৰ কৰিব কোনে? দূৰ্নীতিটো বৰ্ত্তমানৰ নহয়, অতীতৰ পৰাই দূৰ্নীতি চলি আহি আছে।

এতিয়া যদি আমি চাওঁ কেনেদৰে গণতান্ত্ৰিক শাসন ব্যৱস্থাত প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত ব্যক্তি সকলে আৰ কাপোৰৰ সিপাৰৰ পৰা দূৰ্নীতিৰ চাবি-কাঠি ঘুৰাই আছিল। "চন ১৯৪৮ স্বৰাজোত্তৰ ভাৰত লণ্ডনত উচ্চযুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰা নেহেৰুৰ অতিকে প্ৰিয় বিঃ কেঃ মেনন। তেওঁ জীপ আৰু ৰাইফল ক্ৰয়ৰ নামত ৩০ কোটি টকা ভেটি লোৱা বাবে অভিযুক্ত। কিন্তু নেহেৰুৰ নেতৃত্বাধীন চৰকাৰখনে তেওঁক শাস্তি দিয়াৰ পৰিৱৰ্তে ৰাজনৈতিক সুৰক্ষাহে প্ৰদান কৰিছিল।"

"চন ১৯৭৫। নেহেৰুৰ নাতি, ইন্দিৰা গান্ধীৰ পুত্ৰ সঞ্জয় গান্ধীয়ে মাৰুতি উদ্যোগক ভূমি প্ৰদান কৰাৰ নামত এশ কোটি কেলেংকাৰীত জড়িত হৈ পৰিছিল। কিন্তু সেই সময়ৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে এই দূৰ্নীতি দেখিও নেদেখাৰ ভাও জুৰি পৰোক্ষ ভাৱে উদ্‌গনি যোগাইছিল।"

"চন ১৯৮৭। মেডাম ছোনিয়াৰ প্ৰয়াত পতি দেশৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ প্ৰত্যেক্ষ প্ৰভাৱত বৰ্ফচ্ কেলেংকাৰী সংঘটিত হৈছিল। সেই কেলেংকাৰিত জড়িত ছোনিয়া গান্ধীৰ বন্ধু কোৱাট্ৰছিকে ধৰি উইন চাদ্ধা আৰু হিন্দুজা ভাতৃক CBI য়ে ক্লীনশ্বিট দিছিল। ৰাজীৱ গান্ধীকো কোনেও স্পৰ্শ কৰিব নোৱাৰিলে।"

"পি.ভি. নৰসিংহ ৰাওৰ দিনত হোৱা ৪০ হেজাৰ

কোটি টকীয়া কেলেংকাৰীত কংগ্ৰেছৰ বাঘা-বাঘা নৌ-বৰালি সকল পানীৰ তলত লুকাইছিল চি.কে. জাফৰ শ্বৰাফৰ লোকো মটিভ ইঞ্জিন কেলেংকাৰী, কল্পনাথ ৰায়ৰ চেনী কেলেংকাৰী, সুখৰাম দূৰ সঞ্চাৰ কেলেংকাৰী। ইয়াৰ বাবে প্ৰধান মন্ত্ৰীৰ কোনো লেকাম নাই। কাৰণ ক্ষমতা হাতত ৰাখিবলৈ দুৰ্নীতিক প্ৰশয় দিবই লাগিব।

এয়া আমি অতীতৰ কেলেংকাৰীৰ বিষয়ে কিছু আলোচনা কৰিলো। এতিয়া যদি আমি বৰ্ত্তমান কেলেংকালীৰ বিষয়ে চাবলৈ যাও তেন্তে প্ৰথমেই আমাৰ চকুত পৰিব দেশৰ সৰ্ববৃহৎ ২ লাখ ৭৬ হাজাৰ কোটি টকীয়া ২.জি স্পেকট্ৰাম কেলেংকাৰী। ইয়াৰ লগত জড়িত বহুতো মন্ত্ৰী-বিষয়া বৰ্তমান বিভিন্ন জেলত বন্দী হৈ আছে। আমি সকলোৱে জানো যিকোনো এটা বিভাগীয় ফাইল প্ৰধান মন্ত্ৰীৰ অনুমোদন নোহোৱাকে Pass নহয়। তেনেক্ষেত্ৰ ২.জি স্পেকট্ৰাম কেলেংকাৰীৰ ফাইলটো কি প্ৰধান মন্ত্ৰীৰ অনুমোদন নোহোৱাকে Pass হৈছিল? নিশ্চয় প্ৰধান মন্ত্ৰীৰ অনুমোদন সাপেক্ষে Pass হৈছিল।' গতিকে এই কেলেংকাৰীটোত প্ৰধানমন্ত্ৰী প্ৰত্যেক্ষ ভাৱে নহ'লেও পৰোক্ষ ভাহে জড়িত হৈ আছে।

প্ৰধানমন্ত্ৰীৰ এটা অধীনস্থ বিভাগ মহাকাশ বিভাগ। এই মহাকাশ বিভাগৰ এটা ভাগ I.S.R.O.। আজি কিছুদিন আগতে এই I.S.R.O.ত হাজাৰ কোটি টকীয়া কেলেংকাৰী হবলৈ ওলাইছিল কিন্তু সঠিক সময়ত The Hindu নামৰ কাকত খনে এই তথ্য প্ৰকাশ কৰাত এই কেলেংকাৰী সাম কাটিলে। গতিকে এইখিনিতে আমি কব পাৰো নেকি যে প্ৰধান মন্ত্ৰীৰ নিজৰ অধীনস্থ বিভাগটোত কেলেংকাৰী আৰু তেনেক্ষেত্ৰ তেওঁ বাকী বিভাগবোৰ কি দৰে নিয়ন্ত্ৰন কৰিব।

প্ৰধান মন্ত্ৰী ড° মনমোহন সিংৰ প্ৰথম কাৰ্যকালত টেলিকম মন্ত্ৰী আছিল দয়ানিধি মৰাণ। দয়ানিধি মৰাণে B.S.N.L.ৰ ৩২৩ টা অবৈধ কানেকচন লৈ নিজৰ ভায়েকৰ চান টি.ভি. ক বিনামূলীয়া ভাবে মাটিৰ তলেৰে গোপনে যোগান ধৰিছিল। তাৰ বাবে ভাৰতে ৰাজকোষৰ পৰা ৪৪০ কোটি টকা হেৰুৱাব লগা হৈছিল। অৱশেষত CBI যে তদন্তৰ প্ৰতিবেদন দাখিল কৰিছিল। তৎসত্বেও ড° মনমোহন সিংঙে মই একো নাজানো বুলি কৰা মন্তব্য তাৎপৰ্যপূৰ্ণ।

বৰ্তমান সময়ত উদাৰীকৰণৰ যোগেদি কপ'ৰেট খণ্ডক যি অধিকাৰ দিয়া হ'ল তাৰ জৰিয়তে বিষয়া ৰাজনীতিকে ব্যক্তিগত ধনৰ পাহাৰ গঢ়াত অবিহণা যোগাইছে। এই উদাৰীকৰণৰ ফলত একাংশ মন্ত্ৰী বিষয়া বৰ্তমান কপ'ৰেট খণ্ডৰ সোঁহাত স্বৰূপ। উদাহৰণস্বৰূপে প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙৰ প্ৰথমটো কাৰ্যকালৰ সময়ত কেন্দ্ৰীয় প্ৰেট্ৰ'লিয়াম মন্ত্ৰী আছিল মনিশংকৰ আয়াৰ। কিন্তু তেলৰ ব্যৱসায়িক সকলৰ পচন্দৰ ব্যক্তি আছিল মুৰাৰি দেউৰা। ফলত মনি শংকৰ আয়াৰক প্ৰেট্ৰ'লিয়াম মন্ত্ৰীৰ পৰা অপসাৰিত কৰি মুৰাৰি দেউৰামক প্ৰেট্ৰলিয়াম মন্ত্ৰী দায়িত্ব দিয়া হৈছিল। ফলস্বৰূপে কৃষ্ণ গুদাবৰি এক বৃহৎ তৈল ক্ষেত্ৰ আম্বানী গ্ৰুপৰ হাতলৈ যায়। তেতিয়া তেওঁলোকে মুলধনৰ ব্যয় বেছি দেখুৱাই ৰাজহৰ এক বৃহৎ অংশ লুণ্ঠন কৰে। এই অৱস্থাত বাৰু প্ৰধান মন্ত্ৰীয়ে পুঁজি পতি সকলক প্ৰত্যক্ষ ভাৱে নহ'লেও পৰোক্ষ ভাৱে উদ্‌গনি জনোৱা নাইনে? একেদৰে কমনৱেলথ্ গেমছৰ সময়ত খেল মন্ত্ৰী আছিল মনিশংকৰ আয়াৰ। কমনৱেলথ গেমছৰ প্ৰায় পাচ-ছয় বছৰ মান আগতে যি বাজেটৰ পৰিমাণ নিৰ্ধাৰিণ কৰা হৈছিল কিন্তু খেলৰ দিন চমু চাপি অহাত সেই বাজেটত পৰিমান বহুগুণে বৃদ্ধি কৰিছিল। এই বিষয়ে জনাব্যল খেল মন্ত্ৰী মনিশংকৰ আয়াৰে প্ৰদান মন্ত্ৰীলৈ প্ৰায় চাৰি পাঁচবাৰ মান চিঠি লিখিছিল। কিন্তু দুখৰ কথা কমদিনৰ ভিতৰতে তেওঁ নিজে এই পদৰ পৰা অপসাৰিত হ'ব লগা হৈছিল।

গতিকে কব পাৰি যে কপ'ৰেট খণ্ড, উচ্চ পদস্থ বিষয়া আৰু ৰাজনীতি বিদৰ মাজত এনে এক অশুভ মিত্ৰতা গঢ়ি উঠিছে যাৰ ফলত বহু দুৰ্নীতি আমাৰ সন্মুখত পৰিস্ফুট হৈ উঠা নাই। যিহেতু মন্ত্ৰী এজনক অন্তঃভূক্তি বা বহিঃভুক্তিৰ সকলো ক্ষমতা প্ৰধান মন্ত্ৰীৰ হাতত থাকে সেই ফলৰ পৰা আমি কব পাৰো দুৰ্নীতি গ্ৰস্থ বিষয়া কৰ্মচাৰীক সুৰক্ষা প্ৰদান কৰা বাবে প্ৰদান মন্ত্ৰী দুৰ্নীতিৰ বাঘজৰী ধৰোতা।

আমি এতিয়ালৈ কৰা আলোচনাৰ পৰা গম পাইছো যে প্ৰধান মন্ত্ৰী পদত অধিষ্ঠিত ব্যক্তি সকল দুৰ্নীতি মুক্ত আছিল নে নাই। তেনেক্ষেত্ৰত ভাৰতৰ ন্যায় ব্যৱস্থাই প্ৰধান মন্ত্ৰীৰ বিৰোধে উপযুক্ত বিচাৰ উচিত শাস্তি প্ৰদান কৰিব পাৰিবনে। এইটো বৰ্তমান সময়ৰ কোটিটকীয়া প্ৰশ্ন।

এই বাৰ আহো লোকপালৰ প্ৰয়োজনীয়তা। লোকপালৰ প্ৰয়োজনীয়তা বিষয়ে জনাৰ আগতে লোকপালনো কি ইয়াৰ বিষয়ে অলপ জানি লওঁ।

'লোকপাল' শব্দটো আহিছে সংস্কৃত ভাষাত জনতাক

সুৰক্ষা প্ৰদানকাৰী বুজোৱা শব্দৰ পৰা। ভাৰতৰ নিৰ্বাচন আয়োগৰ নিচিনাই এই লোকপাল হৈছে এক স্বতন্ত্ৰ সংস্থা। চৰকাৰ পৰা আগতীয়া অনুমতি নোলোৱাকৈয়ে যিকোনো দূনীতিগ্ৰস্থ ৰাজনীতিক আৰু আমোলাৰ বিৰুদ্ধে তদন্ত কৰাৰ ক্ষমতা থাকিব লোকপালৰ হাতত। শেহতীয়াকৈ নাগৰিক সমাজৰ প্ৰতিনিধিয়ে জনতাক অধিক সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্য প্ৰস্তুত কৰি উলিওৱা বিধেয়খনেই জনলোকপাল বিধেয়। ১৯৬৮ চনত চতুৰ্থ লোকসভাত প্ৰথম বাৰৰ বাবে শান্তিভুষনে উত্থাপন কৰিছিল লোকপাল বিধেয়কখন। এই জনলোকপাল বিধেয়কৰ খচৰাত কেইবাটাও গুৰুত্বপূৰ্ণ দিশত বিবেচনা কৰা হৈছে। ইয়াৰে কেইটামান হৈছে-

১। লোকপাল থাকিব কেন্দ্ৰত আৰু প্ৰতিখন ৰাজ্যতে লোকায়ুক্ত থাকিব।
২। উচ্চতম ন্যায়ালয় আৰু নিৰ্বাচন আয়োগৰ নিচিনাকৈ লোকপাল সম্পূৰ্ণকৈ স্বতন্ত্ৰ আৰু ইযাত কোনো মন্ত্ৰী, আমোলা বা ৰাজনীতিকে হস্তক্ষেপ কৰিব নোৱাৰিব।
৩। দুৰ্নীতিগ্ৰস্ত লোকৰ বিৰুদ্ধে তদন্তপ্ৰক্ৰিয়া খৰতকীয়া হ'ব।
৪। লোকপালৰ সদস্য সকলৰ নিযুক্তি প্ৰক্ৰিয়া আৰু অপসাৰণ জড়িত থাকিব কেৱল জনতা।

জনলোকপালেই ভাৰতত সৰ্বপ্ৰথম এনে এখন বিধেয়ক য'ত সৰ্বসাধাৰণ ৰাইজক মানৱতাৰ দৃষ্টিৰে চোৱা হৈছে।

এইবাৰ আহিছো জনলোকপালৰ প্ৰয়োজনীয়তালৈ- বৰ্তমানে আমি যিখিনি কথা আলোচনা কৰিলো তাৰ পৰা আমি সকলোৰে বুজিব পাৰিছো যে প্ৰধানমন্ত্ৰীৰ ক্ষেত্ৰত জনলোকপালৰ প্ৰয়োজনীয়তা আছে নে নাই? কাৰণ আমি দেখিলো বৰ্তমান সময়ত ভাৰতবৰ্ষত এনে এখন আইন নাই যত দুনীতিগ্ৰস্ত প্ৰধান মন্ত্ৰী এজনৰ বিৰুদ্ধে উচিত বিচাৰ কৰি উপযুক্ত শাস্তি প্ৰদান কৰিব পাৰিব। গতিকে বৰ্তমান সময়ত জনলোকপাল বিধেয় খনেই একমাত্ৰ যাৰ জৰিয়তে যিকোনো দুৰ্নীতিগ্ৰস্ত ৰাজনীতিক আৰু আমোলাৰ বিৰুদ্ধে খৰতকীয়া তদন্ত কৰাৰ ক্ষমতা আছে। কাৰণ- এতিয়ালৈ ভাৰতৰ ন্যায়পালিকা,যাক ন্যায়ৰ শেষ আশ্চয় স্থল বুলি মনা হয় আৰু পৃথিৱীৰ ভিতৰত নাম থকা অনুসন্ধান সংস্থা চি.বি. আই.(CBI) যে স্বাধীনতাৰ ৬৪ বছৰ পছতো দুৰ্নীতিক প্ৰশ্ৰয় দিয়া প্ৰধান মন্ত্ৰী এজনৰো বিৰুদ্ধে উপযুক্ত বিচাৰত কৰি উচিত শাস্তি প্ৰদান কৰি পৰা নাই। সেইফালৰ পৰা চাবলৈ গ'লে দুৰ্নীতি নিৰাময়ৰ ক্ষেত্ৰত ভাৰতৰ আইন ব্যৱস্থা ব্যৰ্থ । গতিকে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশ এখন আগুৱাই যাবলৈ হ'লে সেই দেশৰ প্ৰধানমন্ত্ৰীজন দুনীতি মুক্ত হোৱাতো অতি প্ৰয়োজন। যদি এবাৰ জনলোকপালে এজন দুৰ্নীতি গ্ৰস্থ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে উচিত বিচাৰ কৰি উপযুক্ত শাস্তি প্ৰদান কৰে তেতিয়া হয়তো পৰৱৰ্তী পৰ্যায়ৰ প্ৰধানমন্ত্ৰীসকলে সেই জনলোকপালে দুৰ্নীতি গ্ৰস্ত ৰাজনীতিক আৰু আমোলাৰ বিৰুদ্ধে কৰা উচিত বিচাৰ বা শাস্তি ভয়ত দুৰ্নীতি কৰাৰ পৰা আতৰি থাকিব। গতিকে আমি সকলোৰে নিশ্চয় বুজি পাইছো ভাৰতক দুৰ্নীতি মুক্ত কৰাৰ মুলতে জনলোকপাল। এতেকে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ ক্ষেত্ৰত লোকপালৰ প্ৰয়োজনীয়তা আছে। *



# যুৱ মহোৎসৱৰ এক অনুভৱ

—মহেশ্বৰ ঘোষ
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা



এক মহান উদ্দেশ্য আগত লৈ জ্ঞান সাধনাৰ মন্দিৰ মঙ্গলদৈ মহাবিদ্যালয়খন স্থাপন কৰা হৈছিল ১৯৫১ চনত। এই মহান জ্ঞান সাধনাৰ মন্দিৰত সকলো ছাত্ৰ-ছাত্ৰীৰ জ্ঞান লাভ কৰাৰ এক আদিম হেপাহ থকাৰ দৰে মোৰো আছিল। আজি নিজকে এই মহাবিদ্যালখনৰ ছাত্ৰ হিচাপে পৰিচয় দিবলৈ পাই মই গৌৰৱ অনুভৱ কৰো। বহুত শুনিছিলো যে, আমাৰ এই মঙ্গলদৈ মহাবিদ্যালয় শিক্ষাৰ লগতে আন আন দিশবোৰতো যেনে- খেল, সাহিত্য, সাংস্কৃতিক, তৰ্ক, চাৰুকলা, সমাজ ইত্যাদিবোৰত অতি আগবঢ়া। আজি এই মহাবিদ্যালয়ৰ ছাত্ৰ হৈ কব পাৰো যে সঁচাকৈয়ে মহাবিদ্যালখন এই দিশবোৰত আগবঢ়া।

এই সকলোবোৰৰ ভিতৰত মোক আকৰ্ষণ কৰে ২০১১ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত মঙ্গলদৈ মহাবিদ্যালয়ৰ অংশগ্ৰহণৰ সেই দিনকেইটাই। বহুত শুনিছিলো যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ অংশগ্ৰহণৰ বিষয়ে। তাৰ বাবে মহাবিদ্যালয় সাজু হোৱাৰে পৰা মহোৎসৱত অংশ গ্ৰহণ কৰি মহাবিদ্যায়লৈ সন্মান বুটলি অনালেকে। আৰু এইবাৰ ২০১১ বৰ্ষৰ যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ ফালৰ পৰা অংশগ্ৰহণ কৰাৰ সুযোগ পাই নিজকে বৰ ভাগ্যবান যেন লাগিছিল।

চেপ্তেম্বৰ মাহ পৰাৰ লগে লগে যুৱ মহোৎসৱত অংশগ্ৰহণৰ বাবে সাজু হোৱাৰ কথা চলিল। যিহেতু এই বিষয়তো আমাৰ বাবে একে বাৰেই নতুন। বিশেষ একো নাজানো তথাপি আগ-ভাগ ললো।

৯চেপ্তেম্বৰ দিনটোত মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ সাজু হ'বৰ বাবে আৰম্ভণি হিচাপে নাটকৰ শুভ মহুৰত আৰম্ভণি হ'ল। ইয়াত উপস্থিত আছিল মহাবিদ্যালয় অধক্ষ্যা মহোদয়া শ্ৰীবন্দনা গোস্বামী বাইদেউৰ লগতে ছাত্ৰ একতা সভাৰ তত্বাবধায়ক ডঃ বিজয় কুমাৰ শৰ্মা ছাৰ, আৰু হৰিমন ডেকা ছাৰ, ছাত্ৰ একতা সভাৰ সদস্য সকল আৰু

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল।

আমি জানিবলৈ পালো যে মহাবিদ্যালয়ৰ ফালৰ পৰা প্ৰত্যেক বছৰে একাংক নাট, ব্যংগ নাট, মুকাভিনয়, সংগীত, সুকুমাৰ কলা, তৰ্ক আৰু শোভাযাত্ৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। এই বৰ্ষত লোক নৃত্য প্ৰতিযোগিতা হিচাপে দৰঙৰ দেওধনী নৃত্য আৰু আৰু লোকবাদ্য প্ৰতিযোগিতা হিচাপে তবলাতো অংশগ্ৰহণ কৰা হ'ব। আমি আখৰাৰ বাবে অতি উৎসাহেৰে সাজু হলো।

ছাত্ৰ একতা সভাৰ এজন সদস্য হিচাপে ময়ো দেহে মনে লাগিলো যিহেতু এই দিশবোৰত আমি একে বাৰেই নতুন, বিশেষ একো নাজানো। গতিকে জ্যেষ্ঠ আৰু পূৰ্বৰ অভিজ্ঞতা থকা হিচাপে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন সাধাৰণ সম্পাদক ঋতুপৰ্ণ কলিতাই সকলো দিশৰ আঁত ধৰিলে। দেওধনি নৃত্যৰ প্ৰশিক্ষণ দিবলৈ পৰিচালক হিচাপে বৰদৌলগুৰি নিবাসী শ্ৰদ্ধাৰ নগেন ওজাৰ কায চাপি তেওঁক আমন্ত্ৰণ জনালো। তেওঁ অতি আগ্ৰহেৰে আমন্ত্ৰণ স্বীকাৰ কৰিলে।

পিছদিনাখনৰ পৰাই সকলো দিশৰে আখৰা আৰম্ভ হল। জানিবলৈ পাইছিলো যে প্ৰতিযোগিতা সমূহৰ ভিতৰত একাংকিকা নাট, ব্যংগ নাট আৰু মুকাভিনয় ক্ষেত্ৰত মঙ্গলদৈ মহাবিদ্যালয়ৰ এক সুকীয়া স্থান আছে। এই বছৰো যাতে সেই একেই সন্মান কঢ়িয়াই আনিব পাৰি তাৰ বাবে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী সকল দেহে মনে আখৰা আৰম্ভ কৰিলে।

এই সকলোবোৰ দেখি-শুনি মোৰ মনত অনুভৱ হৈছিল যে আজি কালিৰ ছাত্ৰ-ছাত্ৰীৰ মনত নিজৰ সংস্কৃতিৰ প্ৰতি, নিজৰ ঠাইখনৰ প্ৰতি, নিজৰ শিক্ষানুষ্ঠানৰ প্ৰতি গুৰুত্ব, মৰম, আদৰ যে কমি গৈছে, কোনে কয়? হয় মহাপুৰুষ সকলৰ দৰে নতুন সৃষ্টি নতুন চেষ্টাৰ ফালে আওকাণ কৰে কিন্তু তেওঁলোকৰ সৃষ্টিবোৰক আওকাণতো কৰা নাই।

মোৰ দেখি আচৰিত লাগিছিল যে এই প্ৰচণ্ড গৰমতো তিতি-বুৰি আখৰাবোৰৰ শুধৰণি কৰিবলৈ বাৰম্বাৰ চেষ্টা কৰিছিল। অলপ গৰমকেই সহ্য কৰিব নোৱাৰি ক্লাচ কৰিবলৈ  ফেনৰ তলৰ বেঞ্চনখক লৈ টনা আজোৰা কৰা সেই ছোৱালী কেইজনীয়েও দেওধনীৰ দৰে নৃত্যত জপিয়াই জপিয়াই ঘণ্টাৰ পিছত ঘণ্টা ধৰি আখৰা কৰিছিল। যিহেতু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰায় ভাগৰে মঞ্চত প্ৰথম খোজ গতিকে মঞ্চৰ অভিজ্ঞতা লবলৈ আমি মঙ্গলদৈ নাট্য মন্দিৰ পালোগৈ। এনেদৰে ৯-৯-২০১১ তাৰিখৰ পৰা ২৪-৯-২০১১ তাৰিখলৈ সকলো দিশৰে আখৰা শেষ কৰিলো।

এইখিনিতে কবলগীয়া যে আখৰাৰ বাহিৰেও বেছিকৈ আকৰ্ষণীয় হৈ পৰিছিল এই সকলোবোৰৰ দায়িত্বত থকা কেইজনৰ ব্যস্ততা। এওঁলোক এনেদৰে ব্যস্ত হৈ পৰিছিল যে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী, পৰিচালক সকলে যাতে সময় মতে ভাত, চাহ, পানী আদি পায় তাৰ বাবে যথেষ্ট কষ্ট কৰিছিল। লগতে প্ৰতিযোগিতা সমূহৰ প্ৰয়োজনীয় বস্তু সমূহৰ বাবে মঙ্গলদৈৰ ইমুৰৰ পৰা সিমুৰ পাইছিলগৈ এওঁলোক। যি সকলৰ বাবে সম্ভৱ হৈ উঠিল সকলো।

২৫-৯-২০১১ তাৰিখ, আমি মহাবিদ্যালয়ৰ লগতে নাট্য মন্দিৰত সেৰা লৈ বিশ্ববিদ্যালয় অভিমুখে আগবাঢ়িলো, সকলোৰে মনত নতুন ধাৰণা নতুন নতুন চিন্তা। এইখিনিতে মই অংগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰসকলৰ নাম লব বিচাৰো- দীপক, দ্বীপজ্যোতি, মন, মানবেন্দ্ৰ, বিভা, জ্যোতি, জ্যোতিপ্ৰসাদ, দীপাঙ্কলা, শিল্পী, নিনা, ভাস্কৰ, ঋতুদা, ভূঞাদা, সুবল, সপোন, কণকণ, কিশোৰ, পংকজ, ৰাজীৱ, জিনুমা, বন্দিতা, লিয়ঙ্কা, অবিনাশ, ভাস্বতী, মৃগাংক, দীপাঙ্কৰ, পদ্ম ওজা, শশাঙ্ক, বেদান্ত, হিমাশ্ৰী, বৰ্ণালী, কৌশিক আৰু মোকে ধৰি মুঠ ৪৫ জন।

এইদৰে আমি নাট্যমন্দিৰৰ পৰা ৪.২০ মান বজাত বিশ্ববিদ্যালয় অভিমুখে ৰাওনা হ'লো। সন্ধিয়া ৬.১৫ মান বজাত বিশ্ববিদ্যালয় পালো। আমি যুৱ মহোৎসৱৰ প্ৰাঙ্গণত ভৰি থোৱাৰ লগে লগে সকলোবোৰ দেখি শুনি সেই মুহূৰ্তত আমাৰ মনত যি অনুভৱ হ'ল সেই অনুভৱ চাগৈ প্ৰতি গৰাকী ছাত্ৰ আৰু ছাত্ৰীৰ মনত সদায় জীৱিত হৈ ৰব। এইদৰে আমি যুৱ মহোৎসৱত উপস্থিত হৈ কিছু সময়ৰ পাছত আৰ.চি.চি ২ ছাত্ৰনিবাস পালোগৈ। আৰ.চি.চি ২ ছাত্ৰনিবাসৰ ৩৭,৪১,১৩ নম্বৰ এই তিনিটা ৰুম আমাৰ ছাত্ৰখিনিৰ মাজত ভগাই ললো। এই ৰুমত থকা লোৱাৰ ক্ষেত্ৰত আমাক আৰ.চি.চি ২ ৰ জ্যেষ্ঠ দাদা সকল আৰু আমাৰে মঙ্গলদৈ মহাবিদ্যালয়ত পঢ়ি যোৱা কিশোৰদা, জয়ন্তদা হতে বহুতো সহায় কৰিলে, তাতে আমি নিজৰ নিজৰ বেডিং-পত্ৰ থৈ ওলাই আহিলো। তেতিয়া ৯.৩০ মান বাজে তাৰ পিছত গৈ চাওঁ যে আমাৰ ছোৱালী বিলাকে হোষ্টেল পোৱা নাই। তাৰ পিছত আমি 'বিৰিঞ্চি কুমাৰ বৰুৱা' প্ৰেক্ষাগৃহৰ ওচৰত

বহি থাকোতে আমাৰ মঙ্গলদৈ মহাবিদ্যালয়ত পঢ়ি যোৱা কাবেৰী ডেকাক লগ পাই সুধিলো যে কাবেৰীৰা আমাৰ ছোৱালীবোৰে হোষ্টেল পোৱা নাই তাৰ বাবে আপুনি যদি সহায় কৰিলে হয়। তেওঁ আকৌ এ.টি ১০ হোষ্টেলৰ মনিটৰ আমি এইটো কথা পিছত জানিলো। আমাৰ ছোৱালীতহঁক লৈ মই, মন, দীপক তেওঁলোকক এ.টি ১০ হোষ্টেললৈ গ'লো আৰু কাবেৰীবাই সিহঁতক ৰুম দেখুৱাই দিলে। আমি ক্ষন্তেক পিছতে ছোৱালী হোষ্টেলৰ পৰা আহি ঋতুদা, দীপ আৰু মই তিনিওৱে কাৰ্য্যালয়ত গৈ আইকাৰ্ড, কুপন আদি সংগ্ৰহ কৰিলো। ৰাতি প্ৰায় ১১ মান বজাত আমি সকলোৱে আহাৰ গ্ৰহণ কৰি পিছদিনাৰ সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে ৰাতিপুৱা ৬বজাৰ পৰা প্ৰস্তুত হলো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাৰিওফালে আনন্দ-স্ফূৰ্তিৰ পৰিৱেশ। শোভাযাত্ৰা বুলিয়েই ছোৱালীবোৰে নিজকে নানান ধৰণৰ চাদৰ-মেখেলা, আ-অলংকাৰেৰে সু-সজ্জিত কৰি তুলিলে। আমি শোভাযাত্ৰাত দৰঙী কলা-কৃষ্টি, নাঙেলীগীত, খুলীয়া ভাউৰীয়া, দেওধনী আৰু বহুৱা আদিকে ধৰি শোভাযাত্ৰাত অংশগ্ৰহণ কৰিলো। শোভাযাত্ৰাৰ মঙ্গলদৈ মহাবিদ্যালয় বেনাৰখন লৈ মই মানৱেন্দ্ৰ আগৰ ফালেআগ বাঢ়ি গৈ আছো। গৈ থাকোতে ঠিক হোষ্টেলৰ ছোৱালীবোৰে আমাৰ দুয়োজনক দেখি চিঞৰিবলৈ ললে অ' মইনা কি পিন্ধিছা এইবোৰ, অ' পেটলা মইনা আমিও মঙ্গলদৈৰ আৰু কিবা কিবি বহুতো। যিয়ে নহওঁক, এইবোৰ কিছুমান স্মৰণীয় মুহূৰ্ত। শোভাযাত্ৰাৰ পৰা আহি আমি সকলো বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত প্ৰৱেশ কৰিলো। মুঠ ৪৫ খন মহাবিদ্যালয়ে শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল। তাৰ অলপ সময় পাছত আমি হোষ্টেললৈ আহিলো তাৰ অলপ পিছত খবৰ পালো আমাৰ আজি নাটক আছে। ঠিক নিশা ১০ বজাত আৰু আমাৰ নাটক ৭ নংত আছিল। শোভাযাত্ৰাৰ পৰা আহি কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ আৰু শিল্পীকিৰণৰ হঠাতে জ্বৰ হয়। এই কথা আমি নাট পৰিচালনা কমিটিক জনোৱাত তেওঁলোকে এপ্লিকেছন আৰু প্ৰেস্কিপচন পৰিচালনা কমিটিৰ হাতত জমা দিবলৈ নিৰ্দেশ দিলে। নিৰ্দেশক্ৰমে সকলো কৰিলো। পিছদিনাখন চন্দ্ৰ আৰু শিল্পীয়ে অসুখ ভাল পোৱাত ৰাতিপুৱা ১১ বজাৰ পৰা নাট অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে ৰিহাৰ্ছেল আৰম্ভ কৰে। ঠিক ৰিহাৰ্ছেল চলি আছে আবেলি ঠিক ৩ মান বজাত খবৰ আহে মঙ্গলদৈ মহাবিদ্যালয়ৰ নাটকখন কেনছেল হৈছে। আমি সেই কথা শুনি দৌৰা-দৌৰিকৈ কেইজনমান বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত প্ৰৱেশ কৰি সুধিলো কিয় আমাক নাটকখন কৰিব নিদিয়ে তেওঁলোকে ক'লে তোমালোকৰ নাটকখন কালিয়ে দিছিলো আৰু সকলোবোৰ প্ৰতিযোগিতা নিৰ্দিষ্ট নিয়মেৰে আগবঢ়াৰ বাবে তোমালোকৰ নাটকখন আজিৰ দিনটোত পৰিৱেশন কৰাৰ সুবিধা দিয়া নহব। ঋতুদাই কলে আপোনালোকে কালি কলে যে আমাক আজি কৰিব দিব "ঋতুদাৰ লগত বহুত সময় তেওঁলোকৰ আলোচনা চলিল তেওঁলোকে কোনোপধ্যে নাটকখন আমাক কৰিব নিদিলে। আমাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাভা ছাৰ আৰু নাট প্ৰতিযোগিতাৰ বিচাৰকসকলে কলে যে— তোমালোকক নাটকখন কৰিব দিলে ইয়াত পৰিস্থিতি সলনি হ'ব পাৰে। তাৰ পৰা আহি দেখিলো সকলো ছাত্ৰ-ছাত্ৰীয়ে কন্দা-কটা কৰি আছে নাটকখন কৰিব নোৱাৰাৰ বাবে। সেই দিনটোৰ কথা আমি কেতিয়াও নাপাহৰো। মনৰ দুখত কোনেও আহাৰ গ্ৰহণ নকৰিলে, ৰাতিটো কাৰো ভালদৰে টোপনি নহ'ল। লাহে লাহে ৰাতিপুৱা হল ২৮ চেপ্তেম্বৰ ভাস্কৰ দা আৰ্ট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ গ'ল। আমাৰ আশা ভাস্কৰদাৰ ওপৰতে তেওঁ ২টা গ'ল মেডেল আৰু ১ টা ৰূপৰ মেডেল আনিলে।২৮ তাৰিখে এই খবৰটো আবেলি ৪ মান বজাত পালো। আমাৰ কান্দনৰ মুখত হাঁহি আনি দিলে। আনন্দত আমাৰ মনবোৰে আকাশ চুইছিল। আবেলি ৫ বজাৰ পৰা ঋতুদাৰ "মিমিক্ৰি" আৰু ৰাতি ৮ বজৰ পৰা "মাইম" আৰু ৰাতি ১২ বজাৰ পৰা "ব্যঙ্গ নাটক হ'ব আমি চাবলৈ সাজু হলো। মিমিক্ৰি প্ৰতিযোগিতা আৰম্ভ হল, ঋতুদাৰ মাত বহি গ'ল মই দৌৰা-দৌৰিকৈ আদা-লং আনি দিয়াত সেয়া খাই অলপ ভাল পালে। মিমিক্ৰিত অংশগ্ৰহণ কৰি ঋতুদাই প্ৰথম পুৰস্কাৰ আনিলে। আমি আনন্দত মতলীয়া হৈ গালো।

তাৰ কিছুসময়ৰ পিছত আৰম্ভ হল 'মাইম' প্ৰতিযোগিতা। মাইম প্ৰতিযোগিতাত ভাগ ললে কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ, দীপক, দ্বীপজ্যোতি, কণকণ, দিপাঞ্জলী, ৰাজীবহঁতে। মেক-আপ লৈ প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত হয়। আমাৰ কলেজৰ মাইমৰ নাম আছিল 'চৰাই' মাইম শেষ হ'ল, বহুত ধুনীয়াও হ'ল। প্ৰতিযোগিতাৰ ৰিজাল্টৰ সময় আহিল। আমাৰ বুকু ধপ-ধপ কৰিবলৈ ধৰিলে। অলপ পাছতে ৰিজাল্ট ওলাল আৰু আমি দ্বিতীয় স্থান লাভ

কৰিবলৈ সক্ষম হলো। ২৮ ছেপ্টেম্বৰত যেন আমাৰ প্ৰাইজৰ জোঁৱাৰ আহিছিল। আমি ২৭ ছেপ্টেম্বৰত থকা নাটকৰ সেই স্মৃতি পাহৰি গলো। তাৰ পিছত ৰাতিৰ আহাৰ গ্ৰহণ কৰি ছোৱালীবোৰক হোষ্টেলত থৈ আহি আমি আৰ.চি.চি ২ হোষ্টেলত সোমালো। নিশা ৩ মান বজাত আৰ.চি.চি ২ হোষ্টেলৰ ছিনিয়ৰ দাদাসকল আৰু তেওঁলোকৰ লগত বহুৱা আমাৰ ঋতুদা আৰু ভূএগ্ৰাদাই তেওঁলোকৰ লগত নাম ধৰি আছিল। আমি ভাবিলো এই ৰাতিনো কিহে পালে তেওঁলোকক। মোক দেখা পায় টানি তেওঁলোকৰ লগত বহাই ললে। মোৰ বৰ খঙো উঠিছে, একো কবও পৰা নাই। এজন এজনকৈ মঙলদৈ মহাবিদ্যালয়কে ধৰি সকলো যুৱকক ধৰি তেওঁলোকৰ লগত বহুৱাই ললে। আৰু সকলোৱে নাম ধৰিবলৈ আৰম্ভ কৰিলে। তাতে অকল নামেই নহয় গান-বাজনাও চলিল। মোৰ ওচৰতেই, তাৰ মাজত আৰ.চি.চি ২ হোষ্টেলৰ প্ৰাক্তন আবাসী আৰু আজিৰ যুগৰ বিশিষ্ট কবিয়েও গান গাই গ'ল তেওঁ আছিল প্ৰণৱ কুমাৰ বৰ্মন। তেওঁৰ লগত বহুতো আনন্দ কৰিলো। সেই দিনা আছিল আৰ.চি.চি ২ হোষ্টেলৰ গেট টুগেদাৰ (Get together programme) প্ৰগ্ৰেম আৰু প্ৰণৱদাৰ এটা জনপ্ৰিয় কবিতাও আছে, আপোনালোক সকলোৱেই জানেই চাগে তথাপিও অলপ লিখি দিছো -

"সন্দিকৈ কলেজৰ তুমি
সাগৰিকা বৰদলৈ
তুমি কুশলে আছা তো।"

২৯ ছেপ্তেম্বৰ ৰাতিপুৱা ১২ মান বজাত আৰ.চি.চি ২ হোষ্টেলত দেওধনি নৃত্যৰ বাবে নগেন ওজা আৰু তেওঁৰ সতীৰ্থ দুজন আহি পালে। সেইদিনাই আছিল আমাৰ দেওধনি নৃত্য প্ৰতিযোগিতা। প্ৰতিযোগিতাত ভাগ ললে - বন্দিতা, লিয়ংকা, জিনুমা আৰু দীপিকাই। দেওধনি নৃত্যৰ বাবে তেওঁলোক সাজু হ'ল। আৰু নৃত্যটো বহুত ধুনীয়া হৈছিল। কিন্তু পুৰস্কাৰৰ পৰা বঞ্চিত হলো।

৩০ ছেপ্টেম্বৰৰ ৰাতিপুৱা আমাক আৰ.চি.চি ২ হোষ্টেলৰ জয়ন্তদাই খবৰ দিয়ে যে আমি ভূপেন্দ্ৰ সংগীতত ২য় পুৰস্কাৰ লাভ কৰিলো সক্ষম হলো। পুৰস্কাৰটো লাভ কৰিছিল ভাস্বতী শৰ্মাই। ৩০ ছেপ্টেম্বৰৰ সন্ধিয়া ৬ মান বজাত বঁটাবিতৰণী সভা আৰম্ভ হ'ল। আমি ঢোল-তবলা বজাই আমাৰ পুৰস্কাৰবোৰ গ্ৰহণ কৰিলো। তাত আমাৰ মঙলদৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ সুকুমাৰ কলা মহাবিদ্যালয় পাবলৈ সক্ষম হ'ল। নিশা বঁটাবিতৰণী শেষ হোৱাৰ পিছত এক সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হয়। আৰু এই অনুষ্ঠানত ভাগলৈ সকলোৱে মন নাচি উঠে।

এই বৰ্ষটোত আমি যিবোৰ প্ৰতিযোগিতাত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম নহলো আশাকৰো আগলৈ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হ'ম।

১ অক্টোবৰৰ দুপৰীয়া ১ মান বজাত আমি হোষ্টেলৰ পৰা বিদায় লৈ মঙ্গলদৈৰ ফালে ৰাওনা হলো। এই ৬ দিন যুৱ মহোৎসৱত যিসকল ছাত্ৰ-ছাত্ৰীয়ে ভাগ ললে আমি সঁচাকৈয়ে কেতিয়াও পাহৰিব নোৱাৰিম। বিশেষকৈ নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব নোৱাৰা বাবে আমাৰ মনবোৰে আজিও আমনি কৰে। আমি মুঠ ৪টা সোণ আৰু ৩টা ৰূপৰ পদক লাভ কৰি মহাবিদ্যালয়ৰ সন্মান ৰক্ষা কৰিবলৈ সক্ষম হ'লো।

শেষত মই ২০১১ বৰ্ষৰ যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ৰ হৈ প্ৰতিযোগিতা সমূহ পৰিচালনা কৰা সমূহ অধ্যাপক অধ্যাপিকাৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ সহপাঠীসকলক এই যাত্ৰা সফল কৰি সুকলমে ঘূৰি অহাৰ বাবে ধন্যবাদ জনালোঁ।

অজানিতে কাৰোবাৰ নাম এই অনুভৱৰ দস্তাবেজত লবলৈ থাকি যোৱা সকলৰ ওচৰত মোৰ ফালৰ পৰা ক্ষমা খুজিলো। *

# অভিমান

— মিনতি শৰ্মা
সহযোগী অধ্যাপিকা
প্ৰাণী বিজ্ঞান বিভাগ

শ্ৰেণীৰ পৰা ওলায়েই ঘড়ীটোলৈ চালো ২ বাজি ১৫ মিনিট, ঠিক সময়তেই বেলটো বাজিছে। চাট্‌কৈ আজি বহুবছৰ আগলৈ মোৰ মনটো গুচি গ'ল। দেউতাই বি.এচ.চি পাছ কৰাৰ পিছত এই ঘড়ীটো কিনি দিছিল। নিজৰ বুলিবলৈ তাৰ আগলৈকে ঘড়ী এটা নাছিল। অভাৱো অনুভৱ কৰা নাছিলো। পৰীক্ষা আদিৰ দৰে বিশেষ দিনবোৰত বাদে ঘড়ীটোৰ প্ৰয়োজনীয়তা আছিল বুলি ভৰাই নাছিলো। দেউতাৰ পুৰণি ঘড়ীটোৱেই কাম চলি গৈছিল। মোৰ হাতত থকা এই ঘড়ীটো H.M.T,সেই দেউতাই কিনি দিয়া ঘড়ী। বহু পুৰণি, আজিৰ ঘড়ীবিলাকৰ দৰে ই বেটাৰীৰে চালিত নহয়, সময়ে সময়ে চাবি দিব লাগে। চাবি দিব লগা কথাটো মনত পৰাৰ লগে লগে সাউৎকৈ দেউতালৈ মনত পৰি গ'ল। দেউতা যে মানুহজন! ইমান নিয়মানুৱৰ্তী। আমাৰ ঘৰৰ প্ৰতিটো ঘড়ীত প্ৰত্যেকদিনাই ৯ বজাৰ লগে লগে চাবি দিছিল যাতে ঘড়ীটোৰ সময়ৰ হীন-দেৰি নহয়। মই এই কামটোত বৰ ভাল নাছিলো। যিয়েই নহওক কিয় ঘড়ীটোৱে এতিয়াও ঠিক সময় দি আছে। মোৰ স্বামীয়ে প্ৰায়ে এটা ভাল নতুন ঘড়ীলোৱাৰ কথা কয়। কিন্তু মইহে, এই পুৰণি ঘড়ীটোৰ প্ৰতি থকা বিশেষ মোহৰ বাবেই আন এটা ঘড়ী লোৱাত ইচ্ছুক নহয়। এইদৰে ভাবৰ বুৰ-বুৰণিত ডুব গৈ থাকি কেতিয়ানো আহি বহুকোঠাৰ নিৰ্দ্দিষ্ট আসন পালো ক'বই নোৱাৰিলো।

খিৰীকিৰে বাহিৰলৈ চাই পঠিয়ালো, প্ৰখৰ ৰ'দ। ৰ'দৰ তীব্ৰতা সহ্য কৰিব নোৱাৰি ছাত্ৰ-ছাত্ৰীবোৰ আমাৰ বিভাগৰ সন্মুখত থকা চিৰিজ গছ জোপাৰ তলত ভিৰ কৰিছে। দেহা শাঁত পেলাবলৈ।

পুনৰ ঘড়ীটোলৈ চালো ২ বাজি ৩৫ মিনিট। ইস্ দেৰিয়েই হ'ল। মোৰ ডেৰ বছৰীয়া ছোৱালীজনীৰ খোৱাৰ সময় হৈছে। মই তৎপৰ হ'লো যাবলৈ। বৰযত্ন কৰিব লাগে তাইক খুৱাবলৈ, এক ঘণ্টামানেই লাগে। ইটো সিটো নানানটা দেখুৱাই কোনোমতে এটেপা এটেপাকৈ ভাত খুৱাব লাগে। এইখিনি ধৈৰ্য্য অৱশ্যে মোৰ নোহোৱা নহয়, আছে। যাবলৈ উঠি আকৌ এবাৰ ৰুটিনখন উলিয়াই ল'লো। চাই নিশ্চিত হ'লো নাই আৰু মোৰ ক্লাছ নাই। ছাতিটো হাতত লৈ কলেজৰ পৰা ঘৰলৈ বুলি আগবাঢ়িলো।

এইখিনি সময়ত কলেজৰ আগত ৰিক্সাৰ অভাৱ নহয়। বেছিভাগৰে ঘৰমুৱা হোৱাৰ সময়। গতিকে চাই-চিতি ভাল ৰিক্সাএখনত বহিলো। অ' ভাল ৰিক্সা মানে ! এখন সুবিধাজনক আসন কিয়নো কিছুমান ৰিক্সাৰ চিট্ এনেকুৱা থিয় যে বহাৰ পিছত পিছলি পিছলি ওলাই পৰো ওলাই পৰো লাগে। ৰিক্সাচালক জনলৈ চালো বয়সে পঞ্চাছৰ ওচৰা ওচৰি হ'ব। ৰ'দৰ প্ৰখৰতাৰ পৰা ৰক্ষা পৰিবলৈ সন্মুখভাগত এটা ক'লা ছাটি তৰি লৈছে যাতে কিঞ্চিত হ'লেও সকাহ পায়। ৰিক্সাচালক ধীৰ গতিত পূৱলৈ বুলি আগবাঢ়িল। কিছুদূৰ গৈ ভেবাৰঘাট চাৰিআলিটো পালো। চাৰিআলিৰ পৰা উত্তৰে গ'লে বাটটো ইছলামপুৰ চ'কত লগ লাগে। এই গোটেই বাটছোৱা তেনেই ওখোৰা-মোখোৰা। পেটৰ বিষ উঠি যায়। তথাপি উপায় নাই মানুহবোৰে দুৰ্ভোগি ভুগী ভুগীয়েই এই বাটটোৰে অহা-যোৱা কৰি আছে। কাৰো যেন একোকৰণীয় নাই। মাজে মাজে দেখিছো,পকী আলিটোত সৃষ্টি হোৱা গাঁতত সম্ভৱত দাঁতিকাষৰীয়া কোনোৱাই দুই এচপৰা মাটি দি গাঁতবোৰ পুৰাবলৈ বৃথা চেষ্টা কৰিছে। কি হাস্যকৰ দৃশ্য।

মনকৰিলো ৰিক্সাচালকে ভোৰভোৰাই ভোৰভোৰাই এই পথেৰে লাহে লাহে আগবাঢ়িছে। কিনো ভোৰভোৰাইছে তাকে শুনিবলৈ মই কাণপাতি থাকিলো। 'আমাৰ ইয়াৰ ঠিকাদাৰ, ইঞ্জিনীয়াৰ গোটেই মখাই ঠগ, কোনোৱে ভালকৈ কাম নকৰে' ৰিক্সাচালকৰ কটুক্তি। মই বোলো, কাকাই কিবা খং উঠিছে নেকি? খং মানে ! এই ৰাস্তাটোৰ অৱস্থা দেখিছানে কিদৰে জহি-খহি গৈছে। উপায়

নাই কাৰণেহে ৰিক্সা চলাই থাকিব লগীয়া হৈছে পেটৰ তাড়ণাত।

কিছুদূৰ গৈ পশ্চিম ফালৰ ঘৰ এখনলৈ আঙুলিয়াই মোক ক'লে বুজিছে বাইদেউ, এই যে মানুহঘৰ, এওঁলোক বৰ অভদ্ৰ দিয়ক। পুৰণি বেমাৰে উক্ দিয়াদি তেওঁৰ তিক্ত অভিজ্ঞতাৰ কথা মোকেই ক'বলৈ ধৰিলে। জানে বাইদেউ, এদিন এইখন ৰিক্সাতেই ছখন টিনপাতেৰে সৈতে ল'ৰাজনক লৈ আহিছিলো। ৰিক্সাৰ পৰা টিনপাত নমালো, গৃহস্থই টিন কেইখন ধৰি মেলি দি চালত উঠোৱাত মিস্ত্রিজনক সহায় কৰি দিবলৈ কোৱাত সহায়ো কৰিলো। কিন্তু কি আচৰিত ! ওপৰঞ্চি বুলি কিবা এটা দিয়াতো বাদেই পাবলগীয়া ৰিক্সাভাড়া ১৫ টকাৰ ঠাইত ১০ টকা দিব বিচাৰিলে। মই আপত্তি কৰাত ল'ৰাজনে গোৰ গোৰাই উঠি ১০টকা লাগিলে ল' তাতকৈ বেছি দিব নোৱাৰো বুলি ধমকি দিলে। দুখীয়াৰ পইচা মাৰি কিনো এনে ধনী হ'ব তাকে ভাবি মইয়ো বিশেষ তৰ্ক নকৰি এপইচাও নালাগে বুলি গুচি আহিলো। সেইদিনাখন বেজাৰতে মই আৰু ৰিক্সা নচলালো। ভগৱন্ত বোলা এটা কথাও আছে, ল'ৰাজনৰ কিবা সুমতি হ'ল নেকি, দহদিনমানৰ মূৰত, সন্ধিয়া পৰত মোৰ ঘৰ ওলালহি আৰু তেওঁ মোৰ প্ৰতি কৰা ব্যৱহাৰৰ বাবে ক্ষমা খুজি একপ্ৰকাৰ জোৰকৈয়ে ২০ টকা পকেটত গুজি দিছিল। যিয়েই নহওঁক ল'ৰাজনৰ যে অনুশোচনা হ'ল।

ইতিমধ্যে ৰিক্সা আহি গাঁওবুঢ়া চ'ক পালে। প্ৰচণ্ড ৰ'দৰ বাবে মানুহজন ঘামি-জামি জুলুৱা-জপৰা হৈছে। গাত পিন্ধি থকা গেঞ্জীটো দেহাত লিপিত খাই ধৰিছে। ক্ষন্তেক বৈ ডিঙিত লৈ থকা গামোছাখনেৰে তেওঁ মুখখন মচি ল'লে। কিছুদূৰ নিৰৱতা। এইবাৰ মইয়েই তেওঁক সুধিলো - কাকাই আপোনাৰ ঘৰত কোন কোন আছে? এটি দীঘল হুমুনিয়াহ কাঢ়ি ক'লে বাইদেউ আমি মাথো দুটি প্ৰাণী মই আৰু মোৰ পৰিবাৰ। হওঁতে সন্তান বুলিবলৈ ছোৱালী এজনী আছিল। তাইক বহু কষ্ট কৰি ৰিক্সা চলাই চলাইয়ে দ্বাদশ শ্ৰেণীলৈকে পঢ়াইছিলো। পঢ়াতো তাই ভালেই আছিল। আপোনালোকৰ মঙলদৈ কলেজতে বি.এ ত নাম লগাই দিছিলো। তাইয়েই আছিল আমাৰ একমাত্ৰ আশা ভৰসাৰ থল। তাইৰ মুখখন চাইয়েই সকলো দুখ ভাগৰ পাহৰি আছিলো। সপোন দেখিছিলো। কিন্তু বিধিৰ বিপাক তাই আমাৰ বুকুত কামোৰ মাৰি থৈ গুচি গ'ল।

মোৰ বুকুখন চিৰিংকৈ গ'ল। নিজকে নিজে ধিক্কাৰ দিলো - কিহে পাইছিল মোক তেওঁৰ ঘৰত কোন কোন আছে সুধিবলৈ ; মিছাতে ইমানদিনে পাহৰি থকা তেওঁৰ বেদনাক সাৰপানী দিবলৈ ! মই এক প্ৰকাৰ মৌন হৈ পৰিলো। কিদৰে তেওঁক সমবেদনা জনাম তেওঁৰ একমাত্ৰ সন্তানৰ বিয়োগত।

নিস্তব্দতা ভংগ কৰি তেওঁ গোৰ গোৰাই উঠিল, বুজিছে বাইদেউ - মই ইমান দিনে সাপক গাখীৰ খুৱালো। তাই আগপিছ নাভাবি, আমাৰ সকলো মৰমক নেওঁচি এটা বড়ো ঠিকাদাৰৰ লগত গুচি গ'ল। তাইৰ কথা মনত পৰিলে মোৰ বুকু হমহমাই যায়। এইবাৰ মোৰ আচৰিত হোৱাৰ পাল। ইমান সময়ে তেওঁৰ একমাত্ৰ কন্যাৰ বিয়োগ হোৱা বুলি ভাৱি বুকুখন গধূৰ গধূৰ লাগি আছিল। হওঁক তেওঁ ছোৱালীজনীয়ে এইখন পৃথিৱীত ভালে কুশলে আছে তাকে জানি বুকুখন পাতল লাগি গ'ল।

পুনৰ তেওঁ কবলৈ ধৰিলে বাইদেউ, দৈৱ-দুৰ্বিপাকত পৰিহে মই ৰিক্সা চলাবলগীয়া হৈছো। মোৰ আচল ঘৰ কোঁচবিহাৰত। দেউতাৰ মাটি-বাৰীও আছিল বহুত। সেই অনুপাতে আমি ভাই ককাইয়ো আছিলো ছয়জন। পিছে কি ক'ম - 'ধানটোৱে প্ৰতি কণটো আৰু মানুহটোৱে প্ৰতি মনতো''ৰ দৰে আমাৰ ভাই-ককাইৰ মাজতো মিল নাছিল। সৰু-সুৰা কথা কিছুমানক লৈয়ে প্ৰায়ে কাজিয়া-পেছাল কৰি থাকে। মই সৰুৰে পৰাই শান্তি প্ৰিয় আছিলো। অষ্টম শ্ৰেণীলৈকে পঢ়িছিলো। তাতকৈ আগলৈ আৰু যাব নোৱাৰিলো। দেউতাও এদিন হঠাতে ঢুকাই থাকিল। সেয়েহে মইয়ো পঢ়া শুনা বাদ দি ভাই-ককাইৰ লগতে খেতি বাতিতে লাগিলো। কিছুবছৰ এইদৰে পাৰ হ'ল। ককাইদেউহঁতৰ পৰিয়াল বাঢ়িল, খৰচো বাঢ়িল। প্ৰতিজনৰে গাই গোটিয়াকৈ থাকিবলৈ ইচ্ছা গতিকে এনেদৰে অশান্তিত থাকিব নোৱাৰি কোঁচবিহাৰ এৰি মঙলদৈ পালোহি। আৰম্ভণিতে মঙলদৈ টাউনৰে এখন হোটেলত কাম-বন কৰাকে সোমালো। ৰাতিটো হোটেলতে পৰি থাকো। এইদৰে তিনিবছৰ পাৰ কৰিলো। এদিন হোটেললৈ চাহ খাবলৈ অহা মানুহ এজনে মই ৰিক্সাচলাব পাৰিম নেকি বুলি সোধাত মইয়ো পাৰিম বুলি ক'লো আৰু এদিন হোটেলৰ মালিকৰ পৰা বিদায়লৈ ৰিক্সাচলোৱাকে বৃত্তি হিচাপে ল'লো। সেইদিন ধৰি এতিয়ালৈকে ৰিক্সাকে চলাই আছো। ইয়াতেই এজনী বেংগলী ছোৱালী বিয়া কৰাই সংসাৰ আৰম্ভ কৰিলো।

মই মাজে মাজে তেওঁৰ কথা শলাগী থাকিলো। বেগাৰ পাৰতে এটুকুৰা মাটিত চালি এখন কৰি বস-বাস কৰি আছো। ইয়াতে মোৰ এইদৰেই ৩৫ বছৰ পাৰ হ'ল। আগতে দেহাত শক্তিও আছিল আৰু আৰ্জনো আছিল ভাল। দুবেলা দুমুঠি সুখৰ ভাত খাইছিলো। এতিয়া দেহাও পৰি আহিল। বেছি ৰিক্সা চলাব নোৱাৰো মাজে মাজে কোঁচবিহাৰলৈ মনত পৰে, তাৰ খেতিপথাৰ, ভড়াল, ঘৰ-দুৱাৰ আদি সকলো। কিযে ভৰা ঘৰ আছিল সেইখন! তাত থকা হ'লে কিজানি ৰিক্সাচলাবলগীয়া নহ'লহেঁতেন। কিছুসময় বৈ ; তথাপি এইবোৰ লৈ মোৰ দুখ নাছিল। ছোৱালীজনীক কিদৰে ভাল মানুহ কৰো তাকেই চিন্তা কৰি, যিমান পাৰো যত্ন লৈছিলো। ভালৰো ভাল বস্তু খুৱাইছিলো। পূজা-পাৰ্বণ আদিত নিজে নলয়ো তাইক নতুন কাপোৰ দিছিলো। বেমাৰ আজাৰত মই কেতিয়াবা ৰিক্সা চলাব নোৱাৰিলে মাকেই ওচৰৰ দুই এঘৰত বন কৰি দুই এপইচা আনিছিল। মুঠতে ছোৱালীজনীক যিখিনি পাৰি সেইখিনি সুবিধা দিছিলো যাতে তাই পঢ়ি-শুনি নিজৰ ভৰিত থিয় দিব পাৰে। ছোৱালীজনীক লৈ দেখা সপোন সপোন হৈয়ে ৰ'ল। তাই আমাক নুবুজিলে। তেওঁৰ মাতটো থোকাথুকি হ'ল।

আজি আঠ বছৰেই হ'ল মই তাইৰ মুখ দেখা নাই আৰু মোৰ ঘৰলৈ আহিবলৈও দিয়া নাই। মাককো সাৱধান কৰি দিছিলো যাতে তাইক লগ নধৰে। পিছে কি ক'ব বাইদেউ, হাজাৰ হওঁক মাকৰ মন বান্ধি ৰাখিব নোৱাৰে, তাইক চাবলৈ অশান্তি কৰি থাকে। মাজে মাজে ভাত-পানীও নাখায়। ঘৰখনত মাত্ৰ আমি দুটা, এইলৈ অশান্তি কৰি থাকিব ভাল নালাগে। সেয়েহে আজি এবছৰ হ'ল মাকক তাইৰ ঘৰলৈ যাব দিছো এটা চৰ্তত - যাতে জীয়েকৰ ঘৰত এটুপি পানীও নাখায়। মই সুধিলো কিয় ? তেওঁ ক'লে দুখীয়া হ'লেও আত্মসন্মান আছে। ইমান এটা আঘাত সহজে পাহৰিব নোৱাৰি নহয়। তাইৰো অনুশোচনা হ'ব লাগিব। মই মনে মনে থাকিলো। মাকে কৈছে - ছোৱালীৰ ঘৰৰ অৱস্থ ভাল। ল'ৰাতো ভাল ঠিকাদাৰ পা-পইচাও আছে। ঘৰ-দুৱাৰো ভাল পৰিষ্কাৰ আৰু পৰিপাটি। তেওঁলোকে ছোৱালীৰ মাকক বহু আদৰো কৰিছিল পিছে মাকে মোৰ কথা ৰাখি পানী এটুপিও নাখালে। ছোৱালীয়ে হেনো মাকক সাৰটি বহু কান্দিছিল। এতিয়ালৈকে মাক তিনিবাৰ গৈছে। প্ৰতিবাৰেই তাই হেনো ঘৰলৈ আহিব বিচাৰে কিন্তু মই তাইক এতিয়ালৈকে আহিবলৈ অনুমতি দিয়া নাই। আজি অ'ত বছৰে মই তাইক দেখাওঁ নাই। তাইক দেখিলে মোৰ যন্ত্ৰনা যেন বাঢ়ি যাব। সহ্য কৰাই টান হ'ব। চাওঁ, এইদৰে বুকুডাঠ কৰি আৰু কিমান দিন থাকিব পাৰো। তেওঁ এটি দীঘল হুমুনিয়াহ কাঢ়িলে। কেতিয়ানো আহি ঘৰৰ পদুলিমুখ পালো ক'বই নোৱাৰিলো। মই তেওঁলৈ বুলি বিশ টকীয়া নোটখন আগবঢ়াই দিলো। তেওঁ মোক পাঁচটকা ঘূৰাই দিলে। ওভতাৰ সময়ত কৈ গ'ল - বাইদেউ, বেয়া নাপাব বহু কথাই ক'লো। এতিয়া মোৰ বুকুখন বহু পাতল পাতল লাগিছে। মনতে ভাবিলো, তেওঁ যেন আজি ছোৱালীজনীৰ প্ৰতি থকা অব্যক্ত মৰম আৰু ক্ষোভৰ দোমোজাত ভাৰাক্ৰান্ত। মই ৰিক্সাখন যোৱালৈ কিছুসময় চাই থাকিলো। অজানিতে মোৰ দুচকু সেমেকি উঠিল। কণমানি জনীয়ে দৌৰি আহি মা........ বুলি মোক সাৰটি ধৰিলে। মই তাইৰ মূৰটোত হাত ফুৰাই ভিতৰলৈ বুলি খোজ দিলো। মোৰ অন্তৰত বাৰে বাৰে প্ৰতিধ্বনি হ'ল সঁচাই মানুহজন বৰ অভিমানী। *



# অশনি সংকেত

শ্ৰীসান্ত্বনা বশিষ্ঠ
স্নাতক প্ৰথম বৰ্ষ
গণিত বিভাগ

গ্ৰীণভিলাত আজি অশান্তি। হয়, মেকেচা নামৰ এই পাহাৰ খনৰ দাঁতিত সঁজা প্ৰাসাদোপম এই ধুনীয়া ঘৰটিৰ নামেই ‘গ্ৰীনভিলা’। চহৰৰ হাই উৰুমিৰ পৰা দূৰত থাকিবৰ বাবে আৰু প্ৰকৃতিৰ লগত একাত্মবোধ হ’বৰ বাবেই হয়তো চহৰৰ প্ৰখ্যাত ব্যৱসায়ী শ্ৰীযুত সদানন্দ ৰয়ে আজিৰ পৰা প্ৰায় ছয়-সাত বছৰমান আগতে এই প্ৰাসাদটি নিৰ্মাণ কৰি উলিয়াইছিল। গ্ৰীণভিলা সম্পূৰ্ণ হোৱাৰ প্ৰায় ছমাহ পিছতেই বংগৰ জীয়ৰী লতিকা ৰয়ৰ সৈতে তেখেতে যুগ্ম জীৱনৰ পাতনি মেলিছিল এই গ্ৰীণভিলাতেই। মিছেছ ৰয়ৰ আৰু হৰিকাইৰ তত্বাৱধানত গঢ় লৈ উঠা দেশী-বিদেশী ফুলেৰে ভৰা ফুলনিখনেৰে সৈতে গ্ৰীণভিলাৰ সৌন্দৰ্য্য যেন তাজমহলতকৈ কোনো গুণে কম নহয়। অ’, ক’বলৈ পাহৰিছিলোৱেই গ্ৰীণভিলাৰ তৃতীয় জন বাসিন্দা হৰিকাই স্থানীয় অসমীয়া লোক। তেওঁ আহিছিল গ্ৰীণভিলাৰ নিৰ্মাণ কাম চলি থাকোতেই শ্ৰমিক হিচাপে কাম কৰিবলৈ। আদবয়সীয়া হৰিকাইৰ পিতৃ সুলভ ব্যক্তিত্বত মোহিত হৈ মিষ্টাৰ ৰয়ে হৰিকাইৰ নিজৰ লগতে গ্ৰীণভিলাত ৰাখি থয়। কেও কিছু নোহোৱা হৰিকায়েও মিষ্টাৰ ৰয়ৰ মাজতেই নিজৰ মৃত পুত্ৰৰ প্ৰতিচ্ছবি দেখা পাইছিল আৰু তাৰ বাবেই গ্ৰীণভিলাৰ পৰিয়ালৰে এজনহৈ স্থায়ী হিচাপে থাকি গ’ল। দিন বাগৰি মাহত সোমাল, মাহ গৈ বছৰ পৰিল। চাওঁতে চাওঁতে মিষ্টাৰ ৰয় আৰু মিছেছ ৰয়ৰ যুগ্ম জীৱনৰ সাত বছৰ পিছতো গ্ৰীণভিলালৈ চতুৰ্থজন ব্যক্তিৰ আগমন নঘটাত মিষ্টাৰ ৰয় আৰু মিছেছ ৰয়ৰ লগতে হৰিকাইও উৎকণ্ঠিত হৈ পৰিল। অষ্টম বছৰৰ শৰতে পলাশ, মদাৰ ফুলাৰ বতৰাৰ লগতে কঢ়িয়াই আনিলে আৰু এক সুখবৰ। অৰ্থাৎ সেই শৰতৰ বতৰত মিছেছ ৰয়ে অনুভৱ কৰিলে তেওঁ আদৰিবলৈ ওলাইছে গ্ৰীণভিলাৰ চতুৰ্থজন আগন্তুকক আৰু সঁচাকৈয়ে সেইটো বছৰতে মিষ্টাৰ ৰয় আৰু মিছেছ ৰয়ৰ গতানুগতিক দাম্পত্য জীৱনৰ অৱসান গটাই তেওঁলোকৰ জীৱনলৈ আহিল তেওঁলোকৰ একমাত্ৰ সন্তান ৰাহুল। হৰিকায়ে আশা কৰিছিল ৰাহুলৰ আগমনৰ লগে লগে মিষ্টাৰ ৰয়ৰ সদা ব্যস্ত ব্যৱসায়িক জীৱনৰ কিছু পৰিমাণে হ’লেও পৰিৱৰ্তন ঘটিব। কিন্তু সেয়া বাস্তৱত কোনোদিনেই দেখা নগ’ল। মিষ্টাৰ ৰয়ৰ দৰে সফল ব্যৱসায়ী এজনৰ বাবে ব্যৱসায় আছিল তেওঁৰ পেচা আৰু নিচা। বাস্তৱবাদী জীৱনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ আহিলা যেনে- ঘৰ, গাড়ী, বেংকবেলেঞ্চ এই সকলোবোৰ তেখেতে মিছেছ ৰয়ক যোগান ধৰিছিল সঁচা। কিন্তু মিছেছ ৰয় বা পুত্ৰ ৰাহুলক দিবৰ বাবে তেখেতৰ হাতত সময় নিচেই কম আছিল। ব্যৱসায়ৰ কামত বেছিভাগেই তেখেতে অসমতো দূৰৰেই কথা আনকি ভাৰতৰ বাহিৰৰ জাপান, থাইলেণ্ড আদিবোৰ ঠাইত ভ্ৰমি ফুৰিছিল। গ্ৰীণভিলাত থকা সময়খিনিতো তেখেতৰ ব্যস্ততাৰ শেষ নাছিল। আনপিনে অকলশৰীয়া মিছেছ ৰয়ে পুত্ৰ ৰাহুলক পাই ইমানেই পুত্ৰমোহত অভিভূত হৈ পৰিছিল যে আজিকালিকৈ বয়স বাঢ়ি ভৰ যৌৱনত ভৰি দিয়া



ৰাহুলক তাহানিৰ সেই কেঁচুৱা ৰাহুলটি বুলি ভাবি থাকিল। ইমান সা-সুবিধাৰ পিছতো ৰাহুলে যে টানি টুনি তৃতীয় বিভাগতহে মেট্রিকৰ দেওনা পাৰ কৰিলে সেয়া তেওঁৰ বোধগম্য নহ'ল। হৰিকায়ে মাজে সময়ে ৰাহুলৰ চাল চলনক লৈ সাঁকিয়াই দিলেওঁ তেওঁ ওলোটাই মিছেছ বয়ৰ পৰা দু-আষাৰ ভটা কথা শুনিব লগা হয়। কলেজলৈ যোৱাৰ পৰা ৰাহুলৰ চাল-চলনত আৰু বেছি অস্বাভাৱিকতা আহি পৰিল। হৰিকাইৰ মনত কৰ'লৈ বহু কথাই ওখল-মাখল লগাই থাকে। কিন্তু ক'ব কাক? মিষ্টাৰ বয়ৰতো ব্যস্ততাৰ শেষেই নাই আৰু মিছেছ বয় যেন পুত্ৰমোহত অন্ধ। গতিকে হৰিকাইৰ বাবে কলা আৰু বোবা হৈ থকাৰ বাদে অন্যগতি নাই।

আজি কিন্তু গ্ৰীণভিলা অশান্ত। আনদিনৰ দৰে আজিও কলেজৰ সময়ত ৰাহুলে মাকৰ পৰা টকা দহ হাজাৰ কিবা কামত লাগে বুলি লৈ বাইক খনলৈ ওলাই গৈছিল। ৰাহুল ওলাই যোৱাৰ পিছতেই হৰিকায়ে মিছেছ বয়ক কওঁ নকওঁ কৈ কৈছিল "আইদেউ, ৰাহুলে টকা দহহাজাৰ খোজাৰ লগে লগেই দি দিলে, তেওঁনো সেই টকাৰে কি কৰিব আপুনিছোন তেওঁক নুসুধিলেই? উত্তৰত মিছেছ বয়ে ধমকি মাৰি কৈছিল, "তোক সেইবোৰ কিয়? চাকৰ হিচাপে থাকিব লাগে আৰু বাবাই টকা লৈছে তাক কিবা প্ৰয়োজন হোৱা বাবেহে লৈছে আৰু সি মোৰ পৰাহে লৈছে । তোৰ বাপেৰৰ ঘৰৰ পৰা নিয়া নাই নহয়"। সেয়া শুনাৰ পিছত হৰিকাইৰ উত্তৰ দিবলৈ একো নাছিল। তেওঁ মাথো নীৰৱে নিজৰ কামত মন দিছিল গৈ। দুপৰীয়া সময়ত তীব্ৰ-বেগত তিনিখন বাইক গ্ৰীণভিলাৰ খোলা গেটেৰে লনলৈ সোমাই আহিছিল। হৰিকায়ে ৰাহুলৰ লগত অহা বাকী দুজন বাইক আৰোহীক চিনি পোৱা নাছিল বা আগতে দেখা যেন লগা নাছিল। বাইকৰ পৰা নামি ৰাহুল আৰু তেওঁৰ লগৰীয়া দুজনে হুৰমূৰকৈ ড্ৰইংৰুমলৈ সোমাই গৈ দৰ্জা বন্ধ কৰি দিছিল। হৰিকায়ে উৎকণ্ঠিত হৈ খিৰিকিৰ দাঁতিত থিয় হৈ সিঁহতে তিনিওজনৰ কথোপকথন শুনিবলৈ চেষ্টা কৰিছিল। ৰাহুলৰ লগত অহা এজনে কৈছিল, "আৰে, ছোটা আজি বেয়াকৈ ফচিল বে, আঁৰে এইখিনি সময়ত পুলিচেযে বেট মাৰিব ভবাই নাছিলো বে" হৰিকায়ে তেনেতে শুনিবলৈ পাইছিল ৰাহুলৰ মাত। ৰাহুলে লগৰ দুজনক উদ্দেশ্য কৰি কৈছিল, "ছোটা ফচিল বা মৰিল আমাৰ কি? কিন্তু সি কুত্তাই মোৰ টকাখিনি আগতে লৈ ল'লে আৰু মালো নিদিলে। আৰে, পুৰাৰ পৰা এটা দ'জো পৰা নাই গাত। ছা, মোৰ শৰীৰৰ শিৰা ফাটি তেজ ওলাব এতিয়া।" তেনেতে লগৰ এজনে কৈ উঠিল, "তোৰ শিৰা ফাটে নে বুকু ফাটে আমাৰ চাবলৈ কি? তোৰ লগত ৰিজাৰ্ভত থকা মাল আছে যদি দে, নহ'লে আমাৰ ইয়াত কাম নাই।" তেনেতে ৰাহুলে কৈ উঠিল," কুত্তা চব, ভাগ ইয়াৰ পৰা, মাল থাকিলে এনেকৈ ছট ফটাই মৰো নেকি? তহ'তে চব খাব জান দিব নাজা'ন। ওলা বুলিছো নহয় মোৰ ঘৰৰ পৰা ওলা।" এই খিনিলৈকে শুনাৰ পিছত হৰিকায়ে চিন্তিত মনলৈ নিজৰ কামত ধ্যান দিবলৈ যত্ন কৰিলে। কিন্তু বাৰে বাৰে ৰাহুলহ'তে কোৱা 'মাল' শব্দটোৱে মনত খলকনি জগাই থাকিল। আচলতে এই 'মাল' বুলি সিঁহতবোৰেনো কিহৰ কথা ক'বলৈ বিচাৰিছে হৰিকায়ে সেয়া অনুমান কৰিব নোৱাৰিলে। তেনেতে মিছেছ বয়ৰ গগণ ফলা চিঞৰত হৰিকায়ে দৌৰ মাৰি ঘৰৰ ভিতৰ পালেগৈ। হৰি গৈ পোৱাৰ লগে লগে হৰিক ক'বলৈ ধৰিলে, "হৰি চাছোন চা ৰাহুলৰ কি হৈছে চা সিচোন কেনেবাখন কৰিছে, সি তেনেকৈ পকৰাই পোৱা মানুহৰ দৰে হাত ভৰিবোৰ আচাৰিব লাগিছে কিয়? হৰি ডক্তৰক ফোন লগা।' হৰিকায়ে দৌৰা দৌৰিকৈ ডাক্তৰ কাকতিক ফোনতে গ্ৰীণভিলালৈ মাতি পঠালে। খন্তেক সময় পিছতেই ডাক্তৰ কাকতিৰ বগা ৰঙৰ আইকণ গাড়ীখন আহি গ্ৰীণভিলাৰ গেটৰ ভিতৰলৈ সোমাল। কাকতিয়ে পৰীক্ষা কৰি ৰাহুলক এটা ইন্‌জেকচন দিয়াৰ পিছত ৰাহুল কিছু শান্ত হ'ল। ডাক্তৰ কাকতিয়ে ইংগিতেৰে ৰাহুলক ভিতৰৰ কোঠালৈ লৈ যাবলৈ নিৰ্দেশ দিলে। হৰিকাই আৰু ৰাহুল যোৱাৰ পিছত ডাক্তৰ কাকতিয়ে মিছেছ বয়লৈ চাই ক'লে, "মিছেছ বয়, আপোনাক ব্যক্তিগত ভাৱে মোৰ কিছুকথা ক'বলগীয়া আছে। আপোনাৰ ল'ৰাৰ শৰীৰত আজি আপুনি যি অস্বাভাৱিকতা লক্ষ্য কৰিছে সেয়া কোনো বেমাৰ নহয়। তেওঁ দীৰ্ঘ দিন ধৰি ড্ৰাগছ ব্যৱহাৰ কৰি আহিছে আৰু আজি ড্ৰাগছৰ অভাৱত এই অস্বাভাৱিকতাই দেখা দিছে।

In other words he is drugs adicted. অকল এয়াই নহয়, আৰু কিছু দিন আগতে এটা এনজিঅ'ৰ হৈ তেওঁ ব্লাড ড'নেট কৰিবলৈ মোৰ ক্লিনিকলৈ গৈছিল। কিন্তু তেওঁ ব্লাড ড'নেট কৰিব নোৱাৰিলে। কাৰণ কি জানে? He has H.I.V. Positive ইমান খিনিলৈকে শুনাৰ পিছত আৰু কিবা শুনিবলৈ মিছেছ বয়ৰ ধৈৰ্য নাছিল। তেখেতে থিতাতে এক বিকট চিঞৰ মাৰি ৰাহুল মোৰ বাচাটো বুলি কৈ ঢলি পৰিল আৰু মূৰ্ছা গ'ল। তেওঁৰ পিছতেই কান্দোনত ভাগি পৰিল বৃদ্ধ হৰিকাই তথা সমগ্ৰ গ্ৰীণভিলা। *

# হৃদয়ত একুৰা জুই

— পূৰবী শইকীয়া
স্নাতক তৃতীয় বৰ্ষ
কলা শাখা

কলেজৰ দুৱাৰমুখ পায়েই গায়ত্ৰী বৰুৱাই খোজ ললে সেই নিৰ্দিষ্ট ডিপাৰ্টমেণ্টটোৰ ফালে। নিৰ্দিষ্ট ডিপাৰ্টমেণ্ট মানে - 'ৰাজনীতি বিজ্ঞান বিভাগ' অৰ্থাৎ গায়ত্ৰী বৰুৱা বৰ্তমান ৰাজনীতি বিজ্ঞান বিভাগৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী। ন বজাত প্ৰথম ক্লাছ - তাতে আকৌ হেডৰ ক্লাছ, মুখখন দেখিলেই কিবা ভয় লাগি যায়। অৱশ্যে অপৰাধ নকৰিলে বিশেষ সমস্যা একো নাই। সেয়েহে ক্লাছ মিচ কৰাৰ কথাই নাহে। গায়ত্ৰীয়ে শ্ৰেণীকোঠাত সোমায় মানে হেডৰ ক্লাছ আৰম্ভ হৈছিলেই। তেনেতে গায়ত্ৰীয়ে ভয়ে ভয়ে ক্লাছটোত সোমাল আৰু নোট বুকখন উলিয়াইলৈ বৰ্ডখনত ডাঙৰকৈ লিখি থোৱা আখৰ কেইটা টুকি ললে - নাৰী সৱলীকৰণ।

ক্লাছটো শেষ হ'ল । লগে লগে গায়ত্ৰীয়ে ৰুমমেট তৰালী লৈ ফোন লগালে। কাৰণ প্ৰথমবাৰৰ বাবে গায়ত্ৰীয়ে তৰালীক অসুখীয়া অৱস্থাত এৰিথৈ আহিছে ৰুমত। গায়ত্ৰীয়ে কোনো দিনে তৰালীক এৰি নাইবা তৰালীয়ে গায়ত্ৰীক এৰি কলেজলৈ নাহে। দৰকাৰ হ'লে দুয়ো নাহে তথাপি দুয়ো এৰা-এৰি নকৰে। উপায়হীন হৈহে তাই আজি তৰালীক ৰুমতে এৰি আহিবলগীয়া হৈছে। ক্ষন্তেকৰ বাবে তাই নিজকে দোষী দোষী যেন অনুভৱ কৰিলে। এনেদৰে ভাবি গায়ত্ৰীয়ে বহুবাৰ তৰালীলৈ ফোন লগালে। কিন্তু ফোনত মাথো এটাই উত্তৰ - আপুনি ডায়েল কৰা নাম্বাৰটো বৰ্তমান ব্যস্ত, অনুগ্ৰহ কৰি ................... । গায়ত্ৰী এইবাৰ চিন্তাত পৰিল। তৰালীৰ অসুখ বেছি হ'ল নেকি? নহ'লে কোনো দিনে ফোনত ইমান সময় ব্যস্ত নোহোৱা তৰালীৰ আজি আকৌ কি হ'ল। এনেদৰে বহুবাৰ চেষ্টা কৰাৰ পাছতো কোনো উত্তৰ নোপোৱাত এইবাৰ গায়ত্ৰীয়ে কলেজৰ পৰা নিজৰ ৰুমলৈ গতি কৰিলে পিছে কলেজৰ পৰা গায়ত্ৰীহঁতৰ ৰুমলৈ খোজকাঢ়ি যাবলৈ পোন্ধৰ, বিশ মিনিটৰ কম নালাগে। বাটত গায়ত্ৰীয়ে তৰালীৰ কথাবোৰ পুনৰবাৰ ভাবি ভাবি গৈ থাকিল। তৰালী অতি সহজ-সৰল মনৰ ছোৱালী। মুখত সদায় আবেগৰ এটা শোকাবহ ছাঁ। লুকুৱাবলৈ যত্ন কৰিলেও মাজে মাজে তৰালীৰ কথাত প্ৰকাশ পায় এটা পুৰুষ বিদ্বেষী মনৰ ভাৱ। প্ৰেম ভালপোৱা তাইৰ বাবে যেন মূল্যহীন। সমাজৰ কিছুমান ৰীতি-নীতি আৰু পুৰুষজাতিটোৰ প্ৰতি তাই আস্থাহীন। তাইৰ মতে যিকোনো সম্পৰ্কত বিশেষকৈ বিবাহৰ ক্ষেত্ৰত ধনী-ধনী, মধ্যবিত্ত-মধ্যবিত্ত আৰু দুখীয়া-দুখীয়া লোকৰ মাজতহে হোৱা উচিত। কাৰণ ইয়াৰ ব্যতিক্ৰম হ'লেই যাতনা ভুগিব লাগে এটা পক্ষই। তাই উদাহৰণ দিয়ে - উচ্চবংশৰ লগত নিম্নবংশৰ সম্পৰ্ক স্থাপন হ'লে নিম্নবংশই মিলিব যাওঁতে কিমান যে কষ্ট হয়। তৰালীয়ে যুক্তি দৰ্শায় - দাৰ্শনিকৰ দৰে। তাই যেন আকাশৰ জোনটোৰ মাজতো কলংক দেখে। তৰালীৰ কথাবোৰৰ আঁৰত এনে কি কাৰণ লুকাই আছে তাক জানিবলৈ গায়ত্ৰীয়ে বহুবাৰ চেষ্টা কৰিও বিফল হৈছে। কিন্তু সিদিনাখন তৰালীয়ে নিজৰ জীৱনৰ কিছুমান গোপনীয় কথা-গায়ত্ৰীক কম বুলি কোৱাত গায়ত্ৰীৰ অনুসন্ধিৎসু মনটো উথলি উঠিছিল। কিন্তু কথাটো কোৱাৰ কোনো সুযোগ পোৱা নাছিল তৰালীয়ে। - এনেদৰে ভাবি আহি থাকোতেই গায়ত্ৰীয়ে কেতিয়া নিজৰ ৰুম পালে গমকেই নাপালে। ৰুমত সোমাইয়েই অইন দিনাতকৈ অলপ জোৰত তৰালীক চিঞৰি মাতিলে তৰা - তৰা - ক'ত আছা তই ? হঠাৎ গায়ত্ৰীৰ চকু পৰিল তৰালীলৈ। তৰালীয়ে খিৰিকীখনৰ ফালে মুখ কৰি আকাশখনত যেন কিবা বিচাৰি ফুৰিছে। গভীৰ আবেগত বিভোৰ তাই। নয়ন জুৰি উত্তপ্ত হৈ উঠিছে লগতে চকুলোৰ সোঁত। এখন হাতত ফোনটো আৰু আনখন হাতত অনুমান হয় এখন চিঠি। যেন এটা জীৱন্ত প্ৰতিমূৰ্তিহে। এইবাৰ গায়ত্ৰীয়ে কোনো

মাত নিদি তাইৰ কাষ চাপিল আৰু হাতৰ পৰা চকুলোৰে তিতি সেমেকি উঠা চিঠিখন হাতত তুলি ল'লে - এখন বিয়াৰ চিঠি।

সবিনয় নিবেদন,

অহা আঘোন মাহৰ ৯ তাৰিখ ইং............... তাৰিখে মোৰ শুভ বিবাহৰ দিন ধাৰ্য্য কৰা হৈছে। তদুপলক্ষে উক্ত দিনা আয়োজন কৰা অভ্যৰ্থনালৈ আপোনাক/ আপোনালোকক সাদৰেৰে নিমন্ত্ৰণ জনালোঁ।

ইতি

জোন জ্যোতি বৰুৱা

দূৰভাষ নং - ০৯৪১৯৩৩১৯৭০

— এইবাৰ গায়ত্ৰীয়ে তৰালীৰ মবাইল ফোনটো হাতত তুলি ললে আৰু দেখিবলৈ পালে যে - চিঠিখনত উল্লেখ থকা দূৰভাষ নম্বৰটো তাইৰ ডায়েল নাম্বাৰত। গায়ত্ৰীয়ে ঘটনাৰ একো উম নাপাই তৰালীৰ গাটো স্পৰ্শ কৰি দিলে। স্পৰ্শ মাত্ৰেই তৰালী ভাৱনা সাগৰৰ পৰা সাৰ পাই উঠিল আৰু হুক হুকাই কান্দিবলৈ ধৰিলে। মুহূৰ্ততে তৰালীয়ে নিজকে চম্ভালি নিঃসংকোচে গায়ত্ৰীৰ আগত তাইৰ জীৱনৰ সেই নিৰ্দ্দিষ্ট দিনটোৰ কথা কবলৈ আৰম্ভ কৰিলে।

আজিৰ পৰা প্ৰায় আঢ়ৈ বছৰ আগতে তৰালীৰ বিয়া ঠিক হৈছিল এজন উচ্চ পদস্থ বায়ুসেনা বিষয়াৰ লগত। নাম জোন জ্যোতি বৰুৱা - ঘৰ গুৱাহাটীত। ঘৰৰ একমাত্ৰ ল'ৰা। গতিকে ল'ৰা অপছন্দৰ কোনো কাৰণ নাই। তৰালী তেতিয়া বি.এ. প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। প্ৰায় দুমাহমানতেই বিয়াৰ বন্দোবস্ত হ'ল। এই সিদ্ধান্তত প্ৰথমতে তৰালী অমান্তি হৈছিল যদিও জীৱনৰ প্ৰথম প্ৰেম, মাক-দেউতাকৰ সিদ্ধান্ত, উচ্চবংশৰ ল'ৰা ইত্যাদি সকলো চালি জাৰি চাই অৱশেষত তায়ো মান্তি হ'ল বিয়াত বহিবলৈ। যথাসময়ত বিয়াৰ দিনটো আহিল। ঘৰৰ সকলোৱে বিয়াৰ বাবে বহুতো সা-সম্পত্তি, বস্তু-বাহানি, গহনা-পাতি যোগাৰ কৰিলে। দিনটো প্ৰায় ভালেই গ'ল। বিয়াৰ উদুলি-মুদুলি পৰিৱেশ। এফালে বেণ্ডপাৰ্টি আনফালে মানুহৰ হাঁহি-ধেমালি হুলস্থুল। সন্ধিয়া লাগিল। মানুহৰ ভিৰ কিছু কমি আহিল। মাক-দেউতাকৰ মুখ কেইখন গধূলি হয় মানে সেমেকি উঠিল। এইবাৰ তৰালীয়ে ঘৰৰ পৰিয়ালৰ লোক সকলৈ চকু দিবলৈ অলপ সময় পালে। তাই লক্ষ্য কৰিলে দেউতাক আৰু আন কেইজনমান সম্বন্ধীয়লোকৰ সৈতে হোৱা গোপন মিটিং কেইখনলৈ। প্ৰথমতে তাই একো ধৰিব নোৱাৰিলে যদিও পিছত গম পালে যে তাইক হেনো দিব লগা যৌতুকৰ সকলো খিনি সম্পূৰ্ণ হৈ নুঠিল। অসম্পূৰ্ণ মানে ফ্ৰীজ আৰু টি.ভি.টো বাকী ৰ'ল। নিশা প্ৰায় বাৰ বাজিল। দৰাঘৰীয়া আহি পালে। কইনাঘৰীয়াই দৰাঘৰীয়াক খোৱা-লোৱাকে আদি কৰি সন্তুষ্ট কৰাত ব্যস্ত হ'ল। আনফালে আকৌ দৰাৰ দেউতাক আৰু পেহীয়েকে কইনাৰ দেউতাকক মাতি নি লিষ্ট মতে কাম হৈছে নে নাই সুধিবলৈ ধৰিলে। দেউতাকে মাথো দুবিধ বস্তুৰ ঘাটি হ'ল বুলি উল্লেখ কৰাত পেহীয়েকে কইনাৰ দেউতাকক উচ্চস্বৰত কিবা কিবি কবলৈ ধৰিলে। দেউতাকে হাত যোৰ কৰি বিয়াৰ পিছতেই বাকীখিনি দিয়াৰ প্ৰতিশ্ৰুতি দিলে সিহঁতক। লিষ্ট মানে - যৌতুকৰ লিষ্ট সেইখন - য'ত আছিল ক্ৰমান্বয়ে কইনাৰ গহনাৰ সম্পূৰ্ণ ছেট, ৰেফ্ৰিজাৰেটৰ, টি.ভি., ওৱাছিংমেচিন, বাইক আৰু ..............ইত্যাদি। তাৰোপৰি পঞ্চাশজন মান লোকক মান ধৰাৰ লিষ্ট। কাৰণ ল'ৰাই হেনো নাম থকা চাকৰি কৰে। বংশ মৰ্যাদাৰ কথা আছে। এইবাৰো কিন্তু দেউতাকে তৰাৰ চকুৰ পৰা হাত নাসাৰিল। তাই প্ৰতিটো কথাতেই দেউতাকৰ ওপৰত নজৰ ৰাখিছিল। দেউতাকে এনেদৰে হাতযোৰ কৰি প্ৰাৰ্থনা কৰাটো তৰাৰ সহ্য নহ'ল। তাইৰ খং চুলিৰ আগ পালেগৈ। গোটেই বিয়াৰ পৰিৱেশেই তাইৰ বাবে অসহ্যকৰ হৈ উঠিল। ইমানবোৰ কথা আগতে গম পোৱাহেঁতেন তাই ভুলতো বিয়াত ভৰি নিদিলেহেঁতেন। হঠাৎ তাইৰ মনলৈ ঘৃণাৰ ভাৱ আহিল। কাৰণ কোনো চৰ্তৰ বিনিময়তে তাই নিজৰ ঘৰ খনক ধাৰত পেলাই থৈ নাইবা বিক্ৰী কৰি থৈ যাবলৈ সন্মত নহয়। সন্মত নহয় দেউতাকৰ সন্মানত আঘাত দিয়া আৰু তাইৰ বাবে আনৰ ওচৰত লজ্জিত হোৱা কথাটোত। সময়ত তৰালীক বিয়াৰ ৰভাৰ তলিলৈ উলিয়াই অনা হ'ল। ইমান দিনে বিয়াৰ নামত সপোন দেখা তৰালীৰ মনটোৱে হঠাৎ আন এটা পথেৰে গতি ল'লে। মন আকাশত যেন মেঘে ঢেৰেকণিৰে গৰ্জিলে। এক শোকৰ আৱেগে তাইৰ চকুত খুন্দা মাৰি ধৰিলে। অৱশেষত তাই ৰ'ব নোৱাৰি ৰভাৰ তলিত থিয় হৈ মাত মাতিলে। তাইৰ ওৰণিখন খহি পৰিল। তাই স্পষ্ট ভাষাৰেই সুধি পেলালে। আপোনালোকে মোক বিয়া পাতি নিব আহিছে নে যৌতুকক? এনে আচৰণত দৰাৰ

লগতে সম্বন্ধীয়লোক সকলে ভীষণ আঘাত পালে। পেহীয়েকৰ খং বাঢ়ি গ'ল আৰু অৱশেষত দৰাঘৰীয়াই ৰভাস্থলী ত্যাগ কৰিলে লগতে তৰালৈ এৰি গ'ল কুলক্ষণীয় সদৃশ নানা অপবাদ। তাইৰ সিদ্ধান্তত মাক-দেউতাক আৰু সম্বন্ধীয় সকলোৱে চিন্তাত পৰিল। মাক-দেউতাকে দৰঘৰীয়াক কাতৰ প্ৰাৰ্থনা কৰোতেও তেওঁলোক সৈমান নহ'ল। তৰাই যৌতুকৰ অবাঞ্চিত দাবী সমৰ্থন নকৰিলে। এয়াই তাইৰ বাবে কাল হ'ল। তাই বাৰে বাৰে নিজকে প্ৰশ্ন কৰিছিল কি ভুল কৰিছিল তাই আৰু শেষত বুজি পাইছিল তাই একো ভুল কৰা নাছিল।

অৱশেষত ঘৰৰ সিদ্ধান্ত মৰ্মে তৰালীয়ে নতুনকৈ আন এখন কলেজত নামভৰ্তি কৰিছিল যাতে অতীতক পাহৰি ঘৰৰ পৰা দূৰত থাকিব পাৰে। কিন্তু তৰালীয়ে সেই ঘটনাক পাহৰিব পৰা নাছিল। পাহৰিব পৰা নাছিল জীৱনৰ প্ৰথম প্ৰেমিক জোন জ্যোতি বৰুৱাক। তাইৰ বিশ্বাস আছিল এদিন হ'লেও সি নিজৰ ভুল বুজি আকৌ তাইৰ কাষলৈ ঘূৰি আহিব। হৃদয়ত জ্বলি থকা জুইকুৰা নুমুৱাবলৈ তাই অকণমান আশা পুহি ৰাখিছিল। কিন্তু তাৰ বিয়াৰ চিঠিখনে তৰালীক আকৌ জ্বলাই তুলিলে। যি অকণমান আশা আছিল সেয়াও ছাই হৈ গ'ল। মাথো তৰালীৰ হৃদয়খনিকলৈ সি খেলা খেলিলে আৰু অৱশেষত যাচিলে একুৰা জীয়া জুই। — ইমান সময়ে নীৰৱ দৰ্শক হৈ থকা গায়ত্ৰীৰো কেতিয়াৰ পৰা চকুলো বাগৰিল তাই গমকেই নাপালে। ক্ষন্তেকৰ বাবে গায়ত্ৰীয়ে পুৰুষপ্ৰধান সমাজখনৰ কিছুমান প্ৰথা, ৰীতি-নীতিৰ প্ৰতি বিদ্বেষ ভাৱ প্ৰকাশ কৰিলে। তৰালীয়েও কান্দোনৰ মাজে মাজে ক'বলৈ ধৰিলে যেতিয়ালৈকে মই নিজকে স্বাৱলম্বী কৰিব নোৱাৰো তেতিয়ালৈকে মই কোনো পুৰুষৰ হাতৰ পুতলা নহওঁ। নহওঁ মই কোনো যৌতুকৰ বলী আৰু .....................। এনেদৰে কৈ দুয়ো দুয়োকে সাৱটি ধৰিলে। নিমিষতে খোলা খিৰিকীখনৰ মাজেৰে গায়ত্ৰীৰ চকুযুৰি নীলা আকাশৰ ফালে ধাৱমান হ'ল আৰু মনত পৰিল ন বজাত আৰম্ভ হোৱা হেড্‌ৰ ক্লাচটোলৈ য'ত পঢ়োৱা হৈছিল নাৰী সৱলীকৰণৰ পাঠ। ইতিমধ্যে আবেলিৰ শান্ত বতাহ জাকে দুয়োকে স্পৰ্শ কৰি থৈ গ'ল...............।।*



# সূৰ্যাস্ত

— দীপ্তিমা ভৰালী
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা

প্ৰৱাল বৰুৱা। গড়কাপ্তানি বিভাগৰ এজন কনিষ্ঠ অভিযন্ত্ৰা। হঠাতেই এদিন মাহীয়েকৰ মুখৰ পৰা শুনিলে যে প্ৰৱাল বৰুৱাই তাইক চাবলৈ আহিব। কথাটো শুনাৰ দিনাৰে পৰাই ভয় আৰু সংকোচে তাইক আৱৰি ধৰিলে। ৰতনপুৰৰ মৌজাদাৰৰ পৰিয়ালৰ ল'ৰা প্ৰৱাল দেখাই-শুনাই, ব্যৱহাৰ পাতিয়ে ভাল। নিঃসন্দেহে নম্ৰ। তাই তেতিয়া স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী। নিৰ্দ্দিষ্ট দিন এটাত এজন বন্ধুৰ সৈতে প্ৰৱাল বৰুৱা উপস্থিত হ'ল সিহঁতৰ ঘৰত। প্ৰথম সাক্ষাততেই মন্দিৰাৰ শান্ত স্বভাৱ আৰু মৌ-বৰষা মাত কথাই প্ৰৱালক মুগ্ধ কৰি পেলালে। প্ৰৱালৰ ছোৱালী পছন্দ হ'ল। তাইয়ো মনে মনে ভগৱানক অশেষ ধন্যবাদ যাচিলে প্ৰৱালৰ নিচিনা সহনশীল আৰু মৰমীয়াল পুৰুষ এজনৰ জীৱন-সংগিনী হ'বলৈ সুযোগ পাই। ল'ৰাই গৈ ঘৰৰ মানুহ পঠিয়ালে, তেওঁলোকৰো খুবেই পছন্দ হ'ল। দিন-বাৰ চাই আঙঠি পিন্ধোৱাৰ দিন এটা নিৰ্বাচন কৰা হ'ল। তাইৰ অনুৰোধতেই পৰীক্ষাৰ পাছত বিয়া পতা হ'ল। ঘৰখনৰ বৰ জীয়ৰী মন্দিৰাই বিয়াৰ দিনাখন দেউতাক-মাক, ককায়েক দুজন আৰু সৰুৰে পৰাই একেলগে ওমলি-জামলি ডাঙৰ হোৱা আঁকৰী ভনীয়েক বন্দনাক এৰি যাবলৈ তাই বৰ কষ্ট অনুভৱ কৰিছিল। হিয়া ঢাকুৰি কান্দি কান্দি বিদায় মাগিছিল তাই সকলোৰে পৰা।

তাৰ পাছত আহিছিল সিহঁতৰ মধুযামিনী অৰ্থাৎ ফুলশয্যাৰ নিশা। সেই নিশা প্ৰৱালে মাথো তাইক ঘৰখনৰ আদৰ-কায়দাবোৰ বুজাই দিছিল খুউব সুন্দৰকৈ। মৰমীয়াল প্ৰৱালক খুউব ভাল লাগিছিল তাইৰ। প্ৰৱালৰ বুকুৰ মাজত তাই জীৱনৰ নিৰাপত্তা বিচাৰি সোমাই পৰিছিল।

বিয়াৰ প্ৰায় এমাহ পাছত বি.এ. ফাইনেলৰ ৰিজাল্ট ওলাইছিল। এম.এ পঢ়িবলৈ ইচ্ছা থকা সত্ত্বেও শাহুৱেক আৰু জায়েকৰ বাধাত তাইৰ মন কোঁচ খালে। সি যি কি নহওঁক সংসাৰ আগবাঢ়িছিল ; ভাল লাগিছিল তাইৰ মধুময়

মূৰ ফণিয়াই থাকোতে মন্দিৰাৰ হাতৰ পৰা ফণিখন মজিয়াত সৰি পৰিল। তাইৰ নিজৰ মনটো অজানিতে পুলকিত হৈ উঠিল। তাৰমানে আজি আবেলি সিহঁতৰ ঘৰলৈ কোনোবা আলহীৰ আগমন নিশ্চয় ঘটিব। বিয়াৰ আগতেই মাকৰ মুখত এনেবোৰ কথা শুনিছিল যে হাতৰ পৰা কিবা বস্তু সৰি পৰিলে অথবা মেকুৰীয়ে ভৰি চেলেকিলে ঘৰলৈ আলহী আহে। এইবোৰ ভ্ৰান্ত ধাৰণা যেন লাগিলেও তাইৰ বিশ্বাস হয়। আগতে এই সন্দৰ্ভত মাকে কিবা ক'লে ভনীয়েক বন্দনাই কৈছিল, "মা তুমিও যে আৰু কি কথাবোৰ কোৱা। কেতিয়াবা অকাৰণতে হাতখন দুৰ্বল হৈ পৰিলেই হাতৰ পৰা বস্তু সৰি পৰে। তোমাৰ এইবোৰ কথা শুনিলে কিন্তু মানুহে হাঁহিব দেই।"সেয়ে তাই কেতিয়াবা ভাবে - ভনীয়েকৰ তুলনাত তাই বাৰু যথেষ্ট পুৰণিকলীয়া নেকি?

মন্দিৰা আগৰ পৰাই অতিথি পৰায়ণ। তথাপি আজিকালি সিহঁতৰ ঘৰলৈ কোনোবা আলহী আহিলে তাইৰ খুউব ভাল লাগে। অন্ততঃ অকলশৰীয়া ভাৰটো মনৰ পৰা কিছুসময়ৰ বাবে হ'লেও নোহোৱা হয়। চাকৰি নাই বাকৰি নাই দিনৰ দিনটো কেৱল ঘৰখনত সোমাই থকাই কাম। মৰম কৰিবলৈ কণমানি এটা থকা হ'লেও কথা নাছিল। ঘৰত থাকিবলৈনো কি মন যাব তাইৰ। শাহুৱেক, জায়েক হতেও তাইক অমঙ্গলীয়া জ্ঞান কৰি আজিকালি ভালকৈ মাত-বোলেই নকৰে। তাতে বিয়া দিয়া নন্দেক জনীয়েও আহি মাজে মাজে সোণত সুৱগা চৰাই থৈ যায়। ওচৰ চুবুৰীয়াই সহানুভূতি দেখুৱালেও শাহুৱেকে বেয়া পায় বাবে তেওঁলোকেও দীঘলীয়া সময় লৈ তাইৰ লগত কথা-বতৰা নেপাতে। ছিঃ ইমানেই দুৰ্ভগীয়া তাই। নিজৰ ওপৰতে তাইৰ পুতৌ উপজে। বিচনাত বহি কথাবোৰ ভাবি এবাৰ উচুপি উঠিল তাই। তাৰ পাছত এখোজ-দুখোজ কৈ খিৰিকিৰ দাঁতিলৈ উঠি গৈ খিড়িকিৰ চিকত খামোচ মাৰি ধৰি শূণ্যলৈ চাই নিজৰ অতীত ৰোমন্থন কৰিলে এবাৰ -

দাম্পত্য জীৱন। বিয়াৰ আগতে ভবাই নাছিল তাই বৈৱাহিক জীৱনত ইমান মাদকতা থাকে বুলি।

এদিন প্ৰৱালে অফিচলৈ যাবৰ সময়ত চাৰ্টৰ বুটাম মাৰি থাকোতে তাই বৰ আব্দাৰ কৰি ক'লে -"হেৰা শুনিছানে, মোৰ যে দুপদমান কছমেটিক্সৰ বস্তু কিনিবলগীয়া হৈছে। অফিচৰ পৰা আহি অকণমান বজাৰ কৰিবলৈ ওলাবানে? শাৰী এখনো কিনিম দেই।" প্ৰৱালেও তাইৰ কথাত সন্মতি দি ক'লে "নিশ্চয় তুমি ক'লেতো মই আকাশৰ জোনটোও আনি দিম।" প্ৰৱালৰ কথা শুনি তাই কেৱল হাঁহিলে আৰু হাঁহিলে। তাৰ পাছত ক'লে -"ইস্ হৈছে দিয়া।" প্ৰৱালে তাইৰ গালত মৃদুকৈ টোকৰ এটা মাৰি দি ৰুমৰ পৰা ওলাই বাইক খন ষ্টাৰ্ট দিবলৈ আগবাঢ়িছিল। তাইয়ো নেদেখা হোৱালৈ প্ৰৱালক চাইয়েই আছিল বাৰান্দাৰ পৰা।

কিন্তু এয়া কি? আধাঘণ্টামান পাছতেই সিহঁতৰ ঘৰলৈ এজাক মানুহ আহিছে। বিভিন্ন বাইক আৰোহী, কাৰ আৰোহী। লগতে এখন এম্বুলেঞ্চ। এম্বুলেঞ্চৰ পৰা নমোৱাৰ পাছত তাই দেখিলে যে সেইখন তাইৰ প্ৰিয়তম প্ৰৱালৰ নিথৰ দেহা। সন্মুখৰ পৰা তীব্ৰ গতিৰে অহা এখন ট্ৰাকে প্ৰৱালক খুন্দিয়াই লগে লগেই সিপুৰীলৈ পঠিয়াই দিলে............।

তাই হৈছিল বিধৱা। হাতৰ খাৰু, ডিঙিৰ মণি খুলি নি শাহুৱেকে বাকচত সুমুৱাই থৈছিল। কইনা নোৱনীৰ দৰে তাইক নোৱাই চোতালত বহুৱাইছিল ; কিন্তু বগা সাজ পিন্ধাবলৈহে। বগা সাজ আৰু উকা কপালকেই জীৱন সংগী কৰি দিন নিয়াইছে তাই। সিদিনাৰ পৰা সকলোবোৰ ভাগ্যৰ দান বুলি শিৰ পাতি লৈ প্ৰতি নিশাই চকুপানী টুকি ভগৱানক প্ৰাৰ্থনা কৰে তাইৰ এই অভিশপ্ত জীৱনটোৰ সোনকালে ওৰ পৰিবলৈ। এগৰাকী ভাৰতীয় বিধৱাই যি ব্ৰত পালন কৰিব লাগে তাই সকলোবোৰেই পালন কৰি আহিছে। শৰীৰৰ পৰা কামনা-বাসনাক বিদায় দিবলৈ বৰ্জন কৰিছে উত্তেজক খাদ্য-সামগ্ৰী। তথাপি নুবুজে তাইক কোনেও ; তাইৰ প্ৰতি নিবেদন নকৰে এটুপি অশ্ৰু। হয়তো



সেই গৰাকীয়েহে বুজিব ; যিগৰাকীয়ে তাইৰ নিচিনাকৈ অকাল বৈধব্য যন্ত্ৰণাত চটফটাইছে।

মেকুৰীটোৱে টেবুলৰ পৰা ফুলদানিটো পেলাই দিয়াত তাইৰ সম্বিত ঘূৰি আহিল। দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি বিচনালৈ গৈ মানসিকতা নাথাকিলেও আলোচনীৰ পাত লুটিয়ালে ব্যস্ততাৰ বাবে। চাওঁতে চাওঁতে সাজ লাগিবৰেই হ'ল ; ঘৰখনলৈ কিন্তু আলহী এজনো নাহিল। *



# এজাক বৰষুণ আৰু এটা সপোন

— নিখিল কুমাৰ নাথ
স্নাতক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

"ছেঃ, ন' বাজিলেই, আজিও কলেজলৈ দেৰি হ'ল।" নয়নে তাৰ ঘড়ীটোলৈ চাই ভোৰভোৰালে। তৎক্ষণাত সি বিছনাৰ পৰা জাপ মাৰি উঠি ব্ৰাছডাললৈ বাথৰূমত সোমাল। বাথৰূমৰ পৰা ওলাই কলেজৰ ইউনিফৰ্মযোৰ পিন্ধি চাইকেলখন লৈ কলেজমুখী হ'ল। ভাত-চাহ খাবৰ আৰু তাৰ সময়েই নহ'ল।

এইটো নয়নৰ দৈনন্দিন ঘটনা। সি 'মঙলদৈ কলেজ'ৰ 'উদ্ভিদ বিজ্ঞান' বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। তাৰ ঘৰ গাঁৱত, কিন্তু তাৰ পৰা সদায় অহা অসুবিধা বাবে সি মঙলদৈতে ৰূম এটাত ভাড়া থাকে। তাৰ ৰূমৰ পৰা কলেজলৈ চাইকেলেৰে দহ মিনিটৰ বাট। কলেজৰ পৰা আহিহে সি সদায় ভাত বনাব লগীয়া হয়। আৰু ভাত বনাই খোৱালৈ প্ৰায় সন্ধিয়াই হয়। গতিকে সি গোটেই দিনটোৰ ভিতৰত মাত্ৰ এবাৰেই ভাত খায়। ভাত খাই উঠি সি প্ৰায়ে অলপ ওলাই যায়। কেতিয়াবা বজাৰলৈ বা কেতিয়াবা ওচৰৰ চ'কলৈ। তাৰ পৰা আহি সি পঢ়িব ধৰে, পঢ়ি পঢ়ি তাৰ কেতিয়াবা কিমান দেৰি হৈ যায় নিজেই ক'ব নোৱাৰে।

নয়ন ঘৰৰ একমাত্ৰ ল'ৰা। অৱশ্যে ভনীয়েক এজনী আছে। দেউতাক নাই, সৰুতেই ঢুকাল। দেউতাকৰ সৰু এটা চাকৰি আছিল। দেউতাক ঢুকোৱাৰ পিছত মাকে অৱশ্যে সেই চাকৰিটো পালেও যিখিনি দৰমহা তেওঁ মাহেকৰ মূৰত পায়, সেইখিনি যেন গোটেই মাহটোৰ বাবে পৰ্যাপ্ত নহয়। নয়ন পঢ়া-শুনাত অতি মেধাবী আছিল। তাৰ মন আছিল ডাক্তৰ হোৱাৰ। কিন্তু অৰ্থৰ অভাৱত উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পিছত কলেজতেই নামভৰ্তি কৰিব লগা হ'ল। তাক যেন চাকৰি এটাৰ এতিয়া খুবেই প্ৰয়োজন। তাৰ যদিও পঢ়াৰ খুব ইচ্ছা, কিন্তু এতিয়া সি অভাৱৰ বাবে চাকৰিৰ কথা চিন্তা কৰিছে। সি জানে আজিৰ দিনৰ নিবনুৱাৰ কথা। আজি যিমানে চাকৰি পাইছে, তাতোকৈ অধিকে চাকৰি বিচাৰি হাবাথুৰি খাইছে। সকলোতে আজি অনিয়ম। আজি সি জানিছে যে চাকৰিৰ বাবে উচ্চশিক্ষা বা অৰ্হতাই যথেষ্ট নহয়, ধনো থাকিব লাগিব। কেতিয়াবা তাৰ খং উঠে, ঘৃণা ওপজে সমাজৰ ওপৰত, সমাজৰ নিয়মবোৰৰ ওপৰত। কেতিয়াবা তাৰ খং উঠে ভগৱানৰ ওপৰতো। কিয় ভগৱানে দেউতাকক তাৰ পৰা ইমান সোনকালে আঁতৰাই লৈ গ'ল? তাৰ এতিয়াও মনত আছে দেউতাকে তাক খুব মৰম কৰিছিল। দেউতাকে তাক ভালদৰে পঢ়াই-শুনাই ডাঙৰ মানুহ কৰাৰ সপোন দেখিছিল। কিন্তু এতিয়া ...........। ইতিমধ্যে সি বহুকেইটা চাকৰিৰ বাবে আবেদনো কৰিছে। কিন্তু এতিয়ালৈ একো খবৰ অহা নাই।

নয়ন ৰূমৰ পৰা ওলোৱাৰ ঠিক অলপ সময়ৰ পিছতেই আকাশখন ক'লা মেঘে ঢাকি পেলালে। প্ৰথমে এটোপ-দুটোপ আৰু তাৰপিছত ধাৰাষাৰ বৰষুণ দিবলৈ ধৰিলে। নয়নে কিবাকৈ চাইকেলখন লৈ এখন দোকানত সোমাল। ৰূমৰ পৰা ওলাওঁতেই তাৰ বৰষুণ দিব যেন ভাব হৈছিল যদিও কলেজ পামগৈ বুলি ভাবিছিল আৰু সেয়ে সি ছাতি অনা নাছিল। অৱশ্যে এনে ধাৰাষাৰ বৰষুণত ছাতি লৈয়ো কাম নাই। আনফালে তাৰ কলেজলৈ খুবেই দেৰি হৈছিল। সি ঘড়ীটোলৈ চালে, চাৰে ন' বাজি গৈছিল। আজিও সি মেজৰৰ প্ৰথম ক্লাচটো নাপাবগৈ। বৰষুণ যেন ক্ৰমান্বয়ে বেছিকৈহে দিবলৈ ধৰিলে। সি ধৈৰ্য্যহীন হৈ ছটফটাব ধৰিলে। নয়ন যিখন দোকানত সোমাইছিল, সেইখন এখন কিতাপৰ দোকান আছিল আৰু তাত বিভিন্ন ধৰণৰ কিতাপ আলোচনী আৰু লগতে বাতৰি কাকতো পোৱা গৈছিল। নয়নে তাত থকা বেঞ্চখনত বহি বাতৰি কাকত এখন হাতত ললে। সি বাতৰি কাকতখন এফালৰ পৰা চাই গ'ল। ১ম পৃষ্ঠা, ২য় পৃষ্ঠা, ৩য় পৃষ্ঠা ..............। আৰে এয়া কি ?? হঠাৎ যেন নয়নৰ চকুৰে মুখে এক আনন্দৰ ছবি ভাঁহি উঠিল।

দুমাহমান আগতে বাতৰিৰ বিজ্ঞাপন এটা চাই সি

Interview দিবলৈ গৈছিল আৰু তাৰ কিছুদিন পিছত তাৰ লিখিত পৰীক্ষা এটিও লোৱা হৈছিল আৰু কোৱা হৈছিল যে যিবোৰে এই লিখিত পৰীক্ষাত উত্তীৰ্ণ হ'ব তেওঁলোকে এই চাকৰিটো পাব। কিন্তু পোষ্ট আছিল মাথো পাঁচটা আৰু সেই লিখিত পৰীক্ষাটো দিছিল নয়নকে ধৰি মুঠ ষাঠিজনে। গতিকে এই চাকৰিৰ আশা তেতিয়াই বাদ দিছিল। অৱশ্যে এইটো নহয় যে তাৰ লিখিত পৰীক্ষা বেয়া হৈছিল। কিন্তু সি ভাবিছিল যে আনবোৰৰ দৰে ইয়াতো .........সেই ধনৰ মেলাই চলিব। কিন্তু আজি বাতৰিকাকতত সেই পৰীক্ষাৰ ফলাফল ওলাইছে আৰু সেই পাঁচজনৰ ভিতৰত নয়ণৰ নামটোও আছে।

অলপ আগতে মৰহি থকা মুখখন হঠাৎ যেন সজীৱ হৈ উঠিল। লগে লগে সি বহুত সপোন একেলগে দেখা পালে। চাকৰিটো পোৱাৰ পিছত সি কি কৰিব, কি কিনিব, ..........। তাৰ মাকৰ মুখখন চকুৰ আগত ভাঁহি উঠিল। কিমান কষ্ট কৰি মাকে তাক পঢ়াই শুনাই ইমানখিনি ডাঙৰ কৰালে। অন্ততঃ এতিয়া সি চাকৰিটো পোৱাৰ পিছত মাকে বহুখিনি সকাহ পাব। তাৰ ভনীয়েকৰ মুখখনলৈও মনত পৰিল। বহুদিন হ'ল তাই নতুন কাপোৰ এযোৰ পিন্ধিব পৰা নাই। এইবাৰ ঘৰত যাওঁতে সি তাইৰ ফুৰিব যোৱা চেণ্ডেলযোৰো বেয়া হোৱা দেখিছিল। তাৰ দুখ লাগিছিল। কাৰণ মাকে যিখিনি পইচা পায় তাৰ বেছিখিনিয়েই নয়নৰ নামতেই খৰচ হয়। নয়নৰ ভনীয়েকজনীও পঢ়াত ভাল। সি ভাবিলে যে সি নোৱাৰিলেও তাইকে ডাক্তৰ পঢ়োৱাই দেউতাকৰ সপোন পুৰণ কৰিব। সি চাকৰিটো পালেই যেতিয়া সকলো সমস্যাৰ সমাধান হ'ব।

ইতিমধ্যে বৰষুণ এৰিছিল। সি বাতৰি কাকত খন কিনি চাইকেলখনলৈ আকৌ প্ৰফুল্লমনে কলেজমুখী হ'ল বৰষুণজাকক সি ধন্যবাদ জনালে। অলপ আগতে বৰষুণ জাকৰ ওপৰত উঠা খংটোৰ বাবে নিজকে দোষী দোষী লাগিল। অলপ পিছতেই সি কলেজৰ দুৱাৰমুখ পালে কিন্তু হঠাৎ যেন সি চাইকেলখনৰ পৰা নিয়ন্ত্ৰন হেৰুৱাই পেলালে আৰু সন্মুখতে থকা প্ৰকাণ্ড গছডালত খুন্দা মাৰি দিলে.............।

................ নয়নৰ চকু মেল খালে। কিন্তু এয়া কি ? সি দেখোন তাৰ বিছনাতহে। হঠাৎ যেন তাৰ বহু কথা খেলিমেলি হৈ গ'ল। তাৰ মনত পৰিল ৰাতি অহা ধুমুহাজাকে



তাৰ টোপনি আৰু গভীৰতম কৰি পেলাইছিল। তাৰমানে সি ইমানপৰে সপোনহে দেখি আছিল। হঠাৎ তাৰ মন-প্ৰাণ বিষাদেৰে ভৰি পৰিল। কিবা এটা ভাবি সি তাৰ গড়ীটোলৈ চালে আৰু ভোৰভোৰালে -

ছেঃ, ন' বাজিলেই, আজিও কলেজলৈ দেৰি হ'ল ..............। *

# অনুভৱৰ সিপাৰে তুমি

— প্ৰীতি পুষ্পা দেৱী
স্নাতক প্ৰথম বৰ্ষ
প্ৰাণীবিজ্ঞান বিভাগ

শান্ত নীৰৱ দোকমোকালি। সৰু গাঁওখন লাহে লাহে সাৰপাই উঠিছে। শালিকাৰ কিচিৰ মিচিৰ আৰু বাঢ়নীৰ শব্দই নিস্তব্ধতাবোৰক খেদি পঠিয়াইছে। এলাহ এলাহ ভাৱেৰে দুচকু মেলিলে জোনালীয়ে। বাহিৰত পোহৰ। বিছনাৰ পৰা উঠি আহি ব্ৰাছডাল হাতত লৈ তাই ওলাই আহিল। এডাল দীঘল সাপৰ দৰে পৰি আছে ৰাস্তাটো। কোনো নাই। তাই কালভাৰ্টটোৰ পিনে আগুৱাই গ'ল। সোণাৰু ফুলিছে, তাইৰ প্ৰিয় ফুল।

সোণাৰুৰ হালধীয়াবোৰে
মনটো ৰঙীন কৰাৰ মুহূৰ্তত
তুমি আহিবা
মোৰ জীৱনলৈ .............।

কবিতাফাঁকি হঠাতেই মনলৈ আহিল তাইৰ। কিয় জানো, তাইৰ সকলো সপোন সোণাৰু ফুলত আৰম্ভ হৈ সোণাৰুতে শেষ হয়........। তাই প্ৰায়েই সপোন দেখে সোণাৰু হালধীয়া ফুলেৰে ভৰি থকা এটা আলিবাটৰ, য'ত হাতত হাত থৈ ঘূৰি ফুৰিব তাই আৰু তাইৰ সপোনৰ কোঁৱৰ।

এথোপা সোণাৰু ছিঙি আনিবলৈ খুব মন গ'ল জোনালীৰ। এটা ডাল অলপ তলতে আছে, আনিব পৰা যাব কিজানি । জপিয়াবলৈ আৰম্ভ কৰিলে তাই .......। "মহামান্য ৰাজকুমাৰীৰ ইমান পুৰাই সোণাৰুৰ দৰকাৰ হ'ল যে ।"

উচপ খাই ঘূৰি চালে জোনালীয়ে। সিহঁতৰ স্কুলৰ হায়াৰচেকেণ্ডাৰী ফাৰ্ষ্ট ইয়াৰৰ ছাত্ৰ, অনুপম। একে গাঁৱতেই ঘৰ, পঢ়াত খুব চোকা অনুপম। স্কুলত, গাঁৱত লগ পায়েই থাকে তাই, কিন্তু নামাতে। কিয় জানো, লাজ লাগে তাইৰ অনুপমলৈ। সকলোৱে কয় তাইৰ আৰু অনুপমৰ জোৰাটো ধুনীয়া লাগিব।

ঃ জোনালী, মই আনি দিম ৰ'বা।

চমকি উঠিল তাই। ইমান সুন্দৰ ইমান কোমল মাতটো.......যেন এসোপামান মৰম সানিহে দিছে মাতটোত । কিন্তু পিছমুহূৰ্ততে সাৰপাই উঠিল জোনালীৰ অহংকাৰী সত্বাটো। কাৰো সহায় কেতিয়াও নিবিচাৰে তাই, লাগিলে সেইটো এথোপা সোণাৰুৰ বাবেই হওঁক।

ঃ মোক কাৰো সহায়ৰ দৰকাৰ নাই।

ঃ সেইটো অৱশ্যে দেখিয়েই বুজিছো। চাওঁ, গুচা।

অনুৰোধ নে আদেশ এয়া। পিছুৱাই আহিল তাই। সি আগুৱাই গ'ল, ছিঙিলে দুথোপা সোণাৰু। জোনালীয়ে মন্ত্ৰমুগ্ধৰ দৰে মাথো চাই ৰ'ল।

ঃ টিউচনলৈ দেৰি হোৱা নাইনে তোমাৰ? ফুলথোপা দি তাইৰ চকুত চকু থৈ সুধিলে সি।

ঃ তুমি কেনেদৰে জানিলা যে মোৰ টিউচন আছে? হৃদয়ত বাস কৰাজনীৰ খবৰ নাৰাখিলে কেনেকৈ হ'ব। পঢ়িবা, ভালদৰে পঢ়িবা। মেট্ৰিকৰ ৰিজাল্ট খুব ভাল হ'ব লাগিব। ভাল ৰিজাল্ট এটা উপহাৰ পাম বুলি আশাৰে বাট চাই ৰ'লো।

শিলপৰা কপৌৰ দৰে থৰ লাগি ৰ'ল জোনালী। কি কৈ গ'ল অনুপমে এইবোৰ। তাৰ হৃদয়ত বাস কৰেনে সঁচাকৈয়ে তাই? সি গৈ আছে, পুৰাৰ কোমলতা সনা পথটোৰে কিবা গুণগুণাইছে, শুনিলে তাই.......।

তুমি আহিবা এদিন
মোৰ জীৱনলৈ
সোণাৰুৰ হালধীয়া দলিচা পাৰি থম
মই জানো,
সোণাৰু তোমাৰ প্ৰিয় ফুল.........।

জোনালীৰ পৃথিৱীখন যেন ৰঙীণ হৈ পৰিল.....। বিয়পি পৰিল সকলোতে সোণাৰুৰ হালধীয়া। অনুপমক প্ৰায়েই দেখা পায় জোনালীয়ে। দুচকুত দুচকু থৈ মিঁচিকিয়াই হাঁহে

সি। সেইদিনাৰ পৰা কি হ'ল জানো জোনালীৰ, দুচকুৱে কেৱল অনুপমক বিচাৰে। তাৰ গভীৰ নীলা দুচকুত জাহ যাব খোজে তাই চগাৰ দৰে। সি কৈছিল তাইক, ৰিজাল্ট ভাল কৰিব লাগিব। বহুত ভাল ৰিজাল্ট কৰিব তাই, খুব পঢ়িব। দেখুৱাই দিব অনুপমক। সি এদিন কোৱা এযাৰ সামান্য কথাৰ কিমান মূল্য দিছে তাই। হৃদয়ত অনুভৱ আৰু দুচকুত সপোন লৈ পাৰ হয় সময়। ফাগুন আহে, পছোৱাৰ বাৰ লগত পৰীক্ষা আহে শেষো হয় একেদৰে। পৰীক্ষাৰ পিছৰ দিনবোৰো যেন নাযায় নুপুৱায়। অনুপমৰ প্ৰতি অভিমানেৰে ভৰি পৰে জোনালীৰ আদৰুৱা মন। সন্দেহ হয়, ভাল পায়নে সিও তাইক সঁচাকৈয়ে ........। যদি ভালেই নাপায়, দুচকুৰ আকুল দৃষ্টিৰে কিয় বাউলী কৰে তাইক বাৰে বাৰে। কোনেও নজনাকৈ কিয় গঢ়ি তুলিছে সিহঁতৰ মাজত এখন অনুভৱৰ সাঁকো।

অৱশেষত বহু অপেক্ষাৰ অন্তত আহিল সেইদিন। তাইৰ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনা অনুপমে ক'লে তাইক, সেই বহু প্ৰত্যাশিত কথাযাৰ। জোনালীৰ হৃদয়ত সৰি সৰি পৰিল ভালপোৱাৰ জোনাক। হৃদয়ে হৃদয়ক চিনিলে বুজিলে এই জোনাকতে।

পাখিলগা কাঁড়ৰ দৰে সঁচাই কেনেদৰে উৰি যায় সময়। দিনে দিনে বাঢ়ি আহিল অনুপম আৰু জোনালীৰ ভালপোৱা। হায়াৰছেকেণ্ডাৰী পঢ়িবলৈ জোনালীক গুৱাহাটীলৈ পঠালে দেউতাকে। সিহঁতৰ সম্পৰ্কত কিন্তু একো প্ৰভাৱ পৰা নাছিল এই দূৰত্বৰ বাবে। অনুপমৰ প্ৰেৰণাৰে আগবাঢ়িছিল জোনালী। আৰ্থিক দুৰৱস্থাৰ বাবে চহৰৰ কলেজত পঢ়িবলৈ সমৰ্থ নাছিল অনুপম। তাইৰ উৎসাহত, শাসনত অনুপমো নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িছিল।

সেইদিনা অনুপম আহিছিল গুৱাহাটীলৈ জোনালীক লগ ধৰিবলৈ। গনেশগুৰিলৈ ছিটি বাছত উঠি তাইলৈ ফোন কৰিছিল অনুপমে। জোনালীৰ পৃথিৱীখন সেউজীয়া হৈ উঠিছিল। ৰুমমেট উপাক খবৰটো দিবলৈ ডাইনিং হ'ললৈ গৈ টি.ভি.ৰ নিউজটো পঢ়ি স্তব্ধ হৈ পৰিছিল জোনালী। পাগলীৰ দৰে দৌৰিছিল গণেশগুৰিলৈ..........। একো নাছিল তাত..... একো নাছিল। কিছুমান ছিন্ন-ভিন্ন মৃতদেহ আৰু তেজৰ ডোঙাৰ বাহিৰে একো নাছিল তাত.....। বোমা বিস্ফোৰণৰ বলি হোৱা জ্বলন্ত মাংসপিণ্ডবোৰৰ মাজত পাগলীৰ দৰে বিচাৰিছিল, তাই অনুপমক। বহুত বিচাৰি



অৱশেষত এথোপা মৰহি যোৱা সোণাৰু পাইছিল তাই......... তেজৰ ডোঙা আৰু পোৰা মঙহৰ গোন্ধত.............।

তোমাৰ ওচৰত ফুলেনে এতিয়াও
হালধীয়া সোণাৰুবোৰ
মনত পেলাবাচোন কেতিয়াবা
সোণাৰুৰ হালধীয়াৰ মাজত
সঞ্চিত হৈ থকা
আমাৰ সপোনবোৰ .........। *

*(গল্প লিখা প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত গল্প)*

# বৈপৰীত্য

— পাপৰি কৌশিক
স্নাতক তৃতীয় বৰ্ষ
ভূগোল বিভাগ

থুনুককৈ শব্দ এটা হোৱাৰ লগে লগেই নমিতাই ঘৰৰ ভিতৰৰ পৰাই মাত দিলে, 'অই, তই আকৌ আজিও এটা ভাঙিলি হাঁ? কি ভাবি ভাবি কামবোৰ কৰি থাক? এই মাহৰ দৰমহাৰ পৰা তোৰ কাপ প্লেট ভঙা পইচাবোৰ কটা যাব বুজিছানে নাই?" বিনীতাই একো ক'ব নৌপাওঁতেই নমিতা ভিতৰলৈ সোমাই গ'ল। জানো এইকেইদিন বিনীতাৰ কি হৈছে একো কামতে তাই মন বহুৱাব পৰা নাই। তাই আগৰ কথাবোৰ ভাবিবলৈ ধৰিলে।

তাহানিতে গাঁৰত থাকোঁতে যে সিহঁতে লগৰবোৰৰ সৈতে দৰা-কইনা, লুকা-ভাকু খেলিছিল সঁচাকৈ কিমান যে ভাল লাগিছিল সেই দিনবোৰ। পথাৰৰ বোকা গচকি লগৰবোৰৰ সৈতে মাছ ধৰা আৰু মুধুহতঁৰ লগত ভকতৰ ঘৰত ৰবাৰ টেঙা চুৰ কৰিবলৈ যাওঁতে ভকতে পহু খেদা দিছিল সঁচাকৈ কিমান মজাৰ দিন আছিল সেইবোৰ। পিঠিত দুপৰীয়াৰ ৰ'দ পৰি থাকোতে তাই অতীতৰ স্মৃতিৰ মাজত সোমাই গৈছিল। তাহানি পিঠিত ৰ'দৰ উম লৈয়েইতো সিহঁতে বগৰী, জলফাই আদিৰ মজা লৈছিল। আজিও তাই পিঠিত ৰ'দৰ উম লৈয়েই আলহীয়ে চাহ খোৱা প্লেটবোৰ ধুই আছিল। সঁচাকৈ স্মৃতিবোৰ ৰঙীণ চিলাৰ দৰে উৰুৱাই ভাল লাগে আৰু যেতিয়া সেইবোৰ ভাস্বৰ হৈ উঠে অনুভৱ হয় যেন এই একেই পৃথিৱী একালত কি মধুৰ আৰু মোহময়ী আছিল। কিন্তু সেইবোৰ যে এতিয়া স্মৃতি, যিবোৰৰ সাক্ষী মাথো বিনীতা আৰু ................। বিনীতা, "অই সেই বাচনকেইটা ধুওঁতেই ইমান দেৰী লগালি বাকী কামবোৰ কেতিয়া কৰিবি? " নমিতাৰ কৰ্কশ শব্দকেইটাত বিনীতাৰ যেন চিন্তাত যতি পৰিল। তাই লৰালৰিকৈ বাচনখিনি ধুই অতালে।

বিনীতাই মনতে ভাবিলে বাৰ্বীক স্কুলৰ পৰা আনিবৰ সময় হৈছে। তাই অকণো পলম নকৰি বাৰ্বীক স্কুলৰ পৰা আনিবলৈ গ'ল।

বাৰ্বী হৈছে বিনীতাই কাম কৰা ঘৰৰ মালিকৰ ছোৱালী। ক্লাছ বানৰ ছাত্ৰী। তাইৰ বাবে বিনীতাই যেন মাক। বিনীতা নহ'লৈ যে বাৰ্বীৰ একো কামেই নহয়। খেলাৰ পৰা স্কুললৈ অহা যোৱা সকলো কামতে বাৰ্বীৰ পিছত অৰ্থাৎ বাৰ্বীৰ আগে-পিছে সোঁৰে-বাঁৰে সকলোতে কেৱল বিনীতা। বিনী বা অৰ্থাৎ বিনীতাকো বাৰ্বীয়ে খুব ভাল পায়।

বাৰ্বীৰ লগত গাড়ীৰে স্কুলৰ পৰা ঘৰলৈ আহি থাকোতে বিনীতাৰ ভনীয়েক নম্ৰতালৈ খুব মনত পৰিল। ঠিক বাৰ্বীৰ সমনীয়া হ'ব নম্ৰতা। এতিয়া ছাগে তায়ো স্কুললৈ যাব পৰা হৈছে। এইবাৰ ঘৰলৈ গৈয়েই নম্ৰতাক বিনীতাই গাঁৰৰ স্কুলতে নাম ভৰ্তি কৰাই দিব আৰু মাকৰ বেমাৰৰো চিকিৎসা কৰাব। দুখীয়া হোৱাৰ দুখ যেন তাই আৰু কাকো ভুগিবলৈ নিদিয়ে। সৎ আৰু সৰল বাপেকজন নম্ৰতাই বুজিপোৱা হৈ উঠাৰ আগতেই এদিনাখন জীৱিকাৰ একমাত্ৰ ঠেলাগাড়ীখন লৈ ঘৰলৈ আহি থাকোতেই দুৰ্ঘটনাত পতিত হৈ প্ৰাণ হেৰুৱায়। এতিয়া পৰিয়াল বুলিলে তাই, নম্ৰতা আৰু মাক। ঘৰৰপৰা আহিবৰ সময়ত বিনীতা হৈ পৰিছিল বাকৰুদ্ধ। কথা ক'বলৈও যেন শব্দ বিচাৰি পোৱা নাছিল। মাকে প্ৰথমতে চহৰলৈ যাবলৈ বিনীতাক আপত্তি কৰিছিল। কিন্তু কাষৰে ৰঘুনাথ খুৰাকে তাইক চহৰৰ স্কুলতে পঢ়ুৱাব বুলি কোৱাতহে কোনোমতে সন্মত হৈছিল আৰু আহিবৰ সময়ত হাতত কেইটামান নাৰিকলৰ লাৰু গুজি দি গালে-মুখে হাতবুলাই মৰম কৰি কৈছিল, "আই, ভালকৈ থাকিবি, ঘৰলৈ আহি থাকিবি, ভাল মানুহ হবি।" সঁচাকৈ মাকৰ কথাকেইটা বিনীতাৰ বাবে আপুৰুগীয়া সম্পদ। তাই সঁচাকৈয়ে বৰ দুৰ্ভগীয়া। টাউনলৈ আহি তাই দেখিলে যে তাইৰ কাম হ'ল চহৰৰ নাজজ্বলা উকিল ৰঘুনাথ চহৰীয়াৰ একমাত্ৰ ছোৱালী বাৰ্বীক চোৱা-চিতা কৰাটো। ঠিকেই, তাই চহৰৰ স্কুলৰ বাৰান্দালৈ সদায় যায় কিন্তু তাত পঢ়াৰ বাবেহে উপযুক্ত নহয়। তাইৰ ঠাই তাত নহয়, উকিলৰ চৌহদৰ ভিতৰৰ বাচন বৰ্তনবোৰৰ মাজতহে। তাই আবদ্ধ মাথো বাৰ্বীৰ পৰিচৰ্য্যাৰ কামতহে। কিন্তু মাকক তাই কি ক'ব? মাকক তাই কেতিয়াবা মিছা নামাতে। সেয়েহে তাই সাধাৰণতে এনেধৰণৰ প্ৰশ্নৰ সন্মুখীন হ'ব পৰা সময়ত নেথাকে অৰ্থাৎ ঘৰলৈ গ'লেও তাই এৰাতিৰ বাবেহে যায়।

কথাবোৰ পাগুলি আহি থাকোতে কেতিয়ানো ঘৰৰ পদূলিমুখ পালে গমেই নাপালে বিনীতাই। লৰালৰিকৈ গাড়ীৰ পৰা নামি বাৰ্বীক লৈ কোঠাৰ ভিতৰলৈ গ'ল আৰু বাৰ্বীৰ কাপোৰ কেইটা সলাই দি ভাত দিবলৈ গ'ল। "অই তই এইবোৰ কি বনাইছ? গোটেইবোৰ পুৰি পেলাইছ। কি চিন্তা কৰি তই ভাত বনাৰ হা, কাম কৰিবলৈ মন নাই তোৰ। বাহিৰলৈ গৈ গৈ তোৰ ঘৰত মন নবহা হৈছে। কালিৰেপৰা

তই ঘৰতে থাকিবি। বাৰ্বীক অনা নিয়া বেলেগৰ দ্বাৰাই কৰাব লাগিব।" নমিতাৰ কথাকেইটাই বিনীতাৰ হিয়াখন যেন স্তব্ধ কৰি পেলালে। তাই পাহৰি পেলালে তাইৰ অস্তিত্ব। বাৰ্বীৰ লগত ওলাই যোৱাৰ বাহিৰেতো তাইৰ বাহিৰৰ পৃথিৱীখন দেখাৰ কোনো উপায়েই নাই। আৰু সেইটোও যদি বন্ধ হৈ যায় তাই কেনেকৈ থাকিব? নাই তাই ইয়াত থাকিব নোৱাৰে কিন্তু ভনীয়েক নম্ৰতাক পঢ়ুৱাৰ তাইৰ স্বপ্ন যদি ভংগ হৈ যায়.......। নাই নাই, তাই তেনে হ'ব দিব নোৱাৰে। তাইৰ কষ্টৰ বিনিময়ত যদি ভনীয়েকৰ অলপ ভাল হয় তেন্তে সেয়াও ডাঙৰ সাফল্য। তেনে বিশ্বাস তাই ভাঙিব দিব নোৱাৰে। তাই জানে জীৱনৰ হাজাৰটা সংঘাতৰ মাজতো বিশ্বাস আৰু আত্মবিশ্বাসে মহৌষধিৰ দৰে কাম কৰে।

তাই মাথো এটি নিয়ৰৰ টোপাল। যি কুঁৱলীয়ে দোকমোকালিতে নিয়ৰ হৈ পৰে ; ওপৰলৈ উঠি গৈ যিয়ে মেঘ হৈ বৰষুণৰ ৰূপত পুনৰ তললৈ নামি আহে। সেয়েহে নিয়ৰৰ কোনো আক্ষেপ নাই। তাইৰো কোনো আক্ষেপ নাই।

ভাত খাবলৈ বিনীতাৰ আৰু মন নগ'ল। তাই বাৰ্বীক ভাত কেইটামান খুৱাই দিলে। আজি তাইৰ গাটো বেয়া লাগিছে। সেয়ে তাই পাকঘৰৰ কাম আগতীয়াকৈ সামৰি শুবলৈ লওঁতেই আকৌ নমিতাৰ আদেশৰ সুৰ "বিনীতা মোৰ আজি এখন মিটিং আছে। তই এতিয়া লুচি ভাজি বনাবি। মোৰ লগৰে কেইজনীমান আহিব।" পুনৰ কথাকেইটা শুনি বিনীতাৰ পেটে পেটে অলপ খঙো উঠিল কিন্তু তাই যে ...........। তাই বুজি উঠে আজিৰ সমাজখনৰ কথা। বুজি উঠে শোষিত শ্ৰেণীৰ কথা। কিন্তু হায় ! তাইৰ অন্তৰে হাঁহাকাৰ কৰি উঠে, যেতিয়া নমিতাৰ প্ৰচণ্ড খঙৰ সাক্ষী হবলগীয়া হয় বিনীতাৰ দুয়োখন গাল। কিন্তু তাই কথাবোৰ ভাবি ভাবি কেতিয়ানো টোপনি আহিল গমেই নেপালে। নমিতাই সজোৰে মৰা চৰটোৰেহে তাইক অস্তিত্বৰ কথা মনত পেলাই দিলে। তাই যেন আৰু সহ্য নকৰে। তাই এইবাৰ ঘৰলৈ গৈ নম্ৰতাক পঢ়ৱাবই। আৰু কেতিয়াও টাউনলৈ নাহে। কিন্তু বাৰ্বীৰ কি হ'ব? তাই নহ'লে জানো কণমানি বাৰ্বীয়ে থাকিব পাৰিব? বিচ্ছেদৰ বেদনা জানো সহ্য কৰিব পাৰিব বিনীতায়ো? পাৰিব। কিয় নোৱাৰিব। বিনীতা নহ'লেও বিনীতাৰ দৰে হেজাৰ ছোৱালী চহৰীয়া উকিলৰ ঘৰত বিদ্যমান হ'ব। কোনোবা নতুন বিনীতাৰ নিশ্চয়কৈ আবিৰ্ভাৱ হ'ব। মাকৰ আদৰ্শবোৰ বিনীতাৰ বাবে আকাশৰ তৰাৰ দৰে। চুবও নোৱাৰি ওচৰলৈ যাবও নোৱাৰি।

লুচি আৰু ভাজি বনাই বিনীতাই খোৱা ৰুমলৈ লৈ যাওঁতে তাত চাৰিগৰাকী মহিলা বেছ স্ফুৰ্তিত কথা পাতি থকা প্ৰত্যক্ষ কৰিলে। বিনীতাৰ আগমনত যেন একমুহূৰ্তৰ বাবে সিহঁতৰ আলোচনাত যতি পৰিল। বিনীতাই দেখিলে তাত কাষৰে শইকীয়া উপাধিৰ তিৰোতাজনী। বিনীতাই ৰাতিপুৱা বাৰ্বীক স্কুললৈ থবলৈ যাওঁতে সিহঁতৰ ঘৰত কামকৰা ল'ৰাটোৰ দুয়োখন গাল ৰঙা পৰি থকা দেখিছিল আৰু তাৰ দুয়ো চকুৰেদি লোতক বৈ আছিল। স্কুলৰ পৰা আহি বিনীতাই ৱালৰ ওপৰেৰে তাক দেখি সোধো নোসোধোকৈ সুধি পেলাইছিল। "কি হৈছে তুমি কিয় কান্দিছা?" কিন্তু উত্তৰত সি মাথো বিনীতাৰ মুখলৈ কেইপলকমান চাই আঁতৰি গৈছিল। তাই বুজি উঠিছিল তাৰ মৌনতাৰ ভাষা। "অই ছোৱালী, তোৰ ঘৰত কোন কোন আছে।? ভনীয়েৰ আছে নেকি?" শইকীয়া উপাধিৰ তিৰোতাজনীয়ে বিনীতাক সুধিয়েই পেলালে। তাৰ পিছত নমিতালৈ চাই ক'বলৈ ধৰিলে, "বুজিছে চহৰীয়া, আজিকালি গাঁও-ভূইতো কামকৰা ল'ৰা-ছোৱালী পাবলৈ নাই। এইৰ ভনীয়েক আছে যদি অনাৰ ব্যৱস্থাটো কৰি দিব নোৱাৰেনে?" নমিতাই মাত দিলে, "কিয়, আপোনাৰ ঘৰত যে আছিল ল'ৰাটো এতিয়া নাই নেকি? "এ নক'ব, বুজিছে ৰাতিপুৱাই মই তাক বেনাৰকেইখন বনাই থবলৈ ক'লো, সি কি কৰিলে জানে? ক্ৰিকেট চাবলৈহে দৌৰি গ'ল। কি কৰিব আৰু ? এখেতে দিলে দুই থাপৰমান। তেতিয়াৰ পৰাই উৎপাতখন কৰি আছে আমাৰ ইয়াত হেনো নেথাকে।" বিনীতাৰ যেন শইকীয়াৰ কথাবোৰ আৰু শুনিবলৈ মন নোযোৱা হ'ল। তাই তাৰপৰা বাৰ্বীৰ ৰুমলৈ একে দৌৰে আহি পালে। নাই নাই নম্ৰতাক ইয়াত থ'বই নোৱাৰে। তাইয়ো ঠিক কৰি পেলালে। তাইয়ো ইয়াত নেথাকে।

"বিনী বা, শুনাচোন।" বাৰ্বীৰ মাতত বিনীতা উচপ খাই উঠিল আৰু বাৰ্বীলৈ চালে। বাৰ্বীৰ হাতত জাতীয় পতাকাৰ দৰে কিবা এখন। তাই সুধিলে বাৰ্বী এয়া কি আনিছা?" "নাজানো, মাহঁত যোৱাৰ পিছতে মই পালো। সেই কাৰণে তোমাক দিব আনিছো।" অ' তেতিয়া নিশ্চয় এইবোৰ বেনাৰৰ কথাকেই পাতি আছিল। তাই সেইকেইখন লিৰিকি বিদাৰি চালে। কিন্তু এয়া কি? এয়া তাই কি দেখিছে, তাইৰ চতুৰ্থ শ্ৰেণীলৈকে শিকা আখৰবোৰ ভুল হোৱা নাইতো। তাইৰ মূৰটো যেন আচন্দ্ৰাই ধৰিছে। তাই আকৌ এবাৰ বেনাৰখন ভালকৈ পঢ়িবলৈ ধৰিলে —

"শিশু শ্ৰমিক ৰোধ কৰক"
শিশু সকলক পঢ়িবলৈ দিয়ক। *

---

*(গল্প লিখা প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত গল্প)*

# ইন্টাৰভিউৰে গঠা জীৱনবোৰ

শ্ৰীজগত শৰ্মা
অসমীয়া বিভাগ
স্নাতক তৃতীয় বৰ্ষ

কিলিলিং কিলিলিং কিলিলিং কৈ ঘড়ীটোৱে পুৱাই পুৱাই বৰ কৰ্কশ ভাৱে বাজি উঠিল। আনদিনাৰ দৰেকৈ আজিও বাগৰ সলাই শুব খুজিলো যদিও নোৱাৰিলো। তেতিয়া মোৰ চিলমিলীয়া টোপনিতে পৰীক্ষাৰ হল আৰু প্ৰশ্ন কাকত খন মোৰ দুচকুত টট'কৈ জিলিকি থাকিল। ধমহকৈ উঠি মোৰ উৰি থকা কাপোৰ বোৰত এটা ফ্ৰন্ট কিক শোধাই দিয়াত বিচনাখনৰ ভৰি পথানত মোকোটা খায় পৰিলগৈ। মই গম পোৱাৰ দিনৰে পৰা আজিলৈ ইমান সোনকালে উঠাতো মোৰ প্ৰথম 'ৰেকৰ্ড'। মাৰ আদেশ ক্ৰমে নঙলাৰ মুখত থকা খালটোত চাবোন বিহীনভাৱে গাটো জোপোটা মাৰি আহিলো। গৰম পানীৰ পৰা তুলি অনা বইলাৰটোৰ দৰেকৈ তেতিয়া মোৰ গাৰ পৰা পুহমহীয়া ঠাণ্ডাৰ ধোৱা ওলাই আছিল। মায়ে পূজা পাতল কৰি মোৰ কপালত ছন্দনৰ তিলক আঁকি দিলে। মাৰ তেনেবোৰ নিয়ম দেখি মোৰ এনে লাগিল যেন মই হিটলাৰৰ বিপক্ষে যুজিবলৈহে যাব ওলাইছো। ধোৱা ওলাই থকা জহা চাউলৰ ভাত কেইটাত মায়ে ঘৰত বনোৱা ঘি যতনাই দিছে। হাঁহ মুৰ্গীৰে ঠাহ খায় থকা ঘৰত অগনন কণী থকা স্বত্বেও মোৰ পাতত এটাও নপৰিল। কোনো শুভ কামত যাব ওলালে হেনো কণী জাতীয় খাদ্য খোৱা নিষেধ। প্ৰায়মাৰি পাছ কৰিব নোৱাৰা মায়ে মোক পৰীক্ষাৰ সকলো নিয়ম এজন বিজ্ঞৰ দৰেকৈ বুজাই গ'ল। মায়ে মোৰ মূৰ পিহি দি বুজায় যোৱাত সুধা ভাত কেইটাও পৰম তৃপ্তিয়ে বকাসুৰৰ দৰেকৈ গিলি গলোঁ।

কুষ্ঠ ৰোগীক বেজি মৰাৰ লিখিতপৰীক্ষা। বহু হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে গিজগিজাই থকা এটা পৰীক্ষা। মাত্ৰ ওঠৰতা পদৰ বাবে পৰীক্ষাথীৰ সংখ্যা আঠ দহ হাজাৰৰ ওপৰত হব। অৱশ্যে ময়ো তাৰে মাজৰে এজন। দদৰা হাইস্কুল আমাৰ পৰীক্ষাৰ কেন্দ্ৰ। জুয়ে চেলেকী যোৱা এখন পুৰণা স্কুল। মোৰ ঘৰৰ ওচৰৰ পৰীক্ষা প্ৰাৰ্থী জনৰ মতে প্ৰায় সাত মান বজাতে ৰাওনা হলো। পৰীক্ষাৰ সময় দিনৰ এঘাৰ বজাত। বাছটেণ্ডটোত বহু সময় ৰখাৰ অন্তত পুৰণা মডেলৰ গাড়ী এখন আহি ৰখাত তাৰ হেণ্ডিমেন জনে আমাৰ ফালে চাই চিঞৰি থাকিল- এই হাজো, দদৰা-----হাজো। আনবোৰ গাড়ীৰ তুলনাত এইখনত তেনে ভিৰ দেখা নগ'ল। গতিকে আমি আমাৰ একান্ত সহচৰ ফাইল দুটা বুকুত বান্ধি গাড়ীত উঠি পৰিলো। দলদোপ-হেণ্ডোলদোপকৈ গাড়ীখন আহি থাকিল। পাহাৰখনৰ কাষতে থকা শিল ভঙা মেচিনবোৰৰ পৰা ধূলি জাতীয় এটা ডাঠ প্ৰলেপ উৰি আহি আমাক কোৱায় গ'ল। মই এনেয়ে শ্যাম বৰণীয়া তাতে আকৌ শিলৰ বগা ৰং। তেতিয়া মোৰ তেনে অৱস্থা দেখি হয়তো মোৰ মাঁ দেউতাই মোক তেওঁলোকৰ নুমুলীয়া পুতেক বুলি চিনি নাপালেহেঁতেন। মোৰ ক'লা জোতা লংপেন্ট নিমিষতে ডিচ্‌কালাৰ হৈ পৰিল। মই যেন তেতিয়া বড়িক পাউদাৰৰ টিঙৰ পৰাহে ওলাই আহিছো থিক তেনেকৈ মোৰ গাটো ধূলিৰে বগা পৰি গ'ল।

পৰীক্ষাৰ নিধাৰিত সময়তকৈ আমি থিক দুঘন্টা আগতে গন্তব্য স্থান পালোগৈ। আমাৰ পৰীক্ষাৰ চেন্টাৰটো চোৱাৰ মানসেৰে আগুৱাই গৈ যি দেখিলো তেনেকুৱা দৃশ্য আগতে কাহনিও দেখা মোৰ মনত নপৰে। স্কুল খনৰ গেট তেতিয়াও খোলা নাই। গেটৰ সন্মুখত হাজাৰ হাজাৰ মানুহৰ জুম। বোধহয় বোমা চোমা উদ্ধাৰ হৈছে। জুম ফালি ফালি আমি আগুৱাই যায় দেখিলো দুখন মস্ত ক'লা বৰ্ডত 'চিট প্লেন' আঠাই থোৱা আছে। প্ৰতিজন পৰীক্ষাৰ্থী মোতকৈ বহু গুণে চিনিয়ৰ হ'ব। আমাৰ চিট দুটা চাই তাৰ পৰা ওলাই আহি এনেয়ে অলপ আগৰ ফালে গুছি গ'লো। বাটতে থকা শনি মন্দিৰটো দেখি মোৰ মনত পৰি গ'ল মেট্ৰিক পৰীক্ষাত তোলা শঠাটো আজিও বাকী হৈয়ে আছে।

আমাৰ হাতত তেতিয়া প্ৰায় দুঘণ্টা সময় আছে। সতীৰ্থ জয়ন্তৰ সতে বেচ কিছু আগুৱাই যোৱাত এখন শুকান মেটেকাৰে ভৰা পিটনিৰ মাজ পালো গৈ। ঘোৰা দেখি খোৰা হোৱাৰ দৰে পিটনি খন দেখি জয়ন্তৰ শৌচ কৰা লাগি গ'ল। মই পুলটোৰ ওপৰত বহি পৰাত পৰীক্ষাৰ্থীবোৰৰ মুখবোৰ মোৰ দুচকুত ভাহি উঠিল। মোৰ-দেউতা খুড়া হতৰ বয়সৰ সতে মিল থকা কেতবোৰ মুখ। দেহত সম্পূৰ্ণ ৰূপে বয়সৰ চাপ পৰিছে কিন্তু ধৈৰ্য্য হেৰায় পেলোৱা নাই। এইটো যদি মোৰ পোন্ধৰ তম ইন্টাৰভিউ হয় তেতিয়া হ'লে তেওঁলোকৰ ডেৰশ বা ততোধিক তম্ ইন্টাৰভিউ হ'ব। দুৰ্নীতি গ্ৰস্ত অসম চৰকাৰ খনৰ অৱস্থাই আশংকাত মোৰ বুকুখন দুৰু দুৰুকৈ কাপি উঠিল। মই যান্ত্ৰিক ভাবে সাউতকৈ বেগৰ পৰা সাধাৰণ জ্ঞানৰ কিতাপবোৰ উলিয়াই আকৌ এফালৰ পৰা চাই গ'লো।

এটা অত্যাধিক জেকা পৰা ৰুমৰ এটা কোণত মোৰ চিটটো। এই ৰুমটোত কোনোকালে ৰদ পৰাৰ সংকেত নাপালো। মোৰ নিসংগ প্ৰিয় মনটোৱে যেন তাকে বিচাৰিছিল। চিটৰ বিপৰীতে প্ৰতিজন পৰীক্ষাৰ্থী দেখি মোৰ মনটো আকৌ ভাবুক হৈ পৰিল। কিচিমে, কিচিমে ছাত্ৰ-ছাত্ৰী দেখি ভগৱানৰ ওচৰত এবাৰ কাবৌ কৰিলো যাতে মোৰ তেনেকুৱা দশা নহয়। ইমানবোৰ পৰীক্ষা দি দি তেওঁলোকে মুখ ঠেকেচা খায়ো ধৈৰ্য্য ধৰি থকা দেখি তেওঁলোকৰ সহনশীল গুণটোৰ প্ৰতি মোৰ মূৰ দো খাই গ'ল। থিতাতে যেন মই অসম চৰকাৰৰ বিৰুদ্ধে ধৰ্ণা দিম তেনেকুৱা লাগিল। ইংৰাজী, অংক, বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ সমাহাৰেৰে এশ নম্বৰৰ প্ৰশ্ন কাকত। দুঘন্টা যুক্ত কাকত খন মই মাত্ৰ পঞ্চল্লিশ মিনিটত সাং কৰি ৰুমটোৰ আলেখ লেখ চাই থাকিলো। প্ৰশ্নবোৰ মোৰ বাবে তেনেই উজু আছিল। মোৰ প্ৰশ্নবোৰৰ উত্তৰযে পূৰ্ণ শতাংশই শুদ্ধ তাত কোনো সন্দেহ নাই। প্ৰতিজন পৰীক্ষাৰ্থীয়ে মোবাইলেৰে কাৰোবাৰ সতে ভূনভূনাই আলোচনা কৰি প্ৰশ্নৰ উত্তৰ কৰি গ'ল। তাত কোনো বাধা নাই, মাথো গাৰ্ড থকা চাৰ কেইজনে পাৰ্যমানে সহায় কৰি গ'ল। কাৰণ তেওঁলোকে জানে হাণ্ডেট পাৰ্চেণ্ট শুদ্ধ উত্তৰ দিওঁ ইয়াতে কোনো সুফল পোৱা নাযায়। ইয়াত থকা সৰহ সংখ্যক পদ এটা মোটা অংকৰ ধনৰ বিনিময়ত বিক্ৰী হৈ গৈছে। মই সকলোবোৰ ভেবা লাগি চাই ৰ'লো।

পৰীক্ষাৰ পৰা থিক আঠাইশ দিন মানৰ অন্তত ৰিজাল্ট ওলাল। মোৰ ৰিজাল্ট মতে মই হেনো চাকৰিৰ বাবে উপযুক্ত নহয়। চৰকাৰ আৰু কৰ্তৃপক্ষৰ এনে আচৰণ দেখি মৰ্মাহত নহৈ নোৱাৰিলো। মই বুজিলো বিক্ৰী হোৱা পদবোৰত তেতিয়া আমাৰ দৰে পৰীক্ষাৰ্থীবোৰৰ কোনো সুযোগ নাই। এই পৰীক্ষাৰ পৰা মই ধৈৰ্য্য ধৰিবলৈ শিকিলো। মই আকৌ পৰৱৰ্তী ইণ্টাৰভিউলৈ সাজু হ'লো কিজানিবা ফুটা কপালত চৰকাৰী চাকৰী ফচিয়ে যায়...............। *



# মধ্যাহ্ন ভোজন

শ্ৰীঅসীম মহন্ত
স্নাতক প্ৰথম বৰ্ষ
পদাৰ্থ বিজ্ঞান বিভাগ

কলেজৰ প্ৰতিটো গোট পৰীক্ষা শেষ হোৱাৰ পিছৰ দিনা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি অতি সেৰেঙা হোৱাৰ বাবে পাঠদান কাৰ্য প্ৰায় বন্ধই থাকে। অৰ্থাৎ এই দিনটো 'বন্ধৰ নিচিনা' বুলিব পাৰি। তৃতীয় গোট পৰীক্ষা শেষ হ'বৰ দিনা, ৰাতিপুৱা খোৱাৰ পিছত অতিৰিক্ত হিচাপে চচ্‌পেন কেৰাহীত থকা ঠাণ্ডা অন্ন এমুঠি ভক্ষন কৰি আবেলিৰ ঘৰমুৱা বাছখনত উঠি ঘৰলৈ বুলি ৰাওনা হ'লো।

ৰাতিপুৱা ৮-৫০ (আঠ বাজি পঞ্চাছ মিনিট)ৰ ৰেডিঅ'ৰ আঞ্চলিক বাতৰিটো মুখ-হাত ধুই উঠি শুনিব পৰাকৈ সময়ত শোৱা পাতি ত্যাগ কৰিলোঁ। প্ৰাতঃ কৰ্মসমাপন কৰাৰ পাছত মনত আকস্মিক ভাৱে শৈশৱকালত শিক্ষাগ্ৰহণ কৰা এল. পি. স্কুলখনলৈ গৈ শিক্ষাগুৰুসকলক দৰ্শন কৰাৰ হেপাহ এটা উপজিল। আইয়ে বৰ জুটি লগাকৈ যুগোটাই দিয়া পুৱাৰ আহাৰ প্ৰায় ঢেঁটুৰ গুৰিলৈকে সোমোৱাই গহীন গম্ভীৰ খোজেৰে গন্তব্য স্থানলৈ ৰাওনা হ'লো। 'টেটেলী তলৰ কেকুৰীটো পায়েই বহু নৰ-নাড়ীৰ কণ্ঠস্বৰ একত্ৰিত হৈ মাছৰ বজাৰস্থলীত সৃষ্টি হোৱা হুলস্থূলৰ দৰে এক কোলাহল শুনিবলৈ পালোঁ। এই কোলাহলৰ মাজে মাজে ধাতুৰে নিৰ্মিত বস্তু, যেনে- কাঁহী,বাতি, গিলাচ আদিৰ টুং-টাং শব্দ উপৰ্যেপিৰি শুনিবলৈ পালোঁ। "এই বিলাক কিহৰ শব্দ! স্কুলৰ ঘণ্টাটোৰ লগত ভলুকা বাঁহৰ মাৰিডালৰ সংঘৰ্ষৰ ফলত সৃষ্টি হোৱা শব্দওটো নহয়! পিছে কিহৰ শব্দ!" এক কৌতুহলপূৰ্ণ মনোভাৱেৰে মোৰ শৈশৱৰ পঢ়াশালিৰ অভিমুখে আগবাঢ়িলোঁ।

স্কুলৰ পদূলিত উপস্থিত হৈ এক অপূৰ্ব দৃশ্য প্ৰত্যক্ষ কৰিলোঁ। স্কুল ঘৰটোৰ সন্মুখৰ মুকলি ঠাইডোখৰত ছাত্ৰ-ছাত্ৰীবোৰৰ তিনিটা ধেনুভিৰীয়া শাৰী এটা শিশুৰ পৰা কাষৰটোৰ দূৰত্ব আধাফুটমান হ'ব। সিহঁতৰ প্ৰত্যেকৰে হাতে হাতে ফলি-কিতাপৰ পৰিৱৰ্তে কাঁহী, বাতি, গিলাচ, চৰিয়া আদি সমাগ্ৰী। সৰহ সংখ্যকে "ভাত জল্ডি লাগে, ঘুগুনিৰ গোন্ধত ৰব নোৱাৰা হৈছোঁ।" ইত্যাদি শ্ল'গান দিয়াৰ লগতে কাঁহী, বাতি, গিলাচ আদিৰ ইটোক সিটোৰ লগত খুন্দিয়াই টং টং শব্দৰ সৃষ্টি কৰি পৰিৱেশটো উদুলি-মুদুলি কৰি তুলিছে। গাঁৱৰে খুড়ী, পেহী, আইতা কেইগৰাকীমানে কেইটিমান শিশুৰ আশে-পাশে থিয় দি থাকি অভিভাৱকৰ দায়িত্ব পালন কৰিছে। তেতেলী তলৰ পৰাই শুনি অহা বিবিধ শব্দৰ সমাহাৰৰ উৎস এতিয়াহে মোৰ বোধগম্য হ'ল। আমি পঢ়াৰ দিনত হেঁডছাৰ, চেকেণ্ড ছাৰ আৰু মালতী বাইদেউ-এ জিৰণিৰ সময়ত একেলগে বহি বাৰ্তালাপ কৰা কাৰ্যালয় কোঠাটোলৈ গ'লেই ছাৰ সকলক লগ পাম বুলি অনুমান কৰি সেইফালে ঢাপলি মেলিলোঁ। এনেতে পোনাকনৰ কাষত থিয় দি থকা সাদৰী পেহীয়ে মাত লগালে, "বাপু, ছাৰ সকল পাক ঘৰতে আছে।" পেহীৰ কণ্ঠস্বৰ হে'ডছাৰৰ কাণত পৰিল চাগে। খিৰিকি খনেৰে জুমি চাই হে'ড ছাৰ ল'ৰা লৰিকৈ পাক ঘৰৰ পৰা ওলাই আহিল। শুভ্ৰ পাঞ্জাৱী আৰু ধুটিখনৰ কেইবাঠাইতো হালধিৰ দাগ লাগি থকা হে'ডছাৰে মোক দেখি আগতে মৰাৰ দৰে সন্তোষ পূৰ্ণ হাঁহিটো মাৰিলে। এই হাঁহিটোৰ অন্তনিহিত অৰ্থ এনেধৰণৰ হ'ব পাৰে- মই ছাৰৰে এসময়ৰ ছাত্ৰ। মোৰ মেট্ৰিক আৰু হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ ফলাফল ছাৰৰ বাবে সন্তোষ জনক। এতিয়া চহৰৰ কলেজত অধ্যয়নৰত তেওঁ গঢ় দিয়া ছাত্ৰক দেখা মাত্ৰকে তেওঁৰ বুকুখন আনন্দ গৰ্বত ওফন্দি উঠে। ছাৰে মোৰ পৰা চহৰত মোৰ পঢ়া-শুনা, থকা- খোৱা আদি সমস্ত বা-বাতৰি লোৱাৰ পাছত মই সুধিলোঁ, ছাৰ, স্কুলৰ পাঠদান কাৰ্য পুৱা মাত্ৰে চলি আছেনে?"

ছাৰে ক'লে, "হওতে ভালেই চলি আছে। ৯ বজাত কিতাপ, বস্তা, কাঁহী বাতি আদিৰ মেটমৰা বোজাবিলাক কঢ়িয়াই লৈ ছাত্ৰ-ছাত্ৰীৰ স্কুললৈ যাত্ৰা। ৯-৪৫ ত ক্লাচ আৰম্ভ। ১১ বজাত ইহঁতৰ ভোকলগা আৰম্ভ হয়েই। গতিকে পঢ়া শুনাত মনোযোগ নোহোৱা হয়। সিফালে চৰকাৰী নিয়মমতে ৰাই'জে নিয়োগ কৰা তিৰোতাগৰাকীয়ে ভোজন পৰ্ব চলাই থাকে। অকলশৰীয়া বাবে তাই ছাত্ৰ-ছাত্ৰীৰ ভোকলগা সময়ৰ লগত মিলাই ৰন্ধন কাৰ্য সমাপন কৰিবলৈ অসমৰ্থ। আমিও তাইক মাজে সময়ে এই ক্ষেত্ৰত সহায় কৰিবলগীয়াত পৰে।"

মই সুধিলো,"ছেকেণ্ড চাৰ আৰু বাইদেউ আজি নাই নেকি?"

হেডছাৰে হাঁহি এটা মাৰি ক'লে, "আছে, আছে;
দুয়ো পাক ঘৰৰ কামতে ব্যস্ত । দুয়ো চৰকাৰৰ মধ্যাহ্ন ভোজন আঁচনিৰে সহকৰ্মী হ'বলগীয়াত পৰিছে।"

ছাৰক সেৱা এটা জনাই বিদায় ল'বলৈ ওলাওঁতে ছাৰে ক'লে," নহলে তুমিও অন্নমুঠি গ্ৰহণ কৰিয়েই যোৱা।"

ছাৰক বিনম্ৰ ভাৱে ক'লো, "আয়ে ৰান্ধি দিয়া গৰম ভাত মুঠি খাবৰ এক ঘণ্টাও হোৱা নাই; ছাৰ। এতিয়া আকৌ খালে বদ্‌হজম হ'ব পাৰো।"

ছাৰে মোৰ গাত মৰমেৰে হাত বুলাই মোক বিদায় দিলে। 'হে ভগৱান! মই যে এই মধ্যাহ্ন ভোজন আঁচনিৰ মায়াপাশত আবদ্ধ হ'বলগীয়া নহ'ল। এয়ে মোৰ বাবে সৌভাগ্য।" *

# নীলা খামৰ চিঠি

শ্ৰীপ্ৰণৱজ্যোতি নাথ
স্নাতক প্ৰথম বৰ্ষ
কলা শাখা

*মৰমৰ অনামিকা,*

আশাকৰোঁ মোৰ মৰমবোৰ ল'বা। ভগৱানৰ কৃপাত নিশ্চয় তুমি ভালে আছা............। তোমাৰ এমুঠি সেউজ কোমল স্মৃতিক বুকুৰ নিভৃত কোণত লৈ ময়ো-জীয়াই আছো। তোমাক প্ৰাণভৰি ভাল পাওঁ অনা........ সেইবাবে আজি লিখিবলৈ সাহস কৰিছো। যাক তুমি ভালপালেও গালি দিছিলা.......... নাপাওঁ বুলি কলেও খং দেখুৱাই অভিমান কৰিছিলা...মুখ ওফন্দাই দূৰে দূৰে থাকিছিলা......। গোটেই জীৱন একেলগে কটোৱাৰ কথা-দিয়াৰ পিছতো ভাবুকি দিছিলা। পুৰণি সেউজ স্মৃতিবোৰ মোৰ এতিয়াৰ নিসংগতাৰ লগৰী গোটেই ৰাতি উজাগৰে কটাই ভি.ডি.অ'. ৰূপত এই স্মৃতিবোৰ চাই থাকো। যিমানে চাওঁ সিমানে চোৱাৰ হেঁপাহ বাঢ়িহে যায়।

ৰবা অনা, খিৰিকিখন জপাই লওঁ। এজাক হিমচেঁচা বতাহ বাগৰি আহিছে খিৰিকিৰ মাজেৰে। বাহিৰত এজাক জোনাক, ক্ষীণ কুঁৱলী, টুপুৰ-টুপুৰ কুঁৱলী পৰাৰ শব্দ..... নিস্তব্ধতা ভেদি আহিছে চিফুঙৰ এটি উৰলি যোৱা শব্দ.........নিস্তব্ধতা ভেদি আহিছে ফেঁচুৰ ভয়াৰ্ত আৰ্তনাদ, শিয়ালৰ মাজৰাতি সংকেতধ্বনি। জানা অনা ; আজিকালি ইয়াৰ কোনোটোৰ অনুভূতিয়ে মোক জোকাৰিব নোৱাৰে। আগতে হোৱা হ'লে এইবোৰ হয়তো হৈ পৰিল হয় মোৰ কবিতাৰ ছন্দোময় কলি। এতিয়া মই এটি নিশ্চল হৈ পৰা উৱলিব ধৰা যন্ত্ৰৰ দৰে। এইসকলোবোৰ কাৰ্যই মোৰ বুকুতে পাৰ হৈ যায়... কোনোটো ক্ৰিয়া মই অনুভৱ নকৰো।

অনামিকা, আকৌ এবাৰ মৰম ল'বা। মোৰ প্ৰতি থকা তোমাৰ সীমাহীন ভালপোৱাক মই ভালদৰে জানো। এদিন মই তোমাক সুধিছিলো, " তুমি মোক কিয় ভালপোৱা অনা !" তোমাৰ মনত আছেনে তুমি যে কৈছিলা "তোমাক মই হেৰুৱাবলৈ নহয়, তোমাৰ মাজত নিজক হেৰুৱাবলৈহে তোমাৰ প্ৰেমত পৰিছো। তোমাৰ চকুত চকু থৈ বিচাৰি যাওঁ জীৱনৰ সকলো নানাৰঙী সপোন। তোমাৰ চকুত পাওঁ প্ৰেমৰ ঠিকনা"। যেতিয়া কৈছিলা এনেদৰে মই উৎফুল্লিত হৈ পৰি তোমাক সাৱটি ধৰিছিলো। তুমি আশাৰ পানচৈ সুখৰ নৈত এৰি দি পোছাক এযুতি পিন্ধি ডালিমফুলীয়া হাঁহিটিৰে মোকো তোমাৰ হাঁহিৰ ৰূপালী নৈত বৈ যাবলৈ খাটনি ধৰিছিলা। তোমাৰ অকৃত্ৰিম চেষ্টাত ওঁঠত যি হাঁহি বিৰিঙি উঠিছিল তাত কৃত্ৰিমতাৰ চলনা আছিল মাত্ৰ। জানা অনা ধূলিৰ কেঁচা মাটিৰ গোন্ধ নোপোৱা তোমাৰ শৰীৰত মই কোনোদিনে বিচৰা নাছিলো অশ্ৰুৰ মাল্য এডাল গাঁঠি দিব; দৰিদ্ৰতাৰ নিৰ্মম অত্যাচাৰ! বাৰিষা ঘৰৰ মজিয়াত একাঠু পানী পৰি থকা, পেটত গামোচা মাৰি আনৰ পাক ঘৰৰ চালেৰে ওলোৱা ধোৱা-ছাই জিভাৰ লেলাৱতি বোৱাই থকা। বাইদেউৰে মূৰ মাৰি টিউচন কৰি এমুঠি আহাৰৰ যোগান ধৰা ঘৰখনলৈ তোমাক মই সহধৰ্মিনী কৰাৰ কথা কোনো কালতে ভাবিব পৰা নাছিলো । সুখৰ দলিচাৰ মাজত ডাঙৰ হোৱা তুমি বুজি নাপাবা। এগিলাচ পানীৰে নিশাৰ পাছত নিশা কটোৱাৰ যান্ত্ৰণা! তুমি মোক হাঁহিবলৈ দিয়া, কিন্তু মই হাঁহিব নোৱাৰো! তুমি নিশ্চয় ভাবিছিলা কিয় মই আটাইতকৈ ধুনীয়া ছোৱালীজনীৰ প্ৰেমত পৰিও হাঁহিব নোৱাৰো! কিয় সুখেৰে দিন নিয়াব নোৱাৰো! তোমাক সুখত ৰখাৰ উদ্দেশ্যৰে মোৰ যত দুখবোৰ লুকাই ৰাখিছিলো। গাড়ী দূৰৰ কথা, এখন পাকখোৱা জেলেপীৰে আপ্যায়ন কৰাৰ বাবেও মই অক্ষম আছিলো। বৰ দুৰ্বিসহ আছিল অনামিকা সেই দিনবোৰ, বৰ কষ্টকৰ আছিল।

তুমি এতিয়া মোৰ পৰা বহু দূৰৈত....... এটি অসীম বিন্দুত তোমাৰ বাস........ৰংচঙীয়া কোলাত কটাইছা

তোমাৰ শান্তিময় ৰাতিবোৰ............ বহু সেউজীয়া সপোন ৰচি। অনা ...........নীলিমা ভেদি তুমি বহু দূৰলৈ গ'লেও মই তোমালৈ এই খন নীলা খামৰ চিঠি লিখিছো, অভিমান নকৰি অনিচ্ছা স্বত্তেও পঢ়িবা বুলি আশা ৰাখিলো। এই চিঠিখন পঢ়িলে তুমি বুজিব পাৰিবা মোক...........আজি মই সকলো বনাম........তুমি বুজি ল'বা অনা.........। সেইদিনাও তুমি অৰ্নবৰ মোবাইললৈ ফোন কৰিছিলা আৰু কৈছিলা তোমাৰ ঘৰত কোনোবাই বিয়াৰ বন্দবস্ত কৰিব আহিছে। বিয়া হোৱাতো খাটাং, সেয়ে মই তোমাৰ দেউতাৰাক আমাৰ সম্পৰ্কটোৰ কথা কব লাগে। মই নিমাত হৈ গৈছিলো। মোবাইলৰ বিষয়ে জ্ঞান শূণ্য হোৱা হেতুকে মই ফোনটো বিছিন্ন কৰি দিবও পৰা নাছিলো...... তুমি বহুত কিবা কিবি কৈ আছিলা। মই শুনা পোৱা নাছিলো। থৰ্ থৰ্কৈ কপিছিলো..... অৰ্নৱে ৰাতি মোক বহুত বুজাইছিল..........মই অবুজ হৈছিলো...........।

অসহ্য দাৰিদ্ৰতাৰ যান্ত্ৰনাত উৱাদিহা নোপোৱা হৈ পিছদিনা যেতিয়া তুমি মোলৈ ফোন কৰিছিলা তেতিয়া মই তোমাক বিয়াৰ সন্মতি দিবলৈ জোৰ দিছিলো.....। তুমি মোক তিৰস্কাৰ কৰিছিলা আৰু তাৰ বিপৰীতে মই তোমাৰ জীৱন সেউজীয়া হোৱাৰ বাবে দীঘলীয়া লেক্‌চাৰ দি হুকহুকাই কান্দি উঠিছিলো। তুমি ফোনটো কাটি দিছিলা। তাৰ পিছত মই গুছি গৈছিলো সকলোৰে পৰা বহু দূৰলৈ..........তোমালৈ এপেকেট সেন্দুৰ এৰি। তোমাৰ ফটো, চিঠিৰ টোপোলাটো এৰি আহিছিলো অৰ্নবৰ হাতত গুজি দি। মই গুছি অহাৰ ঠিক দুদিন পিছতেই তুমি নিজেই মৃত্যুক আকোৱালি লৈছিলা বুলি টেলিগ্ৰাম পাইছিলো; 'নাই' বুলি চিঞৰি উঠিছিলো। লাহে লাহে মই নৰকৰ মাজত ডুবি গৈছিলো। তোমাৰ মনত আছেনে তুমি যে বেশ্যাৰ গলিৰে হাতত হাত ধৰি আবেলি মোৰ মনটো পৰীক্ষা কৰিবলৈ ফুৰাব নিছিলা? মদ খোৱাক প্ৰশংসা কৰি মই মদ খাওঁ নেকি তাৰেই প্ৰমাণ কৰিছিলা। এতিয়া ভয়াবহ এইড্‌ছৰ দৰে মোৰ প্ৰতি টোপাল তেজত মদৰ গোন্ধক তুমি ভাল নাপাবা। মই প্ৰতি মুহূৰ্ত্ততে মৃত্যুৰ কথা ভাবো, কিন্তু কলিজাটোৰ ভিতৰত সোমাই থকা তুমিও নিঃশেষ হোৱা বুলি চিৎকাৰ কৰি উঠো..........।

অলপ যে ৰৈছিলো, বমি হৈছিল তেজেৰে। ডাক্তৰে কৈছে কলিজাটো নষ্ট হৈছে। অনা, জ্বলি থকা মমদালে ধিমিক ধামাক কৈ প্ৰান্ত বিন্দুত উপনীত হোৱাৰ সংকেত দিছে। মোৰ পঁজাটো অন্ধকাৰত ডুব মৰাৰ আগতে চিঠি খন সামৰো অনা ....মোৰ জীৱন চাকি গছৰ অন্তিম পোহৰ শিখাইও মোক দিছে অসীমত বিলীন হোৱাৰ। যেতিয়া তোমাৰ নিচেই ওচৰলৈ যাম, তুমি যেন মোক অভিমান নকৰা।

-অনা-তোমাৰ ওচৰত শেষ এটিয়েই অনুৰোধ অশ্ৰুৰ টোপালেৰে লিখা এই চিঠিখন যেন তুমি অকন মূল্য দিয়া। ইতি-

তোমাৰ

প্ৰাঞ্জ



# অবনুৱাৰ কাহিনীঃ শিৰোনাম-নপুংসক, শান্তিৰ সা-ৰে-গা-মা ইত্যাদি

*ড° প্ৰমোদ শৰ্মা,*
*সহঃ অধ্যাপক*
*ইতিহাস বিভাগ*

(১)

কাৰ হাতত
আলাউদ্দিনৰ চাকি
কাৰ যাদুকৰী পৰশত
যোগ্যতাৰ ছাপ পৰে কঁপালত
নিবনুৱা হৈ যায় বনুৱা
চকুৰ পলকত।

'ক্লিন ছেভ' মসৃন্ গাল
ৰঙীন চোলা, চিক্ মিক্ জোতা
কঁকালত বেল্ট
'পাৰফিউম' ফিৰফিৰিয়া
ছুট-টাই মাৰি
এলিট হ'ল বনুৱা

প্ৰতিভাৰ স্ফূৰণ ঘটিল
প্ৰবাহিত হ'ল বুদ্ধিৰ বিদ্যুৎ
হৈ গ'ল সকলোৰে মৰমৰ
বাপেক-মাক, ভায়েক ভনীয়েকৰ
আৰু ছোৱালী যঁচা বাপেকবোৰৰ

চৌপাশে পৰুৱাৰ লানি
মিঠা আলাসৰ লাডু
দেশৰ ধৰণী
অৱশ্যে যদিহে নহয়
দৰ্মহা নোপোৱা 'মাষ্টৰ'

কুঁহিয়াৰ শাল
চেপি থাক চেপি থাক কুঁহিয়াৰ
ঘূৰি থাক ঘূৰি থাক চৌপাশ
ৰস সৰিব সৌ সৌ
উজানত উঠিছে বৌ ৰৱালি ভঁকুৱা
মাটি-বাৰী, সুন্দৰী ছোৱালী আৰু বিদেশী কাৰ

(২)

দেশৰ পথাৰৰ অদ্ভুত ফচল
লেই লেই ছেই ছেই নিৱনুৱা
ইলেক্চনৰ সময়ত দুটোপাল মদ
ইলেক্চনৰ পিছত হেনো কিবা এটা হ'ব
মগজুৰ মৰনাত
ঘোৰপাক খাই ঘূৰি থাকে এহাল গৰু
দুৰ্ভাৱনা

নাগাবি নাগাবি আপদীয়া পদ্য
শুনিবলৈ বৰ কটু
নিদিবি গৰল উগাৰি
শান্তিৰ সা-ৰে-গা-মা
চৌপাশে আছে বাজি
চিঞৰ বাখৰ কৰি
নাভাঙিবি শান্তিৰ নিৰিবিলি ছবি।

নেতাই আছে ভাষণ দি ঃ সোণেৰে গঢ়িব হেনো দেশ
আছে গোপনে পৰিকল্পনা কৰি
শুই আছে ভূঞাৰ পোৱালী
নিচুকনী গীত গাই ৰখি আছে শান্তিৰক্ষী
কলিজা বিদাৰি শান্তি আনিব
হঠাতে বিপ্লৱী সাজি।

চকুৰে মুখে হাঁহি
ভাওঁ জুৰি থাক
শিক্ষিত জ্ঞানী, ধৈৰ্যশীল আৰু বিবেকী মানুহৰ
ৰাজকোষত হেনো ধন নাই
বাপেৰে পেঞ্চন পায়
বুঢ়াৰ হোটেলত খাই
ভাওঁ জুৰি থাক সুখী মানুহৰ।

হাঁহি হাঁহি শুনি যা
উপদেশ মিতিৰ কুটুমৰ
ইটো নকৰিবি, সিটো নকৰিবি
অমুকটো কৰ, তমুকটো কৰ
আপত্তি নকৰিবি যদিহে কোনোবাই পিন্ধাব খোজে
তাবিজ আৰু গ্ৰহ-ৰত্নৰ পাথৰ
হাঁহি হাঁহি সহি থাক
হাঁহি হাঁহি শুনি থাক নীতি বচন
দেশৰ নেতাৰ ভাষণ
তইহে মাথোন শিকিবলৈ বাকী ৰ'লি
কৰ্ম-সংস্কৃতি।

ভাঁও জুৰি থাক, ভাঁও জুৰি থাক
বুজিও নুবুজাৰ
নাভাঙিবি ভিকাচন
নকবো বুলি কৰাপচন
বলিয়া হবি তই
মুৰ নোদোৱাও বুলি জেদ নকৰিবি
এবি দে মৈ খন
নেঙুৰ ডাল পেলাই
পাব যদি এবাৰ চেলেকি দে
সিহঁতৰ ভৰিকেইখন।*

# মোক লৈ ব্যস্ত নহ'বা এতিয়াৰপৰা

পুষ্পাঞ্জলি শিৰম্
সহঃ অধ্যাপিকা
শিক্ষা বিভাগ

সীমাহীন সময়ৰ মাজতে
এটাই কাম মাথো কৰিছিলোঁ
তোমাক লৈ ব্যস্ততা
নাযায় নুপুৰায় মুহূৰ্ত্তবোৰৰ আতিশাৰ্যৰ প্ৰান্তত
অলপমান সকাহৰ নামেই আছিল,
তুমি নামৰ ব্যস্ততা।
আজি এয়া কি হৈ গ'ল
এয়াও কি তোমাৰেই সিদ্ধান্ত
কিয় ল'লা....একান্ত ব্যক্তিগত ভাৱেই...
অতি স্বাৰ্থপৰতাৰে কৈ দিলা তুমি
মোক লৈ ব্যস্ত নহ'বা আৰু আজিৰ পৰা।
কি কৰিবই পাৰো বা মই ......এতিয়া,
সিদ্ধান্তটো যে তোমাৰ একান্তই নিজস্ব।
তুমি ক'বলৈ সংকোচ নকৰিলা
মোক লৈ ব্যস্ততা তোমাৰ
নালাগে আজিৰ পৰা।
ভালপোৱাৰ পথাৰখন উৰুঙা কৰি তুমি
ঠেলি দিলা............
আতঁৰাই পঠালা মোক
তোমাৰ কাষৰ পৰা।
মনত নপৰেচোন
কিবা আঘাত দিয়াৰ কথা
তথাপিও অতি নিষ্ঠুৰতাৰে কৈ দিলা তুমি
মোক লৈ ব্যস্ত নহ'বা
এতিয়াৰ পৰা।





# নিৰ্মল প্ৰশান্ত

শ্ৰীভাগ্যদেৱী
*স্নাতক ১ম বৰ্ষ,*
*বিজ্ঞান শাখা*

নৈ পৰীয়া জুৰ মলয়াৰ স'তে
গাব খোজো সেউজীয়াৰ গান,
শান্তিৰ সপোন বিচাৰি।
উদিত সুৰুজৰ তেজোময় আভাৰে
নীলাভ আকাশৰ তলতে বহি
কৰো প্ৰজ্ঞাৰ আবতি।
নিৰ্জন দুপৰীয়া খিৰিকি মুখত
আকাশ কুসুম কল্পনা সাৰটি
অপেক্ষাৰত মই জোনালীলৈ বুলি।
সন্ধিয়াৰ আহ্বানত জোন জ্বলা আকাশত
কবিতাৰ সমল বিচাৰি
লভো অনাবিল তৃপ্তি।
ধুমুহা নালাগে লাগে সৃষ্টি
বকুল জোপাতো জোনাকৰ বৃষ্টি
মানস-পটত নিৰ্মল প্ৰশান্তি।

# মৰিচিকা

শ্ৰীগায়ত্ৰী গন্ধৰ্ব
*স্নাতক ২য় বৰ্ষ*
*অসমীয়া শাখা*

বাংময়তাৰ চিৰ শাশ্বত
আশাহত নিনাদ কোলাহলৰ
কৰ্ণকুহৰত প্ৰতিফলিত এটি শব্দ
নাম যাৰ-মৰীচিকা!
আস–কি যে গম্ভীৰ এই যাত্ৰা
কংক্ৰীটৰ পৃথিৱীত
দপদপাই ফুৰা সিহঁতে কি বুজিব,
আস্ফালনৰ ৰঙীন কাৰাগাৰত
উটি ভাহি যোৱাৰ মাদকতা
হেৰুৱাই পেলাইছে মানৱতা
ঢাহি খুহি যেন সকলোকে গ্ৰাস কৰিব।।
পোৱা নোপোৱাৰ তুলাচনীত
জুমিব নোৱাৰি এই শূণ্যতা
তথাপিও এই যাত্ৰা....
কিজানিবা এচমকা পোহৰৰ সুবাসেৰে
আলোকিত হব
ভৱিষ্যতৰ সোণালী সপোন।।



# মোৰ সপোন

জুলফিকাৰ ৰহমান
*স্নাতক ১ম বৰ্ষ*
*ৰসায়ন বিজ্ঞান বিভাগ*

আৰুনো কিমান খেলিম ধুলিৰ স'তে
মাথো তোমাক লগ পোৱাৰ আশাতে;
বাগিছাৰ ফুলনিত ফুলিছিলি মোৰ এপাহি নতুন গোলাপ
আজি শীৰ্ণ নদীৰ বালিত
বিচাৰিছোঁ কেৱল বালিছন্দা
কঁপিছে বিজুলী বাঁহৰ আগ
ক'ত আছিলো মই
সপ্ত সুৰৰ জিঞ্জিৰি খুলি দিছিলো
কাৰ বাবে
কাৰ বাবে জানানে তুমি?
যাৰ কথা ভাবি পাৰ কৰো উজাগৰী ৰাতি
যাৰ বাবে থাকো অধীৰ অপেক্ষাত
যাক লগ পাবলৈ থাকে দুৰন্ত হাবিয়াস
যাৰ স্পৰ্শ অনুভৱ কৰাৰ কাৰণে মই ব্যাকুল
আহিবানে তুমি মোৰ হৃদয় জীপাল কৰিবলৈ
মোৰ যে কিমান ইচ্ছা তোমাৰ পৰশত জীপাল হ'বলৈ।



## অচিনাকি তুমি হেৰাই গ'লা

*শ্ৰীৰীতামনি কলিতা*
*স্নাতক দ্বিতীয় বৰ্ষ*
*অসমীয়া বিভাগ*

যৌৱনৰ কোনো এটি ক্ষণত
অচিনাকি তোমাৰ হৃদয় দুৱাৰত,
প্ৰথমটো টোকৰ দিওঁতেই
আলফুলে তুমি বহিবলৈ দিছিলা,
তোমাৰ হৃদয়ৰ দুৱাৰ ডলিত
প্ৰথমটো খোজ দিওঁতেই
ৰক্তজবা ফুলপাহ ফুলি উঠিছিল।

অচিনাকি তোমাৰ হৃদয় ফুলনিত
প্ৰৱেশ কৰোতেই তুমি
কেঁচা মৰমৰ টুকুৰাৰে
জীপাল কৰিছিলা মোক।
উৰুঙা ফাগুনেই আজি
শ্ৰাৱনৰ ঢলৰ দৰে
সোঁৱৰাই দি গ'ল তোমাৰ স্মৃতি।
নিশাৰ অন্ধকাৰত আজি
বেদনাহত দুচকুৰ অশ্ৰুবোৰো
অবাধ্য হৈ পৰিল তোমাৰ বাবে।
মাথো সময়ৰ কোৰাল সোঁতত
অচিনকি তুমি হেৰাই গ'লা
চিৰদিনৰ বাবে।



## গুজি-গুজি দিম ভালপোৱাৰ সেউজীয়া

শ্ৰীদ্বীপশিখা হাজৰিকা
*স্নাতক ২ম বৰ্ষ*
*দৰ্শন বিভাগ*

তুমি বহাগ হৈ আহিবাচোন
ৰঙেৰে উপচাই দিম সমস্ত,
তুমি আহিন হৈ আহিবা,
শেৱালি ফুল হৈ ফুলি ৰম তোমাৰ বুকুত।
তুমি কাতি হৈ আহিবা
ভগৱান বুলি সঁপি দিম মোৰ সমস্ত ভালপোৱা।
তুমি আঘোণ হৈ আহিবা
আলফুলে ৰাখি থম মোৰ হৃদয় ভড়াঁলত।
তুমি মাঘ হৈ আহিবাচোন
চিনাকি হ'ব পাৰিবা মোৰ আইৰ লগত।
এটা কথা কওঁ,
ফাগুন হৈ আহিব নালাগে তুমি
ভয় লাগে,
যদি ফাগুনৰ বতাহে কাঢ়ি লৈ যায়
আমাৰ ভালপোৱা,
মুঠতে তুমি আহিবা
মই গুজি-গুজি দিম তোমাক
মোৰ ভালপোৱাৰ সমস্ত সেউজীয়া...........।

## মংগলদৈ এটি দুখৰ পৃষ্ঠা হৈ ৰব তোমাৰ শূণ্যতাত

শ্ৰীপৰাগ কাশ্যপ
*স্নাতক ২য় বৰ্ষ*
*কলা শাখা*

তুমি মংগলদৈ এৰি যাবাগৈ
এতিয়া দুখবোৰ যে আকৌ ভৰুণ হৈ উঠিব
শীতৰ সেমেকা ৰাতিত
মোৰ শীৰ্ণ পঁজাত নাথাকিব
ৰূপালী জোনাকৰ ঢৌ।
ভেবাৰঘাট মুখী ৰাষ্ট্ৰীয় ঘাইপথ মাথো শূণ্যতাৰে ভৰা
আৰু নিতাল হৈ পৰিব মংগলদৈ কলেজ চৌহদ
কলেজ গাৰ্লচ হোষ্টেল এপলক কাৰ বাবে থমকি ৰ'ব
প্ৰত্যেকটো আবেলিত
য'ত হয়তো ওলমি থাকিব
তোমাৰ বিষন্নতাৰ ডায়েৰী।
কি কৰিবা, উপায় যে নাই
তুমি সময়ৰ চকৰিত ঘূৰিছা মাত্ৰ
আৰু আমিবোৰ বৈ গৈছো
এলান্ধু কলীয়া দুখৰ মাজত।
এজাক মুকুতাবুলীয়া হাঁহি,
এটি আৱেগিক চাৱনি,
কিছু দামী বিজ্ঞাপন লেখীয়া কথা
এইবোৰ, এইবোৰেই মোক মহটিয়াই নিছিল
তোমাৰ দুখৰ নৈ খনলৈ।
সাঁতুৰিব পৰা হ'লে হয়তো পাৰ পালোহেঁতেন
ক'তা, আমিবোৰ যে গাঁৱৰ ল'ৰা
আবেগক ভৰনৈত সাঁতুৰিলেও
ভাগৰি নপৰা স্বভাৱ
সেয়ে হয়তো তোমাৰ দুখৰ নৈ খনো গভীৰ হৈছিল
মাথো ডুবিছিলো গভীৰলৈ।
তুমি মংগলদৈ এৰি যাবাগৈ
থৈ যাবা মাথো কিছু নষ্টালজিয়া
সোঁৱৰণীৰ আঘাতত তেজাঁল হোৱা বুকুখন
জীপাল কৰিবলৈ সেয়াই যথেষ্ট।
মংগলদৈ এটি দুখৰ পৃষ্ঠা হৈ ৰ'ব তোমাৰ শূণ্যতাত
তাত থাকিব মোৰ উৰুঙা মন
কলেজীয়া দিনবোৰৰ দৰে
সেউজীয়া হাঁহিটোৰ ঠিকনাত।
কাইলৈ গাঁৱলৈ যাম,
মোৰ গাঁৱত এতিয়া সৰিয়হ ফুলিছে
হালধীয়া পথাৰবোৰ অসহ্য যন্ত্ৰণা
হালধীয়া যে তোমাৰ প্ৰিয় আছিল।



## অভিমানী দুচকু

শ্ৰীপলাসী নাথ
*(স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ)*

অভিমানী মনক বুজোৱা বৰ কঠিন
হ'লেও চুই চাব পাৰোনে;
তোমাৰ বুকুৰ কেচাঁ ঘামৰ গৰাটো
অভিমানী দুচামুচ নীলা পানী চুবলে
সোণাৰু ফুলীয়া সেতুবন্ধা তোমাৰ
সেই অভিমানী সপোনবোৰ।

বুকুত বাজে অভিমানী মনৰ
বেদনা গধুৰ সুৰবোৰ
হৃদয়ত এক বুজা-নুবুজাৰ
অনুভূতি বুটলি
তৃষ্ণাৰ বালিয়ৰীত
মৰিচিকা বিচাৰি
ওঁঠতে লৈ অমানিশাৰ গান
হৃদয়ৰ আকুলতাত ঠেহ লগা
সপোনৰ গুণ গান।

## সেউজবুলীয়া সপোনবোৰ বৰষুণৰ দৰে নামিছিল

শ্ৰীহিমাংশু শৰ্মা
*স্নাতক ৩য় বৰ্ষ*
*অসমীয়া বিভাগ*

সেউজবুলীয়া সপোনবোৰ বৰষুণৰ দৰে নামিছিল তেতিয়া
হুৰহুৰাই ঢল নামিছিল আৱেগৰ সিক্ত হৃদয়ত
বহল পথাৰ খনৰ সিপাৰে হেৰাই গৈছিল
আৰেলিৰ কোমল পোহৰ খিনি।

নিৰৱতাত থমকি ৰৈছিলোঁ
এযোৰ উজ্জল চকুৰ ভৰি পৰা আকুলতাত
এটা এটা পল কাঢ়ি লোৱা হৈছিল
এষেঁ নোকোৱাকৈও বহুত কথাই
ৰং সলাইছিল দুওঁঠত।
নৈ শব্দত কঁপি উঠিছিল চৌদিশৰ বাস্তৱিকতা
এটা মুহূৰ্তৰ মৰমৰ কোবাল সোঁতত।
হেৰুৱাবলৈ একো নাথাকিলেও হয়তো
চক্ৰাকাৰে গা বাঢ়িছিল
নিৰাশাৰ মলিন ডাৱৰৰ।
সময়বোৰ পিছলি যোৱাৰ পিছতো
এতিয়াও মই তিতি থাকো
ভাললগা সেই আৰেলিটোত
কাৰোবাৰ হুমুনিয়াহ অথবা
মোৰ মৌনতাৰ মোহ থকা মায়াত।
পুৰণি ভাললগা গীতৰ দৰেই
যি বাজি থাকে প্ৰত্যেকটো পলৰ অনুভূতিত।
নাটকীয়তাত গঢ় লৈ উঠা কাৰোবাৰ অভিমানে
তুলবুলীয়া কৰে হেঁপাহৰ আবেলিটো
ছায়াঘন পোহৰত অস্পষ্ট হৈ যোৱা
এটি চিনাকী অৱয়বত ওলমি ৰয়
ক্ষীণ হোৱা এটি আশা,
লগ পাম জানো আকৌ
ভাটিয়ালী সোঁতত নাইবা ডুখৰীয়া আলিবাটত।

## শৰৎ

শ্ৰীবৰষা শৰ্মা
স্নাতক ২য় বৰ্ষ
ইতিহাস বিভাগ

তুমি নামি আহা,
মোৰ বাবে এটি
দীঘলীয়া জোনাকী ৰাতি হৈ
জোনাকত গা ধুই
সলাওঁ এযোৰ হেপাহী সাজ
সুৰুযৰ সুবাস নৌপাওঁতেই
ৰাতিয়েই ফুলি
ৰাতিয়েই সৰি যোৱা
শেৱালি পাহিত লাগি ৰয় তোমাৰ
হিয়াৰ অনুভূতি
চুই চাব খোজো তোমাৰ ঠুনুকা শৰীৰ
তুমি নামি আহা
লাহে লাহে
মোৰ বাবে এটি
দীঘলীয়া জোনাকী ৰাতি হৈ..........।



# সমুদ্ৰতীৰ

শ্ৰীগকুল চন্দ্ৰ শৰ্মা
*স্নাতক ১ম বৰ্ষ,*
*পদাৰ্থ বিজ্ঞান বিভাগ*

কল্পনাৰ সম্ভাৰ লৈয়ে আৰম্ভ কৰিছিলোঁ
জীৱনযাত্ৰা নৱবসন্তত
প্ৰৱল তেজৰ সোঁতে উটুৱাই লৈ গ'ল
সকলো সমুদ্ৰলৈ
নাওঁ আছে, ব'ঠা নাই
যাত্ৰাৰ স্থিৰতা নাই
উত্তেজিত ৰক্তৰ স্ফুলিংগৰ পোহৰত
আগবাঢ়িলো সামান্য বাট
যদিওবা আছে কল্পনা
যাত্ৰা কৰিও দেখা নাই সীমা
কিন্তু সকলো দিঠকৰ মৰীচিকা
তীব্ৰ আকাংক্ষাই লৈ গ'ল অসীমলৈ
খোজ পৰিল অজ্ঞাত স্থানত
প্ৰবাহিত হ'ল ৰক্তাক্ত সাগৰ
ক্ষান্ত নহ'ল মৰীচিকা।
সাগৰ নীলা গভীৰ দুচকুৰ চাৱনি
চপলতা ফাগুনৰ পচোৱা
নীৰৱতা নদী স্বৰূপা..
হয় তোমাৰেই
কিন্তু....কিন্তু কিয়?
প্ৰৱেশ দুৱাৰত বিভীষণ
বিশাল সাগৰত এয়া কিহৰ খেল?
কোন কাৰ বাবে..?
কিয়.........কিয় বিচাৰে আজি অন্তৰে মাথো তোমাক
ধেমালিৰ বালি ঘৰ সাজি ৰূপ সাগৰত
অনন্ত কালৰ বাবে আদৰিবলৈ।



# গোপনে গোপনে....

(তুমি অভিমানী হ'লে)

শ্ৰীভাৰ্গব কুমাৰ বৰুৱা
প্ৰাক্তন ছাত্ৰ

বাৰে বাৰে প্ৰিয় নাৰী
অভিমানী হ'লে
বেকাৰ প্ৰেমিকে
কৰে কি বাৰু ?
তেওঁতো বগাব খোজে ওখ পাহাৰ
প্ৰেয়সীৰ খোপা সজাবলে।
হায়ৰে আপদীয়া বৰষুণ
ইমান পিছল কৰা কিয়
পাহাৰীয়া বাট
খোজ দিব খুজিলেই
থিতাপি হেৰাই
পিছলি পিছলি
তথাপি বুকুত ইউক্লিপ্টাচৰ দৰে হাবিয়াস....
প্ৰেয়সীৰ খোপাত
গোন্ধাবই গোন্ধাব
পাহাৰী পাহাৰী ফুলৰ সুবাস।
আৰু অধৰৰ কোণত ওমলিব
এটি মিঠা মিচিকিয়া হাঁহিব টুকুৰা
যাৰ মূল্য তেওঁৰ সকলো হেঁপাহ।

# নিলানীকুঞ্জী নহ'বা তুমি

মাহমুদা ৰশ্মি চিদ্দিকা
স্নাতক ১ম বৰ্ষ
আৰবী বিভাগ

তুমি নিলানীকুঞ্জী নহবা
মোৰ স্মৃতিৰ মন্টাজত তুমি
এপাহি তেজৰঙী গোলাপ।
সসম্ভ্ৰম জোনাকৰ গৰ্ভত
জুৰ বতাহৰ শীতল স্পৰ্শত
তোমাৰ কেশৰাজিৰ মাজত
মোৰ আঙুলিবোৰ
সংগোপন আবেগৰ উত্তাপত
তোমাৰ মোৰ কলিজাৰ তেজে
বিশ্বাসৰ মানিক বুটলি
ফুলিল কৃষ্ণচূড়াৰ দৰে
তুমি নিলানীকুঞ্জী নহ'বা
মোৰ আৱেগক গতি দিবা তুমি
আৰু——————
তোমাৰ আবেগক মই।
তুমি নিলানীকুঞ্জী হ'লে
মোৰ হৃদয়েদি চকুলো বব,
স্মৃতিৰ মন্টাজত "তোমাক" লিখিবলৈ
বিচাৰি নাপাম
কলিজাৰ এটুপি তেজ।
হৃদয়ৰ করুণ সুৰৰ পিছে পিছে যাম
'ইলহাড মাৰেজু' লৈ
মই নিজে নিজে হেৰাই যাম
'ইলহাড মাৰেজু'ৰ বুকুত
তুমি নিলানীকুঞ্জী নহ'বা
এপাহী তেজৰঙী গোলাপ হৈ
চিৰন্তনৰ প্ৰতীক হৈ ৰ'বা
চিৰদিনলৈ চিৰকাললৈ।

# পূৰ্ণিমাৰ জোনটোত থকা দাগ

শ্ৰীজয়শ্ৰী দেৱী
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

আজি বোধ কৰো পূৰ্ণিমা,
কেউফালে পোহৰ দেখিছোঁ।
সৌৱা জোনটোৱে মোলৈ চাই ৰইছে,
মই দুখৰ ঘাম মচিছোঁ।
গলি গলি শেষ হৈছে,
মোৰ জীৱন নাটৰ পাণ্ডুলিপি।
ইমানৰ পিছতো মই যে হাঁহিছো,
উপায়বিহীন হৈ প্ৰকাশ কৰিছোঁ সংলাপখিনি
জোনবাইৰ মুখতো দাগ,
ঘহি পিহিও মচিব পৰা নাই।
ঘহি থাকিলেও হেনো শিলো ক্ষয় যায়,
মাথো সামৰিছোঁ জীৱন নাটৰ জুই ছাই।
মাৰ কোলাৰ পৰা কলম হাতত লোৱা লৈকে,
ৰৈ গ'ল মাথো বহু তিতা-মিঠা স্মৃতি।
সুখৰ প্ৰস্থান দুখৰ আহ্বান,
এনেকৈয়ে হয় জীৱন নাটৰ ইতি।
পূৰ্ণিমাৰ জোনটোত দেখিবলৈ পাইছো,
ক'লা- বগা দিনবোৰৰ টুকুৰা।
নিৰৱ হৈ চাই ৰইছো,
মোৰ জীৱনযুদ্ধৰ খচৰা।
আৰুনো কি বিচাৰিম,
বিচাৰিলেও নাপাওঁ।
এয়াই বোধকৰো সময়,
যাৰ পিছে পিছে আমি সুখ-দুখ বিচাৰি যাওঁ।

# অটব্য ছায়াত সাঁকোখন দীঘল

শ্ৰীকুলদীপ কুমাৰ চহৰীয়া
*স্নাতক ৩য় বৰ্ষ*
*অসমীয়া বিভাগ*

এদিনাখন সন্ধ্যাৰ মুকলি চোতালত
ভাৱনাৰ তিলসেৰীয়া চুলিবোৰত গাথিলোঁ
প্ৰেমৰ মেটেকা
মানুহৰ সতে অনৰ্গল একাত্মতা কিম্বা
চামিলতা।
খাদ্য আৰু জীৱনৰ এপাহ মদাৰ বিচাৰোতেই
সপোন বাৰীৰ বতাহ জাকৰ আগটোৱে চেৰেঙকৈ
দিলেহি
সূৰ্য আৰু ববযুণৰ পাইচাৰিত
কঁপাই কঁপাই বলুকা ৰাশিত খোজত প্ৰতিধ্বনি।
সেই খোজে খোজে গজি গ'ল
ন সৃষ্টিৰে ন শস্য; নতুনৰ বিশ্বায়নত।
মৃত্যুৰ নোমাল হাতে ঢাকি থোৱা
হৃদয়খনে আশ্বাস দিলে বতাহ জাকৰ গুমনিত
তাত মানুহে হাঁহিব, ভাৱ বিনিময় কৰিব
মানুহে মানুহক বুকুৰ উম বিলাই বিলাই
যাত্ৰাৰ আহ্বান কৰিব গোলাপ বনলৈ আৰু
হেনো শুনিম পোহৰৰ তীব্ৰগান.....
আশাৰ হেৰেমত বৈ বৈ হৃদয়ৰ আশ্বাস
ফটিকা ৰাগীৰ এন্ধাৰত নিশাক সাবটোতেই
কাৰোবাক খেপিয়াই ফুৰুতেই বান্ধি পেলালে
মোৰ শুকুলা ঘোঁৰা বসন্তৰ ঘাটত
খুজি পেলালো
দুখন হাত, দুখন ভৰি, আৰু দুটি চকু
তেওঁ নিলগে নিলগে এটা দূৰৈৰ সুহুৰি।
চিৎকাৰত ববযুণ বিচাৰো
মেঘমল্লাৰ নহয়
জোনাকত তিতিবলৈ যাওঁ তাত তেওঁ ক'লা ক'লা
ডাৱৰ।
আশ্বাসতেই দৌৰিছোঁ
তেওঁ আগে আগে; মই পিছে পিছে।
ভাগৰ লাগিব!! লাগক তাতেই থাকিব তৃপ্তি
দৌৰত জানোচা ঝন্ঝনাই সৰিপৰেই হেপাহৰ কৰিণা
ভৰিব শব্দত মিলনৰ সাঁচ!!

তেখেতৰ সুগন্ধি পিছে-পিছে চেঙ্গিনৰ যাত্ৰা
গৈয়েই আছো পাম জানোচা মুকলি চোতাল
জোনাকত বহি কথা পাতিম
বিষয় ঃ জীৱন, স্বপ্ন, মৃত্যু।
ওচৰ পাম
দুখে সুধিব যন্ত্ৰণাতকৈ সঁচানে তেওঁ
মিলনে সুধিব নিৰ্মলনে দুখতকৈ
নাঙল আৰু বোকাৰ প্ৰশ্ন হ'ব
শীৰ্ষত আছে নেকি তেওঁ ভোকতকৈ?
সেই চোতাল-তাত শালিকা আছে।
আশ্বাসত গুণ গুণাব অতীত মাথো বিষাদ গাঁথা।
মই সুধিম তেওঁক আত্মা কোনটো বিন্দুত
আবেলাৰ্ড হেলাইনৰ ; আৰু বহুতো
তেওঁ কব ঃ এচমকা নীলা, আকাশ আচৰ্য
মই কম ঃ গতি নোহোৱাই ভাল, যাত্ৰাৰ পৰত যন্ত্ৰণা
শেষ হলে স্তব্ধতা
তেওঁ ঃ ইয়াৰ পৰা আগলৈ এখন উপত্যাকা নেৰিবা
মই ঃ অসহ্য পোৱণি আৰু দোমোজা
তেওঁ ঃ সেই ফালে গৈ সৌটো দিশত নদী আছে
মই ঃ যদি পানী নাই,
গৈ থাকিলে ভাগৰ। আকাশত শগুণ উৰিছে
তেওঁ ঃ যুদ্ধ শেষ হ'ল, শেষ মৃত্যু এই মাত্ৰ শেষ হ'ল
মই ঃ এতিয়া গোলাপ ফুলিব !!!

*****

# আজি তুমি কইনাৰ সাজ পিন্ধিবা

মিছ চেমিমা নাচৰিন খানম
*স্নাতক ১ম বৰ্ষ*

সৌ সেই দিনা খনৰ কণমানিজনী
কণমানি আজি তুমি
কইনাৰ সাজ পিন্ধিবা
পলাশৰ ৰঙীণ 'ৰং'
আচলতে বান্ধি লৈ
দুচকুত
বহাগৰ সুৰীয়া
সপোন লৈ তুমি যাবা
যাবা এখন নতুন ঘৰলৈ
মূৰত টানি দীঘল উৰণি
কপালত আকি
সেন্দুৰৰ ৰঙা বেলি
এটি নিশাই সলাই পেলাব
তোমাৰ জীয়াৰী জীৱনটি
বোৱাৰী হ'বা
হ'বা লখিমী।
মাই, উচুপি তোমাক বিদায় দি
পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতিৰে
বিদায় ল'বা তুমি
নতুনত্বই আদৰিব তোমাক
তুমিও আদৰি ল'বা নতুনত্বক
চৌদিশে বিয়পি পৰিব
নতুনত্বৰ সুবাস।



# সুখৰ ঠিকনা

শ্ৰীদিপাঞ্জনা ভাগৱতী
অসমীয়া বিভাগ
স্নাতক ১ম বৰ্ষ

নিশাৰ অন্ধকাৰৰ মাজতো
বিচাৰো, তোৰেই ৰেঙণি।
দুবাহু প্ৰসাৰিত হয়,
তোলৈকে বুলি।
বাস্তৱিকতে কেতিয়াবা স্বচ্ছ ছবিখন
দেখিবলৈ পোৱাহেতেঁন!
উসঃ..................! কি অসহ্য এই যন্ত্ৰণা
অপ্ৰাপ্তিৰ বেদনাৰে উচুপি
উঠেচোন হিয়া।
তোক পোৱাৰ হাবিয়াসতে
চলে মোৰ অহৰ্নিশে অক্লান্ত যাত্ৰা।
নাই ! নাই ! কোনো দিনে ইটো পোৱা
তোৰ সঠিক ঠিকনা।
দিব পাৰিব জানো কোনোবাই
'সুখৰ' প্ৰকৃত ঠিকনাটি......?

# 'স্বাধীনতা' তুমি কিমান সত্য

শ্ৰীকিশোৰ শইকীয়া
স্নাতক ২য় বৰ্ষ
কলা শাখা

হে' মোৰ 'ভাৰত' মা
তোমাৰ স্বাধীনতা
কিমান সত্য?
কিমান সত্য
তোমাৰ স্বাধীনতা
হে মোৰ ভাৰত মা ??
চাৰিওফালে মাথোঁ
শুনিবলৈ পাওঁ
নিষ্ঠুৰ মানুহৰ
বন্দুক-বাৰুদৰ শব্দ,
দেখিবলৈ পাওঁ
কত নিৰীহলোকৰ
তেজাবৃত মৃতদেহ,
সংগ্ৰাম কৰিছিল সিহঁতে
চকু মেলিবলৈ- কিন্তু
হায়.....নোৱাৰিলে।



যদি ভাৰতবৰ্ষ
এখন স্বাধীন ৰাষ্ট্ৰ
তেন্তে সেই নিৰীহলোক
কেইজনৰ কি
জীয়াই থকাৰ স্বাধীনতা নাছিল?
স্বাধীন দেশৰ কি এয়াই স্বাধীনতা??
ক'ত হেৰাল মানৱ প্ৰেম ?
ক'ত হেৰালে মানৱে
মানৱতা?...
কিয় পাহৰিলে মানৱে
সহায় সহানুভূতি
শব্দৰ অৰ্থ?
কিয় পাহৰিলে মানৱে
স্বাধীনতা সংগ্ৰামী সকলৰ
আত্ম বলিদান?
কলৈ গ'ল দেশখনৰ
অনৈক্যৰ মাজৰ ঐক্য?
হায়! কি যে হৈ গ'ল-
পৱিত্ৰ পুৰ্ণ্যভূমিখন
এতিয়া ৰণভূমিৰ
মৃত্যু স্থল হৈ গ'ল।
পুৰা যি ঘৰৰ পৰা ওলাবা
আৰু নাথাকে আশা
সন্ধিয়া উভতি ঘৰ পোৱাৰ
এয়াই কি! স্বাধীন দেশৰ স্বাধীনতা??
জন-গন-মন
..........জয় হে!
আমিবোৰে কাৰ জয়গান গাইছো?
সেই নিষ্ঠুৰ ৰাক্ষস কেইজনৰ?
নে সিহঁতৰ বন্দুকৰ গুলীত
মৃত্যুক আকোৱালি লোৱা সেই
নিৰীহ লোককেইজনৰ ??
যদি ভাৰত ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ
তেন্তে বিভিন্ন ধৰ্মৰ লোকৰ মাজত
আজি হিংসা কিহক লৈ?
স্বাধীনতা সকলোৰে আছে......
ক'লৈ গ'ল বুদ্ধ, মহাত্মাৰ
অহিংস প্ৰেমৰ বাণী??
দ্ৰৰিদ্ৰতা, কেলেংকাৰী
হত্যা-আত্মহত্যা
চুৰি-ডকাইতি-লুণ্ঠন
নাৰী নিৰ্যাতন- ইস্ঃ ৰাম...
আৰু যে কত কি.....
কেতিয়াবা শেষ হ'বনে?
"নিজ ভালেই জগত ভাল"
যেতিয়া দেশৰ প্ৰতিজন নগৰিকে
বুজিব ইয়াৰ অৰ্থ,
তেতিয়াহে গাব পৰা যাব-
জন-গন-মংগল
........জয়হে।
হে ভাৰত মা
বহুত ভালপাওঁ তোমাক,
কিন্তু তোমাৰ স্বাধীনতা ..হায়...হায়..
'স্বাধীনতা' তুমি কিমান সত্য??

******

## মঙলদৈ মহাবিদ্যালয়

শ্ৰীনিকুঞ্জ হাজৰিকা
স্নাতক তৃতীয় বৰ্ষ

মোৰ দুচকুত মূৰ্তমান আজি
আলোকময় এক নতুন দিগন্ত,
নাম যাৰ মঙলদৈ মহাবিদ্যলয়।
হেজাৰ হেজাৰ ৰঙীণ পখিলাক
জ্ঞানৰ মৌ বিলোৱা
আলোকিত এক পুষ্পকানন,
কোৱাচোন, কোন খনিকৰৰ
সপোনত লিখা আছিল তোমাৰ নাম
আৰু অকাঁ আছিল তোমাৰ ছবি?
কাৰ সৃজনী হাতৰ লাৱনী পৰশত
প্ৰাণ পাইছিলা তুমি?
তুমি বাগিচা নহয়, যেন বোৱতী নদী
আহি আছে গৈ আছে
নিৰৱিছিন্ন এক গতিশীলতা....
তোমাৰ বুকুত মোৰ প্ৰথম খোজতে
মই বুজিছোঁ
তুমি জ্ঞানামৃতৰ এক বৃহৎ ভাণ্ডাৰ,
আলোক সন্ধানী অলেখ যাত্ৰীৰ
দিশ নিৰ্ণায়ক কম্পাছ।
তুমি জানো খোলা নাই আজি
পিৰামিডৰ অজস্ৰ দুৱাৰ,
তুমিয়েই নোহোৱা জানো
ৰসায়নৰ দুৰ্বোধ্য সূত্ৰৰ
সৰল সমিধান।
তোমাৰ বাবেই আজি
তুষাৰ গলিছে হিমালয় শৃঙ্গত,
লহৰ উঠিছে বাৰে বাৰে সুনীল সমুদ্ৰত।
তোমাৰ পৰশত মই বুজিছোঁ
নক্ষত্ৰৰ জন্ম হয় ক'ত?
আকাশ তৰাৰে জিলিকে কিয়?
আজি, তোমাৰ বুকুৰ খিড়িকীৰে
মোক জুমি চাবলৈ দিয়া
জ্ঞান সূৰ্য্যৰ প্ৰখৰতা,
বিশ্বভাতৃত্ব আৰু মানৱতা।
এই মূহুৰ্তত মোৰ মনাকাশত
অলেখ ৰঙীণ সপোনৰ হাতবাউলি
কাৰণ, আজি মই ভৰি থৈছো
এখন নতুন পৃথিৱীত, আলোকময়
যাৰ নাম মঙলদৈ মহাবিদ্যালয়।





## সন্ত্ৰাসবাদ

*শ্ৰীকাকলি কলিতা*
*স্নাতক ২য় বৰ্ষ*
*অসমীয়া বিভাগ*

হয়তো সিঁহতে জুখি চাব বিচাৰিছে!
আমাক, আমাৰ জীৱনবোৰক।
কোন তোমালোক, লাগে কি
কিয়েইবা, বিচাৰিছা আমাৰ পৰা
মানুহহে মানুহৰেই তেজ
কিমান খাবা?
হে সন্ত্ৰাসবাদী, তোমালোক
কিয় ইমান নিষ্ঠুৰ প্ৰকৃতিৰ
সঁচাকৈয়ে নাইনে তোমালোকৰ
অন্তৰত অকনো মৰম সহানুভূতি!
কত মাতৃৰ বুকু শুদা কৰি
কত শিশুক নিঠৰুৱা কৰি
কাৰোবাৰ শিৰৰ সেন্দুৰ কণ
অকালতেই মচি
আনিচা কেৱল হত্যাৰ বিভীষিকা।
জ্বলাইছা মাথো ঘৰৰ পৰা ঘৰলৈ
পাৰিবানে আকৌ ঘুৰাই দিব
আমাৰ সোণৰ অসমখনি
মৰমৰ ঘৰ খনি।।

# সপোন

*মুক্তাৰ হুছেইন*
*স্নাতক ২য় বৰ্ষ*
*শিক্ষা বিভাগ*

মধুৰ সুৰৰ সোৱাদ
বিচাৰি বিচাৰি
গভীৰ বননিলৈ
এখোজ-দুখোজকৈ দিলো ভৰি।
দেখা পালো
সৌৰা এজাক চৰাই,
হাঁহিৰে সৈতে
আছে নাচি অনাই-বনাই।
সিহঁতৰ মধুৰ
মিলনৰ ছবিটিয়ে,
দিলে মোক এক
অনাবিল আনন্দৰ টোপোলা,
এনেকৈয়ে পালোগৈ বননিৰ মাজ।
ক'ৰবাৰ এজনী
অচিনাকী মইনা চৰায়ে
ছট্‌ফটাই আছে গীত গাই।
তাকে দেখি কিবা
কম কম বুলি ভাবি,
হৃদয়ত থৈছোঁ
বহু সপোন সাঁচি।
নামাৰিবা কাষৰ পৰা উৰা,
হ'বানে লগৰী, দিবানে ধৰা?

# জোনাক

হাচানুৰ ৰহমান
স্নাতক ১ম বৰ্ষ
প্ৰাণী বিজ্ঞান বিভাগ

এটা জোনাক নিশা
তুমি আহিছিলা
মোৰ কাষলে।
তুমি আৰু মই বহি আছিলোঁ
মোৰ মন দলিচাত অকলশৰে
য'ত আমাৰ প্ৰেমৰ গভীৰতা
জুখিবলৈ অপেক্ষা কৰিছিল
মুক্ত আকাশৰ অগণন তৰাবোৰ।
মনত পৰেনে কেতিয়াবা তোমাৰ
কিমান যে আঁকিছিলা
সেউজীয়া সপোন
গাঁথিছিলো ৰঙা ৰঙৰ কল্পনা-
য'ত সাক্ষী আছিল
মোৰ মন আকাশৰ উজ্জ্বল জোন।।



## ক্লান্তিহীন অপেক্ষা

শ্ৰীদীপজ্যোতি ডেকা
স্নাতক প্ৰথম বৰ্ষ
প্ৰাণী বিজ্ঞান বিভাগ

তুমি আহিছিলা যিদিনা
মোৰ নিসংগ হৃদয়লৈ
হৃদয়ত জাগিছিল আশাৰ সপোন।
তুমি যাচিছিলা যিদিনা নিস্বাৰ্থ মৰম,
ভাবিছিলোঁ সিদিনা,
আছে মোৰ কোনোবা আপোন বুলিবলৈ।

তুমি মোক এটা প্ৰতিশ্ৰুতি দিছিলা
যি প্ৰতিশ্ৰুতিয়ে মোৰ মনৰ নিজানত থকা
এন্ধাৰ আঁতৰাব পাৰিছিল
দেখিছিলোঁ অলপ আশাৰ ৰেঙণি।
সেই ৰেঙণিয়ে আলোকিত কৰিছিল
মোৰ নিৰস হৃদয়
তোমাৰ প্ৰতিশ্ৰুতিক লৈ গঢ়িছিলোঁ
মই ভৱিষ্যতৰ সপোন।
সপোনক মই বাস্তৱত বিছাৰিছিলোঁ
কেৱল তোমাৰ বাবেই
হঠাৎ, তুমি কৈ দিলা
প্ৰতিশ্ৰুতিবোৰ মিছা।
মই কি কৰিম?
মোৰ আশাবোৰ..........
ডেউকা ভঙা পখীৰ দৰে কৰিছোঁ আৰ্তনাদ
শুনিবলৈ তোমাৰ আহৰিয়েই নাই।
মই আশাবাদী
তুমি ঘুৰি আহিবা নিশ্চয়,
পুনঃ জীপাল হৈ উঠিব
মোৰ ৰিক্ত ভগ্ন হৃদয়
অন্ত পৰিব মোৰ
ক্লান্তি অপেক্ষাৰ।।

## সপোন কোঁৱৰ বিচাৰি

চাইনা বেগম
স্নাতক ২য় বৰ্ষ
কলা শাখা

সপোনৰ কোঁৱৰ বিচাৰি
জীৱনৰ প্ৰতিটো পথেৰেই কৰিছোঁ গতি।
প্ৰতিখন হেঙাল পাৰ হৈছোঁ
প্ৰতিজাক ধুমুহাৰ সন্মুখীন হৈছোঁ।
মোৰ সপোন কোঁৱৰক বিচাৰি
জীৱনত খাইছোঁ বহুতো হাবাথুৰি।
পাৰ কৰিছোঁ কত উজাগৰি ৰাতি।
কত বৰ্তমান অতীত হ'ল।
কত গভীৰ নীলা অসীমত হেৰাই গ'ল
তথাপি বিচাৰি ফুৰিছোঁ
মোৰ সপোন কোঁৱৰক।
আশাবোৰত পাখি মেলি উৰি গৈছোঁ
দূৰ দিগন্তলৈ।
দুচকুত সপোন ৰচি জীয়াই আছোঁ
আপোন কৰিবলৈ।
আগবাঢ়ি গৈছোঁ সপোনৰ বাটত,
কিজানিবা তাত বিচাৰি পাওঁ
মই মোৰ সপোন কোঁৱৰক।



# তুমি আৰু মই

শ্ৰী প্ৰাঞ্জল বৰুৱা
স্নাতক ৩য় বৰ্ষ
কলা শাখা

ভাল পোৱা
যৌৱনৰ প্ৰথমজাক বৰষুণ।
এই বৰষুণত তিতিছোঁ
তুমি আৰু মই।।

মলয়াই কঢ়িয়াই অনা
প্ৰেমৰ সুগন্ধি বিলাই ফুৰিছোঁ
তুমি আৰু মই।।

প্ৰেমৰ গীত গাই
প্ৰকৃতিক শুনাই
বলিয়া হৈ পৰিছোঁ
তুমি আৰু মই।।

যৌৱনত ভৰি দিওঁতেই
লগ পালোঁ তোমাৰ
দিলা প্ৰেমৰ ঠিকনা।

শপত ললোঁ
প্ৰকৃতিৰ বুকুত
কৰিম প্ৰেম যুগমীয়া
মাথো তুমি আৰু মই।।



# পৃথিৱীত চলিছে সন্ত্ৰাসবাদীৰ ৰাজত্ব

মঃ হামিদুৰ ৰহমান
স্নাতক প্ৰথম বৰ্ষ
(প্ৰাণী বিজ্ঞান বিভাগ)

পৃথিৱীখন ক্ৰমে
হৈ পৰিছে সন্ত্ৰাসবাদীৰ ৰম্যভূমি
চলিছে সন্ত্ৰাসবাদীৰ ৰাজত্ব!!
কৰিছে নিজ খেয়ালেৰে বিস্ফোৰণ
যেন খহি পৰিছে আকাশখন।

দপ-দপকৈ জ্বলিছে জুই
ভস্মীভূত হৈছে জীৱন্ত নৈ!!
থান-বান হৈছে নিৰীহজন
হেৰুৱাইছে ক'তজনে আপোনজনৰ জীৱন।
চাৰিওফালে নিৰীহ-নিষ্পাপ জনে কৰিছে হাঁহাকাৰ
নিহতজনৰ আত্মীয়ই সাৱটিছে-
মৃতকৰ নশ্বৰ দেহ!

পৃথিৱীখনে কান্দিছে বুকু উজাৰি
নদীৰে বৈছে তেজ।
ক্ৰমে ক্ৰমে..............
পৃথিৱীখন হৈ পৰিছে সন্ত্ৰাসবাদীৰ ৰাজ্য
চলিছে সন্ত্ৰাসবাদীৰ ৰাজত্ব
কৰিছে নিজ খেয়ালেৰে ধ্বংস
পাতিছে কেৱল মৃত্যুৰ যজ্ঞ।


ENGLISH SECTION

## MY MOTHER

Md. Rauson Ali.
TDC. 3rd year

Mother is a gods gift
To the human beings of this earth.
She is a teachers -
Who helps us to develop knowledge.
She is a guide -
Who shows the right path,
She is the one -
Who loves and takes care of us
She is the one
Who takes every pains
And gives happiness to us,
She is an angel !
Above all, she is our best friend
And she…………my mother.



## HOPE

Bristi Barnalee Deka
TDC 3rd year
Department & English

Every dark, fearful night
gives birth to
A bright, carefree morn ……

The dry, barren earth
Turns fresh and lush with the pour of
The fire splash of monsoon rain……

The bare bark of trees
Are bedecked with tender, green leaves
With the advent of spring….

After every tempest
The enraged sea
Emerges calm and still……..

In a gloomy, moonless night
A lonely star in the distant horizon
Shines brightly
Radiating hope…….

Hope- the very essence of nature
That keeps the world going
Brings comfort to every disconsolate soul
And lights up every discontent heart.

## MY BELOVED COLLEGE

Md. Rajaul Hoque
T.D.C 1st year

Body Shivered with uncertainty,
As I approached the College building,
With mixed feeling
I entered my class.
Teacher and student
Are introduced
A little bit of hesitation
Still remained
But it too vanished with
The spread of time.
And from that day onwards
A beautiful life
Began of friendship, love
And punctuality
Days pass into months
And months to years,
Time passes like trade
Winds giving not a
Chance to think
When does time pass?
Then I will have to
face the climax
when to the college I will
bid good bye.
But like the footprints
in the sand,
This wonderful moments
Will always be
There in my mind
And I would recall
It at the moment
Of leisure.

## A RAINY EVENING

*Sri Dipjyoti deka*
*T.D.C. 2nd year*

Sitting out of the doors
I thought,
About the special feelings
That a rainy evening brought.

My eyes uttering
The familiarity
With threatening sound;
Love, pity are strange for me.

I can't love
The way petrarch loved
So, I can not retain
The stage of love.

The ways of the life
Have all become Greek,
With confused minds
We grope, in a future bleak.

## FUN AT TRAVELING

*Sri Priyanka Das*
*TDC. 1st year*

I love to travel
Every time I can,
For fun, for education and
For making new friends.

I love to travel,
By ship and train
Because I like to see -
The dancing wakes and beautiful meadows.

I love to travel
With my family,
Because I love my
Family very much.

I love traveling a lot
Because I have got
Many opportunities to travel
As my brother
Is a cast guard officer.





## TO LOVEABLE SOMEONE

*Akhtar Hussain*
*BSc 2nd year*

I was so upset
Knowing that you are not mine
You have broken my heart
By breaking all my promises.
And took me into indefinite stages
But I want to fill your heart -
With some sweet love
And I want to turn your sorrow
With heaven's lovely flower.
Now, I want to know from my heart -
"Where are You ?"
Yes, I know ;
In my heart's sweat forest
There is your address.

# LEARNER CENTRIC EDUCATION:: A NEW DIMENSION IN HIGHER EDUCATION

Mrs Baita Sarmah M.A.
Asst prof. and HoD
Dept. of Education.

"Higher education provides people with an opportunity to reflect on the critical social, economic, cultural, moral and spiritual issues facing humanity. It contributes to specialized knowledge and skills",

**(National education policy, 1986)**

Technology in higher education affords the opportunity to create a learning environment that is learner-centric, individualized and interactive. Technology will greatly expand access to higher education and fundamentally change the models of education with which we are familiar. In particular, technology will enable education that is learner-centric, individualized and interactive making education far more relevant to the need of individuals. It will allow for anytime, any place learning, which will be particularly attractive to working adults, and it will be enable true lifelong learning in a formal sense. These new forms of educational delivery will require new ways to measure and credential learning.

Modern technologies have a place in helping students visualize real world phenomena. Specifically, online education enables us for the first time to put knowledge and learning within reach of all those who have access, at the time and place where such knowledge is needed. Internet-based education offers the potential of thousands of classes on hundreds of subjects available anytime night or day, at any place, at the convenience of the student. Although post-secondary education has been both place-bound and time-bound, we now have the opportunity to truly have anytime, anyplace learning. Although the source of knowledge and learning has traditionally been the professor, knowledge and learning is now available over the internet.

Teachers in traditional models perform as a "sage on the stage." What new paradigms help create is a "guide on the side" model. These two phrase describe succinctly the difference between teacher-centric classrooms and learner-centric classrooms. In the former, teachers are presumed to be the font of all wisdom and knowledge. Their job is to move that wisdom and knowledge from their own brains to the receiver brains,their students.

Almost nothing is taken into account regarding the personal context, knowledge, or experience that each learner already brings to the learning situation. Students are seen primarily as empty vessels or passive receptacles waiting to be filled. The availability of thousands of classes over the internet enables learners to select their own learning choices from the offerings of many sites, order them the way they want, and pursue the outcomes that are important to them. This shift to learner-centric education has already begun, and it will take on added momentum as high-quality instructional content becomes available over the internet. High-quality instructional modules will enable individuals to access the knowledge they need when it is needed, moving to "just-in-time" education rather than "just-in-case" education.*

# Philosophy and Science – Its role in Social Integration

Mrs. Manju Kalita
Asstt. Prof.
Dept. of Philosophy

Various alternative answers have been proposed to the question "What is philosophy ?" and even after two thousand years philosophical investigation the question has not been settled. Though there is no satisfactory answer of what is philosophy, the touchstone of the value of philosophy as a world view and methodology is the degree to which it is interconnected with life. This inter connection may be both direct and indirect through the whole system of culture, through science, arts, morality, religion, law and polities.

Science is the systematic study of the part of the universe. It changes the style of the human life by new inventions and discoveries providing us with what we need in our life. It is based an the systematic experiment them to analyse and to make inference and conclusion. We can study science in different ways or branches – Biology, where we study about plants and animals likewise chemistry, physics etc. Modern aspect of science Molecular biology which gives us the knowledge of the structure and basis of DNA or gene. The present age is the age of science and technology. Science is making the world into a global village now.

Science and philosophy have always learned from each other. Many general guiding ideas that lie at the foundation of modern science was first enunciated by the perspective force of philosophical thought. One example is the idea of the atomic structure of things voiced by Democritus We many also recall the Cartesian reflect and the philosopher's proposition on the conservation of motion in the universe. On the general philosophical plane Spinoza gave grounds for the universal principal of determinism. Philosophy nurtured the hypothesis of the cellular structure of animal and vegetable organisms and formulated the idea of the development and universal connection of phenomena and the principal of material unity of the world.

The common ground of substantial part of the content of science, its facts and laws has always related it to philosophy, Particularly in the field of the theory of knowledge and today this common ground links it with the problems of the moral and social aspects of scientific discoveries and technical invenstions. In ancient times, as all have seen, nearly every notable scientist was at the same time a philosopher and every philosopher was to some extent a scientist. The Scale of the scientific work and the social significance of research have acquired huge proportion. For example, philosophy and physics were at first originally interconnected, particularly in the world of Galileo Kepler, Newton, Einstein and generally in the work of all scientists with a broad outlook. Philosophy may be called the "Science of Science" Probably in the sense that it is, in effect, the self awareness of the sciences and the source from which all the science draw their would view and methodological principles.

Philosophy plays a tremendous integrating

role in scientific knowledge, particularly in the present age, when knowledge has formed an extremely ramified system that no brain, however versatile can master all their branches or even one chosen field.

By means of philosophy the human reason synthesis the results of human knowledge of nature, society, man and his self awarness which gives people a sense of freedom an open ended view of the world an understanding of what is to be found beyond the limits of his usual occupation and narrow professional interests. Max Ban one of the creators of quantum mechanics, was the author of many philosophical works and he himself admitted that the philosophical implications of science had always interested him more than narrow specialised results. After Einstein he was one of the first of the world's leading scientists to realize the brutality of positivisms attempts to act as a basis for understanding the external world and science and to deny this role to philosophy.

Philosophy, besides all its other functions, goes deep into the personal side of human life. The destiny of the individual, his inner emotions and desires, in a word, his life and death, have from time immemorial constituted one of the cardinal philosophical problems. The indifference to this human set of problems which is a characteristic feature of neopositivism is rightly regarded as one sided scientism, the essence of which is primitively simple philosophy must be a science like natural science, and strive to reach the same ideal of mathematical precision and authenticity.

From the above discussion we have seen that philosophy and science is closely related. But there are some difference between them. Many scientific research look only outwards, philosophers look both outwards and inwards, that is to say, at the world around man and man's place in that world philosophical consciousness new is reflective in its very essence.

In present day conditions the role not of natural science and technology but aslo of the humane science that study human affairs, the laws of life and development of society, has grown enormously and will continue to do so as time goes on. The results of social research have today assumed not only exceptional, theoretical but also exceptional applied, social and political importance. The very structure of social life is becoming more complex, new forms of human activity are appearing, the scientific and technological revolution continues its advance, the role social and political problems in the life of society in the development of culture is steadily increasing.

অৰ্থনীতি বিভাগ (৬০.৬ %)


শ্ৰীপল্লৱী দেৱী
অৰ্থনীতি বিভাগ (৬১.৪ %)


শ্ৰীবনশ্ৰী ভৰদ্বাজ
শিক্ষা বিভাগ (৬১.২ %)


শ্ৰীবনশ্ৰী শৰ্মা
শিক্ষা বিভাগ (৬০.১ %)


শ্ৰীদীপশিখা শৰ্মা
শিক্ষা বিভাগ (৬০.৬ %)


হাফিজা বেগম
শিক্ষা বিভাগ (৬৫.৩ %)


শ্ৰীহিৰন্ময়ী ডেকা
শিক্ষা বিভাগ (৬৩.৫ %)


জেবিন চুলতানা
শিক্ষা বিভাগ (৬৭.১ %)


শ্ৰীমৰমী শৰ্মা
শিক্ষা বিভাগ (৬৯.৮ ...

শ্ৰীহিৰন্ময়ী ডেকা

# মহাবিদ্যালয়ৰ গৌৰৱ

## ২০১১ বৰ্ষত স্নাতক চূড়ান্ত (১+১+১) পৰীক্ষাত প্ৰথম শ্ৰেণী প্ৰাপ্ত ছাত্ৰ-ছাত্ৰী সকল



শ্ৰীপাপৰি চহৰীয়া
শিক্ষা বিভাগ (৬১.৬ %)



চমজিদা বেগম
শিক্ষা বিভাগ (৬১.১ %)



শ্ৰীবঙ্কিম বৰুৱা
ভূগোল বিভাগ (৬৪.৩ %)



মোজামিল হক
ভূগোল বিভাগ (৬৩.৫ %)



শ্ৰীৰঞ্জন কুমাৰ গৌতম
ভূগোল বিভাগ (৬২.৩ %)



শ্ৰীববিতা দেৱী
ভূগোল বিভাগ (৬২.২ %)



শ্ৰীকনমণি কলিতা
ভূগোল বিভাগ (৬১%)



শ্ৰীজ্যোতিৰেখা কোঁৱৰ
দৰ্শন বিভাগ (৬১%)



শ্ৰীচিত্ৰৰঞ্জন শৰ্মা
সংস্কৃত বিভাগ (৭...)



শ্ৰীঅঙ্কুমণি ডেকা
সংস্কৃত বিভাগ (৬৯.২%)



শ্ৰীঅংশুমান শৰ্মা
পৰিসংখ্যা বিভাগ (৬৬.৮%)



শ্ৰীবিণি শৰ্মা
প্ৰাণী বিভাগ বিভাগ (৬৭%)



মৌছুমী ৰায় চৌধুৰী
প্ৰাণী বিভাগ বিভাগ (৬৩.৮%)



নাজিয়া চুলতানা
প্ৰাণী বিভাগ বিভাগ (৬৬.৮%)

শ্ৰীভাস্বতী শইকীয়া
প্ৰাণী বিজ্ঞান বিভাগ (৬২%)

শ্ৰীহিমাঞ্জলী ৰাজবংশী
প্ৰাণী বিভাগ বিভাগ (৬৪ %)

# মহাবিদ্যালয়ৰ প্ৰতিভা




মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰী



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ দেহশ্ৰী নুৰ ইছলাম



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাট্যদল সৰ্বশ্ৰী দিব্যজ্যোতি ডেকা,
জেইজি শৰ্মা,দ্বীপজ্যোতি কলিতা, কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ আৰু ৰাজীৱ ডেকা



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ অভিনেতা
শ্ৰীকুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ গায়ক
শ্ৰীদ্বীপজ্যোতি হাজৰিকা



মহাবিদ্যালয় সপ্তাহৰ
শ্ৰেষ্ঠ খেলুৱৈ (ল'ৰা)
শ্ৰীমানবেন্দ্ৰ কাকতি



মহাবিদ্যালয় সপ্তাহৰ
শ্ৰেষ্ঠ খেলুৱৈ (ছোৱালী)
নেচেমিন শইকীয়া



মহাবিদ্যালয় সপ্তাহৰ
শ্ৰেষ্ঠ সাহিত্যিক
পাপৰি কৌশিক



মহাবিদ্যালয় সপ্তাহৰ
শ্ৰেষ্ঠ তাৰ্কিক
স্যামন্তক ডেকা

# আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়




সাংস্কৃতিক শোভাযাত্ৰাত অংশলোৱা মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ একাংশ



অন্য এক অসমীয়া সংস্কৃতি প্ৰদৰ্শনেৰে সাংস্কৃতিক শোভাযাত্ৰাত
অংশলোৱা মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী



'ভেঙুচালি' প্ৰতিযোগিতাত
স্বৰ্ণপদক বিজয়ী শ্ৰীঋতুপৰ্ণ কলিতা



'মুকাভিনয়' প্ৰতিযোগিতাত ৰূপৰ পদক বিজয়ী দল
(বাওঁফালৰ পৰা বহি) সৰ্বশ্ৰী কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ, দীপাঞ্জলি ডেকা, দীপজ্যোতি কলিতা
(বাওঁফালৰ পৰা থিয় হৈ) সৰ্বশ্ৰী কংকণ চহৰীয়া, দীপক কলিতা, ৰাজীৱ ডেকা ।



শ্ৰেষ্ঠ সুকুমাৰ শিল্পী
শ্ৰীভাস্কৰ কলিতা



ভূপেন্দ্ৰ সংগীতত
২য় পুৰস্কাৰ প্ৰাপ্ত
শ্ৰীভাস্বতী শৰ্মা



২০১০-১১ বৰ্ষৰ মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ দ্বাৰা আয়োজিত ১০ দিনীয়া নৃত্য-নাট কৰ্মশালাৰ সমূহ প্ৰশিক্ষাৰ্থী আৰু প্ৰশিক্ষক সকল




মহাবিদ্যালয়ৰ এন. চি.চি.ৰ দ্বাৰা আয়োজিত পৰিৱেশ নিকাকৰণ অভিযানত কেডেটৰ সৈতে কেপ্টেইন লীনা শইকীয়া



মহাবিদ্যালয়ত আয়োজিত ২২তম শ্বহীদ সৌৰৱণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ দ্বিতীয় শ্ৰেষ্ঠ দল বৰ্ষা দেৱী গিৰি আৰু বেদান্ত শৰ্মা।



২২ তম শ্বহীদ সৌৰৱণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক হিমাশ্ৰী দেৱী।



অধ্যক্ষাৰ লগত মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



মহাবিদ্যালয়ত [illegible] চি. চি. কেম্পত অংশগ্ৰহণ কৰা [illegible] কেডেটসকল



মহাবিদ্যালয়ত আয়োজিত এন. চি. চি. কেট্ কেম্পত অংশগ্ৰহণ কৰা মহাবিদ্যালয়ৰ কেডেটসকল (ছোৱালী)

# উপ-সভাপতিৰ প্ৰতিবেদন



জয় জয়তে যি খন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি দৰং তথা অসমৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়ে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে সেইখন বিদ্যালয়লৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছো। মঙলদৈ মহাবিদ্যালয় জন্ম লগ্নৰে পৰা যি সকল ব্যক্তিৰ বহু শ্ৰম আৰু অৰ্থৰ ফলত এই পূৰ্ণাংগ মহাবিদ্যালয় খন স্থাপন হ'ল, তেওঁলোকে শিক্ষাৰ চাকি জ্বলোৱাত আমাক যি সুবিধা দিলে তাৰ বাবে আমি তেখেত সকলৰ ওচৰত সদায় ঋণী।

আজিৰ পৰা ৬০ বছৰ আগতে ১৯৫১ চনত উপঙ্গপাৰা জয়াল অৰণ্যৰ বুকুত দৰঙীয়া ৰাইজৰ একাগ্ৰতা আৰু কেইগৰাকী মান শিক্ষানুৰাগী শুভাকাংক্ষী ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত মঙলদৈ মহাবিদ্যালয় ভূমিষ্ঠ হৈছিল। যি আছিল ৰাইজৰ অযুত প্ৰতিশ্ৰুতিৰ প্ৰতিধ্বনি আৰু উচ্চ শিক্ষাত পিচ পৰি থকা দৰঙীয়া ৰাইজৰ আশা আকাংক্ষাৰ সপোন। সময়ৰ পৰিক্ৰমাত ধীৰগতিৰে হ'লেও এই বিদ্যামন্দিৰ উন্নতিৰ পথত অগ্ৰসৰ হৈছে আৰু দৰঙীয়া ৰাইজৰ বহু মৰমৰ বহু সপোন দিঠকৰ এইখিনি বিদ্যা মন্দিৰে উত্তৰণৰ বিভিন্ন দিশত খোজ দিছে। চৌদিশৰ সেউজীয়া পৰিৱেশ, সুদৃশ্য ভৱন তোৰণ আৰু বিভিন্ন শিক্ষা বিষয়ৰ সা-সুবিধা মাজতেই এইখন মহাবিদ্যালয়ৰ উত্তৰণৰ খতিয়ান নিহিত হৈ আছে। বৰ্তমানৰ যুৱ সমাজ দেশৰ ভৱিষ্যত। আমি জানো মহাবিদ্যালয় মজিয়া গচকি বহু সপোন দিঠক ভীৰৰ মাজত আপোনসৰৰ যুৱসত্বা উৰুলীকৃত। প্ৰকৃতাৰ্থত এই মহাবিদ্যালয় কেৱল যে ডিগ্ৰী প্ৰদানৰ অনুষ্ঠান এনে নহয়। ই হ'ল দেশৰ মহৎ শক্তিৰ যুৱ সত্বাক বিশ্লেষণাত্মক দৃষ্টি ভংগীৰে অধ্যয়ন পুষ্ট কৰি তোলা এক মহান অনুষ্ঠান। আন প্ৰকাৰে কলেজীয়া শিক্ষাৰ পাতনিয়ে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ মানসিকতাৰ প্ৰগতিশীল চিন্তাৰ উন্মেষ ঘটা সময়ৰ পৰিপ্ৰেক্ষিতত অতি প্ৰয়োজন। মহাবিদ্যালয় আৰু বি... বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল দেশৰ সম্ভাৱনাপূৰ্ণ সচেতনশীল যুৱ নাগৰিক। কিন্তু আমাৰ সমাজ ব্যৱস্থাৰ অসুস্থ বাতাৱৰণৰ হেতু আমাৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক, যুৱসত্বাক ব্যক্তিকেন্দ্ৰিক কৰি তুলিছে। আমাৰ সমাজৰ সাংস্কৃতিক অৱক্ষয়ে অমৃত সম্ভাৱনাপূৰ্ণ যুৱমানসিকতাক বহুলাংশে দূৰ্বল কৰি তুলিছে। যাৰবাবে আমি বহুতে নিজৰ সমাজখনৰ প্ৰতি দায়িত্বশীল হ'ব পৰা নাই।

শিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয় খনে যোৱা ছয়টা দশক সুখ্যাতিৰে অতিক্ৰম কৰাৰ পিছত বৰ্তমান মহাবিদ্যালয়খনত শৈক্ষিক তথা প্ৰশাসনিক দিশত এক সুস্থ পৰিৱেশৰ সৃষ্টি হৈছে। আমাৰ আনন্দৰ বিষয় এই যে মহাবিদ্যালয়ৰ পৰা বহুকেইগৰাকী প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে কলা আৰু বিজ্ঞান শাখাত বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ বিভিন্ন স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। লগতে আন পাঠ্যক্ৰম সমুহতো ছাত্ৰ-ছাত্ৰী সকলে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ সম্পাদক/সম্পাদিকা বৃন্দলৈ অনুৰোধ তেওঁলোকেও মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ প্ৰতি সচেতন আৰু দায়িত্বশীল হোৱাটো দৰকাৰ। লগতে ছাত্ৰ-ছাত্ৰীসকলেও নিৰ্বাচিত সময়ত যোগ্যতাৰ ভিত্তিতহে ভোট দিয়া উচিত যাতে নিৰ্বাচনৰ পিছত তেওঁলোকে নতুন দৃষ্টি ভংগীৰে সমস্যা সমূহ সমাধান কৰিব পাৰে।

কাৰ্য্যকালঃ মোৰ কাৰ্যকালৰ সময়তে মই যিমান দূৰ সম্ভৱ ছাত্ৰ-ছাত্ৰী সকলৰ মাজতে সদায় আছিলো আৰু সততে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা সমাধানৰ বাবে জোৰ দি আহিছিলো। এই সমস্যা কেইটা হ'ল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে খোৱা পানীৰ ব্যৱস্থা, ছাত্ৰী জিৰণি কোঠাটো উন্নত কৰা, প্ৰতিটো শ্ৰেণীকোঠাত উপযুক্ত বিজুলী সৰবাহৰ ব্যৱস্থা কৰা। আশা কৰিছো পৰৱৰ্তী পৰ্য্যায়ত এই আটাইবোৰ সমস্যা দূৰ হ'ব। মোৰ কাৰ্য্যকালত-

১) ১০ নবেম্বৰ কাৰ্য্যভাৰ গ্ৰহণ। ২) ২০ ডিচেম্বৰ ৰ পৰা ২৪ ডিচেম্বৰৰ লৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন ৩) ৮ ফ্ৰেব্ৰুৱাৰী সৰস্বতী পূজা উদ্‌যাপন ৪) ৩১ আগষ্ট নৱাগত আদৰণি সভা। ৫) ২০ ছেপ্তেম্বৰ সদৌ অসম শ্বহীদ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা।

মোৰ কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ প্ৰতিটো কামতে দিহা পৰামৰ্শ আগবঢ়োৱাই উৎসাহিত কৰা ছাত্ৰ একতা সভা তত্বাবধায়ক মহোদয় ডঃ বিজয় কুমাৰ শৰ্মা ছাৰ দেৱ, সকলো বিভাগৰ অধ্যাপক, অধ্যাপিকা, শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, সমূহ কৰ্মচাৰী বৃন্দ, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। শেষত মঙলদৈ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যতৰ কামনাৰে -

"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে -

মহেশ্বৰ ঘোষ

উপ-সভাপতি, মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধা জ্ঞাপন কৰিছো যি সকল মহান ব্যক্তিৰ মহৎ চিন্তাৰ ফলত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠা লাভ কৰিলে। যি সকলৰ তেজৰ বিনিময়ত আজি আমি পৰাধীনতাৰ ৰঙা শিকলীৰ পৰা মুকলি হৈ স্বাধীনতাৰ সোৱাদ ল'ব পাৰিছোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ (২০১০-১১) বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে দায়িত্বপূৰ্ণ পদত যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক বিপুল ভোটত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুযোগ দিলে তাৰ বাবে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**কাৰ্যকালঃ-** নিৰ্বাচনত জয়ী হোৱাৰ কিছুদিন পিছতে ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়াসকলৰ সৈতে ইং ১০/১১/২০১০ তাৰিখে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো আৰু কাৰ্যকাল বিভিন্ন কাৰ্যসূচী ৰূপায়িত কৰো। ইয়াৰ ভিতৰত মহাবিদ্যালয় সপ্তাহ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে পোন প্ৰথম কাৰ্যসূচী হিচাপে ইং ২০/১২/২০১০ তাৰিখৰ পৰা ২৪/১২/২০১০ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা ফুটি উঠে আৰু মানসিক আধ্যাত্মিক দিশত বিকাশ লাভ কৰে।

ইং ২৪/১২/২০১০ তাৰিখে মহাবিদ্যালয় সপ্তাহৰ বঁটাবিতৰণী সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ কৰা অসমৰ চলচিত্ৰ জগতৰ যশস্বী অভিনেতা নয়ন নীলিম উপস্থিত থাকি সাংস্কৃতিক অনুষ্ঠানটি শুৱনি কৰে। লগতে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত পৰিবেশনে সকলোকে আনন্দ মুখৰ কৰি তোলে।

**সৰস্বতী পূজা উদ্‌জাপন ঃ-** বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা মহাহিবদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত ০৮/০২/২০১১ তাৰিখে মহাবিদ্যালয়ত উলহ-মালহৰে সুন্দৰ ভাৱে পালন কৰা হব।

**ফাতেহা ই-দেৱাজ দাহম ঃ-**বিগত বছৰবোৰৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ সমূহ শিক্ষক কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত ইং ৩০/০৭/২০১১ তাৰিখে উৎসৱ মুখৰ পৰিৱেশেৰে পালন কৰা হয়।

**নৱাগত আদৰণী সভা ঃ-** ইংৰাজী ২০/০৮/১১ তাৰিখে দিনযোৰা কাৰ্য্যসূচীৰে নৱাগত আদৰণী সভাখন পতা হয়। সভাখনত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাহাৰৰে আনন্দ মুখৰ হৈ পৰে। মুকলি সভাৰ আসন শুৱনি কৰে অসমৰ মীন, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী শ্ৰীযুত বসন্ত দাসদেৱ আৰু দৰং জিলাৰ মাননীয় উপায়ুক্ত শ্ৰীযুত কুমুদ চন্দ্ৰ কলিতা দেৱে।

সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ কৰি আনিছিলো অসমৰ এজন খ্যাতনামা অভিনেতা নয়ন নিৰ্বান আৰু অভিনেত্ৰী পল্লৱী মেধি। লগতে আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত পৰিবেশনে সাংস্কৃতিক অনুষ্ঠানটি প্ৰানবন্ত কৰি তোলে।

**তৰ্ক প্ৰতিযোগিতা ঃ-** ইং ২০/০৯/১১ তাৰিখে মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এইবাৰো মঙলদৈ মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত আন্তঃ মহাবিদ্যালয় ছহিদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা খনি অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাখনিত অসমৰ কেইবাখনো আগশাৰীৰ মহাবিদ্যালয়ে যোগদান কৰে।

**অভাৱ অভিযোগ ঃ-** দৰং জিলাৰ উচ্চ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয় সকলো ফালৰ পৰা অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত হৈছে। যদিও কিছুমান অভাৱে জুৰুলা কৰি আহিছে। এই অবাৱ অভিযোগবোৰ নিৰ্মূল কৰিবলৈ আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ বীৰেন্দ্ৰ নাথ ডেকা ছাৰ দেৱক অৱগত কৰিছিলোঁ। আৰু তেখেতেওঁ অভাৱ অভিযোগসমূহ সমাধান কৰাৰ আশ্বাস প্ৰদান কৰিছে।

**কৃতজ্ঞতা স্বীকাৰ ঃ-** মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ কাৰ্যসূচীতে জড়িত থাকি দিহা-পৰামৰ্শৰে উপকৃত কৰা মঙলদৈ মহবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত নাৰায়ন চন্দ্ৰ মুদৈ ছাৰ, ভাৰপ্ৰাপ্ত অধ্যক্ষা বন্দনা গোস্বামী বাইদেউ, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ডঃ বিজয় কুমাৰ শৰ্মা ছাৰৰ, লগতে প্ৰতিতো ক্ষেত্ৰত দিহা-পৰামৰ্শ আৰু সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মঙলদৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে মোৰ দায়িত্ব কিমানদূৰ সফলতাৰে পালন কৰিব পাৰিলো সেইটো বিচাৰ্যৰ বিষয়। মোৰ দায়িত্ব পালনত অজানিতে বৈ যোৱা ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিছাৰিছো।

শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে
শ্ৰীকিশোৰ শইকীয়া
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা (২০১০-২০১১)

বিভাগীয় প্ৰতিবেদন

# খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতেই যি সকল বীৰ-বীৰাঙ্গনাই আমাৰ অসমী আইৰ মুক্তি আৰু জাতিৰ নামত জীৱন উৰ্চগা কৰিছিল, সেই মহান ব্যক্তিসকললৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। আৰু যি সকল মহৎ ব্যক্তিৰ মহান সহযোগত এই মহাবিদ্যালয়খন গঢ়ি উঠিছিল তেওঁলোকলৈ মোৰ অন্তৰৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১০-২০১১ বৰ্ষৰ খেল সম্পাদকৰ পদত মোক বিপুল ভোটত জয়ী কৰাই মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদকৰ দায়িত্বভাৱ লোৱাৰ বাবে মোক যোগ্যধৰ সম্পাদক হিচাপে বিবেচিত কৰিছিল, সেই সহপাঠী সকললৈ মোৰ মৰম, শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেল বিভাগৰ সম্পাদকৰ দায়িত্ব ভাব লোৱাৰ পিছৰে পৰা মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ মহাবিদ্যালয় সপ্তাহ। আমাৰ মহাবিদ্যালয় সপ্তাহ ২০/১২/২০১০ তাৰিখৰ পৰা ২৪/১২/২০১০ তাৰিখলৈ নিৰ্দ্ধাৰিত কৰা হৈছিল। কিন্তু সেই সীমিত দিনকেইটাত খেলবোৰ পৰিচালনা কৰা অসুবিধা হ'ব বুলি ভাবি মই আগতীয়াকে ১৫/১২/২০১০ তাৰিখৰ পৰা খেলবোৰ আৰম্ভ কৰিছিলো। এই খেলসমূহ হ'ল- ল'ৰাৰ ক্ৰিকেট, ফুটবল, কাবাদি, ভলীবল, মাৰাথান দৌৰ, দৌৰ প্ৰতিযোগিতা (১০০,২০০,৪০০ মিটাৰ) লংজাম্প, হাইজাম্প, জেভ্লিংথ্ৰ দিস্কাস, গধুৰ বল দলিওৱা ইত্যাদি।

ছোৱালীৰ খেলবোৰ হ'ল- ক্ৰিকেট, দৌৰ প্ৰতিযোগিতা (১০০, ২০০,৪০০ মিটাৰ) লংজাম্প, হাইজাম্প,জেভ্লিংথ্ৰ দিস্কাস, গধুৰ বল দলিওৱা ইত্যাদি।

ছোৱালীৰ খেল সমূহৰ ভিতৰত ক্ৰিকেট খেল প্ৰতিযোগিতাখন অতি ৰোমাঞ্চকৰ হৈ উঠিছিল। সকলোবোৰ খেল নিয়াৰিকে পৰিচালনা কৰিবৰ বাবে মই ছাত্ৰ-ছাত্ৰী পৰা বহুতো সহায় পাইছো। নিয়াৰিকে পালন কৰিছো। তথাপিও বহুতো কাম কৰিব পৰা নগ'ল। সেই কামবোৰ আগন্তুক ২০১১/২০১২ বৰ্ষৰ নিৰ্বাচিত হোৱা খেল সম্পাদকৰ লগত থাকি বিভিন্ন কামবোৰত সহায় কৰিম বুলি ভাবিছো। মই মোৰ দায়িত্ব আৰু কৰ্তব্য পালনত অজানিতে ভুল-ক্ৰটি কৰা বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

শেষত মঙলদৈ মহবিদ্যালয়ৰ শৈক্ষিক, সংস্কৃতিক, খেল ধেমালী আৰু সকলো দিশৰে পৰা সফল হয় তাৰে কামনাৰে। "জয়তু মঙ্গলদৈ মহাবিদ্যালয়"

শ্ৰদ্ধাৰে -
মিৰ আলফাজ জেহিৰ আহমেদ
খেল সম্পাদক

# সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সুঁৱৰিছো সেইসকল শ্বহীদলৈ, যি সকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি স্বৰ্গাভিমূখী হ'ল আৰু সেইসকল মহান ব্যক্তিলৈ যাৰ আশাসুধীয়া প্ৰচেষ্টা আৰু কঁপালৰ ঘামৰ সাক্ষী হৈ মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ মাজ মজিয়াৰ সগৰ্বে থিয় হৈ আছে।

**কাৰ্যকালৰ প্ৰেক্ষাপট ঃ-** মঙলদৈ মহবিদ্যালয় ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ মই সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে বিবেচিত হওঁ। প্ৰতি বছৰৰ দৰে শপত গ্ৰহণৰ পাচতেই মহাবিদ্যালয় সপ্তাহৰ কাৰ্যভাৰ মোৰ হাতত আহি পৰে। ২০১১-১১ বৰ্ষৰ ডিচেম্বৰ মাহৰ ২০ তাৰিখৰ পৰা ২৪ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহৰ মই জ্যোতি সংগীত, ৰাভা সংগীত, গজল, খেয়াল, বৰগীত, লোকগীত, বনগীত, বিহুগীত, ভবেন্দ্ৰ সংগীত, আদি সংগীত প্ৰতিযোগিতাৰ লগতে লোকনৃত্য আৰু আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰোঁ। তাৰ উপৰিও অন্তক্ষৰী প্ৰতিযোগিতা একাংকিকা নাট একক অভিনয়, কৌতুক অভিনয় আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ। মহাবিদ্যালয় সপ্তাহ উপলক্ষে হোৱা সকলো প্ৰতিযোগিতাতে ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি পাৰদৰ্শিতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱাৰ লগতে তেওঁলোকৰ সক্ৰিয় সহযোগে মোক অতিকৈ উৎসাহিত কৰি তুলিছিল।

প্ৰতিবাৰৰ দৰে মঙলদৈ মহাবিদ্যালয়ৰ নাটকৰ কৰ্মশালা অনুষ্ঠিত কৰাৰ মানসেৰে ২২/৮/১১ তাৰিখৰ পৰা ৩০/৮/১১ তাৰিখলৈ নৃত্য আৰু মুকাভিনয়ৰ কৰ্মশালা অনুষ্ঠিত কৰিছিলো। এই কৰ্মশালাত ৪৫ জন ছাত্ৰ-ছাত্ৰীয়ে অংশ

গ্ৰহণ কৰি মোক অনুপ্ৰেৰণা যোগাইছিল কাৰ্যক্ষেত্ৰত আগ বাঢ়িবৰ বাবে। এই কৰ্মশালাৰ প্ৰশিক্ষনৰ বাবে ভনীৰা দেৱী, পৱিত্ৰ দাস, লিটুল দাস আৰু মুকাভিনয়ৰ বাবে ঋতুপৰ্ণ কলিতা আমন্ত্ৰণ কৰিছিলো। তেওঁলোকে বুকুৰ মৰমেৰে সকলো ছাত্ৰ-ছাত্ৰীকে প্ৰশিক্ষণ দিয়াৰ আৰম্ভ কৰিছিল। অৱশেষত ২/৯/১১ তাৰিখে **'সৃষ্টি পথাৰত আমি'** নাম দি এখন ব্যতিক্ৰম ধৰ্মী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি কৰ্মশালাৰ সামৰণি মাৰিলোঁ। আশা কৰো এই কৰ্মশালাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল অলপ হ'লেও উপকৃত হৈছে।

কৃতজ্ঞতাঃ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ তত্বাৱধায়ক হৰিমন ডেকা মহোদয়লৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ বন্ধুবৰ্গ দীপজ্যোতি, কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ (মন), ৰাজীৱ, পংকজ, ত্ৰিদিপ দা, বনজিৎ দা, অমিত দা (উপ-সভাপতি), কিশোৰ শইকীয়া (সাধাৰণ সম্পাদক) আদি সকলোলৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো যাৰ সান্নিধ্য অবিহনে হয়তো মোৰ কাৰ্যকাল পৰিচালনাত জটিলতা আহিলহেঁতেন। সেয়েহে মই তেওঁলোকৰ ওচৰত চিৰ ঋণী।

মোৰ এই কাৰ্যকালত সাংস্কৃতিক দিশত বৈ যোৱা ভুল-ক্ৰুটিৰ বাবে মই ক্ষমা বিচাৰিছো আৰু লগতে মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক, অৰ্থনৈতিক, সাংস্কৃতিক, সামাজিক, নৈতিক সকলো দিশৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

শ্ৰদ্ধাৰে-
দীপক কলিতা
সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ।

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আদিতে যি সকল মহান ব্যক্তিৰ সহযোগত এই মহাবিদ্যালয় খন গঢ়ি উঠিছিল, তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ ২০১০-২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈছিলো। মহাবিদ্যালয় খনিলৈ সেৱা আগবঢ়াবলৈ এই সুবিধাকণ দিয়াৰ বাবে মোৰ অগ্ৰজ, অনুজ আৰু সহপাঠী সকললৈ শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ মহাবিদ্যালয় সপ্তাহ। সেয়ে মহাবিদ্যালয় সপ্তাহত ছাত্ৰী সকলৰ প্ৰয়োজনীয় খেলৰ সামগ্ৰীবোৰ কিনিলো। ছাত্ৰী জিৰণী কোঠাৰৰ বহিঃদ্বাৰত খেল কেৰেম, দবা, বেডমিণ্টন আদি খেল সমুহ পতা হয়। মোৰ কাৰ্যভাৰৰ শেষত অধ্যক্ষা আৰু তত্বাৱধায়িকা সীমাজ্যোতি বাইদেউৰ অনুমতিত ছাত্ৰী জিৰণী কোঠাৰ পৰ্দা, খোৱা পানীৰ ফিল্টাৰ, চকী আদি কিনিলোঁ।

মোৰ কাৰ্যকালৰ প্ৰতিটো কামত দিহা পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া, তত্বাৱধায়িকা বাইদেউ, সকলো শিক্ষাগুৰু, কৰ্মচাৰীৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে বিদ্যালয় সপ্তাহত মোক সকলো কামতে সহায় কৰা মোৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু অজানিতে কৰা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিলোঁ

"জয়তু মঙলদৈ মহাবিদ্যালয়"

শ্ৰদ্ধাৰে-

শ্ৰীমিকুমনি বৰ্মন
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

বিভাগীয় প্ৰতিবেদন

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



দৰং জিলাৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মঙলদৈ মহাবিদ্যালয়। ছটা দশক ধৰি গৌৰৱেৰে জ্ঞানৰ পোহৰ বিতৰণ কৰি শিক্ষা সমাজত এক সুকীয়া আসনৰ অধিকাৰী হোৱা মহবিদ্যালয়খনৰ আছে এক অপূৰ্ব প্ৰাকৃতিক পৰিৱেশ। য'ত চলে এজাক শিক্ষাৰ্থীৰ জ্ঞানৰ চৰ্চা, য'ৰ পৰা আৰম্ভ হয় এটি নতুন সপোনৰ-

মঙলদৈ মহাবিদ্যালয়ত ছাত্ৰ হিচাপে খোজলোৱাৰ পিছৰে পৰা অইন দহজন ছাত্ৰৰ দৰে মোৰ মনত সপোন জাগিছিল, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এজন বিষয়ববীয়া হিচাপে কিছু সেৱা আগবঢ়োৱাৰ সময়ত সেই সপোনকে বাস্তৱ ৰূপ দি ২০১০-২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত হৈ ১০ নবেম্বৰ ২০১০ তাৰিখে মহাবিদ্যালয় পৰিয়ালৰ সন্মুখত শপত বাক্য পাঠ কৰি শিৰ পাতি ললোঁ মোৰ আকাংক্ষিত এটি দায়িত্ব, অধ্যয়নৰ বাবে সাজু হ'লো সামাজিক শিক্ষাৰ এটি নতুন পাঠ —

**কৰ্মৰ খাতিয়ান ঃ** দায়িত্বভাৰ পোৱাৰ পিছতে মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে যোৱা ১৩ ডিচেম্বৰ, ২০১১ তাৰিখে তেজপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত "The NRL Quiz" ত শীৰ্ষক ৰাজ্যিক ভিত্তিক কুইজ প্ৰতিযোগিতা খনিত এটি দুজনীয়া দলে অংশগ্ৰহণ কৰি তুলনামূলক ভাবে ভাল-ফলাফল দাঙি ধৰে। ইয়াৰ পিছতেই যোৱা ২০/১২/২০১০ তাৰিখৰ পৰা ২৪/১২/২০১০ তাৰিখলৈ অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহত এই বিভাগৰ ফালৰ পৰা অনুষ্ঠিত কৰা হৈছিল, কুইজ, তৰ্ক আৰু মানসিক সামৰ্থ্য পৰীক্ষা প্ৰতিযোগীতা, য'ত প্ৰতিযোগীৰ যোগদান তথা দৰ্শকৰ সহাৰি আছিল উৎসাহজনক। পৰৱৰ্তী সময়ত যোৱা ৮ জানুৱাৰী, ২০১১ তাৰিখে পাণ্ডু মহাবিদ্যালয়ত অনুষ্ঠিত উত্তৰ পূৰ্বাঞ্চল ভিত্তিক তৰ্ক আৰু কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ফালৰ পৰা এটিকে দলে যোগদান কৰি প্ৰশংসিত হয়। ২৮ আগষ্ট ২০১১ তাৰিখে অসম ৰাজ্যিক সংগ্ৰাহলয়, গুৱাহাটী ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত অসমৰ এখনি অন্যতম তৰ্ক প্ৰতিযোগিতা, "পৰাগ দাস সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা, যোৱা ৭ চেপ্তেম্বৰ ২০১১ তাৰখে কটন মহাবিদ্যালয়ত অনুষ্ঠিত ৩১ তম্ মানিক চন্দ্ৰ বৰুৱা সোঁৱৰণী ৰাষ্ট্ৰীয় ভিত্তিক তৰ্ক প্ৰতিযোগিতা" আৰু ২৪ চেপ্তেম্বৰ, ২০১১ তাৰিখে তেজপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম ভিত্তিক তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ফালৰ পৰা অংশগ্ৰহণ কৰা তাৰ্কিক সকলে আশা সূচক প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়।

ইয়াৰ পিচতেই তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাপে পালন কৰিবলগীয়া অন্যতম্ এটি গধুৰ দায়িত্ব হ'ল, শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা খনি অনুষ্ঠিত কৰা। যোৱা ২০ চেপ্তেম্বৰ তাৰিখে ডঃ নগেন্দ্ৰ নাথ শৰ্মা ছাৰৰ অধ্যক্ষতাত দ্বাবিংশতিতম বৰ্ষত ভৰি দিয়া উক্ত তৰ্ক প্ৰতিযোগিতা খনি সফল ভাবে অনুষ্ঠিত কৰা হয়। এই তৰ্ক প্ৰতিযোগিতা খনি আছিল, তৰ্ক আৰু বক্তৃতা বিভাগৰ সফলতাৰ এটি নতুন মাপকাঠি। কিয়নো, বিগত বৰ্ষবোৰত আমাৰ নিজৰ প্ৰতিযোগীৰে মানদণ্ড নিম্ন আছিল। কিন্তু এই বৰ্ষত যথেষ্ট কষ্ট আৰু সাধনাৰ লগতে শ্ৰদ্ধাৰ শৈলেন্দ্ৰ শৰ্মা বৰুৱা আৰু তত্বাবধায়ক আধ্যাপক মুকুট শৰ্মা ছাৰৰ প্ৰশিক্ষন আৰু নিৰ্দেশনাৰ বাবে মংগলদৈ মহাবিদ্যালৈয়ৰ হিমাশ্ৰী দেৱীয়ে তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লবাৰ লগতে মংগলদৈ মহাবিদ্যালয়ে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান বুটলিবলৈ সক্ষম হয়। সাংবাদিক হেমন্ত কুমাৰ শৰ্মা, অধ্যাপক ডঃ দিৱাকৰ দাস আৰু অধিবক্তা শৈলেন্দ্ৰ শৰ্মা ছাৰে বিচাৰকৰ আসন গ্ৰহন কৰা উক্ত তৰ্ক প্ৰতিযোগিতা খনিৰ সম্পৰ্কত ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু ভিন্নজনৰ উৎসাহজনক মন্তব্যই মোক এই অনুষ্ঠানটি সাফল্য মণ্ডিত হোৱা বুলি পতিয়ন নিয়াইছে। এই প্ৰতিযোগিতা খনিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ মৃদুল বৰ্মন আৰু নলবাৰী মহাবিদ্যালয়ৰ প্ৰাণজিৎ দাসে ক্ৰমান্বয়ে শ্ৰেষ্ঠ তাৰ্কিক আৰু দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে । উল্লেখ যোগ্য যে, বিগত বৰ্ষবোৰত অনুষ্ঠিত কৰি অহা উক্ত তৰ্ক প্ৰতিযোগিতা খনিৰ শ্ৰেষ্ঠ তাৰ্কিকৰ পুৰস্কাৰৰ নগদ ধনৰ পৰিমাণ যোৱা বৰ্ষৰ ৩০০১.০০ (তিনি হাজাৰ এক) টকাৰ পৰা ৫০০০.০০ (পাঁচ হাজাৰ) টকালৈ বৃদ্ধি কৰা হয়। সেই অনুপাতে বাকী শিতানবোৰতো বৃদ্ধি কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ** কাৰ্যকালৰ আৰম্ভণিৰে পৰা পথপদৰ্শক তথা নিৰ্দেশক হিচাপে মোৰ প্ৰতিটো খোজতে সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যাক্ষা মহোদয়া, বিভাগীয় তত্বাবধায়ক মহোদয় তথা ছাত্ৰ একতা সভাৰ তত্বাবদায়ক মহোদয়ৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়লৈ আন্তৰিক কৃজ্ঞতা জ্ঞাপন কৰিছো।

মই বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো শ্ৰদ্ধাৰ শৈলেন্দ্ৰ শৰ্মবিৰুৱা ছাৰৰ লগতে সমূহ দাতালৈ তদুপৰি মোক বিভিন্ন

প্ৰকাৰে সহায় কৰা ৰণজিৎ দা, ত্ৰিদিপ দা, নৱ দা, দেৱ দা, নয়ন দা নয়ন পাৰ্থপ্ৰতীম মৃদুল, ময়ুৰাক্ষী, চন্দনা বা, বৰষা, জ্যোতি তথা সমূহ সহপাঠী, বন্ধু-বান্ধৱী, জ্যেষ্ঠ জনলৈ জ্ঞাপন কৰিছো আন্তৰিক কৃতজ্ঞতা।

কৃতজ্ঞতা জ্ঞাপন কৰিছো সেইসকললৈ, যিসকলে বিভিন্ন সময়ত এই বিভাগলৈ বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়ালে।

**সামৰণি ঃ** বিগত এটি বছৰৰ বিভিন্ন কৰ্মসূচীৰে পাৰ কৰা সেৱক হিচাপে মই কিমানখিনি সফল হ'লো সেয়া বন্ধু বান্ধৱী সকলে বিচাৰ কৰিব। এজন সেৱক হিচাপে মনোবল থকালৈকে এই মহাবিদ্যালয় খনলৈ মই বিভিন্ন প্ৰকাৰে সেৱা আগবঢ়াই যাম। বিগত দিনত মই জ্ঞাতে অজ্ঞাতে কৰি যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি পৰৱৰ্তী পৰ্যায়ত আমাৰ মহাবিদ্যালয় খন আপোনালোকে গঠন-মূলকত সমালোচনাৰে আগুৱাই লৈ যাব বুলি আশা কৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰদ্ধাৰে
**শ্ৰীগুঞ্জন কুমাৰ নাথ**
সম্পাদক
তৰ্ক আৰু বক্তৃতা বিভাগ
২০১০-২০১১ বৰ্ষ।

# সাহিত্য বিভাগ



প্ৰতিবেদনৰ পাতনিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছোঁ, যি সকলৰ মহৎ চিন্তা আৰু অশেষ প্ৰচেষ্টাৰ ফলত ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ত গঁজালি মেলিছিল। লগতে শ্ৰদ্ধা নিবেদিলোঁ সেই সকল ব্যক্তিলৈ, যি সকলে জাতিৰ অস্তিত্ব বজাই ৰাখিবৰ বাবে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি তেজৰ বোলেৰে ইতিহাস ৰচি শ্বহীদ হৈ গ'ল।

সাহিত্য-সংস্কৃতি হৈছে জাতিৰ দাপোন তথা মেৰুদণ্ড স্বৰূপ। এটা জাতিৰ আশা আকাংক্ষা, শিক্ষা সংস্কৃতি, সমাজ ব্যৱস্থা সেই জাতিৰ সাহিত্যৰ মাজেৰে প্ৰকাশ লাভ কৰে। বিদ্যালয়, মহাবিদ্যালয়ৰ আলোচনী, কবিতা পুথি, প্ৰাচীৰ পত্ৰিকা আদিবোৰত ইয়াৰ প্ৰতিফলন ঘটে। শিক্ষানুষ্ঠান সমূহকেই সাহিত্য চৰ্চাৰ কঠিয়া তলি বুলিব পাৰি। আৰু এই কঠিয়াতলিৰ পৰা গজালি মেলি এসময়ত প্ৰথিতযশা কবি সাহিত্যিক হিচাপে প্ৰতিষ্ঠা লাভ কৰি সাহিত্যৰ ভঁড়াল চহকী কৰা দেখা যায়। মঙলদৈ মহাবিদ্যালয়ৰ এই সাহিত্যৰ কঠিয়াতলিৰ পৰাও সাহিত্যৰ সৃষ্টি নহব বুলি ক'ব নোৱাৰি। আমি আশাবাদী।

মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ গুৰুত্ব অধিক। এই সাহিত্য বিভাগৰ বিশ্বৰ সাহিত্যৰ এক অনুৰ দৰে। এই বিভাগত ভূমিকা লোৱা কোনো ছাত্ৰ-ছাত্ৰীয়ে এদিন বিশ্ব সাহিত্যত খলকনি যোগাব বুলি আমি আশা কৰিব পাৰো। এনে আশাৰে সাহিত্য বিভাগে 'প্ৰেৰণা' নামৰ এখন কবিতা পুথি আৰু 'সাঁচি পাত' নামেৰে এখন প্ৰাচীৰ পত্ৰিকা বাৰ্ষিকভাৱে প্ৰকাশ কৰি আহিছে।

মানুহৰ প্ৰতি মানুহৰ কৰ্তব্য, মানুহৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবে মোৰ মানুহৰ প্ৰতি কিবা এটা কৰাৰ হেঁপাহ আছে। তেনে এক মনোবলক লৈয়ে মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১১-১২ বৰ্ষৰ সাহিত্য বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচন খেলোঁ। আৰু আশা কৰা ধৰণে সাহিত্য বিভাগৰ সম্পাদ হিচাপে সেঁৱা কৰিবলৈ সুযোগ পাইছিলোঁ। সেয়েহে দায়িত্ব পালনৰ বাবে পাৰ্যমানে চেষ্টা অব্যাহত ৰাখিছিলোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে দায়িত্ব ভাৰ লোৱাৰ পিচতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় সপ্তাহৰ সাহিত্য বিভাগৰ দ্বাৰা অনুষ্ঠিত কৰা বিভিন্ন কাৰ্যসূচীৰ ভিতৰত পোন প্ৰথমে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' খনি উন্মোচন কৰা হয়। এই প্ৰাচীৰ পত্ৰিকা খনি উন্মোচন কৰে সাহিত্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীৰূপজ্যোতি বৰুৱা বাইদেউৱে। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচী হিচাপে অনুষ্ঠিত কৰা হয় সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতাসমূহ। তাৰে ভিতৰত অসমীয়া, ইংৰাজী, স্বৰচিত কবিতা আবৃত্তি প্ৰতিযোগিতা থিতাতে লিখা গল্প, কবিতা, নীলা খামৰ চিঠি লিখা প্ৰতিযোগিতা।

মহাবিদ্যালয় সপ্তাহৰ এই আটাইবোৰ প্ৰতিযোগিতাত প্ৰতিযোগীয়ে যি হিচাপে অংশ গ্ৰহণ কৰিলে, সেই অনুপাতে ভৱিষ্যতে সাহিত্য বিভাগৰ উন্নতি ঘটাব বুলি আশা কৰিব পাৰি। যি সকল প্ৰতিযোগিয়ে প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰিলে আৰু যি সকল অগ্ৰজ আৰু সতীৰ্থই প্ৰতিযোগিতা সমূহ সু-শৃংখলতাৰে পৰিচালনা কৰাত সহায় আগবঢ়ালে তেওঁলোকলৈ

বি ভা গী য় প্র তি বে দ ন

অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সাহিত্য বিভাগৰ তত্বাৱধায়ক হিচাপে শ্ৰীৰূপজ্যোতি বাইদেউৱে প্ৰতিটো খোঁজতে যি সহায়-সহযোগিতা দিহা পৰামৰ্শ আগবঢ়ালে তাৰ বাবে বাইদেউলৈ মোৰ হিয়াভৰা শ্ৰদ্ধাতথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে যি সকল শিক্ষাগুৰুৱে এই বিভাগতো সুচাৰুৰূপে পৰিচালনা কৰাত সহায় আগবঢ়ালে তেওঁলোকৰ ওচৰতো মই চিৰ কৃতজ্ঞ।

কাৰ্যকাল শেষ হোৱাৰ আগে আগে সাহিত্য বিভাগৰ দ্বাৰা প্ৰকাশিত কবিতা সংকলন 'প্ৰেৰণা' খনি প্ৰকাশ কৰিছোঁ। এই কবিতাপুথিখনে অসমীয়া সাহিত্যৰ ভঁড়ালত কি পৰিমাণে বৰঙণি যোগাব সেয়া সময়হে ক'ব। আৰ্থিক ভাবে দুৰ্বল এই বিভাগতো পূৰ্বৰ গতানুগতিকতা মানি লোৱাৰ বাহিৰে আশা কৰা ধৰণে পৰিবৰ্তন কৰিব পৰা নগ'ল, যদিও এইবাৰ 'প্ৰেৰণা' খনি আগতকৈ পৰিসৰ বহল কৰিবলৈ সক্ষম হৈছিলোঁ।

মঙলদৈ মহবিদ্যালয়ৰ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদক হিচাপে মোৰ দায়িত্ব কিমান দুৰ সফলতাৰে পালন কৰিব পাৰিলো সেইটো সতীৰ্থ বৃন্দই বিচাৰ কৰিব। মোৰ কৰ্তব্য পালনত অজানিতে বৈ যোৱা ভুল -ক্ৰটিৰ বাবে সকলোৰ ওচৰত ক্ষমা বিচাৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু মঙলদৈ মহাবিদ্যালয়"

'জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে -
মঃ মহচিন আলি।
সম্পাদক, সাহিত্য বিভাগ।

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো সেইসকল শ্বহীদলৈ, যি সকলে কেঁচা তেজেৰে নিজৰ জীৱন আহুতি দি মাতৃভূমিলৈ স্বাধীনতা কাঢ়িয়াই আনিলে আৰু লগতে যিসকল মহৎ ব্যক্তিৰ অধ্যাৱসায়, ত্যাগ আৰু শুভেচ্ছাৰ ফলস্বৰূপে এই বিদ্যামন্দিৰ প্ৰতিষ্ঠা হ'ল সেইসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

১৯৫১ চনত প্ৰতিষ্ঠিত অসমৰ এখন উল্লেখনীয় শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ ২০১০-১১ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সমাজসেৱা বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মোৰ অগ্ৰজ, অনুজ আৰু সহপাঠী সকললৈ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

কাৰ্যভাৰ গ্ৰহণৰ কিছুদিন পিছতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয় । এই সময়ছোৱাত মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ স্বৰূপে এখন "প্ৰতিযোগিতামূলক চাফাই অভিযান" অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাত শ্ৰেষ্ঠ সমাজকৰ্মী হিচাপে নয়ন প্ৰকাশ চহৰীয়াই বঁটা লাভ কৰো। ইয়াৰ পিছত সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনৰ লগত সংগতি ৰাখি কলেজ চৌহদত আবৰি ধৰা হাবি-বননিবোৰৰ লগতে প্ৰস্ৰাৱগাৰ চাফাই তথা কলেজৰ পৰিবেশ নিকাকৰণৰ এটা প্ৰচেষ্টা যথেষ্টখিনি সফল হয়।এই প্ৰচেষ্টাত মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক তথা ৰাজনীতি বিজ্ঞান বিষয়ৰ মূৰব্বী অধ্যাপক শ্ৰীইচ্ছাৰাম নাথ ছাৰে প্ৰয়োজনীয় দিহা-পৰামৰ্শৰে মোক যথেষ্ট সহায় আৰু উৎসাহিত কৰি তুলিছিল।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়ক ইচ্ছাৰাম নাথ ছাৰ, ডঃ অনুপম ঠাকুৰীয়া ছাৰৰ লগতে মহাবিদ্যালয়খনৰ সমূহ শিক্ষাগুৰু-কৰ্মচাৰী তথা ছাত্ৰ একতাসভাৰ সকলো সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি মোক সকলো ক্ষেত্ৰতে সহায় কৰা ইফ্‌তিকাৰ, নয়ন, নৱ দা, দেৱ দা , অতিথি দা, মানস, নিপু, হীৰক কাকু, ভবেশ, পাৰ্থ, অজিত, তাৰিকুল, বিপুল, মিকু, বৰ্ণালী, দিপা, বিভাহঁতলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ। পৰিতাপৰ বিষয় যে, মোৰ কাৰ্যকালত কৰা চেষ্টাৰ পিছতো বিভিন্ন অসুবিধাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সুলভ মূল্যৰ কেৰাচিন তেল যোগান ধৰিব পৰা নগ'ল। তাৰবাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ক্ষমা প্ৰাৰ্থী। লগতে কাৰ্যকালৰ সময়ছোৱাত মোৰ অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ।

সদৌশেষত আশা কৰো যে দৰং জিলাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙলদৈ মহাবিদ্যালয়ে আগন্তুক সময়ত অসমৰ ভিতৰত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হওঁক। মহাবিদ্যালয় খনৰ শৈক্ষিক মানদণ্ড আৰু সামাজিক পৰিবেশ উন্নীত হোৱাৰ লগতে সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

"জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে-
প্ৰণয় জ্যোতি কাশ্যপ
সম্পাদক, সমাজ সেৱা বিভাগ

বি ভা গী য় প্র তি বে দ ন

# চাৰুকলা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই মহাবিদ্যালয় গঢ়ি উঠিছিল, তেওঁলোকলৈ গভীৰশ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। লগতে যি সকল ব্যক্তিয়ে দেশৰ নামত জীৱন উছৰ্গা কৰিলে সেইসকল লোকলৈ মোৰ অশ্ৰু অঞ্জলি যাছিলোঁ।

প্ৰতিবেদনৰ আৰম্ভনীতে মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া বীৰাঙ্গনা সকললৈ মোৰ শ্ৰদ্ধা নিবেদিছোঁ। লগতে ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয়ৰ লগত জড়িত যিসকল ব্যক্তি আমাৰ মাজৰ পৰা হেৰাই গ'ল সেই সকললৈ মোৰ শ্ৰদ্ধা আৰু সেৱা নিৱেদিছোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১০ আৰু ২০১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ চাৰু কলা বিভাগৰ সম্পাদিকা হিচাপে মহাবিদ্যালয় খনিলৈ সেৱা আগবঢ়াবলৈ সুবিধাকণ পালো, এই সুবিধাখিনি দিয়াৰ বাবে যি সকল বন্ধু-বান্ধৱীয়ে মোক সহায় কৰিলে তেওঁলোকক মই আন্তৰিক শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ মহাবিদ্যালয় সপ্তাহ। ২০১০-২০১১ বৰ্ষত অনুষ্ঠিত হোৱা 'মহাবিদ্যালয় সপ্তাহ' ৰ লগত সঙ্গতি ৰাখি অন্য বছৰৰ দৰে এইবাৰো বিভিন্ন ধৰণৰ প্ৰতিযোগিতা চাৰু কলা বিভাগৰ পৰা অনুষ্ঠিত কৰা হৈছিল। তাৰ ভিতৰত আছিল চিত্ৰাংকন, ক্ৰিবিক, ৰুমাল চিলাই প্ৰতিযোগিতা আদি। ইয়াৰ উপৰিও এখন প্ৰদৰ্শনীমূলক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত গামোছা, বোৱা চাদৰ-মেখেলা, বাঁহ-বেতৰ সামগ্ৰী, পুতলা, কাগজেৰে বনোৱা সামগ্ৰী আদি আছিল। এই প্ৰতিযোগিতা সমূহ মুকলি কৰিছিল চাৰুকলা বিভাগৰ তত্বাৱধায়িকা শ্ৰীবৰ্ণালী ডেকা বাইদেউৱে।

কৃতজ্ঞতাঃ- শেষত মোৰ কাৰ্যকালত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষ মহোদয় নাৰায়ন চন্দ্ৰ মুদৈ ছাৰ, তত্বাৱধায়কা শ্ৰদ্ধাৰ মাননীয়া শ্ৰীবৰ্ণালী ডেকা বাইদেউ, মহাবিদ্যালয়ৰ সকলো কৰ্মচাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয় সপ্তাহত মোক সততে সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱী - বাপা, নয়ন, জয়শ্ৰী, নেচমিম্ নাজমিন মিনু, আৰু কাবেৰী লগতে সকলো বন্ধু-বন্ধৱী তথা ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ দায়িত্ব আৰু কৰ্তব্য পালনত অজানিতে যদি কিবা ভুল কৰিছিলোঁ তাৰ বাবে মই ক্ষমা বিচাৰিছোঁ। শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"
"জয়তু মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে -
শ্ৰীহিমাশ্ৰী ডেকা
সম্পাদিকা, চাৰু কলা বিভাগ।

# মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে
# সম্পাদক আৰু তত্বাৱধায়কসকল

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্বাবধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰী দেৱীদাস নেওগ |
| ৩য় | ১৯৬১-৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-৬৪ | শ্ৰীতুৰাৰাম ডেকা | শ্ৰীদেৱীদাস নেওগ |
| ৬ষ্ঠ | ১৯৬৪-৬৫ | মঃ ফজলুল কৰিম | শ্ৰীদেৱীদাস নেওগ |
| ৭ম | ১৯৬৫-৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | শ্ৰীদেৱীদাস নেওগ |
| ৮ম | ১৯৬৬-৬৭ | শ্ৰীহেমকান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ৯ম | ১৯৬৭-৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১০ম | ১৯৬৮-৬৯ | শ্ৰীনৱেন হাজৰিকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১১শ | ১৯৬৯-৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১২শ | ১৯৭০-৭১ | শ্ৰীদীনবন্ধু শৰ্মা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১৩শ | ১৯৭১-৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৪শ | ১৯৭২-৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৫শ | ১৯৭৩-৭৪ | শ্ৰীভবেশ চন্দ্ৰ ডেকা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৬শ | ১৯৭৪-৭৫ | শ্ৰীজুৰণ চন্দ্ৰ কলিতা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৭শ | ১৯৭৫-৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৮শ | ১৯৭৬-৭৭ | শ্ৰীভৱকান্ত হাজৰিাক | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৯শ | ১৯৭৭-৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০ম | ১৯৭৮-৭৯ | শ্ৰীশৈলেন্দ্ৰ কুঃ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰপ্ৰসাদ বৰুৱা |
| ২১ম | ১৯৭৯-৮১ | শ্ৰীপংকজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২ম | ১৯৮১-৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৱত চন্দ্ৰ শৰ্মা |
| ২৩ম | ১৯৮২-৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৪ম | ১৯৮৩-৮৪ | শ্ৰীদুলাল বৰুৱা | শ্ৰীভাৱত চন্দ্ৰ শৰ্মা |
| ২৫ম | ১৯৮৫-৮৬ | শ্ৰীশিৱপ্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৬ম | ১৯৮৬-৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | শ্ৰীমতিৰাম মেধি |
| ২৭ম | ১৯৮৭-৮৮ | শ্ৰীভৱেশ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৮ম | ১৯৮৮-৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্ৰিছ্ আলি |
| ২৯ম | ১৯৮৯-৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০ম | ১৯৯১-৯২ | শ্ৰীৰবিতা কুমাৰী মাজুডেকা | ইদ্ৰিছ্ আলি |
| ৩১ম | ১৯৯২-৯৩ | মঃ আমিনুল হক | ইদ্ৰিছ্ আলি |
| ৩২ম | ১৯৯৩-৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩ম | ১৯৯৪-৯৫ | শ্ৰীজয়ন্ত শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৪ম | ১৯৯৫-৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ্ আলি |
| ৩৫ম | ১৯৯৬-৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬ম | ১৯৯৭-৯৮ | শ্ৰীঅৰুণ শৰ্মা | শ্ৰীমতিৰাম মেধি |
| ৩৭ম | ১৯৯৯-৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড° বিজয় কুমাৰ শৰ্মা |
| ৩৮ম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯ম | ২০০০-০১ | শ্ৰীপ্ৰবীণ বৰুৱা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৪০ম | ২০০১-০২ | সম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১ম | ২০০৩-০৫ | শ্ৰীচিন্ময় বৰুৱা<br>শ্ৰীদেৱৰ্ষি ডেকা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪২ম | ২০০৬-০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৩ম | ২০০৭-০৮ | শ্ৰীজয়ন্ত ডেকা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৪ম | ২০০৮-০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৫ম | ২০০৯-১০ | শ্ৰীমানৱ জ্যোতি চহৰীয়া | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪৬ম | ২০১০-১১ | মঃ হামিদুৰ ৰহমান | ড° সৰযুপ্ৰিয়া দেৱী |

# General Secretaries from 1951-52 to 2010-11 of Mangaldai College Students' Union

| | | |
|---|---|---|
| 1. | Sri Harendra Nath Sarma | 1951-'52 |
| 2. | Sri Anandi Sarma | 1952-'53 |
| 3. | Sri Siba Sarmah | 1953-'54 |
| 4. | Record not available | |
| 5. | Record not available | |
| 6. | Sri Prabin Deka | 1956-'57 |
| 7. | Sri Rudra Sahariah | 1957-'58 |
| 8. | Sri Girindra Baruah | 1958-'59 |
| 9. | Sri Budhiram Deka | 1959-'60 |
| 10. | Sri Rabindranath Sarmah | 1960-'61 |
| 11. | Sri Tarun Kumar Deka | 1961-'62 |
| 12. | Sri Dipak Kumar Sarma | 1962-'63 |
| 13. | Sri Lakshi Kanta Hazarika | 1963-'64 |
| 14. | Sri Lakshi Kanta Hazarika | 1964-'65 |
| 15. | Sri Gopal Ch. Baruah | 1965-'66 |
| 16. | Sri Kushal Medhi | 1966-'67 |
| 17. | Sri Gobindra Ch. Boro | 1967-'68 |
| 18. | Sri Satyandra Kr. Bora | 1968-'69 |
| 19. | Sri Sadhi Ram Bora | 1969-'70 |
| 20. | Sri Bipin Ch. Rajbongshi | 1970-'71 |
| 21. | Abdul Rezek | 1971-'72 |
| 22. | Hareswar Bora | 1972-'73 |
| 23. | Muslimuddin Ahmed | 1973-'74 |
| 24. | Zoii Nath Sarmah | 1974-'75 |
| 25. | Upen Sahariah | 1975-'76 |
| 26. | Atul Chandra Goswami | 1976-'77 |
| 27. | Juran Chandra Kalita | 1977-'78 |
| 28. | Sat Ram Nath | 1978-'79 |
| 29. | Mahendra Mohan Chodhury | 1979-'80 |
| 30. | Mahendra Mohan Chodhury | 1980-'81 |

| | | |
|---|---|---|
| 31. | Apurba Kr. Sarmah Baruah | 1981-'82 |
| 32. | Mahendra Mohan Chodhury | 1982-'83 |
| 33. | Dharma Kanta Sarma | 1983-'84 |
| 34. | Bhargav Kr. Das | 1984-'85 |
| 35. | Prasanna Kumar Saikia | 1985-'86 |
| 36. | Pranab Bardoloi | 1986-'87 |
| 37. | Upen Goswami | 1987-'88 |
| 38. | Kailash Baruah | 1988-'89 |
| 39. | Mun Goswami | 1989-'90 |
| 40. | Hitesh Hazarika | 1990-'91 |
| 41. | Arun Deka | 1991-'92 |
| 42. | Nalini Sahariah | 1992-'93 |
| 43. | Bhaben Kr. Deka | 1993-'94 |
| 44. | Ganesh Dutta | 1994-'95 |
| 45. | Simanta Kr. Deka | 1995-'96 |
| 46. | Pranab Baruah | 1996-'97 |
| 47. | Hiren Deka | 1997-'98 |
| 48. | Dibyajyoti Bora | 1998-'99 |
| 49. | Hitesh Kr. Deka | 1999-2000 |
| 50. | Dwipkishore Saikia | 2000-'2001 |
| 51. | Dwipkishore Saikia | 2001-'2002 |
| 52. | Mukut Ch. Baruah | 2002-'2003 |
| 53. | Mintu Baruah | 2003-2004 |
| 54. | Chinmoy Baruah | 2004-2005 |
| 55. | Tapan Mahanta | 2005-2006 |
| 56. | Manoj Hazarika | 2006-2007 |
| 57. | Ritupurna Kalita | 2007-2008 |
| 58. | Jugabrat Baruah | 2008-2009 |
| 59. | Pulakesh Hazarika | 2009-2010 |
| 60. | Kishor Saikia | 2010-2011 |




Printed at Maa Bhabanee Offset, Bhebarghat, Mangaldai